৪৫ তম্

# জ্যোতিষ্মান

গোলাঘাট বাণিজ্য মহাবিদ্যালয় আলোচনী

২০১৬-১৭ বৰ্ষ



সম্পাদক

সাগৰিকা শইকীয়া


# গোলাঘাট বাণিজ্য মহাবিদ্যালয় সমবেত সংগীত

**গীতিকাৰ ঃ পোনাৰাম নেওগ**
**প্ৰতিষ্ঠাপক অধ্যক্ষ**

জেউতি চৰাই যাওঁ
জেউতি চৰাই যাওঁ
দুবৰি বনৰ পাতৰ আঁৰত
কিজানি মুকুতা পাওঁ।
জেউতি চৰাই যাওঁ।।

ভৱ সাগৰৰ বুকুত আমি
পাল তৰি ল'লোঁ নাও
পাল ফাটি গ'লে ব'ঠা বাই বাই
সিপাৰে কি আছে চাওঁ;
জেউতি চৰাই যাওঁ।।

মুক্ত আকাশত হংসৰ জাক
অসীম তৃষ্ণাতুৰে
আমাৰ চকুতো অসীম দৃষ্টি
লক্ষ্য বহু দূৰে
যাওঁ আগুৱাই যাওঁ।
জেউতি চৰাই যাওঁ।।




নৱ জেউতিৰ পৰশত সৌৰা
মৰহা কংকালে জীৱন পালে
বন্ধ আত্মা জিকাৰি উঠিল
মুকুতা মহা সংগীত দলে
শ্মশানত আমি গোলাপী সৌৰভ
বিলাই বিলাই যাওঁ।
জেউতি চৰাই যাওঁ।।

জয়ধ্বনি কৰা সবে
জয় মানৱৰ জয়
জয়ধ্বনি কৰা সবে
প্ৰতিষ্ঠাতাৰ জয়।

এই মন্দিৰত সোমাই আহা
জ্ঞান-পূজাৰীৰ দল,
পণ কৰা হে দীন-দুখীয়াক
বিলাম নতুন বল
সেৱাৰ মহিমা গাঁও।
জেউতি চৰাই যাওঁ।।

৪৫ তম

# জ্যোতিষ্মান

গোলাঘাট বাণিজ্য মহাবিদ্যালয় আলোচনী

২০১৬-১৭ বৰ্ষ

শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছাৰে...

শ্ৰী/শ্ৰীমতী..........................................................................

..........................................................................ৰ হাতত


'জ্যোতিষ্মান'ৰ এই সংখ্যাটি অৰ্পণ কৰিলোঁ।

সম্পাদক
সাগৰিকা শইকীয়া

**Golaghat Commerce College Magazine**

**JYOTISMAN :**

Annual Magazine of Students' Union, Golaghat Commerce College. Edited by Sagarika Saikia, Published on Behalf of Students' Union 2016-2017, Golaghat Commerce College. Printed at Jagaran Printers, Golaghat, 45th issue, 2016-2017



# সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° যতীন্দ্ৰ নাথ শইকীয়া |
| উপদেষ্টা | ঃ | ড° জীৱনজ্যোতি কাকতি |
| | | ড° নৱমী গগৈ |
| | | জোনটি দুৱৰা |
| সম্পাদক | ঃ | সাগৰিকা শইকীয়া |
| ছাত্ৰ সদস্য | ঃ | নন্দিনী গুপ্তা |
| | | বিকাশ শইকীয়া |
| | | কাকুমণি কটকী |
| বেটুপাত | ঃ | বিকাশ শইকীয়া |
| সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| অলংকৰণ | ঃ | পুলক বৰচেতিয়া |
| প্ৰকাশক | ঃ | ছাত্ৰ একতা সভা ২০১৬-১৭ বৰ্ষ, গোলাঘাট বাণিজ্য মহাবিদ্যালয় |
| মুদ্ৰণ | ঃ | জাগৰণ প্ৰিণ্টাৰ্চ্ছ, গোলাঘাট |
| | | Email - rantujagaran1@gmail.com |

বিঃ দ্ৰঃ আলোচনী 'জোতিষ্মান'ত প্ৰকাশ পোৱা লেখনী সমূহৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# শ্ৰদ্ধাঞ্জলি



**প্ৰয়াত ড° ৰাজীৱ লোচন বৰা**

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা ইংৰাজী বিষয়ৰ প্ৰৱক্তাৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি থকা অৱস্থাত এই গৰাকী আজীৱন শিক্ষাব্ৰতীয়ে আমাক কন্দুৱাই পৰলোকলৈ গমন কৰে। মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে শ্ৰদ্ধা জ্যেষ্ঠ সদস্য গৰাকীৰ প্ৰতি আমি শোকাশ্ৰুৰে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

# উৰ্ছগা

অন্যায়ৰ বিৰুদ্ধে আপোচহীনভাৱে সংগ্ৰাম কৰি যোৱা
প্ৰতিজন সংগ্ৰামী হাতত এই সংখ্যাৰ জ্যোতিষ্মান উৰ্ছগা কৰা হ'ল।

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
e.Mail: alak@dibru.ac.in

Ref. No.DU/VC/M/073/17//350 Date: 08.09.2017

## শুভেচ্ছা বাণী

প্ৰতি,

**শ্ৰীমতী সাগৰিকা শইকীয়া,**
আলোচনী সম্পাদিকা,
ছাত্ৰ একতা সভা, ২০১৬-২০১৭ বৰ্ষ,
গোলাঘাট বাণিজ্য মহাবিদ্যালয়
জ্যোতি নগৰ, গোলাঘাট, অসম।

প্ৰিয় শ্ৰীমতী শইকীয়া,

উজনি অসমৰ এখনি লেখত ল'বলগীয়া মহাবিদ্যালয় তথা গোলাঘাট জিলাৰ বাণিজ্য শিক্ষাৰ এক অন্যতম প্ৰাণকেন্দ্ৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনিৰ 'জ্যোতিষ্মান' শীৰ্ষক আলোচনী এখনি প্ৰকাশৰ যো-জা চলাইছে বুলি জানিবলৈ পাই আমি সঁচাকৈয়ে সুখী হৈছো।

আমি আশা ৰাখিছো যে আলোচনীখনি মানবিশিষ্ট লেখনিৰে সমৃদ্ধ হৈ সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাব।

আলোচনীখনিৰ লগত জড়িত সকলোটিলৈকে আমাৰ শুভ-আশিস যাচিলোঁ।

(অলক কুমাৰ বুঢ়াগোহাঁই)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
e.Mail: alak@dibru.ac.in

Ref. No.DU/VC/M/073/17//350 Date: 08.09.2017

## শুভেচ্ছা বাণী

প্ৰতি,

শ্ৰীমতী সাগৰিকা শইকীয়া,
আলোচনী সম্পাদিকা,
ছাত্ৰ একতা সভা, ২০১৬-২০১৭ বৰ্ষ,
গোলাঘাট বাণিজ্য মহাবিদ্যালয়
জ্যোতি নগৰ, গোলাঘাট, অসম।

প্ৰিয় শ্ৰীমতী শইকীয়া,

উজনি অসমৰ এখনি লেখত ল'বলগীয়া মহাবিদ্যালয় তথা গোলাঘাট জিলাৰ বাণিজ্য শিক্ষাৰ এক অন্যতম প্ৰাণকেন্দ্ৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনিৰ 'জ্যোতিষ্মান' শীৰ্ষক আলোচনী এখনি প্ৰকাশৰ যো-জা চলাইছে বুলি জানিবলৈ পাই আমি সঁচাকৈয়ে সুখী হৈছো।

আমি আশা ৰাখিছো যে আলোচনীখনি মানবিশিষ্ট লেখনিৰে সমৃদ্ধ হৈ সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাব।

আলোচনীখনিৰ লগত জড়িত সকলোটিলৈকে আমাৰ শুভ-আশিস যাচিলোঁ।

অলক কুমাৰ বুঢ়াগোহাঁই

(অলক কুমাৰ বুঢ়াগোহাঁই)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

**অতুল বৰা**
মন্ত্ৰী
কৃষি, উদ্যান শস্য ও খাদ্য সংসাধন,
পশু পালন ও পশুচিকিৎসা, নগৰ উন্নয়ন
আৰু নগৰ ও গাঁও পৰিকল্পনা।

সত্যমেৱ জয়তে

অসম চৰকাৰ
ব্লক - চি, ভূমি মহলা,
অসম সচিবালয় (অঃ)
দিশপুৰ, গুৱাহাটী-৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০০৮



# শুভেচ্ছাবাণী

মই জানিবলৈ পাই আনন্দিত হৈছো যে গোলাঘাট চহৰৰ অগ্ৰণী শিক্ষানুষ্ঠান গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "জোতিস্মানৰ" আন বছৰৰ দৰে এইবেলিও ২০১৬-১৭ বৰ্ষৰ সংখ্যা প্ৰকাশ হব ।

ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সুপ্ত হৈ থকা লিখা মেলাৰ প্ৰতিভা বিকাশত শিক্ষানুষ্ঠানসমূহৰ আলোচনী সমূহ প্ৰথম আৰু উপযুক্ত মাধ্যম। শিক্ষাগুৰুসকলৰ উপদেশ মূলক লিখনিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক বিকাশত যথেষ্ট অৰিহণা যোগায়। আশাকৰো গৱেষণামূলক সৃষ্টি তথা সু-দিহা পৰামৰ্শমূলক লিখনিয়ে আলোচনী খনৰ সৌষ্ঠৱ বৃদ্ধি কৰিব। এই চেগতে মই মহাবিদ্যালয় খনৰ সমূহ ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা আৰু শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো ।

শেষত জোতিস্মানৰ আলোচনী খনৰ প্ৰকাশৰ ধাৰাবাহিকতা যাতে অক্ষুণ্ণ থাকে তাকে কামনা কৰিলো।

দিনাংক - ২৯/১১/২০১৭

(অতুল বৰা)

# অধ্যক্ষৰ শুভেচ্ছাবাণী

গোলাঘাট জিলাৰ মাজমজিয়াত অৱস্থিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে গোলাঘাটৰ লগতে সমগ্ৰ অসমৰ শৈক্ষিক জগতলৈ সক্ৰিয়তাৰে অৰিহণা আগবঢ়াই আহিছে। ষান্মাসিক পদ্ধতিৰ অত্যন্ত ব্যস্ততাপূৰ্ণ দিশসমূহৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ স্বকীয় প্ৰতিভাৰ কৰ্ষণে "জ্যোতিষ্মান" প্ৰতিষ্ঠাকালৰে পৰাই বৌদ্ধিক সমাজত উজ্জীৱিত হৈ আছে। মহাবিদ্যালয় একোখনৰ বাৰ্ষিক মুখপত্ৰখনে মহাবিদ্যালয়খনিৰ সমগ্ৰ দিশ উজ্বলাই তোলে। ছাত্ৰ-ছাত্ৰীৰ চিন্তা-চেতনা, সামাজিক দায়বদ্ধতাক সঠিক মাত্ৰা প্ৰদান কৰাত বাৰ্ষিক মুখপত্ৰৰ ভূমিকা অনস্বীকাৰ্য। বিগত বৰ্ষসমূহৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "জ্যোতিষ্মান"ৰ ৪৫তম সংখ্যাটি প্ৰকাশৰ বাবে প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পন্ন হৈছে বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছোঁ। এইক্ষেত্ৰত আলোচনী সম্পাদক সাগৰিকা শইকীয়াৰ লগতে মহাবিদ্যালয় পৰিয়ালৰ সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অনাগত সময়ত "জ্যোতিষ্মানে" বৌদ্ধিক সমাজত নতুন বিপ্লৱৰ সূচনা কৰক; এয়ে কামনা।

Principal
Golaghat Commerce College
Golaghat

ড° যতীন্দ্ৰনাথ শইকীয়া
**অধ্যক্ষ,**
**গোলাঘাট বাণিজ্য মহাবিদ্যালয়**
২৯/১১/২০১৭

# MESSAGE

**Dr. Paramananda Sharma**
**Vice-Principal**

**M : 94350-90092**
**8761909856**
**Email-paramanandasharma@gmail.com**

I am extremely elated to know that the annual magazine of Golaghat Commerce College is being brought out as per the tradition every year. I hope our magazine will be able to find popularity amongst our student as always despite the influx of e-magazine easily available on the internet. The magazine which is no less than a window into the very soul of our college is being brought out by the editorial board with the extreme care and hard work for which I would like to congratulate all those involved from the core of my heart and wish all the luck for the success of the magazine.

Dr. Paramananda Sharma
**Vice-Principal**
**Golaghat Commerce College**



সভাপতি
ড° যতীন্দ্রনাথ শইকীয়া



উপদেষ্টা
ড° জীৱনজ্যোতি কাকতি



উপদেষ্টা
ড° নৰমী গগৈ



উপদেষ্টা
জোনটি দুৱৰা

# সম্পাদনা সমিতি



সম্পাদক
সাগৰিকা শইকীয়া



সদস্য
বিকাশ শইকীয়া



সদস্য
নন্দিনী গুপ্তা



সদস্য
কাকুমণি কটকী

# মহাবিদ্যালয় সপ্তাহত পুৰস্কাৰপ্ৰাপ্ত প্ৰাচীৰ পত্ৰিকা



ইতিহাস বিভাগ (প্ৰথম পুৰস্কাৰ)



ভূগোল বিজ্ঞান বিভাগ (দ্বিতীয় পুৰস্কাৰ)




অসমীয়া বিভাগ (তৃতীয় পুৰস্কাৰ)

## আলোকচিত্ৰ ঃ



ৰিংকী দাস (মানৱ সম্পদ পৰিচালনা বিভাগ)



নাজিয়া ৰহমান (ইংৰাজী বিভাগ)



জোনটি দুৱৰা (হিন্দী বিভাগ)



নীতিমা শৰ্মা (ভূগোল বিজ্ঞান বিভাগ)



ভাস্কৰ কাকতি (ৰাজনীতি বিজ্ঞান বিভাগ)



প্ৰণৱ পাঠৰী (ইতিহাস বিভাগ)



মহাবিদ্যালয় প্ৰাঙ্গন
ফটো ঃ অংশুমান বৰা



ফটো ঃ মৃত্যুঞ্জয় বৰা



চিত্ৰ অংকন ঃ দিয়াজ সোণোৱাল

# ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



উপ-সভাপতি
মৃন্ময় শইকীয়া



সাধাৰণ সম্পাদক
দেৱাশীষ সাহা



সহকাৰী সাধাৰণ সম্পাদক
মাধূৰ্য্য কলিতা



আলোচনী সম্পাদক
সাগৰিকা শইকীয়া



সাংস্কৃতিক সম্পাদক
প্ৰিয়প্ৰতীম ফুকন



তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক
বাবলী বেগম



ক্ৰিকেট আৰু ফুটবল সম্পাদক
সমুজ্জ্বল বৰা



সাধাৰ খেল বিভাগ সম্পাদক
সুমন চৌহাই



লঘু আৰু ক্ৰীড়া সম্পাদক
ৰিম্পী কলিতা



সংগীত বিভাগৰ সম্পাদক
আফজল হুছেইন



সমাজসেৱা সম্পাদক
মায়া গোৱালা



ছাত্ৰ জিৰণি কোঠা সম্পাদক
পিণ্টু শ্বাহ



ছাত্ৰী জিৰণি কোঠা সম্পাদক
নাজিমা বেগম



অধ্যক্ষ
ড° যতীন্দ্ৰনাথ শইকীয়া



উপাধ্যক্ষ
ড° পৰমানন্দ শৰ্মা




মহাবিদ্যালয়ৰ
শিক্ষক গোটৰ
একাংশ



মহাবিদ্যালয়ৰ
কৰ্মচাৰীবৃন্দ

# সূচীপত্ৰ


- সম্পাদকীয় ১৩

ইতিহাস

- গোলাঘাট জিলাৰ ইতিহাস আৰু বৰ্তমান — ✍ ৰুমী প্ৰভা বৰা ১৫
- বুৰঞ্জীপ্ৰসিদ্ধ শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰৰ ইতিবৃত্ত — ✍ ৰিণ্টিমণি শৰ্মা ১৯

সমাজ

- মিচিং সমাজৰ জীৱন আৰু জীৱিকাত মিচিং মহিলাৰ ভূমিকা — ✍ প্ৰণৱ পাঠৰী ২১
- আমি আধুনিক নে? — ✍ মামু শইকীয়া ২৭
- **Key to Prosperity** — ✍ Anurag Neog ২৮

শিক্ষা

- স্ত্ৰী-শিক্ষা ঃ অতীত আৰু বৰ্তমান — ✍ পূৰবী শইকীয়া ৩০

অৰ্থনীতি

- কেন্দ্ৰীয় বাজেট ২০১৮-১৯, এটি বিশ্লেষণ — ✍ মুনুমণি বৰুৱা ৩৩

আধ্যাত্মিকতা

- **Truth with Vedanta and Spirituality** — ✍ Atul Kumar Das ৩৭
- তুলসী — ✍ নেহা কুমাৰী গুপ্তা ৩৮

তথ্য প্ৰযুক্তি

- **IMPACT OF INFORMATION TECHNOLOGY (IT) ON THE KNOWLEDGE AND SKILL BASE OF AUTOMATED LIBRARIES STAFF** — ✍ Bimal Chandra Pathak ৩৯

পৰিৱেশ

- বন্যপ্ৰাণী সংৰক্ষণৰ আৱশ্যকতা — ✍ শিল্পী গগৈ ৪১

পৰ্যটন

- **Tourist Places of Assam** — ✍ Shibani Saikia ৪২

চিন্তন

- **Immigration in Assam** — ✍ Muskan Gupta ৪৪

# সূচীপত্ৰ


## দৃষ্টিপাত

- শিক্ষা গ্ৰহণত শ্ৰদ্ধা আৰু ভক্তিৰ প্ৰয়োজনীয়তা — ✍ সঞ্জীৱ চাহু — ৪৫
- মাতৃভাষাৰ গুৰুত্ব — ✍ স্মৃতি গোহাঁই — ৪৬

## ক্ৰীড়া-ব্যক্তিত্ব

- **M.S Dhoni (a successful captain)** — ✍ Lawrence Kumar — ৪৭

## স্বাস্থ্য

- **Depression-a demon** — ✍ Neha Jaiswal — ৪৮

## সংস্কৃতি

- भारत की विरासत — ✍ अंकित पटवा — ৪৯

## জীৱনী

- ষ্টিফেন হকিংৰ জীৱনৰ চমু আভাস — ✍ দীপাঙ্কৰ দুৱৰা — ৫১

## কথোপকথন

- পদ্মশ্ৰী, অৰণ্য মানৱ যাদৱ পায়েঙৰ লগত কথোপকথন — ৫৩

## ছন্দশিল্প

- তোমালোকৰ বাবে এটা কবিতা — ✍ ড° দীপালি গগৈ — ৫৭
- স্মৃতি — ✍ ৰীমাৰেখা বুঢ়াগোহাঁই — ৫৭
- তোমাৰ চাদৰৰ আঁচলত — ✍ নূপুৰ ৰাণী গগৈ — ৫৮
- যাত্ৰা — ✍ কান্তাপ্ৰিয়া ফুকন — ৫৮
- মই কেতিয়াও বিমুখিত নহওঁ — ✍ সাগৰিকা বৰা — ৫৯
- মৃত্যু — ✍ মৃগাংক শইকীয়া — ৫৯
- বিষাদ নিশা — ✍ দীপশিখা গোহাঁই — ৬০
- সপোন — ✍ পিণ্টু চুতীয়া — ৬০
- আশাৰ ৰাগিনী — ✍ জাগৃতি ভূঞা — ৬১
- তুমি — ✍ ছাজিদ আলম তালুকদাৰ — ৬১
- তোমাৰ হিয়াৰ উকা কাগজৰ ছবি — ✍ মামু শইকীয়া — ৬২
- আশাৰ তীৰ্থ — ✍ নাচিৰ আহমেদ — ৬২
- কাঁহটীয়া নেমুজোপা — ✍ ৰেলচন ইংতি — ৬৩

সূচীপত্ৰ


| | | |
|---|---|---|
| লক্ষ্যাভিমুখী | জেফৰিন আহমেদ | ৬৩ |
| সুভং শক্তি | অবিনাশ বৰুৱা | ৬৪ |
| স্মৃতি | কুল বৰা | ৬৪ |
| **The Metamorphosis** | Swadhinata Gogoi | ৬৫ |
| ফাগুনৰ আকুতি | দেৱাশীষ বৰা | ৬৫ |
| **FRIENDSHIP** | Lawrence Kumar | ৬৬ |
| **The One** | Neha Jaiswal | ৬৬ |
| **Unity** | Gaurav Dey | ৬৭ |
| **A TEACHER** | Manish Mandal | ৬৭ |
| **Back to the days** | Nandini Gupta | ৬৮ |
| **The empty page of my life...** | Debashis Kaushik | ৬৮ |
| **Identity** | Bidyut Sarma | ৬৯ |
| **Sister's love** | **Ankita Agarwalla** | ৬৯ |
| दोस्तों कभी रूकना नहीं | सागरिका बोरा | ৭০ |
| शिक्षा के महत्व | वाहिदा बेगम | ৭০ |
| बचपन | खुशबु अग्रवाल | ৭১ |
| माँ | प्रियंका दास | ৭১ |
| अग्निपथ | मन्टु गौड़ | ৭২ |
| नम आँखों की दास्ता | नन्दिनी गुप्ता | ৭২ |
| भ्रष्टाचार | निखिल जालान | ৭৩ |
| हम हमेशा दोस्त रहेंगे | आकाश देवनाथ | ৭৩ |
| बोल कबुतर गुटर गुँ | प्रियंका गुप्ता | ৭৪ |
| राष्ट्रीय सेवा योजना | जयनाथ बारिक | ৭৪ |


## কথাশিল্প


| | | |
|---|---|---|
| দোমোজা | কাকুমনি কটকী | ৭৫ |
| হৃদয়ে বিচাৰে কি.....? | দীপশিখা গোহাঁই | ৭৮ |
| সেন্দূৰ | ফণীধৰ শইকীয়া | ৮৭ |

সূচীপত্ৰ


| | | |
|---|---|---|
| আত্মসংশোধন | ✍ ৰাজ বৰা | ৯০ |
| এই মৃত্যুৰ বাবে কোন দায়ী ? | ✍ সাগৰিকা বৰা | ৯১ |
| **Ardour for a lifeless** | ✍ Rupam Saikia | ৯৩ |

**অনুবাদ গল্প**

| | | |
|---|---|---|
| দুই ভাই | ✍ প্ৰত্যাশী বৰা | ৯৫ |

**ভ্ৰমণ**

| | | |
|---|---|---|
| **A Journey to Paradise** | ✍ Amlan Gohain | ৯৮ |

**গ্ৰন্থ সমালোচনা**

| | | |
|---|---|---|
| **BOOK REVIEW** | ✍ Dr. Jiban Jyoti Kakoti | ১০০ |
| দেওলাংখুই— ইতিহাসৰ এক পুনঃবিৰৰণ | ✍ মৌচুম গগৈ | ১০৪ |


**ক্ষেত্ৰ অধ্যয়ন**

| | | |
|---|---|---|
| ঐতিহাসিক কাছমাৰী অঞ্চলৰ ক্ষেত্ৰ অধ্যয়ন ঃ | ✍ স্মৃতিৰেখা বৰা | ১০৭ |

**অনুভৱৰ গদ্য আৰু অন্যান্য**

| | | |
|---|---|---|
| মুখা | | |
| **Stop Putting Your Parents in Old Age Homes !!** | ✍ জেফৰিণ আহমেদ | ১০৯ |
| NCC - A turning point | ✍ Nandini Gupta | ১১১ |
| रिश्तो में नकारात्मकता | ✍ Swati Baheti | ১১২ |
| **What can I do for a clean India?** | ✍ संस्कृति पाण्डे | ১১৩ |
| **Nepal Snow Saddle** | ✍ Yuktasree Boruah | ১১৪ |
| दोस्ती | ✍ Bidyut Sarma | ১১৫ |
| **Hardwork with Smartness** | ✍ सुस्मिता देव | ১১৬ |
| **Amazing and Interesting Facts in Mathematics** | ✍ Manish Mandal | ১১৭ |
| প্ৰতিবেদন | ✍ Dr. Karabi Devi | ১১৮ |
| | | ১১৯-১৩১ |

# সম্পাদকীয়



আমাক নৱজাগৰণ লাগে ঃ

আমি একবিংশ শতিকাৰ আধুনিক মানুহ। নতুনৰ পম খেদি এদিন চহৰলৈ ওলাই আহিলো। আধুনিকতাৰ পৰশত প্ৰাণ পাই উঠা চহৰৰ জাকমকতা দেখি প্ৰথমাৱস্থাত ভয় খাইছিলো। গাঁৰৰ বোকা-পানীত ডাঙৰ হোৱা আমাৰ হোজা মনবোৰ বিবুদ্ধিত পৰিছিল চহৰৰ যান্ত্ৰিকতাৰ মাজত নিজক এৰি দিবলৈ। লাহে লাহে নতুনত্ব বিৰাজিত চহৰৰ জাকজমকতাৰ মাজত যেন আমাৰ ৰং-বিৰঙী সপোনবোৰক বিচাৰিলৈ ধৰিলো। ক্ৰমান্বয় গাঁৰৰ সেন্দূৰীয়া আলিৰ বাটপথবোৰ আমাৰ মানসপটৰ পৰা ধূসৰ হ'বলৈ ধৰিলে। এখোজ-দুখোজকৈ আগুৱাই গ'লো পৰিৱৰ্তনৰ দিশে। নিজৰ কৃষ্টি-সংস্কৃতিবোৰ যেন ক্ৰমান্বয়ে আমাৰ বাবে বিৰক্তিকৰ হৈ পৰিল। আমোদ বিচাৰি পোৱা হ'লো পশ্চিমীয়া সংস্কৃতিৰ কাণ তাল মাৰি যোৱা বাদ্যযন্ত্ৰৰ শব্দবোৰৰ মাজত। পশ্চিমীয়া সংস্কৃতিৰ ভাল-বেয়া সকলো দিশ সামৰি আমাৰ সভ্যতা-সংস্কৃতিত অন্তৰ্ভুক্ত কৰিলো। কোনো কোনোৱে ইয়াক লৈ কটু সমালোচনা কৰিলে যদিও কোনো কোনোৱে সভ্যতা পৰিৱৰ্তনৰ সপক্ষে মতপোষণহে কৰিলে। যি কি নহওক মত-অমতৰ সত্ত্বেও বৰ্তমান আমাৰ সংস্কৃতি পশ্চিমীয়া সংস্কৃতিৰ গ্ৰাসত।

আজি একবিংশ শতিকাত সংস্কৃতিৰ শলিতাডাল খীন হৈ পৰিছে। কুলি-কেতেকীৰ বিননিত গা সাতখন-আঠখন কৰা অসমীয়াৰ হেঁপাহৰ বিহুটি যেন খবৰ নিদিয়াকৈয়ে অহা হ'ল। এমহীয়া বিহু চাৰিদিনীয়া হ'ল। বিহুৰ এমাহৰ আগৰ পৰা ঢেঁকীৰ মাতত ৰজনজনাই থকা গাঁওবোৰ এতিয়া শান্ত হৈ পৰিছে। আইৰ আখলৰ পিঠা পনাত জুতি নোপোৱা হ'লো। মহাত্মা গান্ধীয়ে কোৱাৰ দৰে আজিৰ অসমীয়া শিপিনীয়ে তাঁতৰ শালত স্বৰ্গৰ সপোন নৰচে। বৰঞ্চ সেইসয়মত ব্যস্ত হৈ তাকে ম'বাইল (স্মাৰ্ট ফোন) অথবা টিভি চিৰিয়েলৰ সপোনৰ দেশত।

গছ তলৰ বিহু গৈ মঞ্চ পালেগৈ। বিহু নামৰ সলনি এতিয়া নতুনকৈ আহিছে ৰেপ বিহু। গান সমূহত সস্তীয়া ভাষা শব্দৰ প্ৰয়োগে অসমীয়া গীতৰ ধাৰা সলনি কৰি দিছে। তাৰে একাংশই আকৌ সস্তীয়া জনপ্ৰিয়তাৰ স্বাৰ্থত হ'কে-বিহকে ৰচি গীত পৰিৱেশন কৰাত ব্যস্ত। মুঠতে সকলোৱে স্বাৰ্থৰ বাবে অসমীয়া সংস্কৃতিক বিজতৰীয়া কৰিবলৈ উঠি পৰি লাগিছে। ইয়াৰ মাজতো এনে একাংশ সচেতন ব্যক্তি আছে যিয়ে ইয়াক তীব্ৰস্বৰে প্ৰতিবাদ কৰিছে। কিন্তু সময়ে সময়ে তেওঁলোকো সন্মুখীন হয় বিভিন্ন বাক্যবাণৰ, আনকি কেতিয়াবা সংগীতৰ ওপৰত থকা জ্ঞানৰ পৰিসৰৰহে প্ৰমাণ দিব লগা হয়। এক কথাত ক'ব গ'লে আমাৰ সংস্কৃতি ভয়াবহতাৰ কবলত, দোষ আমাৰেই। সভ্যতা- সংস্কৃতিয়ে গ্ৰহণ বৰ্জনৰ মাজেৰে নতুন ৰূপ পায়। অসমীয়া সংস্কৃতিয়ে পশ্চিমৰ পৰা অহা কোনবোৰ সংস্কৃতিক আদৰি ল'ব আৰু কোনবোৰক অহা বাটেৰেই ওভোটাই পঠিয়াব সেয়াও এতিয়া বিচাৰ্য বিষয় হৈ পৰিছে। যাৰ বাবে আমি আমাৰ স্বকীয়তা হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছো। অনাগত দিনবিলাকত অসমৰ বাৰেৰহনীয়া সংস্কৃতিৰ জগতখনত এই পৰিৱৰ্তন কিমান দূৰ গ্ৰহণযোগ্য হ'ব তাত এক বিৰাট প্ৰশ্নবোধক চিহ্ন আহি পৰিছে।

এই চৰম বিপৰ্যয়ৰ সময়ত আমাক লাগে এক নৱজাগৰণৰ ঢৌ।

**মানৱতাৰ দুৰ্দিন ঃ**

অপেক্ষা মাথো, পুনৰ এক নতুন প্ৰভাতৰ। পুনৰ এক বিৰামহীন যাত্ৰাৰ বাবে আগবাঢ়ে ক্লান্তহীন মনবোৰ। ক্ষন্তেক সময় ৰৈ কাৰোবাৰ কাতৰ আহ্বানৰ প্ৰতি সঁহাৰি দিবলৈ কাৰো যেন আহৰিয়েই নাই? সকলো ব্যস্ত যান্ত্ৰিকতাৰ দেশত। আকাশে-বতাহে কেৱল বিজ্ঞানৰ জয়ধ্বনি। কিন্তু মানৱতাৰ জয়ধ্বনি ক'ত? মানৱতাৰ জয়ধ্বনি যেন এৰি থৈ আহিলো বকুল বুটলা দিনত। পিতাইৰ হুমুনিয়াহবোৰ গভীৰ হ'বলৈ ধৰিছে। আইৰ চকুলোয়ে বাট বিচাৰি হাহাকাৰ কৰিছে। ধূসৰ হৈ পৰিছে মানৱীয়তাৰ ছবিখন। বাঢ়ি অহা হত্যা, লুণ্ঠন, অপহৰণ, ধৰ্ষণৰ দৰে কাণ্ডবোৰে আকাশ বতাহ কঁপাই তুলিছে। নকৈ গাভৰুৰ সাজ পিন্ধা কন্যাৰ বাবে এতিয়া ঘৰখনে চিন্তিত হৈ পৰিছে। কি গাভৰু? কি বোৱাৰী? কি শিশু? একাংশই নাৰীৰ শ্লীলতা হানিৰ বাবে উঠি পৰি লাগিছে। সমন্ধৰ সেতুঁজালতো আউল লাগিছে। বংশ মৰ্যাদা পাহৰি সকলো ব্যস্ত হৈ পৰিছে পাৰস্পৰিক অৰিয়া-অৰিত। তাৰ মাজতে একাংশই সুৰা-ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই নৱপ্ৰজন্মক ভয়াবহতাৰ মুখলৈ থেলি দিছে। আনহাতে, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'মলক গুইন গুইন' গল্পৰ দৰে একাংশ মলকে সমাজখন অস্থিৰ কৰি তুলিছে। বসুমতীয়েও মানৱীয়তাৰ অভাৱত অস্থিৰ হৈ পৰিছে। এই সময়ত সময়ৰ সোঁতত হেৰাই যোৱা মানৱীয়তাৰ শিপাডাল বিচাৰি আনি পুনৰ অংকুৰণৰ প্ৰয়োজন আহি পৰিছে।


**অলপ ব্যক্তিগত ঃ**

প্ৰকৃততে আমি ভাষা সাহিত্যত দুখীয়া নেকি? সংৰক্ষণ কৰিব পাৰিছোনে! আমাৰ শংকৰদেৱ, মাধৱদেৱ, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোহাঞিৰ দৰে কাণ্ডাৰীসকলে এৰি থৈ যোৱা সাহিত্যৰ সমলবোৰক। ৰূপকোঁৱৰৰ ভাষাত 'ৰূপান্তৰেহে জগত ধুনীয়া কৰে' - কিন্তু এইয়া জানো বৰ্তমান সম্ভৱপৰ। এই ৰূপান্তৰে আমাৰ সাহিত্য জগত জাতিষ্কাৰ কৰি তুলিবনে? আজিও দেখোন আমাৰ সমাজৰ একাংশই নাজানে অসমীয়া ভাষাৰ উৎপত্তি স্থল। আন একাংশই নাজানে অসমীয়া ভাষাৰ বৰ্ণমালাৰ শাৰীক। বৰ্তমানেও অসমত অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰ স্বীকৃতি নিদিলে। ভুল কাৰ? একাংশই এতিয়াও এই দোষ জাপি দিয়ে প্ৰশাসক বিষয়াসকলৰ ওপৰত। কিন্তু এইয়া দোষ কেৱল তেওঁলোকৰ হয়নে? নিজৰ ভাষা শিক্ষাৰ প্ৰতি অনীহা বহুলোকৰে আছে। একাংশৰ মতে আকৌ অসমীয়া ভাষাত হেনো মনৰ ভাৱ সুন্দৰকৈ প্ৰকাশ কৰিব নোৱাৰি। যাৰ বাবে তেওঁলোকে ইংৰাজী ভাষাতহে ভাষাৰ বিনিময় কৰিহে ভাল পায়। আমাৰ মাজত এনে একাংশ গুণী-জ্ঞানী পিতৃ-মাতৃ আছে যিসকলে যিকোনো প্ৰকাৰে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰি গৌৰৱবোধ কৰে, আন একাংশই আকৌ সন্তানে অসমীয়া লিখিব-পঢ়িব নজনাৰ বাবে ফিতাহি মাৰি ফুৰে। ভাষাটোক শিকাৰ প্ৰতি, সঠিকভাৱে ব্যৱহাৰৰ প্ৰতি থকা অনিচ্ছায়ে জাতিটোক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। এইক্ষেত্ৰত বিজ্ঞানৰ চমকপ্ৰদ ম'বাইল ফোন, দূৰদৰ্শন আদিৰ লগতে দুই এখন বাতৰি কাকতেও ভাষাটো ধ্বংস হোৱাত অৰিহনা যোগাইছে। বাতৰি কাকত, আলোচনীৰ ফলক, দূৰদৰ্শন সকলোতে এতিয়া অসমীয়া ভাষাৰ অশুদ্ধ ৰূপ, বানানৰ বাৰেপাচি ভুল।

নৱপ্ৰজন্মৰ জৰিয়তে অসমীয়া ভাষালৈ কিছুমান নতুন শব্দৰ আৰম্ভ ঘটিছে। যি শব্দ সম্ভাৰে অসমীয় ভাষাৰ মানদণ্ডক নিম্নগামী কৰি তুলিছে। এই সময়ছোৱাত একাংশই সভা-সমিতিত অসমীয়া ভাষা সংস্কৃতি বিজতৰীয়া হৈছে বুলি উচ্চস্বৰে ভাষণ প্ৰদান কৰি ফুৰিছে। কেইটামান অসমৰ তথাকথিত সংবাদ মাধ্যমে আঠ বজাৰ পেনেলত বহি এঘণ্টীয়া টক শ্ব' আয়োজন কৰিয়েই দায়িত্ব সামৰিছে। এয়া আমাৰ জাতীয় সত্তাৰ প্ৰতি থকা মৰম-ভালপোৱা, আবেগ-অনুভূতিৰ প্ৰকৃত দৃশ্য। এই অস্থিৰ অৱস্থাৰ মাজতো এনেকুৱা এচাম নৱ প্ৰজন্ম আছে যি ভাষাৰ প্ৰয়োগৰ দিশত সচেতন, তেনেস্থলত সময় আহি পৰিছে জাতি সত্তাৰ অমূল্য সম্পদ নৱ প্ৰজন্মক সঠিক পথ দেখুওৱাৰ। আমাৰ জাতীয় জীৱনৰ কাণ্ডাৰীসকলে জাতি-মাটি-ভেটি সংৰক্ষণৰ বাবে চিন্তা কৰা উচিত। সকলোৰে মনত ৰখা উচিত যে ভাষা থাকিলেহে জাতি থাকিব, জাতি থাকিলেহে আমাৰ অস্তিত্ব থাকিব। ড° ভূপেন হাজৰীকাদেৱৰ গীতৰ ভাষাৰেই কওঁ -

"আমি অসমীয়া নহওঁ দুখীয়া বুলি
সান্ত্বনা লভিলে নহ'ব।
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।।"

ধন্যবাদেৰে
সাগৰিকা শইকীয়া




# গোলাঘাট জিলাৰ ইতিহাস আৰু বৰ্তমান

ৰুমী প্ৰভা বৰা

"গোলাঘাট" ইতিহাস গৰকা এখন ঠাই। এসময়ৰ এটা 'ঘাট'। এতিয়া এটা মহকুমা আৰু এখন জিলাৰ নাম। ঘাট বুলি ক'লেই ভাঁহি উঠে চকুৰ আগত এখন নদী। বিংশ শতিকাৰ মাজভাগত ৰাজস্থানৰ পৰা অহা মাৰোৱাৰী ব্যৱসায়ীসকলে ধনশিৰি নদীৰ পাৰতে 'গোলা'(দোকান) আৰম্ভ কৰিছিল। ঘাটত থকা গোলাৰ পৰাই গোলাঘাট নামটো উৎপত্তি হৈছে বুলি জনা যায়। ধনশিৰি নৈৰ পাৰৰ এই ঘাটতেই সময়ৰ সোঁতত গোলাঘাটৰ সভ্যতা আৰু সংস্কৃতি গঢ় লৈ উঠে।

গোলাঘাট জিলাৰ সৰুপথাৰৰ নগাজুৰিত উদ্ধাৰ হোৱা শিলালিপিৰ পৰা জানিব পাৰি যে ধনশিৰি উপত্যকাত ত্ৰয়োদশ শতিকাৰ পৰা আহোমসকলে ৰাজত্বৰ পাতনি মেলিছিল। আহোমসকলৰ আগতেই গোলাঘাটত কছাৰীসকলে শাসন কৰিছিল। আহোম সকলৰ ৰাজত্বৰ শেষৰ ফাললৈ বৃটিছসকলে অসমত ৰাজত্বৰ সূচনা কৰাত বৰ্তমানৰ গোলাঘাট জিলাখন প্ৰশাসনৰ সুবিধাৰ্থে মহকুমালৈ পৰিণত হয় আৰু স্বৰাজোত্তৰ সময়চোৱাত গোলাঘাট মহকুমাই ১৯৮৭ চনৰ ২৩ অক্টোবৰত জিলালৈ পৰিণত হয়। গোলাঘাটে পৰৱৰ্তী সময়ত তিনিটা মহকুমা গঠন কৰে আৰু মহকুমা সমূহ হ'ল- গোলাঘাট, বোকাখাত, ধনশিৰি। ইতিমধ্যে মেৰাপানীকো মহকুমাৰ মৰ্যাদা দিয়াত বৰ্তমান মহকুমা চাৰিটালৈ বৃদ্ধি হয়।

**গোলাঘাট জিলাৰ ভৌগোলিক বৰ্ণনা ঃ** অসমৰ জিলাসমূহৰ ভিতৰত গোলাঘাট জিলাখন সপ্তম বৃহৎ জিলা হিচাপে পৰিগণিত হৈছে। গোলাঘাট জিলাখনৰ মুঠ মাটিকালি ৩,৫০২ বৰ্গ কিঃমিঃ। প্ৰতি বৰ্গ কিলো'মিটাৰত ৩৫০ জন লোকে গড় হিচাপত বসবাস কৰি আছে। ভৌগোলিক অৱস্থানৰ দিশলৈ লক্ষ্য কৰিলেই ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত আৰু ধনশিৰি নদীৰ মাজৰ সমতল ভূমিভাগত বিস্তৃত হৈ আছে। জিলাখনৰ চাৰিসীমা বৰ্ণনাৰ পৰাও ভৌগোলিক প্ৰকৃতিৰ সম্পৰ্কত কিছু কথা অৱগত হ'ব পাৰি। গোলাঘাট জিলাখনৰ পূব দিশত যোৰহাট জিলা, দক্ষিণে নগাপাহাৰ, পশ্চিমে কাৰ্বি আংলং আৰু নগাঁও জিলা আৰু উত্তৰ

দিশত ব্ৰহ্মপুত্ৰ নদী বৈ আছে।

**গোলাঘাট জিলাৰ জনগাঁঠনি ঃ** গোলাঘাট জিলাৰ ২০১১ চনৰ লোকপিয়ল অনুসৰি মুঠ জনসংখ্যা হৈছে- ১০,৬৬,৮৮৮ জন। এই মুঠ জনসংখ্যাৰ ভিতৰত ৫,৪৩,১৬১ জন হৈছে পুৰুষ আৰু ৫,২৩,৭২৭ গৰাকী হৈছে মহিলা। এই জনসংখ্যা ৯.২% লোকেই চহৰ অঞ্চলত আৰু ৯০.৪% লোকে গাঁও অঞ্চলত বসবাস কৰে। নগৰ অঞ্চলত মুঠ শিক্ষাৰ হাৰ ৯১.৭% আৰু গ্ৰামাঞ্চলৰ শিক্ষাৰ হাৰ ৭৫.৯ শতাংশ।

গোলাঘাট জিলা অনেক ধৰ্মাৱলম্বীৰ বাসভূমি। গোলাঘাট জিলাৰ মুঠ জনসংখ্যাৰ পৰা জানিব পাৰি যে ৯১৭,৪২৬ (৮৫.৯৯ শতাংশ)জন হিন্দু, ৯০,৩১২(৮৪.৬ শতাংশ)জন মুছলমান, ৫০,৫৮২(৪.৭৪শতাংশ)জন খ্ৰীষ্টান, ১,১৩১(০.১১শতাংশ) জন শিখ, ৩,৮৬৩(০.৩৫শতাংশ) জন বৌদ্ধ, ৫৩০(০.০৫শতাংশ) জন জৈন, ১,৩৪৭ (০.১৩,শতাংশ) জন অন্যান্য ধৰ্মৰ আৰু ১,৬৯৭(০.১৬ শতাংশ) জন কোনো ধৰ্মৰ অন্তৰ্গত নহয়।

গোলাঘাট জিলাত বসবাস কৰি থকা বিভিন্ন জাতি-উপজাতি সমূহ হ'ল- ব্ৰাহ্মণ, কায়স্থ, আহোম, চুতীয়া, কোঁচ, কলিতা, মেছ, মুছলিম, মিচিং, ৰাভা, তিৱা, কাৰ্বি, কছাৰী (বড়ো, সোণোৱাল, ঠেঙাল) দেউৰী, নেপালী, ৰাজবংশী, চাহ জনগোষ্ঠী সম্প্ৰদায়, বিহাৰী, মাৰোৱাৰী, পাঞ্জাৱী, বেংগলী আদি।

গোলাঘাট জিলাৰ সমাজ সংস্কৃতি, বিভিন্ন জাতি-উপজাতিৰ সমন্বয়ৰ মাজেৰে গঢ়ি উঠিছে। ইয়াত বসতি কৰি থকা জাতি-উপজাতিসমূহে নিজা নিজা উৎসৱ-পাৰ্বণ পালন কৰে যদিও ইয়াৰ উপৰিও দুৰ্গা পূজা, কালী পূজা, গণেশ পূজা, শিৱ পূজা, ৰাসযাত্ৰা আদিকে ধৰি সকলো ধৰণৰ উৎসৱ-পাৰ্বণ পালন কৰা হয়। নিজস্ব উৎসৱ-পাৰ্বণসমূহ উদ্‌যাপন কৰাৰ উপৰি সকলোৱে অসমৰ জাতীয় উৎসৱ বিহু উদ্‌যাপন কৰা দেখা যায়।

গোলাঘাট জিলাত শিক্ষাৰ দিশত সহায় আগবঢ়োৱা কেইখনমান উন্নতমানৰ শিক্ষানুষ্ঠান আছে। ইয়াৰ ভিতৰত হৈছে- দেৱৰাজ ৰয় মহাবিদ্যালয়, গোলাঘাট বাণিজ্য মহাবিদ্যালয়, হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়, গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বি.এড. কলেজ, পলিটেকনিক কলেজ, আইন কলেজ, আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় ইত্যাদি।

**গোলাঘাট জিলাৰ নদ-নদী ঃ** ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ বিভিন্ন শাখা নদীসমূহে গোলাঘাট জিলাৰ অঞ্চলসমূহত আগুৰি আছে। এই নদীসমূহৰ ভিতৰত ধনশিৰি নদী গোলাঘাট জিলাৰ মুখ্য নদী। ধনশিৰি আৰু দৈয়াং নদী দুখন নগাপাহাৰৰ পৰা বৈ আহিছে আৰু গোলাঘাটৰ এঠাইত একেলগ হৈ গোলাঘাটৰ মাজেৰে হৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশত ব্ৰহ্মপুত্ৰ নদীৰ লগত সংযোগ হৈ প্ৰায়ে ১৫-২০ কিঃমিঃ দৈৰ্ঘৰ ধনশিৰি নদীখন গেলাবিল নদীৰ লগত সংলগ্ন হৈছে। গোলাঘাট জিলাৰ সীমাই দি কাকডোঙা নদী বৈ গৈছে। ইয়াৰ উপৰি নৈ উপনৈসমূহ হৈছে দিচৈ, কালিয়নী, ডিফুল, ৰেংমা, ঘিলাধাৰী, দৈগ্ৰোং, মেঙাজান আদি। গোলাঘাট জিলাৰ প্ৰধান বিল হৈছে- গেলাবিল। তাৰ উপৰি বিলসমূহ হৈছে- বৰবিল, ঘোঁৰাবিল, মেৰবিল, যোগীবিল, বোকাবিল, বৰনলনি, ৰজামাৰী ইত্যাদি।

**গোলাঘাট জিলাৰ বাট পথ ঃ** গোলাঘাট জিলাত যাতায়াতৰ সুচল ব্যৱস্থা আছে। গোলাঘাটৰ ধোদৰ আলিটো কমাৰগাঁৰৰ পৰা গোলাঘাট জিলাৰ সোঁ মাজেৰে কমাৰবন্ধা হৈ যোৰহাট জিলাৰ তিতাবৰ, খুমটাইৰ লগত সংলগ্ন হৈছে। এই সুদীৰ্ঘ বাটটো আহোমৰ স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল। ইয়াৰ আনুমানিক দৈৰ্ঘ ৪০-৫০ কিঃমিঃ। ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথটো নুমলীগড়ৰ পৰা গোলাঘাটৰ মাজেৰে ডিমাপুৰলৈ গৈছে। ইয়াৰ আনুমাণিক দৈৰ্ঘ ৫৫ বৰ্গ কিল'মিটাৰ আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো গোলাঘাট জিলাৰ মাজেদি বোকাখাত, দেৰগাঁও হৈ যোৰহাট জিলাত সোমাইছে। ইয়াৰ আনুমানিক দৈৰ্ঘ ৪৭ বৰ্গ কিঃমিঃ।

গোলাঘাট চহৰখনৰ লগত সংলগ্ন হ'ব পৰাকৈ বিভিন্ন বাট পথ নিৰ্মাণ কৰা হৈছে। গোলাঘাট জিলাৰ ৰাষ্ট্ৰীয় পথৰ উপৰি নগৰখনৰ লগত জিলাখনৰ বিভিন্ন ঠাইসমূহৰ লগত সংলগ্ন হ'ব পৰাকৈ নিৰ্মিত উপপথ সমূহ হৈছে— গোলাঘাট নগৰৰ পৰা ফৰকাটিং অভিমুখী তেঁতেলীতল হৈ জামুগুৰি তিনিআলিয়ে বৰপথাৰ হৈ সৰুপথাৰ (ধনশিৰি মহকুমা)ৰ বিভিন্ন উপপথসমূহৰ লগত সংলগ্ন হৈছে। জামুগুৰি তিনিআলিৰ পৰা দক্ষিণ-পূব দিশৰ অভিমুখে কাছমাৰী, চিচুপানী, ৰতনপুৰ, কদমগুৰি আৰু মেৰাপানী হৈ গোলাঘাটৰ ফৰকাটিঙৰ লগত সংযোগ হৈছে। গোলাঘাট আৰু দেৰগাঁও অভিমুখী পথটো হৈছে পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ। গোলাঘাট নগৰৰ পৰা দেৰগাঁৱলৈ ২২ কিল'মিটাৰ। দেৰগাঁৱত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংলগ্ন হৈছে। দেৰগাঁও চাৰিআলিৰ পৰা উত্তৰ দিশত ব্ৰহ্মপুত্ৰ অভিমুখে দিচৈ চাৰিআলিয়ে গৈ ব্ৰহ্মপুত্ৰৰ নদীত

সংযোগ হৈছে। উল্লেখনীয় যে এই পথেৰে অসম চৰকাৰৰ জলপৰিবহণ অৱস্থিতি আস্থান চিকাৰীঘাটত সংলগ্ন হৈছে। আকৌ দিচৈ চাৰিআলিৰ পৰা পশ্চিম দিশত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমান্তৰালকৈ অসম চৰকাৰৰ গড়কাপ্টানী বিভাগৰ অধীনস্থ পথটোৰে ৰঙাগড় আৰু মহুৰামুখত সংলগ্ন হৈ কমাৰগাঁৱত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংযোগ হৈছে। গোলাঘাট জিলাৰ মুখ্য নগৰ গোলাঘাটৰ পৰা উত্তৰ-পশ্চিম আৰু উত্তৰ-পশ্চিম দিশত দুটা উপপথে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংলগ্ন হৈছে। উত্তৰ দিশত শালমৰা খুমটাই, কমাৰগাঁও সংযোগী পথটো হৈছে-ধোদৰ আলি। কমাৰগাঁও আৰু নুমলীগড়ত গোলাঘাট নগৰৰ লগত সংলগ্ন পথকেইটিৰে জিলাখনৰ মহকুমা বোকাখাত আৰু কাজিৰঙাৰ লগত সংযোগ স্থাপন কৰিছে।

গোলাঘাট জিলাত বৰ্তমান বিমান বন্দৰৰ ব্যৱস্থা নাই যদিও ইয়াৰ নিকটৱৰ্তী বিমান বন্দৰটো যোৰহাট জিলাৰ ৰৌৰিয়াত অৱস্থিত। গোলাঘাট নগৰৰ পৰা ইয়াৰ দূৰত্ব আনুমানিক ৩৫-৪০ কিঃমিঃ।

গোলাঘাট জিলাত ৰে'ল পথৰ সু-ব্যৱস্থা আছে। গোলাঘাট জিলাৰ মাজেদি উত্তৰ-পূব সীমান্তৰ ৰেলপথ পাৰ হৈ গৈছে। গোলাঘাট জিলাৰ প্ৰধান ৰেল জংচন হৈছে ফৰকাটিং জংচন। গোলাঘাটৰ পৰা ফৰকাটিং অভিমুখী ৰে'লপথ সৰুপথাৰ হৈ বোকাজানৰ পৰা ডিমাপুৰলৈ গৈছে আৰু ফৰকাটিং জংচনৰ পৰা পূবে কমাৰবন্ধা হৈ তিতাবৰৰ লগত সংযোগ হৈছে আৰু ফৰকাটিঙৰ পৰা গোলাঘাট নগৰৰ মাজেৰে খুমুটাই হৈ যোৰহাট জিলাত সংযোগ হৈছে।

**গোলাঘাটৰ ইতিহাস প্ৰসিদ্ধ ঠাইসমূহ** ঃ অতি প্ৰাচীন কালৰ পৰাই বৰ্তমানৰ গোলাঘাট জিলাত বিভিন্ন ঐতিহাসিক ঠাইসমূহৰ অৱস্থিতিৰ বিষয়ে জানিব পৰা যায়। অৱশ্যে উপযুক্ত ঐতিহাসিক সমলৰ অভাৱত বিস্তৃত বৰ্ণনা দিয়াত অসুবিধা। গোলাঘাটত অৱস্থিত বিভিন্ন ধৰণৰ ঐতিহাসিক ঠাইসমূহ তলত বৰ্ণনা কৰা হ'ল—

(ক) দেওপাহাৰ
(খ) কাছমাৰীৰ ৰজাবাৰী
(গ) নেঘেৰীটিঙৰ শিৱ মন্দিৰ
(ঘ) সৰুপথাৰৰ নগাজুৰিৰ শিলালিপি
(ঙ) গণকপুখুৰী
(চ) ৰজাপুখুৰী
(ছ) জয়পুখুৰী
(জ) আঠখেলীয়া নামঘৰ
(ঝ) কাজিৰঙা
(ঞ) তেলীশাল।

এইবোৰৰ উপৰি গোলাঘাটত ধৰ্মপ্ৰসিদ্ধ অনুষ্ঠান যেনে- নামঘৰ, গীৰ্জা, দ'ল, সত্ৰ, থান আদিয়ে জিলাখনৰ ঐতিহাসিক গুৰুত্ব বৃদ্ধি কৰিছে।

**(ক) দেওপাহাৰ ঃ** গোলাঘাটৰ ঐতিহাসিক ঠাইসমূহৰ ভিতৰত দেওপাহাৰ অন্যতম। নুমলীগড়ৰ দেওপাহাৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ অধ্যয়নৰ যোগে ই নিশ্চিত হয় যে এসময়ত এই অঞ্চলটোত জনবসতিপূৰ্ণ আছিল। নুমলীগড় এই দেওপাহাৰৰ সন্মুখত থকা ফলকখনৰ অধ্যয়নৰ পৰা নিশ্চিত হয় যে এই অঞ্চলটি একাদশ আৰু দ্বাদশ শতিকাৰ পৰাই স্থাপত্য-ভাস্কৰ্যৰ এক কেন্দ্ৰ আছিল। অষ্টাদশ শতিকাত আহোম ৰজা চুহুংমুঙে দেওপাহাৰটিৰ চোৱাচিতাৰ দায়িত্ব কছাৰী ৰজা ডেটচুঙক অৰ্পণ কৰিছিল।

দেওপাহাৰৰ প্ৰাচীন ভাস্কৰ্যলিপিৰ ভিতৰত শিলত খোদিত উৰন্ত অপ্সৰা, বিষ্ণুৰ মোহনীয় লীলাভংগী, দ্বাৰপাল শিৱৰ বিবিধ ভংগী, গণেশ, যম, সূৰ্য, শনি মূৰ্তি, হাতীৰ ওপৰত দেৱ-দেৱীৰ নৃত্যৰত মূৰ্তি আদি। দেওপাহাৰৰ শৈল ভাস্কৰ্যসমূহৰ লগত গুপ্তযুগৰ ভাস্কৰ্য শৈলীৰ নিদৰ্শনৰ মিল আছে।

**(খ) কাছমাৰীৰ ৰজাবাৰী ঃ** গোলাঘাটৰ কাছমাৰী ৰজাবাৰী অঞ্চলত সিঁচৰতি হৈ আছে দশম-একাদশ শতিকাৰ প্ৰাচীন ভাস্কৰ্য শিল্পৰ কীৰ্তিচিহ্নসমূহ আৰু ৰজা-মহাৰজাসকলৰ কীৰ্তিচিহ্নসমূহ। কোন বংশৰ ৰজাৰ দিনত এই শিল্পাস্তম্ভসমূহ বিভিন্ন চিত্ৰৰে খোদিত কৰিছিল সেই বিষয়ে বৰ্তমান কোৱাটো কঠিন যদিও আহোম বুৰঞ্জীত উল্লেখ আছে যে ৰজাবাৰীৰ কেইটামান গোটা খুঁটা আকৃতিৰ সৰু আৰু সৰহ সংখ্যক চেপেটা খুঁটাৰ বিষয়ে। ৰজাবাৰীৰ শিলাস্তম্ভসমূহ ১৩-১৪ শতিকাৰ। শিলাস্তম্ভসমূহ হৈছে— বিজয় স্তম্ভ। অৰ্থাৎ যুদ্ধৰ জয় চিন স্বৰূপেই শিলাস্তম্ভসমূহ স্থাপন কৰিছিল।

**(গ) নেঘেৰীটিঙৰ শিৱ মন্দিৰ ঃ** নেঘেৰীটিং গোলাঘাট জিলাৰ অন্তৰ্গত এক ঐতিহাসিক অঞ্চল। নেঘেৰীটিং দেৰগাঁও নগৰৰ পৰা ৩ কিঃমিঃ দূৰত্বৰ পূবলৈ অৱস্থিত। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় ২ কিঃমিঃ উত্তৰলৈ নেঘেৰীটিঙৰ শিৱদৌলটো অৱস্থিত। দেৰগাঁৱৰ নেঘেৰীটিং অঞ্চলটো প্ৰধানকৈ আহোম ৰাজত্বকালত নিৰ্মিত শিৱদৌলৰ বাবে বিখ্যাত। টিং মানে হ'ল টিলা বা চূড়া। ১৭৮৮ চনত ৰাজেশ্বৰ সিংহই দেৰগাঁও অঞ্চলত

বাহৰ পাতি লৈ ব্যক্তিগত তত্বাৱধানত দৌল সজা আৰু পুখুৰী খন্দাৰ কাম কৰোৱাইছিল বুলি জনা যায়। ১৭৮৯ খ্ৰীষ্টাব্দত পৰৱৰ্তী ৰজা লক্ষীসিংহৰ ৰাজত্বকালত নেঘেৰীটিঙৰ শিৱদৌলটো নিৰ্মাণ কৰা হয়। নেঘেৰীটিঙৰ শিৱদৌলটোৰ কাৰুকাৰ্য অতি মনোৰম। দৌলটো চাৰিটা কোণত দুৰ্গা, বিষ্ণু, গণেশ আৰু সূৰ্যৰ চাৰিটা বেলেগ সৰু মন্দিৰ আছে। অৰ্থাৎ নেঘেৰীটিঙৰ মন্দিৰটোৰ ৫ জন দেৱ-দেৱীৰ মন্দিৰৰ সমাহাৰ ঘটিছে।

**(গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ঃ** অসমৰ প্ৰথমখন ৰাষ্ট্ৰীয় উদ্যান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এশিঙীয়া গঁড়ৰ বাবে পৃথিৱী বিখ্যাত। কাজিৰঙা নামটোৰ উৎপত্তি সম্বন্ধে জনশ্ৰুতি আছে যে কাজি আৰু ৰঙাই নামৰ এহাল দম্পতিয়ে এসময়ত সেই ঠাইত বাস কৰিছিল। আৰু তেওঁলোকৰ নাম অনুসৰি অঞ্চলটোৰ নাম পাছলৈ কাজিৰঙা হ'ল বুলি জনা যায়। কাজিৰঙা অঞ্চলত এসময়ত আহোমসকলে ৰাজত্বৰ পাতনি মেলিছিল। ভাৰতবৰ্ষ স্বাধীন হোৱা পিছতে ১৯৫০ চনৰ প্ৰমোদ উদ্যান হিচাপে কাজিৰঙাক বন্যপ্ৰাণীৰ অভয়াৰণ্য হিচাপে নামকৰণ কৰা হয়। ১৯৭৮ চনৰ ১১ ফেব্ৰুৱাৰীত কাজিৰঙা উদ্যানৰ মৰ্যাদা পায় আৰু ১৯৮৫ চনত কাজিৰঙা বিশ্ব ঐতিহ্য স্থানৰূপে স্বীকৃতি দিয়া হয়। কাজিৰঙা অভয়াৰণ্যত গঁড়ৰ উপৰি হাতী, বাঘ, বনৰীয়া ম'হ, দল হৰিণ, সুগৰী পহু আদিৰ লগতে বিভিন্ন প্ৰজাতিৰ সৰীসৃপ ফেটী সাপ, অজগৰ, প্ৰচুৰ পৰিমাণৰ মাছ-কাছ আৰু বিভিন্ন প্ৰজাতিৰ চৰাইৰ বাসভূমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক দেশৰ সৰ্বোত্তম পক্ষী নিবাস বুলি পক্ষীবিদসকলে আখ্যা দিছে।

**(ঘ) আঠখেলীয়া নামঘৰ ঃ** গোলাঘাট জিলাৰ ঐতিহাসিক ঠাইসমূহৰ ভিতৰত আঠখেলীয়া নামঘৰ অন্যতম। ইতিহাসে গৰকা আঠখেলীয়া নামঘৰৰ আৰম্ভণি কেতিয়া আৰু কেনেকৈ হৈছিল সেই কথা নিশ্চিতভাৱে কোৱাটো সম্ভৱ নহয়। শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত থকা পবিত্ৰ ভূমিখণ্ডত এসময়ত এজন সিদ্ধ পুৰুষৰ আশ্ৰম আছিল।

১৬৮১ খ্ৰীঃত গদাপাণি কোঁৱৰে সিংহাসন লাভ কৰাৰ পাছত সেই পুণ্য স্থানৰ কথা পাহৰা নাছিল। আৰু সেইকাৰণে তেওঁ সেই সন্ত লোকৰ সন্ধান নাপাই আঠটা পৰিয়ালক সেই আশ্ৰমভাগিৰ দায়িত্ব অৰ্পণ কৰে আৰু আঠটা পৰিয়ালে কালক্ৰমত বংশ বৃদ্ধি হৈ একোটাকৈ খেল বা কুড়ি সৃষ্টি হয়। এনেদৰে আঠখেলীয়া নামঘৰ সংৰক্ষিত ৰূপত সমাজত দাঙি ধৰা হয়।

**১৯৪২ চনৰ গণ আন্দোলনত গোলাঘাটৰ ভূমিকা ঃ** ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত গোলাঘাট জিলাৰ ৰাইজৰ অৱদান আছিল অপৰিসীম। এই আন্দোলনত অসীম অৰিহণা যোগোৱা ব্যক্তিসকল ভিতৰত ১৯৪৩ চনৰ ২৩ এপ্ৰিল তাৰিখে গোলাঘাট জিলাৰ পৰা যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত শ্বহীদ হোৱা ব্যক্তিসকলৰ ভিতৰত প্ৰথমজন শ্বহীদ কমলা মিৰি। গোলাঘাটৰ সৰুপথাৰত ৰে'ল বগৰোৱাৰ ঐতিহাসিক ঘটনাৰ বাবে কুশল কোঁৱৰক ব্ৰিটিছে দোষী সাব্যস্ত কৰি ১৯৪৩ চনৰ ১৫ জুন তাৰিখে ফাঁচি দি হত্যা কৰিছিল। তদুপৰি ১৯৪২ চনৰ গণ আন্দোলনৰ লগত জড়িত থকা গোলাঘাটৰ ব্যক্তিসকল হৈছে— শংকৰ বৰুৱা, বিজু বৈষ্ণৱ, গংগাৰাম বৰমেধি, তাৰাপ্ৰসাদ বৰুৱা, গৌৰীলাল জৈন, দ্বাৰিকা নাথ গোস্বামী, ৰাজেন্দ্ৰ নাথ বৰুৱা, ঘনশ্যাম শইকীয়া, ধৰ্মকান্ত ডেকা, বৈকুণ্ঠ সিং, সুৰেন ফুকন, তিলক বৰা, কমল কলিতা, কনক দাস, চৈয়দ সোণটি দেৱান, কমলা শৰ্মা হেমধৰ পাত্ৰবৰা, গংগাধৰ বৰঠাকুৰ ইত্যাদি।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত শ্বহীদসকলৰ নাম শ্বহীদৰ তালিকাত সোণালী আখৰেৰে লিখা হ'ল। তেওঁলোকৰ কৰ্মৰাজি আৰু দেশৰ প্ৰতি থকা অসীম দেশপ্ৰেমৰ বাবেই তেওঁলোক অমৰ হৈ ৰ'ল চিৰদিন।

**সামৰণি ঃ** গোলাঘাট অঞ্চলটো হৈছে দৈয়াং আৰু ধনশিৰি নৈৰ অৱবাহিকা। দৈয়াং ধনশিৰিৰ মিলনক লৈ সৃষ্টি হোৱা লোকগাঁথাক লৈ গঢ়ি উঠিছে গোলাঘাটৰ জীৱন আৰু সভ্যতা। "গোলাঘাট" এসময়ৰ ঘাটৰ পৰাই সময়ৰ সোঁতত আৰু জিলালৈ পৰিৱৰ্তিত হৈছিল। ভাষিক, সাংস্কৃতিক আৰু প্ৰাকৃতিক যাদুঘৰ স্বৰূপে গোলাঘাট জিলা সকলোৰে বাবে অন্যতম আকৰ্ষণৰ উৎস স্বৰূপ।

গোলাঘাটলৈ বিভিন্ন সময়ত মঠ-মন্দিৰ দৰ্শন কৰিবলৈ বিভিন্ন ঠাইৰপৰা পৰ্যটকসকলৰ আগমন ঘটে। সেইবাবে প্ৰকৃতিয়ে অকৃত্ৰিম হাতেৰে সৌন্দৰ্যমণ্ডিত কৰি ৰাখিছে অসম দেশক। অসমৰ বিভিন্ন জিলাসমূহৰ ভিতৰত গোলাঘাট জিলাই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে।

*বিঃদ্ৰঃ প্ৰবন্ধটো প্ৰস্তুত কৰিবলৈ দৈয়াং-ধনশিৰি (স্মৃতিগ্ৰন্থ)ৰ সহায় লোৱাৰ উপৰিও ইন্টাৰনেটৰ সহায় লোৱা হৈছে। ইতিহাস বিভাগৰ অধ্যাপক শ্ৰীযুত প্ৰণৱ পাঠৰীদেৱৰ সহযোগতো কিছু তথ্য সংগ্ৰহ কৰা হৈছে।*

স্নাতক প্ৰথম যান্মাসিক(কলা শাখা)

# বুৰঞ্জীপ্ৰসিদ্ধ শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰৰ ইতিবৃত্ত

ৰিণ্টিমণি শৰ্মা




ধৰ্মপ্ৰাণ সকলো লোকৰ অন্তৰত অতিশয় মধুৰ আৰু আদৰৰ স্থান পোৱা ধৰ্মীয় অনুষ্ঠানবিলাকৰ ভিতৰত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ অন্যতম। আঠখেলীয়া শব্দটি কিমান যে স্মৃতিৰে ভৰপূৰ, কিমান যে গৌৰৱ, কিমান যে শ্ৰদ্ধা, ভক্তিৰ ভাব, কিমান যে বিশ্বাস আৰু কিমান যে যশ-কীৰ্ত্তিৰে মহিমামণ্ডিত হৈ আছে, সেই সকলোবিলাক কথা বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। সেইবাবেই আজিও বিভিন্ন ঠাইৰ মানুহে শ্ৰীশ্ৰীআঠখেলীয়া বৰ নামঘৰৰ বুঢ়া ডাঙৰীয়া (লোক প্ৰচলন অনুসৰি)ৰ কথা কৈ শপত খায়।

বুৰঞ্জীয়ে গৰকা এই আঠখেলীয়া নামঘৰৰ আৰম্ভণি কেতিয়া আৰু কেনেকৈ হৈছিল সেই কথা নিশ্চিতভাৱে ঠাৱৰ কৰা সম্ভৱ নহয়। পূৰ্বপুৰুষৰ মৌখিক কথাৰ পৰা জানিবলৈ পোৱা মতে সম্প্ৰতি শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ থকা পবিত্ৰ ভূমিখণ্ডত এজন সিদ্ধ পুৰুষৰ আশ্ৰম আছিল। আহোমৰ তুংখুঙীয়া ফৈদৰ মহাসতী জয়মতীৰ স্বামী গদাপাণি কোঁৱৰে এই আশ্ৰমতে কিছুদিন আশ্ৰয় গ্ৰহণ কৰিছিল।

১৬৭০ খ্ৰীষ্টাব্দৰ পৰা ১৬৮১ খ্ৰীষ্টাব্দলৈকে আহোম ৰাজশক্তিৰ মহাসংকটে দেখা দিলে। সেই সময়ত চামগুৰিয়া



ফৈদৰ ১৪ বছৰীয়া কোঁৱৰ ল'ৰা ৰজাৰ শাসন চলিল। শহুৰেক লালুকসোলা বৰফুকনৰ প্ৰৰোচনাত ল'ৰা ৰজাৰ সিংহাসন নিষ্কণ্টক কৰিবৰ কাৰণে আহোমৰ ৰাজকোঁৱৰসকলক অঙ্গক্ষত কৰোৱা হৈছিল। কাৰণ সেই সময়ত অঙ্গক্ষত কোঁৱৰ ৰজা হ'ব নোৱাৰিছিল। এই কথাৰ সম্ভেদ পাই জয়মতী কুঁৱৰীয়ে তেওঁৰ স্বামী গদাপাণি কোঁৱৰক পলুৱাই পঠিয়ালে। আৰম্ভ হয় গদাপাণিৰ অজ্ঞাতবাস। তেতিয়া ছদ্মবেশ ধৰি গদাপানী কোঁৱৰ পাহাৰে-পৰ্বতে ঘূৰি ফুৰোঁতে হঠাৎ এদিন আহি সেই সিদ্ধ পুৰুষজনৰ আশ্ৰম পায়হি আৰু এই আশ্ৰমতে থাকিবলৈ লয়।

প্ৰবাদ আছে যে, গদাপানী কোঁৱৰক বিচাৰি বিচাৰি ল'ৰা ৰজাৰ চাউদাংহঁত এই ঠাই পাইছিলহি। কিন্তু আশ্ৰমৰ চাৰিওফালে বাঁহ, ইকৰাকে আদি কৰি গছ-গছনি আৰু ডাঠ মকৰাজাল আদিয়ে আবৃত হোৱাত মানুহ থকাৰ কোনো উমান নাপাই চাউদাংহঁত তাৰ পৰা অন্যদিশে গতি কৰিলে। সন্ত লোকৰ আশ্ৰয়ত থকা গদাপাণি কোঁৱৰ আশ্ৰমৰ পৰা ওলাই যাওঁতে আশ্ৰমৰ পথত আবৃত হৈ থকা ডাঠ মকৰাজাল আঁতৰাই বাহিৰত মানুহৰ অসংখ্য খোজৰ চিন আৰু দুই এপদ ৰজাঘৰীয়া মানুহৰ সৰঞ্জাম পাই তেওঁক বিচাৰি ফুৰা চাউদাংবিলাক বুলি নিঃসন্দেহে জানিব পাৰিলে। পাছত তেওঁ সন্তৰ সান্নিধ্য লাভৰ কাৰণেই ৰক্ষা পৰিল বুলি সন্তলোকৰ মাহাত্ম্য প্ৰকাশ কৰি নিজৰ সংকল্প সিদ্ধিৰ উদ্দেশ্যৰে অন্য স্থানলৈ গমন কৰিলে। ১৬৮১ খ্ৰীষ্টাব্দত গদাপানী কোঁৱৰে ৰাজ সিংহাসন লাভ কৰাৰ পাছতো এই পুণ্য স্থানৰ মহিমা পাহৰা নাছিল। সেই কাৰণে তেওঁ সেই সন্তলোকৰ সন্ধান নাপাই বিশেষ বিশেষ আঠটা পৰিয়ালৰ ওপৰতেই আশ্ৰমভাগিৰ ৰক্ষণাবেক্ষণ আৰু প্ৰতিপালনৰ দায়িত্ব অৰ্পণ কৰাৰ কথা পূৰ্বপুৰুষসকলৰ পৰা জানিব পৰা গৈছে। সেই আঠটা পৰিয়াল সমাজবদ্ধ হৈ ক্ৰমে বংশ বৃদ্ধি হোৱাৰ ফলত একো একোটা কুৰি (চুবুৰী)ত পৰিণত হয়। কালক্ৰমত এই আঠটা কুৰি বা খেলেই শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰলৈ পৰিবৰ্তিত হয়।

এই শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ একাদিক্ৰমে ভাগ কৰা আঠটা খেল বা কুৰি হ'ল, বচাকুৰি, বৈৰাগী কুৰি, ব্ৰাহ্মণ কুৰি, নাঙ্গল কুৰি, শলাল কুৰি, কছাৰী কুৰি, বৰাহী কুৰি আৰু কাকতি কুৰি।

প্ৰথম অৱস্থাত নামঘৰটো এটি সৰু মন্দিৰহে আছিল। মূলতঃ ১৯ শতিকাৰ পৰাহে নামঘৰৰ উন্নয়নমূলক আঁচনিৰ কাম আৰম্ভ হয় আৰু বহুতো লোকৰ একনিষ্ঠ সহায়-সহযোগতেই নৱনিৰ্মিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ নিৰ্মাণ কাৰ্যত অগ্ৰগতি লাভ কৰিছে।

বুৰঞ্জীপ্ৰসিদ্ধ এই ধৰ্মীয় অনুষ্ঠানভাগি বৰ্তমানৰ গোলাঘাট জিলাৰ অন্তৰ্গত ঘিলাধাৰী মৌজাত ঘিলাধাৰী মক্ৰং আৰু কাকডোঙা (দিলশিৰি) নদীৰ সঙ্গমস্থলত অৱস্থিত। বৰ্তমান ৰাইজৰ দান-বৰঙণি আৰু চৰকাৰৰ অনুদানেৰে শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ পূৰ্ণাংগ ৰূপ পাই অসমৰ এটি জাকত জিলিকা ধৰ্মীয় অনুষ্ঠান তথা পৰ্যটনস্থলী হিচাপে পৰিগণিত হৈছে।। ◆

স্নাতক প্ৰথম ষান্মাসিক (কলা শাখা)

# মিচিং সমাজৰ জীৱন আৰু জীৱিকাত মিচিং মহিলাৰ ভূমিকা

প্ৰণৱ পাঠৰী

বিশ্বৰ অন্যান্য সমাজ ব্যৱস্থাৰ দৰেই মিচিং সমাজো গতানুগতিক লিংগ বৈষম্য আৰু পৰম্পৰাগত দৃষ্টিভংগীৰে গঠিত। মানৱ সমাজ পুৰুষ-মহিলাৰ সমন্বয়ৰে সবলপ্ৰাপ্ত হয়। যিদৰে মহিলা সমাজ পুৰুষ সমাজৰ অবৰ্তমানত মূল্যহীন; ঠিক সেইদৰে পুৰুষ সমাজতো মহিলাসকলৰ অনুপস্থিতিত কল্পনা কৰিবই নোৱাৰি। তথাপিও মানৱ জীৱনৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে সমাজ পুৰুষসকলৰ দ্বাৰাই পৰিচালিত, নিয়ন্ত্ৰিত আৰু শাসিত হৈ আহিছে। ঠিক একেদৰে জীৱন আৰু জীৱিকাৰ আধাৰত মানৱ জীৱনৰ আঁতি-গুৰি বিশ্লেষণ কৰিলে দেখা যায় জীৱন আৰু জীৱিকা এটা আনটোৰ পৰিপূৰক। পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। জীৱন আৰু জীৱিকাৰ বিষয়ে অধ্যয়ন কৰিবলৈ হ'লে নিশ্চয় আমাক এটা প্ৰশ্নই খেলি-মেলিত পেলাব যে বিশ্বত জীৱৰ অস্তিত্ব প্ৰথমে পোৱা গৈছিল নে জীৱিকাৰ? এই ক্ষেত্ৰত পণ্ডিত সমাজো নিশ্চিতকৈ এক মতত উপনীত হ'ব পৰা নাই। যদিও কিবা সূত্ৰ আছে ই জ্ঞাত নহয়। অনুমানৰ আধাৰত নিশ্চিত হ'ব পাৰি যে জীৱ আৰু জীৱিকাৰ সৃষ্টি একেলগেই হৈছিল।

হিন্দু ধৰ্মীয় বিশ্বাস অধ্যয়ন আৰু বিশ্লেষণ কৰিলে দেখা যায় ব্ৰহ্মা-বিষ্ণু আৰু মহেশ্বৰ এই তিনিজনেই সৃষ্টিকৰ্তা তথা লালন-পালন কৰোঁতা। এই তিনিওজন ঈশ্বৰৰ লগত একোগৰাকীকৈ নাৰী সংযোজিত হৈ আছে। যেনে ব্ৰহ্মাৰ লগত সৰস্বতী, বিষ্ণুৰ লগত লক্ষ্মী আৰু মহেশ্বৰৰ লগত পাৰ্বতী। যাৰ অৰ্থ হ'ল পুৰুষ আৰু নাৰীৰ সহযোগিতাতে সমাজ সম্ভৱ। হিন্দু ধৰ্মত নাৰীক অনাদি কালৰ পৰাই যথোপযুক্ত সন্মান প্ৰদৰ্শন কৰি অহা দেখা যায়। হিন্দু ধৰ্মত নাৰীক সন্মান প্ৰদৰ্শন কৰিবৰ বাবেই নাৰীৰ সৃষ্টিকামী শক্তিক পূজা কৰা হয়। হিন্দু সমাজত প্ৰচলিত শক্তি পূজা ইয়াৰেই নিদৰ্শন। অৱশ্যে সময়ৰ সোঁতত হিন্দু সমাজত নাৰীৰ মৰ্যাদা বিভিন্ন কাৰণত নিম্নগামী হোৱাৰ নিদৰ্শন পোৱা যায়।

মিচিং লোক বিশ্বাস অনুসৰি কীয়ুমেই আছিল সৃষ্টিৰ প্ৰথম স্তৰ। কীয়ুম এনে এক অস্তিত্ব যাক জীৱ বা নিৰ্জীৱ বুলি ক'ব নোৱাৰি। পোহৰো ক'ব নোৱাৰি, এন্ধাৰো বুলিব নোৱাৰি। এনে ধৰণৰ এক শূন্যতাৰ পৰা কম্পন সৃষ্টিৰ দ্বাৰা বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছিল। কীয়ুমৰ পৰা বহুকেইটা পৰ্যায় পাৰ হৈ দঞিং-পঃল অৰ্থাৎ চন্দ্ৰ-সূৰ্যৰ সৃষ্টি হয়। সূৰ্যই মাতৃৰূপে আৰু পঃলই পিতৃ ৰূপত আবিৰ্ভাৱ হৈ তানি গোষ্ঠীৰ উত্তৰ পুৰুষক সৃষ্টি কৰে। এই তানি গোষ্ঠীৰ উত্তৰ পুৰুষৰ অন্যতম হ'ল মিচিংসকল। উল্লেখনীয় যে সূৰ্যই আমাৰ মাতৃ আৰু মাতৃৰ দায়িত্ব সমাজ তথা পৰিয়ালত অধিক। সেয়ে, সূৰ্যই মাতৃ ৰূপে আমাৰ লগত সদায় আহ-যাহ কৰি থাকে। অন্যহাতে পিতৃৰূপী- পঃল(চন্দ্ৰ)ৰ দায়িত্ব কম বাবে প্ৰতি ১৫ দিনৰ মূৰে মূৰে পৰিয়ালৰ মাজত ভূমুকি মাৰি পুনৰ আঁতৰি থাকে। একেদৰে মিচিং সমাজত পুৰুষ সমাজতকৈও মহিলাৰ কৰ্তৃত্ব আৰু দায়িত্ব অধিক। মহিলাসকলে ঘৰৰ কাম-বনৰ পৰা আৰম্ভ কৰি পথাৰলৈকে সকলোতেই পুৰুষ

সকলতকৈও অধিক দায়িত্ব আৰু কৰ্তব্য পালন কৰে।

মিচিং সমাজত পুৰুষতকৈয়ো নাৰীৰ ভূমিকা অধিক হোৱা স্বত্বেও সমাজ পৰিচালিত হয় পুৰুষসকলৰ দ্বাৰা। ঘৰুৱা উৎপাদনমূলক কাম-কাজতো পুৰুষ শক্তিতকৈও মহিলাই অধিক শ্ৰমদান কৰে যদিও উৎপাদনৰ সিংহভাগ ভোগ কৰাৰ সময়ত পুৰুষ সকলেহে অগ্ৰস্থান লাভ কৰে, যাৰ ফলত মহিলাসকল ন্যাৰ্যতাৰ পৰা বঞ্চিত হোৱা দেখা যায়। কৰ্ম সংস্কৃতিৰ ক্ষেত্ৰত পুৰুষ-মহিলাৰ শাৰীৰিক গঠন আৰু সামৰ্থনুসৰি কৰ্ম বিভাজন, সাজ-পাৰ পৰিধান আৰু আচাৰ-ব্যৱহাৰত পুৰুষ-মহিলাৰ মাজত পাৰ্থক্য দেখা যায়। এনে ধৰণৰ বৈষম্যই হয়তো মিচিং সমাজৰ নাৰী সমাজক বহু ক্ষেত্ৰত হেয় জ্ঞান কৰা পৰিলক্ষিত হৈছে। বৰ্তমান সময়ত পুৰুষ সমাজৰ লগে লগেই নাৰী সমাজো শিক্ষা-দীক্ষাত ক্ৰমান্বয়ে আগবাঢ়ি যোৱাৰ ফলত লিংগ বৈষম্যৰ পাৰ্থক্য সীমিত পৰিমাণে হ'লেও লাঘৱ হোৱা যেন লাগিছে। মিচিং সমাজতো ব্যৱসায়, বাণিজ্য, চাকৰি আৰু ৰাজনীতিত মহিলাই অংশগ্ৰহণ কৰাৰ প্ৰৱণতা দেখা গৈছে।

মিচিং সমাজত নাৰীৰ কৰ্ম-সংস্কৃতিৰ মূল্যায়নৰ সুবিধাৰ্থে নিম্ন উল্লিখিত ধৰণেৰে মহিলাৰ কৰ্মৰাজিক বিভক্ত কৰা হ'ল—

(ক) ঘৰুৱা কামত মিচিং মহিলাৰ ভূমিকা
(খ) কৃষিৰ পথাৰত মিচিং মহিলা
(গ) সমাজ কল্যাণমূলক কামত মিচিং মহিলাৰ ভূমিকা
(ঘ) ৰাজনৈতিক কৰ্ম
(ঙ) সাংস্কৃতিক কৰ্মত মিচিং


**(ক) ঘৰুৱা কামত মিচিং মহিলাৰ ভূমিকা ঃ**

মিচিং সমাজৰ ঘৰুৱা কামৰ প্ৰায়বিলাক কামৰ দায়িত্ব মহিলাসকলৰ ওচৰতেই ন্যস্ত থাকে। সেইবাবে মিচিং মহিলাক হিন্দু ধৰ্মৰ দেৱতা বিশ্বকৰ্মাৰ লগত তুলনা কৰিব পৰা যায়। মিচিং মহিলাৰ ঘৰুৱা কামবিলাক পুৰুষসকলৰ লগত তুলনা কৰিলে দেখা যায় যে মহিলাসকলে ৯০ শতাংশ কামেই সম্পাদন কৰে। ৰাতিপুৱা বিছনাৰ পৰা উঠাৰ লগে লগেই পৰম্পৰাগত মিচিং সমাজত মহিলাৰ প্ৰথম কাম হ'ল কঁকালত, মূৰত আৰু হাতত তিনিটাকৈ কলহ লৈ নদী ঘাটৰ পৰা পানী কঢ়িয়াই গোটেই পৰিয়ালটোৰ বাবে যোগান ধৰিব লাগে। সমাজৰ প্ৰচলিত বিশ্বাস যে ৰাতিপুৱা খালী কলহ পুৰুষে চুব নাপায়। কলহত পানী কঢ়িওৱাৰ পাছত মেৰাম সাৰি মচি জুই ধৰিব লাগে। মিচিং পৰম্পৰাগত সমাজত পুৰুষসকলৰ ৰাতিপুৱাৰ প্ৰধান কাম হ'ল— চিকাৰমূলক কামত ওলাই যোৱা। অন্যহাতে পানী কঢ়িওৱাৰ লগে লগেই মিচিং মহিলাই চাংঘৰৰ বাহিৰ ভাগ সাৰি-পুছি চাফচিকুণ কৰা। চাফচিকুণৰ কাম সম্পন্ন কৰাৰ পাছতেই ভঁৰালৰ গুচি ধান নমাই ভৰিৰে পকাই পকাই মাৰিব লাগে অথবা কৃপাৰত(উৰালত) ঢেঁকী থোৱাৰে ধান বনা কাম কৰিব লাগে। অৱশ্যে এনেবোৰ কামৰ নেতৃত্ব ঘৰৰ প্ৰধান মহিলাগৰাকীয়ে বহন কৰে। ঘৰত বোৱাৰী থাকিলে শাহুৱেকৰ আগতে বোৱাৰীয়ে বিছনা এৰিব লাগে। ঘৰৰ প্ৰধান মহিলাগৰাকীয়ে শোৱাপাটী এৰাৰ লগে লগে অন্যান্য মহিলাসকলে মুখ্য মহিলাগৰাকীক অনুসৰণ কৰা দেখা যায়। মিচিং পৰম্পৰানুসৰি শাহুৱেক জীৱিত থাকিলে বোৱাৰীয়েকক ভঁৰালত উঠিব দিয়া নহয়। যাৰ বাবে ৰাতিপুৱা বোৱাৰীয়ে শয়ন কক্ষ এৰাৰ লগে লগেই শাহুৱেকো উঠিব লগা হয়। অন্যহাতে পৰিয়ালৰ পুৰুষসকলে বিছনা এৰাৰ সময়লৈকে মহিলাসকলে বহুবিলাক কাম শেষেই কৰে। পুৰুষসকলে বিছনা এৰাৰ লগে লগে ঘটি বা কলহৰ পানীৰে মুখ-হাত ধুই হাতত বাল্টি লৈ গৰু গোহালীলৈ যায় আৰু গাখীৰ খীৰাই অহাৰ লগে লগেই এবাটি গৰম গাখীৰ গৃহিণীয়ে তপতাই দিয়ে অথবা এবাতি চাহৰ ব্যৱস্থা কৰি দিয়ে। চাহ বা গৰম গাখীৰ খাই পুৰুষসকলে হাতত এচাৰি, কান্ধত নাঙল যুৱলি লৈ গৰু খেদাই পথাৰলৈ মাটি চহাবৰ বাবে গমন কৰে। অৱশ্যে নাঙলেৰে হালবোৱা প্ৰথা আৰ্য সংস্কৃতিৰ সংস্পৰ্শলৈ অহাৰ পাছৰ পৰাহে মিচিং সমাজত আৰম্ভ হৈছিল। ভৈয়ামলৈ প্ৰব্ৰজন হোৱাৰ আগতে পাহাৰীয়া অঞ্চল বিলাকত হাতত দা লৈ হয়তো ঝুম পথাৰলৈ গৈছিল অথবা মাছৰ চিকাৰ কিম্বা পশুজাতীয় জন্তু বা চৰাই চিকাৰৰ বাবে ওলাই গৈছিল। মহিলাই ভৰিৰে ধান পকাই মাৰি বা উৰালত ধান খুন্দাৰ কাম শেষ কৰি পাকঘৰৰ বাচন-বৰ্তন ধোৱা-পখলা কৰি ভাতৰ চৰুত হাত দিয়ে। আকৌ গধূলি পথাৰৰ পৰা ঘৰলৈ উভতি অহাৰ লগে লগেই মিচিং মহিলাই হাঁহ, কুকুৰা গড়ালত বান্ধি গাহৰিৰ দানা-পানীৰ যা-যোগাৰ কৰি গধূলি সাজৰ বাবে পুনৰ জুইশালত সোমাই পৰে। মিচিং মহিলাসকলে ঘৰুৱা কামৰ উপৰি পথাৰৰ সকলোবিলাক কাম নিষ্ঠাৰে পালন কৰি অতি কষ্টৰে এজাকমান হাঁহ, কুকুৰা আৰু গাহৰি পুহি কৰ্মব্যস্ততাময় জীৱনৰ এক চানেকী দাঙি ধৰিছে। এনে ধৰণৰ পোহনীয়া জীৱ-জন্তুৰ মাংস মিচিং সমাজত যথেষ্ট সমাদৰ আছে। পৰিয়াললৈ কোনোবা সম্পৰ্কীয় মানুহ আলহী হিচাপে আহিলে অসুবিধা নোহোৱাকৈ হাঁহ, কুকুৰা অথবা ঘৰচীয়া গাহৰিৰ মাংসৰে আপ্যায়ন কৰি আলহীক শুশ্ৰূষা

কৰি পঠিয়াব পাৰে।

**(খ) কৃষিৰ পথাৰত মিচিং মহিলা ঃ**

মিচিং সমাজৰ প্ৰধান জীৱিকা হ'ল কৃষি। পৰ্বতৰ ওখ ঠাইত মিচিংসকলে বসবাস কৰাৰ সময়ত চিকাৰমূলক কাৰ্যই প্ৰধান আছিল। তেনে ঠাইবিলাকত মাটিৰ উৰ্বৰা শক্তি কম আছিল বাবে এবাৰ খেতি কৰাৰ পাছত সেই মাটিডৰা কৃষিৰ অনুপযুক্ত হৈছিল। সেইবাবে পুনৰ নতুন মাটিৰ সন্ধানত ওলাই যাব ধৰি বিভিন্ন ঠাইলৈ প্ৰব্ৰজন হোৱাৰ ইতিহাস পোৱা যায়। পৰ্বতীয়া অঞ্চলৰ পৰা ভৈয়ামলৈ নামি অহাৰ লগে লগেই কৃষি পদ্ধতিৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন হোৱা পৰিলক্ষিত হয়। ভৈয়ামৰ জলবায়ু আৰু পৰিৱেশৰ লগত সামঞ্জস্য ৰাখি খেতি কৰিব লগা হ'ল। ভৈয়ামৰ কৃষি-সংস্কৃতিৰ দ্বাৰা মিচিং সমাজ অনুপ্ৰাণিত হৈ ভৈয়ামৰ কৃষি পদ্ধতিৰে কৃষি কৰিবলৈ বাধ্য হয়। ভৈয়ামৰ জলবায়ুত শালি আৰু বাও খেতিৰ উৎপাদন প্ৰচুৰ পৰিমাণে



লাগিছিল। পাহাৰৰ হেলনীয়া ঠাইৰ হাবি ভাঙি, কোৰ মাৰি মাটি চহ কৰিছিল। পাহাৰীয়া অঞ্চলত এনে ধৰণে মাটি চহ কৰা কাৰ্য অতি কষ্টকৰ আছিল। মিচিং সমাজ ব্যৱস্থা সাধাৰণতে ঝুম খেতিৰ লগত পৰিচিত। হাবি ভাঙি নতুনকৈ চহ কৰা মাটিত আহুধানৰ বীজ সিঁচাৰ লগতে মিচিং মানুহে আলু-কচু, আদা-জলকীয়া, কপাহ, সৰিয়হ আৰু গোমধানৰ বীজো ৰোপণ কৰিছিল। পথাৰৰ এনে ধৰণৰ কামত পুৰুষতকৈও মহিলাইহে অধিক শ্ৰমদান কৰে।

মিচিং সমাজ ব্যৱস্থাই বিভিন্ন সময়ত প্ৰব্ৰজনৰ আঁত হয়। শালি খেতিৰ লগত পৰিচিত হোৱাৰ লগে লগেই কৃষি পদ্ধতি আৰু ব্যৱহৃত কৃষিৰ সঁজুলিসমূহৰো পৰিৱৰ্তন কৰিবলগীয়াত পৰে। ইয়াৰ লগে লগেই মিচিং কৃষিজীৱি সমাজত নাঙল আৰু গৰুৰ ব্যৱহাৰ মন কৰিবলগীয়া।

পাহাৰৰ হেলনীয়া ভূভাগত ঝুম খেতিৰ সময়তেই হওক কিম্বা ভৈয়ামৰ সমতল ভূমিত শালি খেতি বা বাও খেতিত মিচিং মহিলাই কৃষিৰ পথাৰত উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। আনকি বৰ্তমান সময়তো মিচিং মহিলাই পথাৰৰ বহু কাম সমাধান কৰি আহিছে। মিচিং সমাজ ব্যৱস্থাক বাদ দি অসমৰ

অন্যান্য সমাজতো শালি খেতি কৰে যদিও তেনে কামসমূহ হাজিৰা বাবদ বাহিৰৰপৰা মানুহ আনি কৰাৰ ফলত উৎপাদনৰ এটা বুজন অংশ বাহিৰলৈ এৰি দিব লগাত পৰে। মিচিং মহিলাৰ কৰ্মপটুতা আৰু কাম কৰাৰ ধৈৰ্য থকাৰ বাবে পথাৰৰ সকলোবিলাক কাম যেনে- ৰোৱনীৰ কাম, কঠীয়া তোলাৰ কাম, পথাৰৰ জাবৰ-জোঁথৰ পেলোৱা, ধান দোৱা, বন নিওৱা আৰু ধান চপোৱা এই সকলোবিলাক কাম নিপুণতাৰে কৰি কৃষিৰ পথাৰত উল্লেখনীয় ভূমিকা পালন কৰি আহিছে।

পথাৰৰ সকলোবিলাক কাম কৰাৰ পাছতো মিচিং মহিলাই ঘৰলৈ উভতি অহাৰ বাটত হাবি-জংঘলত সোমাই ঘৰত জুই জ্বলাবৰ বাবে প্ৰয়োজনীয় খৰি আৰু বিভিন্ন ধৰণৰ সেউজীয়া শাক-পাচলি বননিৰ পৰা তুলি আনি গধূলি সাজৰ যা-যোগাৰ কৰে। এনেবিলাক কৰ্মৰ দ্বাৰাই মিচিং মহিলাসকলে পৰিয়ালৰ অলপো অসুবিধা নোহোৱাকৈ পুৰুষসকলৰ অনুপস্থিতিতো পৰিচালনা কৰি আহিছে। উল্লেখনীয় যে মিচিং মহিলাৰ এনে ধৰণৰ ভূমিকাৰ বাবে পৰিয়ালৰ পুৰুষসকলে পৰিয়াল পৰিচালনাৰ ক্ষেত্ৰত অলপো আও-ভাও নোপোৱাকৈ চলি থাকে।

মিচিং সমাজৰ প্ৰতিটো পৰিয়ালেই স্ব-নিৰ্ভৰশীল জীৱন যাপন কৰিবলৈ ভাল পায়। স্ব-নিৰ্ভৰশীল জীৱন যাপনৰ বাবে কৃষিৰ পথাৰত মিচিং মহিলাই প্ৰাণ ঢালি কাম কৰে। অৱশ্যে দুই এটা প্ৰয়োজনীয় সামগ্ৰী জোৰাব নোৱাৰিলে চুবুৰীয়া পৰিয়ালৰ পৰা বিনিময় প্ৰথাৰে আনি সমাধান কৰিছিল। ভৈয়ামলৈ প্ৰব্ৰজন হোৱাৰ ফলত আহোমসকলৰ শাসন ব্যৱস্থাৰ অধীনত জীৱন-যাপন কৰিবলগীয়া হৈছিল। যদিও মিচিং সমাজে কৃষিৰ পৰম্পৰাক বাদ দিয়া নাছিল, বৰঞ্চ আহোমসকলৰ উন্নত কৃষি ব্যৱস্থাৰ স'তে মিচিং লোকে ভালকৈ পৰিচিত হোৱাৰ সুবিধা লাভ কৰিছিল। আহোমসকলৰ 'শালিধান' আৰু 'বাওধান' খেতিৰ ব্যৱস্থাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল যদিও মিচিং সমাজত বৰ্তমান সময়তো আহুধানৰ খেতি কৰিবলৈ এৰা নাই। মাজুলীৰ বহুবিলাক ঠাইত ধেমাজি জিলাৰ ভিতৰুৱা কিছুমান গাঁৱত এতিয়াও আহুধানৰ খেতি কৰাৰ পৰম্পৰা দেখা যায়।

### (গ) সমাজ কল্যাণমূলক কামত মিচিং মহিলাৰ ভূমিকা ঃ

মানুহ সমাজপ্ৰিয় জীৱ। মিচিং মানুহেও সমাজ পাতি বসবাস কৰাৰ স্বাক্ষৰ অতি প্ৰাচীন কালৰ পৰাই দেখা যায়। মিচিং সমাজ ব্যৱস্থা পিতৃতান্ত্ৰিক বাবে সমাজৰ সকলোবিলাক গুৰু দায়িত্ব সাধাৰণতে পুৰুষ শ্ৰেণীৰ দ্বাৰা সম্পাদিত হৈ আহিছে। সমাজৰ গুৰু দায়িত্বৰ সিদ্ধান্ত পুৰুষ শ্ৰেণীৰ দ্বাৰা সম্পাদিত হ'লেও সমাজ কল্যাণৰ কামত পুৰুষসকলৰ দৰে মহিলাসকলেও গধুৰ দায়িত্ব পালন কৰি আহিছে। মিচিং সমাজত কল্যাণমূলক কাম বুলিলে সাধাৰণতে মূৰং অকুম নিৰ্মাণ, গাঁৱৰ বাট-পথ নিৰ্মাণ, পাৰাপাৰ হ'বৰ বাবে জান-জুৰিত বা নিজৰাৰ ওপৰত দলং কিম্বা সাঁকো নিৰ্মাণ কৰা, প্ৰাকৃতিক দুৰ্যোগত ঘৰৰ দুৱাৰ উৰাই নিলে কিম্বা ভাঙি পৰিলে, গাঁৱৰ কোনোবা পৰিয়ালে পথাৰৰ খেতিডৰা বিশেষ অসুবিধাৰ বাবে সম্পূৰ্ণ কৰিব নোৱাৰিলে এনে ধৰণৰ কামত সহায় কৰিবৰ বাবে মিচিং সমাজত 'মিম্বুৰ-য়ামে' নামৰ এটা যুৱক-যুৱতীৰ দ্বাৰা গঠিত সংগঠনে সহায় কৰাৰ পৰম্পৰা আছে। এনে ধৰণৰ কামবিলাক সমাধান কৰিবৰ বাবে প্ৰতিটো পৰিয়ালৰ অবিবাহিত ডেকা-গাভৰুৱে শ্ৰমদান দিবৰ বাবে ওলাই আহিবলৈ বাধ্য। 'মিম্বুৰ-য়ামে' সংস্থাৰ সিদ্ধান্তক অৱজ্ঞা কৰা যিকোনো ডেকা-গাভৰুক সংস্থাই দণ্ড বিহিব পাৰে। এনে ধৰণৰ দণ্ডবিধিত এটা কুকুৰা, একলহ আপং আৰু তামোল-পাণৰ শৰাই আগবঢ়াই সমাজৰ আগত ভুল স্বীকাৰ কৰিলে সমাজে সেই পৰিয়ালৰ সদস্যজনক ক্ষমা কৰি দিয়ে আৰু পুনৰ পূৰ্বৰ দৰে 'মিম্বুৰ-য়ামে' সংগঠনত সদস্যৰূপে থাকিব পাৰে। উল্লেখনীয় যে মিচিং সমাজৰ 'মিম্বুৰ-য়ামে' সংগঠনটোৱে কোনো ধৰণৰ পাৰিতোষিক নোলোৱাকৈ বিপদগ্ৰস্ত পৰিয়াল এটাক বিপদমুক্ত কৰিবৰ বাবে কৰা চেষ্টাই এক উদাৰ মানবীয়তাৰ প্ৰমাণ দাঙি ধৰিছে। ইচ্ছুক পৰিয়ালে শ্ৰমদানৰ বিনিময়ত একলহ আপং আৰু মাছ বা কুকুৰা মাংসৰে ভোজ খুৱালেই যথেষ্ট হয়। আকৌ বিপদগ্ৰস্ত পৰিয়ালে কাম সমাধানৰ লগে লগেই ভোজ খুওৱাৰ সামৰ্থ নাথাকিলে পিছত সুবিধা বুজি খুৱালেও কোনো ধৰণৰ আপত্তি কৰা দেখা নাযায়। পৰিয়ালৰ ইমানবোৰ আল-জাল মৰাৰ পাছতো মিচিং মহিলা সমাজে বিশেষকৈ যুৱতীসকলে সামাজিক দায়বদ্ধতাৰ দায়িত্ব বুজি সমাজৰ উন্নয়নাৰ্থে পুৰুষৰ সমানে শ্ৰমদানৰ উদ্দেশ্যেই ওলাই অহাৰ প্ৰৱণতাই মিচিং মহিলাক বিশ্বৰ মানসপটত এক নিদৰ্শনীয় উদাহৰণৰূপে প্ৰতিষ্ঠা কৰিছে। মিচিং মহিলা সমাজত মহিলাই ছোৱালী কালৰ পৰাই এনে ধৰণৰ কাৰ্যৰ দ্বাৰা নিজক একোগৰাকী নিপুণ কৰ্মী আৰু দায়িত্বশীল ব্যক্তি ৰূপে পৰিচয় দিয়াৰ আগতীয়া প্ৰচেষ্টাই পৰৱৰ্তী সময়ত এক স্বাৱলম্বী জীৱন যাপনত সহায় কৰে। বহু ক্ষেত্ৰত দেখা যায় যে বিয়াৰ পাছত যিবিলাক মহিলাই অকালতে বৈধব্য জীৱন অতিবাহিত কৰে

তেনে বিধৱা মহিলাই কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাকৈ নিজৰ জীৱন আৰু সতি-সন্ততিক পোহপাল দিব পাৰে। সেইবাবে মিচিং সমাজত মহিলাক এক নিপুণ শিল্পীৰ আখ্যা দিব পাৰি।

**(ঘ) ৰাজনৈতিক ভূমিকাত মিচিং মহিলা ঃ**

মিচিং সমাজৰ পৰিসৰ সাধাৰণতে গাঁৱৰ চাৰিসীমাৰ ভিতৰত আবদ্ধ থাকে। গাঁৱৰ সকলোবিলাক প্ৰশাসনীয় কাম-কাজ অথবা ৰাজনৈতিক বিষয় গামৰ নিয়ন্ত্ৰণাধীন দলুং কৌবাঙৰ দ্বাৰাই পৰিচালিত হৈছিল। মিচিং মহিলাই পৰিয়ালৰ পৰা আৰম্ভ কৰি অৰ্থনৈতিক আৰু সামাজিক দিশত ওপৰত উল্লিখিত কাৰ্যসমূহ সম্পন্ন কৰাৰ পাছতো দলুং কৌবাঙত অংশগ্ৰহণ কৰিব নোৱাৰিছিল বা দলুং কৌবাঙৰ সদস্যভুক্তি হ'ব দিয়া নহৈছিল। মহিলাক সদস্যভুক্তি নকৰাৰ কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে পাহাৰত বসবাস কৰাৰ সময়ত মিচিং জাতিকে ধৰি অন্যান্য জাতিসমূহৰ মাজত যেনে- পাদাম, আবৰ, মিচিমি ইত্যাদিৰ মাজত সঘনাই হাই-কাজিয়া হৈছিল। অন্যহাতে মহিলাসকলে নিজ গাঁৱৰ বাহিৰতো বিয়া হৈছিল আৰু সেইবাবে গাঁৱৰ নিৰাপত্তাৰ বাবেই মহিলাসকলৰ পৰা কৌবাঙৰ সিদ্ধান্তসমূহ গোপনীয় কৰি ৰাখিবৰ বাবেই কোনো মহিলাক কৌবাঙৰ সভ্য হিচাপে গণ্য নহৈছিল। সময়ৰ আহ্বানত দলুং কৌবাঙৰ বহুবিলাক চৰিত্ৰ সলনি হোৱা পৰিলক্ষিত হৈছে। যেনে ভৈয়ামলৈ নামি আহি বসবাস কৰাৰ লগে লগেই গাঁৱৰ মুখীয়ালৰূপে খ্যাত গামসকলৰ কৰ্তৃত্বত কিছু শিথিলতা আহিছিল। আহোমৰ অধীনস্থ মিচিংসকলে কটকী, পাটগিৰি ইত্যাদি বিষয় বাবে গামৰ কৰ্তব্যক পাহৰাই পেলাইছে। আকৌ আহোমসকলৰ ৰাজত্বৰ শেষৰ ফাললৈ ইউৰোপৰ বণিক শক্তি ব্ৰিটিছসকলে ১৮২৬ খ্ৰীষ্টাব্দৰ পাছৰ পৰাই অসমৰ ৰাজনীতিৰ ভাগ্য বিধাতাৰূপে পৰিচিত হ'ল। ব্ৰিটিছসকলৰ আগমনে অসমবাসীক আধুনিক শিক্ষা-দীক্ষাই অসমীয়া মহিলাক লাহে লাহে শিক্ষিতা কৰি তুলিছিল। আধুনিক শিক্ষাৰে শিক্ষিত অসমীয়া নাৰীয়ে আইমাতৃৰ সেৱাৰ বাবে ভাৰতীয় স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ উদ্বুদ্ধ কৰিছিল। এইক্ষেত্ৰত 'কনকলতা'ই আছিল উজ্জ্বল নিদৰ্শন। কনকলতাৰ দৰে মিচিং সমাজৰ পৰাও বহু মহিলাই স্বাধীনতা সংগ্ৰামৰ ৰাজনীতিত অংশগ্ৰহণ কৰিছিল। গোলাঘাট জিলাৰ দুসুঁতিমুখ গাঁৱৰ পৰা পমিলা মেদকে(কামান)ও স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি পৰৱৰ্তী সময়ত 'মুক্তিযোদ্ধা'ৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। স্বৰাজোত্তৰ অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত বহু মিচিং মহিলাই আধুনিক শিক্ষাৰে শিক্ষিত হোৱাৰ লগে লগেই মহিলাসকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে মিচিং মহিলা সংগঠন (সদৌ মিচিং মহিলা সংগঠন বা তাকাম মিচিং মিমে কৌবাং)ৰ জন্ম দিয়ে। মিচিং সমাজত শিক্ষা-দীক্ষাৰ পোহৰ পৰাৰ লগে লগেই দলুং কৌবাঙৰ ধ্যান ধাৰণাৰো লক্ষ্যণীয়ভাৱে পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰে। বৰ্তমান মিচিং সমাজত দলুং কৌবাঙৰ ধাৰণা সম্পূৰ্ণ সলনি হৈ আধুনিক কৌবাং বিলাকত পুৰুষৰ সমানে মহিলাইও অংশগ্ৰহণ কৰিব পৰা হ'ল।

অসমৰ ৰাজনীতিৰ পথাৰত বহু নতুন নতুন মহিলাই খোজ পেলাইছে। তাৰ ভিতৰত বোকাখাত সমষ্টিৰ বংকুৱাল গাঁৱৰ পৰা ডালিমী লইঙেই ভাৰতীয় জাতীয় কংগ্ৰেছত অংশগ্ৰহণ কৰা প্ৰথম গৰাকী মিচিং মহিলা আছিল। উল্লেখনীয় যে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ মন্ত্ৰিত্বৰ সময়ছোৱাত অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনত তেখেতে কংগ্ৰেছ দলৰ হৈ সভানেত্ৰীৰ পদত জয়যুক্ত হৈছিল। সামাজিক দায়বদ্ধতাৰ প্ৰতি উৎসাহিত হৈ মূল্যৱাণী পেগু, ইন্দিৰা পেগুৰ দৰে মহিলাই মিচিং সমাজৰ মহিলা সংগঠনৰ জন্ম দি মিচিং মহিলাক ৰাজনীতিৰ দুৱাৰদলিলৈ মাতি আনিছে। তেখেতসকলৰ বলিষ্ঠ ভূমিকাতে পৰৱৰ্তী সময়ত বহু মিচিং মহিলাই ৰাজনীতিত অংশগ্ৰহণ কৰাৰ পৰিৱেশ লাভ কৰিছে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে মিচিং সমাজৰ বহু মহিলাই অসমৰ ৰাজনীতিৰ প্ৰতি উদ্বুদ্ধ হৈ বিভিন্ন সময়ত বিভিন্ন দলৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াই আহিছে। গোলাঘাট জিলাৰ বোকাখাত সমষ্টিৰ পৰা অসম প্ৰদেশ কংগ্ৰেছৰ সক্ৰিয় সদস্যৰ দায়িত্বত থকা মিনতি দলে বহুবাৰ বিধায়ক পদৰ বাবে দলীয় প্ৰাৰ্থিত্ব বিচাৰিও সফল হ'ব পৰা নাই যদিও সেই সমষ্টিৰ পৰাই কংগ্ৰেছ দলৰ পৰা ৰিপা দলে জিলা পৰিষদৰ সদস্য হিচাপে বৰ্তমানেও কাৰ্যৰত। অন্যহাতে ধেমাজি জিলাৰ অন্তৰ্গত ধেমাজি সমষ্টিৰপৰা কংগ্ৰেছ দলৰ হৈ বিধায়ক হিচাপে নিৰ্বাচিত হোৱা সুমিত্ৰা পাটিৰেই প্ৰথমগৰাকী মিচিং মহিলা। তেখেতে কংগ্ৰেছৰ যোৱা কাৰ্যকালত জনজাতি উন্নয়নৰ দপ্তৰৰ দায়িত্বত থাকি মিচিং জাতিৰ লগতে অসমৰ জনজাতীয় সমাজৰ বাবে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। গত কংগ্ৰেছ চৰকাৰৰ ১৫ বছৰীয়া শাসনকালত অনুষ্ঠিত হোৱা গাঁও পঞ্চায়ৰ নিৰ্বাচনত বহু মিচিং মহিলাই পঞ্চায়তৰ সভানেত্ৰী হিচাপে নিৰ্বাচিত হৈ জনসাধাৰণক সেৱা কৰাৰ দৰে গধুৰ দায়িত্ব মূৰ পাতি লৈছে। এনেদৰে মিচিং সমাজত আধুনিক শিক্ষাৰ পোহৰ পৰাৰ লগে লগে নাৰী সমাজ ৰাজনৈতিকভাৱে সচেতন

হৈছে আৰু মিচিং জাতিক সেৱা কৰিবৰ বাবে বহু অগ্ৰণী মহিলাই ৰাজনীতিত অংশগ্ৰহণ কৰি সমাজৰ উত্তৰণত অৰিহণা যোগাইছে।

**(ঙ) সংস্কৃতিৰ পথাৰত মিচিং মহিলা ঃ**

সংস্কৃতি হ'ল কোনো এটা জাতিৰ দাপোণ স্বৰূপ। সংস্কৃতিৰ অধ্যয়নৰ যোগেদিয়েই এটা জাতিৰ অতীত আৰু প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰিব পৰা যায়। অসমীয়া সংস্কৃতিৰ পথাৰখনত মিচিং সংস্কৃতিয়ে বিশেষ প্ৰভাৱ পেলোৱা দেখিবলৈ পোৱা যায়। সংস্কৃতিৰ ক্ষেত্ৰত মিচিং সমাজ যথেষ্ট চহকী। মিচিং সমাজৰ সংস্কৃতিৰ ৰক্ষা কৱচ স্বৰূপ হ'ল মিচিং মহিলাসকল। মিচিং মহিলাসকলেই পিন্ধন উৰণৰ মাজেদি মিচিং সংস্কৃতিৰ জীয়াই ৰখাৰ প্ৰচেষ্টা জন্মলগ্নৰে পৰাই চলাই আহিছে। মাঙ্গলিক কাম-কাজত মিচিং মহিলাই সম্পূৰ্ণৰূপে জাতীয় সাজ-পাৰ পৰিধান কৰে যদিও পুৰুষ সমাজে পৰম্পৰাগত জাতীয় সাজ-পাৰ পৰিধান কৰাৰ পৰিবৰ্তে আধুনিক আধুনিক সাজ-পাৰ পৰিধান কৰা পৰিলক্ষিত হয়। তদুপৰি মিচিংসকলৰ পৰম্পৰাগত উৎসৱ-পাৰ্বণ ইত্যাদিত পৰিৱেশন কৰা নৃত্য-গীতৰ অনুষ্ঠানতো মিচিং মহিলাই সক্ৰিয় অংশগ্ৰহণ কৰি মিচিং সংস্কৃতিক অটুত ৰখাত অৰিহণা যোগাই আহিছে।

**মিচিং মহিলাৰ মূল্যাংকণ ঃ**

ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে মানৱ সমাজত পুৰুষ আৰু মহিলা পৰস্পৰৰ পৰিপূৰক। এটাক বাদ দি সমাজৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। সমাজত পুৰুষ আৰু মহিলাৰ সমানে প্ৰাসঙ্গিকতা থকাৰ স্বত্বেও মিচিং সমাজ পুৰুষ প্ৰধান বোলা কথাযাৰে প্ৰতিপন্ন কৰে যে সমাজত নাৰীৰ মৰ্যাদা পুৰুষৰ সমান নহয়। মিচিং সমাজত মহিলাসকলে পুৰুষসকলতকৈও অধিক নিষ্ঠা আৰু নিপুণতাৰে দৈনন্দিন কাম-কাজ পৰিচালনা কৰি অহাৰ পিছতো মিচিং সমাজক পুৰুষপ্ৰধান বুলি স্বীকৃতি প্ৰদান কৰাৰ যুক্তিযুক্ততা কিমান? এখন সমাজ সবল আৰু সৰ্বাংগীণ দিশত উন্নতি লভিবলৈ হ'লে পুৰুষ আৰু মহিলাৰ প্ৰভেদ দূৰ কৰি উভয়ৰ মাজত সমঅধিকাৰ আৰু সমমৰ্যাদা প্ৰতিষ্ঠা কৰিব লাগিব। কেৱল পুৰুষসকলৰ উন্নতিয়ে সমাজলৈ পূৰ্ণ বিকাশ আনিব নোৱাৰে।

মিচিং সমাজত পুৰুষ আৰু মহিলাৰ মাজত আচাৰ ব্যৱহাৰ আৰু সাজ-পাৰ পৰিধানত পাৰ্থক্য আছে তাত কোনো সন্দেহ নাই। মিচিং সমাজত কৰ্ম সংস্কৃতিৰ ক্ষেত্ৰত পুৰুষ সমাজতকৈও মহিলাৰ ধৈৰ্য, একাগ্ৰতা আৰু নিষ্ঠা যথেষ্ট বেছি বুলি ক'ব লাগিব। পুৰুষসকলে দিনটো অনাই বনাই ঘূৰি ফুৰি গধূলি ঘৰলৈ আহি ভালকৈ খাবলৈ বিচাৰিলে ক'ৰ পৰা পাব? বৰঞ্চ মহিলাসকলৰ দৰে দিনটো কঠোৰ শ্ৰম কৰিলে ভালকৈ এসাজ খোৱাত কোনো ধৰণৰ অসুবিধা হ'ব নোৱাৰে। মহিলাসকলৰ দৰে মিচিং সমাজত পুৰুষসকলেও সম পৰ্যায়ত শাৰীৰিক শ্ৰম কৰিলে ঘৰখনৰ অৰ্থনৈতিক অৱস্থা উন্নত হ'ব। এনে ক্ষেত্ৰত পৰিয়ালৰ অৰ্থনৈতিক উন্নয়ন মিচিং সমাজত পুৰুষসকলে অন্তৰায়ৰূপে বহু ক্ষেত্ৰত থিয় দি আহিছে।

মিচিং সমাজত উৎপাদনমূলক কামতো পুৰুষতকৈও মহিলাই শাৰীৰিক আৰু মানসিকভাৱে অধিক শ্ৰমদান কৰে। উল্লেখনীয় যে পুৰুষসকল শাৰীৰিকভাৱে মহিলাসকলতকৈও অধিক শক্তিশালী বুলি কোৱা হয়। তেনেস্থলত পুৰুষসকলে উৎপাদনমূলক কাম-কাজত তেওঁলোকৰ শাৰীৰিক শক্তি ব্যয় কৰাৰ পৰিবৰ্তে মহিলাসকলৰ ওপৰত শাৰীৰিক সক্ষমতা প্ৰতিপন্ন কৰাৰ প্ৰচেষ্টাহে চলাই আহিছে।

পথাৰৰ কৃষিজীৱি কামত সম্পূৰ্ণৰূপে মহিলাই অংশগ্ৰহণ কৰাৰ উপৰি ঘৰুৱা সকলোবিলাক কাম বিৰামহীনভাৱে কৰি যোৱাটো ইমান সহজ কথা নহয়। ইয়াৰ উপৰি হাঁহ-কুকুৰা, গৰু, গাহৰি পালন কৰি এইবিলাক বিক্ৰী কৰি মিচিং মহিলাই যথেষ্ট পৰিমাণৰ অৰ্থ উপাৰ্জন কৰা দেখিবলৈ পোৱা যায়। মহিলাসকলে ইমান কষ্টৰ মাজেৰে উপাৰ্জন কৰা অৰ্থ ভোগ কৰাৰ সময়ত পুৰুষসকলে কৰ্তৃত্ব প্ৰদৰ্শন কৰি নাৰীৰ কৰ্ম উদ্যমক বহু ক্ষেত্ৰত বাধা প্ৰদান কৰা দেখা যায়।

উল্লিখিত পৰ্যালোচনাৰ অন্তত এই সিদ্ধান্তলৈ আহিব পৰা যায় যে মিচিং সমাজত পুৰুষ আৰু মহিলাৰ মাজত থকা বৈষম্য দূৰ কৰি সমাজখনৰ উত্তৰণৰ বাবে উভয় পক্ষই কৰ্ম সংস্কৃতিত সম সহযোগিতা নিষ্ঠাৰে আগবঢ়োৱাৰ প্ৰয়োজনীয়তা আছে। পুৰুষসকলে কেৱল মাত্ৰ শাৰীৰিক সবলতাক দোহাই দি সমাজত প্ৰাধান্যতা বিস্তাৰ কৰিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে উৎপাদনমূলক কাৰ্যতো কৰ্মদক্ষতাৰে প্ৰাধান্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰিলে নিশ্চয়কৈ মিচিং সমাজৰ সৰ্বাংগীণ উন্নতি হ'ব বুলি আশা কৰিব পাৰি। অন্যথা পুৰুষ-মহিলাৰ মাজত লিংগ বৈষম্য ৰাখি পৰস্পৰে পৰস্পৰক দোষাৰোপ কৰি থাকিলে বিশ্বায়নৰ যুগত সমাজে উত্তৰণৰ দিশে অগ্ৰসৰ হোৱাৰ পৰিবৰ্তে ৰসাতলে যাব। ◆

সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

# আমি আধুনিক নে?

মামু শইকীয়া

যোৱা দহ-বাৰ বছৰৰ আগৰ পৰা শুনি অহা হৈছে আধুনিকতাৰ কথা, এই সমাজখনৰ কথা। কিন্তু তেতিয়া বুজি পোৱা নাছিলোঁ আধুনিকতা আৰু সমাজ মানে কি? বুজি পোৱা নাছিলোঁ জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ কথা। এতিয়া বুজিব পৰা হ'লো আধুনিকতা আৰু সমাজৰ অৰ্থ। বুজি পালোঁ জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ অৰ্থ তথা সংজ্ঞা। কিন্তু বৰ্তমান সময়ত জানো প্ৰকৃততে মানৱ জাতি জীৱশ্ৰেষ্ঠ হয়? মই হ'লে ইয়াৰ কোনো ধৰণৰ যুক্তি বিচাৰি নাপাওঁ। কিয়নো মই যেতিয়াৰ পৰা ইয়াৰ অৰ্থ তথা মহত্বৰ কথা বুজি পোৱা হ'লো, তেতিয়াৰ পৰা দেখিছোঁ আৰু শুনিছো জীৱশ্ৰেষ্ঠ মানৱ জাতিয়ে অন্য প্ৰাণী বা মানুহেই মানুহক কৰা হত্যা-হিংসা, অত্যাচাৰৰ কথা। আজি ধৰ্ষণ-লুণ্ঠন, হত্যা-হিংসা, অপহৰণৰ দৰে ঘৃণনীয় কাণ্ডবোৰৰ মূলতে এই জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ এচামৰ পৰা আন এচাম জীৱশ্ৰেষ্ঠই নিজৰ জীৱন হেৰুৱাবলগীয়া হৈছে। প্ৰকৃততে এইচাম প্ৰাণীক জীৱশ্ৰেষ্ঠ আখ্যা নিদি পিশাচ বুলি ক'লেও ভুল কোৱা নহ'ব। আচলতে এয়া তেওঁলোকৰ এক প্ৰকাৰৰ মানসিক বেমাৰ। নিজকে জীৱশ্ৰেষ্ঠ বুলি কৈ গৰ্ব কৰা এইচাম মানৱ জাতিক সঁচাকৈ জীৱশ্ৰেষ্ঠ বুলি কোৱাতকৈ গৰু-ছাগলীৰ দৰে অন্য কোনো প্ৰাণীক জীৱশ্ৰেষ্ঠ বুলি কোৱাটোহে ভাল হ'ব। পশুবিলাকৰ চিন্তা-ভাবনা নাই আৰু কথাও ক'ব নোৱাৰে, কিন্তু বুজি পায়। অন্ততঃ পিশাচতুল্য মানৱজাতিয়ে সময়ৰ লগে লগে আধুনিকতাৰ লগত খোজ মিলাই নিজৰ আই-বোপাই, ভাতৃ-ভগ্নী পাহৰি গৈ যি পাপ কাম কৰি আছে সেইয়াটো সেই অজান প্ৰাণীবোৰে নকৰে। এই মানসিক বেমাৰ থকা মানুহবিলাকে আজি কণমানি শিশুটিকো এৰা নাই। নিজৰ পিয়াহ গুচাবৰ বাবে এবছৰীয়া কন্যা শিশুটিকো সংসাৰৰ মায়ামোহ বুজি নুঠোতেই মৃত্যু মুখলৈ ঠেলি দিয়ে। এইচাম মানুহেই আজিৰ আমাৰ সমাজখন ভৰপূৰ। এইচাম মানুহেই আজিৰ সমাজখনক ডাষ্টবিনলৈ পৰিণত কৰিছে। আমাৰ সমাজখনকো বৰ্তমান জাৱৰ-জোঁথৰে লেতেৰা কৰি পেলাইছে। আমি যেনেদৰে লেতেৰা ডাষ্টবিনটো ঘৃণ কৰোঁ, তেনেদৰে আমাক আৰু আমাৰ সমাজখনকো আন প্ৰাণীবিলাকে ঘৃণ কৰিব।

আধুনিকতাৰ পৰশত আমাৰ সমাজত মূল্যবোধৰ প্ৰভাৱ কমি অহা যেন পৰিলক্ষিত হৈছে। ডাঙৰক সন্মান, সৰুক মৰম এইবোৰ আধুনিকতাৰ প্ৰভাৱত পৰি সাধুকথা যেনহে লগা হৈছে। আমি ভালকৈয়ে জানো যিখন সমাজত মূল্যবোধৰ অভাৱ তেনে সমাজ কেতিয়াও উন্নীত হ'ব নোৱাৰে। তথাপি আমাৰ সমাজখনত দিনক দিনে হোৱা মূল্যবোধৰ অৱক্ষয়ে মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহক আধুনিকতাৰ দিশলৈ ধাৱমান কৰিছে ঠিকেই, মানসিকভাৱে মানুহ কিন্তু হাজাৰ বছৰৰ আদিম যুগৰ ফালেহে পিছুৱাই গৈছে। জীৱশ্ৰেষ্ঠ হিচাপে থাকিব লগা মানৱতাবোধ, অন্য জীৱৰ প্ৰতি সহমৰ্মিতা বৰ্তমানৰ মানুহৰ মাজত দেখা নাযায়। সেয়েহে আধুনিকতাৰে সু-সজ্জিত আমাৰ সমাজত এতিয়া প্ৰায়ে দেখা যায় আদিম বাসনাৰ পয়োভৰ। ধৰ্ষণ, হত্যা এইবোৰ যেন আজিকালি কোনো ঘটনাই নহয়, বৰ্তমান আধুনিক সমাজখনৰ বাবে আধুনিকতাৰ লগত খোজ দিবলৈ যাওঁতে ক'ত কিমানে যে মৃত্যুক আঁকোৱালি লৈছে, কিমানজন সন্তান মাউৰা তথা ঘাট মাউৰা হৈছে, তাৰ মূল্য জানো জীৱশ্ৰেষ্ঠ মানুহে দিব পাৰিব? কিমান কিশোৰী-যুৱতীয়ে এইচাম মানুহৰ কাৰণে নিজৰ সন্মান হেৰুৱাইছে, নিৰ্যাতিত হৈছে আৰু তেওঁলোকে সহ্য কৰিব নোৱাৰি ক'ত কিমান গৰাকীয়ে যে আত্মহত্যাৰ দৰে পথ বাছি লৈছে। দুচকুত সোণালী স্বপ্ন লৈ দুহাতে মৃত্যুক সাৱটি ল'বলগীয়া হৈছে। এই সকলোবোৰ দেখি শুনিও আজিৰ সমাজে দোষ জাপি দিয়ে সেই ভুক্তভোগী গৰাকীকে। আমি জীৱশ্ৰেষ্ঠ হওঁ বা নহওঁ, কাৰোবাৰ জীৱনৰ লগত খেল খেলাৰ আমাৰ জানো অধিকাৰ আছে? যদি নাই তেনেহ'লে আমি এনেকুৱা কিয় কৰো? যদি সঁচাকৈয়ে আমি আধুনিক হ'ব খোজো, আমাৰ সমাজক আধুনিকতাৰ সমাজ হিচাপে স্বীকৃত দিব বিচাৰো, তেন্তে সেই আধুনিকতাৰ লগত আমাৰ চিন্তা-চৰ্চা সলাব লাগিব। সমাজত থকা মানসিক বেমাৰবিলাকক আঁতৰাই বা শেষ কৰিব লাগিব। তেতিয়াহে জীৱশ্ৰেষ্ঠ আৰু আধুনিকতা আমাৰ লগত থাকিব। নহ'লে এটা সময়ত এনেকুৱা এক পৰিস্থিতি আহিব, যেতিয়া নেকি আপোন বুলি ক'বলৈ সকলোৱে লাজ পাব। পিতৃ-মাতৃয়ে সন্তানক সংসাৰ দেখুৱাবলৈ হাজাৰবাৰ ভাবিব লাগিব আৰু এসময়ত জীৱশ্ৰেষ্ঠ মানৱ জাতি লুপ্ত হ'ব। এয়া আমাৰ সমাজ আৰু এয়াই আমাৰ আধুনিকতাৰ পৰিচয়। ◆

স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

# Key to Prosperity

**Anurag Neog**

Whenever we see the society and our country through the media, we generally get confused. We feel, negativity will rule one day. But actually it is not true. We can only say that evil things as reported in media is just one side of the coin. To see the other side of the coin, we have to look into the society and closely observe the common people who are very active in their endeavors of nation building at the ground level. These people are doing their work with honesty and dedication without any selfish interest of their own. But on the other hand, their biggest problem is the lack of communication and interaction amongst themselves. For this, our part is to establish a progressive connection amongst the skillful individuals with positive social forces which will create a sustainable environment and gradually a positive wind will blow that will rejuvenate the whole country. It is remarkable that the only way to make India the leader of the world is by taking care of the common man. To achieve this, different policies should be adopted that are centric and poor centric. In our view the foremost test of development is the availability of food and work for all. In our country we can achieve this by pressurising to low capital and low cost economic activities. We should try to forsake materialistic life-style and respect value system. Our talks and ideas must not be confined to books. They must have a reflection in our action. Works of several social organizations have shown positive results in our society and we should encourage them to boost people's confidence.

Nowadays development is seen everywhere but no one can see the real development. It is no doubt our society is progressing in full swing acquiring all the materialistic desire and neglects all the other non-physical aspects. We all know that the elections are being fought and won in the name of development. In the present scenario only making long roads and increasing GDP is considered as development. The worst thing is that those who are in the government are forcing others to accept this definition of development too. A large group of media is also with them. The outcome of this on India is that a lot of people now think that a hike in share market, an overflowing foreign currency stock and the increasing number of malls are at the core of the development. But this is not the truth. What we call development is infact destruction. If there would have been development in the real terms, then would not all of India have been happy by now? Would the farmers had been forced to commit suicide? One thing which is clear that there is a lot of confusion about development in the society and it has not yet been cleared.

In Indian context there are some fundamental beliefs regarding real development. It is necessary for real development to have an understanding of these beliefs and to work on them. Let us have a look and

try to understand them.

**Society should lead the state :**

In India the responsibility of deciding the direction of the society was in the hands of the society itself rather than that of state's. Governments changed, but should not interrupt in continuity to rule in society. The society developed its own institution to rule it. When we put the rein of development in the hands of the government, then it becomes a tool to benefit the ruling class instead of promoting welfare. In order to stop this, it is necessary that the society develop its own institutions independent of the state.

**Nature-centric development :**

A healthy development is connected to land, water, forest and animals along with the human development. If we form a definition of development and progress while is not required, then it will not be sustainable. It is necessary to do development while keeping nature in mind and not only humans, Real development is not human-centric; rather it is nature centric. The ideal development is such a system in which land, water, forest, animals and humans are all taken of equally.

**Welfare of the least capable should be given top priority :**

If we determine to bring development on a proper track, then eliminating hunger and unemployment should be our top priority. There is a huge population in our country today which does not even get two good meals a day. We will have to create such a philosophy of development in which every hand gets a job to do. For this we will have to work over low-investment employment opportunities and stop the market from entering every aspect of our lives.

**Happy Farmer, Happy Village, Happy Nation :**

Development in India will be considered superficial the empty if the farmers of India are not happy and prosperous. If we pay attention to the budgets allocated to the farmers have been steadily decreasing. The farmers are being encouraged to adopt new vocations by leaving farming. Those who consider themselves to be fate-deciders of the nation, are now considered as burden on the nation. Real development will be ensured only when the farmers will relish the task of farming. Without the happiness of the farmer, country's development will mean nothing.

**The institution of family should be strengthened:**

It has been seen now-a-days that the institution of family is getting weakened. People are getting more self-centered. We can see its effect on the society very clearly. Feelings like fear and insecurity are increasing. People have come to a point where they can do anything for their own good, but nothing for others. If we really want to develop India, then we will have to develop a scheme which will strengthen the institution of family. Only when the institution of family remains strong, there will be an overall development of society.

**Desi by Choice, Swadeshi by necessity and Videshi under Compulsion :**

For the financial development of India, the concept of Swadeshi will always remain useful. No matter how much the foreign products get popular in the name of globalization; we should not forget that we cannot stay in the world without giving our own people jobs. Importing those objects, which we can make easily, will not be called a wise choice. Our slogan should be "Desi by Choice, Swadeshi by necessity and Videshi under Compulsion'. It means that those products and services which are being produced locally, we should give them first priority, when there is no local produce, and then we should give importance to the products made in the country. Only when the product of our needs is not found in our country, shall we go to foreign made products.

**B.A. 6th Semester**

# স্ত্ৰী-শিক্ষা ঃ অতীত আৰু বৰ্তমান

পূৰবী শইকীয়া

শিক্ষা মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। কাৰণ শিক্ষা অবিহনে মানৱ জীৱন অসাৰ্থক আৰু মূল্যহীন। অজ্ঞান আন্ধাৰ নাশি জ্ঞানৰ বন্তি জ্বলাই জীৱনৰ কঠিন পথ সুগম কৰিবৰ বাবে শিক্ষাৰ প্ৰয়োজন। শিক্ষাৰ অবিহনে মানুহৰ ধ্যান-ধাৰণা শুদ্ধ পথেৰে পৰিচালিত হ'ব বুলি ক'ব নোৱাৰি। নিজক চিনিবলৈ, নিজক জানিবলৈ, নিজক বুজিবলৈ, সমাজৰ বিষয়ে জানিবলৈ, জ্ঞানৰ বন্তি জ্বলাই আঁউসীৰ তিমিৰ নাশি জীৱনক উজ্বলাই তুলিবলৈ শিক্ষাৰ প্ৰয়োজনীয়তা কোনেও নুই কৰিব নোৱাৰে। মানৱ জীৱনৰ লক্ষণেই হৈছে নেদেখাক দেখিবলৈ, নজনাক জানিবলৈ থকা অত্যন্ত ব্যাকুলতা। মানুহে যেতিয়া আদিম যুগত জীৱ-জন্তুৰ দৰে হাবিয়ে বননিয়ে উলংগ অৱস্থাৰে হাবিৰ ফলমূল খাই, জন্তুৰ কেঁচা মঙহ খাই অজ্ঞান আন্ধাৰত থাকি জন্তুৰ দৰেই আচৰণ কৰি যাযাবৰী জীৱন কটাইছিল, তেতিয়া সভ্যতাৰ পোহৰ পোৱা নাছিল। তেতিয়া মানুহ জ্ঞানহীন, বিবেকহীন জীৱ মাত্ৰ আছিল। কিন্তু সময়ৰ পৰিক্ৰমা পাৰ হৈ সভ্যতাৰ দিশে গতি কৰি শ শ বছৰ আগুৱাই আহি মানুহ হ'বলৈ আৰম্ভ কৰিলে। এনেদৰে আগুৱাই যাওঁতে মানুহে শিক্ষাৰ জৰিয়তে চিন্তা-চৰ্চাৰ অনুকূল পৰিৱেশ গঢ়ি তুলিবলৈ যত্নবান হ'ল।

শিক্ষা মানৱ সমাজৰ বাবে অতি প্ৰয়োজনীয়, যাৰ অবিহনে মানুহ কেতিয়াও সম্পদ হ'ব নোৱাৰে। এই মানৱ জাতিৰ এটা প্ৰধান অংগ হ'ল নাৰী, কাৰণ নাৰীক বাদ দি পুৰুষ কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। এই সমস্ত বিষয়টো চালি-জাৰি চালে দেখা যায় যে, নাৰী উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে এটা জাতি তথা এখন সমাজ সুন্দৰ হ'ব পাৰিব। কিন্তু সেয়া হ'লেও এইটো এটা অতি পৰিতাপৰ বিষয় যে সময়ৰ প্ৰতিটো স্তৰতে নাৰী পুৰুষৰ দ্বাৰা লাঞ্চিত হৈ আহিছে, নাৰীক শোষিত কৰি ৰাখিছে পুৰুষে। অতীতত নাৰীক শিক্ষা দিয়াৰ কোনো ব্যৱস্থা নাছিল। বিভিন্ন অজুহাত দেখুৱাই কন্যা সন্তানক শিক্ষা দিয়া নাছিল। কন্যা সন্তানে শিক্ষক লোৱাৰ কোনো ব্যৱস্থাও নাছিল। অজ্ঞান আন্ধাৰে আন্ধাৰে আৱৰা এচাম কু-সংস্কাৰেৰে ভৰা মনৰ অভিভাৱকে নিজ কন্যাক শিক্ষিত বা সংসাৰ চলোৱাৰ উপযুক্ত কৰি গঢ়ি তুলিব বিচৰা নাছিল। সেই সময়ৰ ছোৱালীয়ে শিক্ষা লোৱাটো লাজৰ কথা বুলি গণ্য কৰা হৈছিল। সম্ভ্ৰান্ত ঘৰৰ কন্যাই মুকলিকৈ ওলোৱাটো বা শিক্ষা লোৱাটো পৰিয়ালৰ কাৰণে সন্মান হানিকৰ আছিল। বাল্য বিবাহ কন্যাৰ শিক্ষাৰ এটা প্ৰধান অন্তৰায় আছিল। নাৰী শিক্ষাৰ অবিহনে যে সমাজ শিক্ষিত হ'ব নোৱাৰে, পৰিয়াল শিক্ষিত হ'ব নোৱাৰে এই বিষয়ে তেওঁলোকৰ কোনো চেতনা নাছিল। বাহিৰলৈ ওলালে ছোৱালীৰ জাত যাব, ছোৱালী অসতী হ'ব বা সমাজ চুৰা হ'ব এনেবোৰ অন্ধবিশ্বাসে আৱৰি আছিল। কু-সংস্কাৰে পৰিপূৰ্ণ সমাজৰ চক্ৰবেহুত আইদেউ সন্দিকৈৰ দৰে অসমীয়া চলচ্চিত্ৰ জগতৰ বলিষ্ঠ অভিনেত্ৰীও সোমাই পৰিছিল। সেয়ে ভব্য গব্য লোকৰ কন্যা সন্তানে বাহিৰলৈ ওলাবলৈ নাপাইছিল। জপা কাপোৰ সঁচাৰ দৰে ঘৰৰ ভিতৰত সাঁচি ৰাখিছিল। তদুপৰি বাল্যকালতে বিয়া দি অপৈণত দেহ-মন আৰু চিন্তাধাৰাৰে বান্ধি ৰাখি পতিকে দেৱতা জ্ঞান কৰি তেওঁৰ শুশ্ৰূষাত গোটেই জীৱন কটাবলৈ বাধ্য কৰোৱা হৈছিল। নিজৰ বিষয়েই একো নজনা, সংসাৰ জ্ঞান নথকা, সৃষ্টি কি বুজি নোপোৱা, ইচ্ছা-অনিচ্ছাৰ কোনো মূল্য নিদি এজনী কণমানি ছোৱালীক ছাবি দিয়া পুতলাৰ দৰে ব্যৱহাৰ কৰিছিল তেতিয়াৰ সমাজ ব্যৱস্থাই। স্বামীৰ অত্যাচাৰ, বিভিন্ন নিৰ্যাতন আৰু নিষ্ঠুৰতাৰ বলি হ'লেও কোনোৱে তাৰ প্ৰতিবাদ কৰা নাছিল বা কৰিব নেপায় এনে ধ্যান-ধাৰণাৰে পংগু আছিল তেওঁলোকৰ

বিবেক। ইয়াৰ মূলতে হ'ল শিক্ষাহীন অজ্ঞানতা। যিহেতু সমাজৰ ধৰ্মীয় দিশতেই হওক বা সামাজিক দিশতেই হওক এইটো মাইকী মানুহে কৰিব নাপায়, সেইটো চুব নাপায়, সেইটো ছোৱালীয়ে চুলে অশুদ্ধ হ'ব, সেইটো আবিয়ৈ ছোৱালীয়ে কৰিব নাপায় আদি এশ এবুৰি নাপাইয়ে আমাৰ সমাজক গ্ৰাসিত কৰিছিল। নাৰীক পুৰুষে সমাজত সকলো দিশতে অধিকাৰৰ পৰা বঞ্চিত কৰি সময়ে সময়ে দাসত্বৰ শিকলিৰে বান্ধি ৰাখিছিল। এই শিকলিৰ বান্ধোন ছিঙি নাৰীয়ে প্ৰতিবাদ কৰাৰ কোনো থল নাছিল। সেয়ে তেনে পৰিস্থিতিকে মানি ল'বলৈ বাধ্য হৈছিল। কাৰণ সেই যুগৰ নাৰীয়ে শিক্ষিত যুক্তিৰে কোনো কথাকে তীব্ৰভাৱে প্ৰতিবাদ কৰিব পৰা চেতনা নাছিল।

অৱশ্যে তেনে সময়তো কিছু কিছু অভিজাত পৰিয়ালৰ গুণী জ্ঞানী অভিভাৱকে ঘৰতে গৃহ শিক্ষক নিয়োগ কৰি কন্যাক অলপ হ'লেও শিক্ষা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰিছিল যদিও এই ব্যৱস্থা কিছু পৰিয়ালৰ মাজতে সীমাবদ্ধ আছিল। সাধাৰণ শ্ৰেণীৰ বাবে ছোৱালীয়ে শিক্ষা লোৱাটো এক বোজাহে আছিল, তাৰ পৰা কাৰো একো লাভ নহয়। একোটা ডাঙৰ যৌথ পৰিয়ালত নাৰী যি বয়সৰে নহওক লাগিলে কেৱল ঘৰুৱা কাম-কাজত ব্যস্ত থাকিব লগা হৈছিল। সেই অন্ধকাৰ যুগত প্ৰায় পুৰুষৰে আক্ষৰিক জ্ঞান নাছিল। তেনেস্থলত নাৰী শিক্ষাৰ কথা কল্পনাও কৰিব পৰা নাছিল। যিহেতু ৰাজ পৰিয়াল, ডাঙৰ পৰিয়াল আৰু সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী-বোৱাৰী সকলক অতি আবুৰত ৰখা হৈছিল যাতে সৰ্বসাধাৰণৰ দৃষ্টিগোচৰ নহয়, হ'লে ৰাজসন্মানত আঘাত লাগিব। তেওঁলোকৰ শিক্ষাৰ কথা কোনেও গুৰুত্বই নিদিছিল। কাৰণ তেনে সময়ত স্ত্ৰীয়ে শিক্ষা লোৱাটো অতি প্ৰয়োজনীয় কথা বুলি কোনেও গুৰুত্বই নিদিছিল। কিন্তু ১৬ শ শতিকাত দেখা যায় শ্বাহজাহানৰ ডাঙৰ কন্যা জাহানাৰা বেগমে উৰ্দু ভাষাত কবিতা লিখিছিল। কাৰণ তেওঁ হেৰমতে ঘৰুৱা তত্ত্বাৱধানত শিক্ষা লৈছিল। সেইদৰে হুমায়ুনৰ কন্যা গুলবদন বেগমো তেনেদৰেই শিক্ষিত আছিল। সেয়ে তেওঁৰ পিতৃৰ জীৱনী লিখিব পাৰিছিল। কিন্তু সমাজৰ আন শ্ৰেণীৰ কন্যাক শিক্ষা দিয়াটো অবাস্তৱ কথা যেন আছিল। সাধাৰণ প্ৰজাই শিক্ষাৰ মূল্য বুজিব পৰা নাছিল, কাৰণ ৰজা ঘৰৰ কামতে তেওঁলোক সীমাবদ্ধ আছিল। এইদৰেই শতিকা গৰকি সময় আগবাঢ়ি গৈছিল। জুইক যেনেকৈ ঢাকি ৰাখিব নোৱাৰি তেনেদৰে প্ৰতিভাকো ঢাকি ৰাখিব নোৱাৰি, সময়ত সি এদিন নহয় এদিন আত্মপ্ৰকাশ কৰিবই। হিন্দু ধৰ্ম আৰু হিন্দু শাস্ত্ৰই স্ত্ৰী-শিক্ষাত গুৰুত্ব দিছিল। সেয়া হ'লেও সামাজিক জীৱনত প্ৰগতিশীল দৃষ্টিভংগীৰ অভাৱত স্ত্ৰী-শিক্ষাৰ অনুকূল পৰিৱেশ গঢ়ি উঠা নাছিল। যি সময়ত ল'ৰাক শিক্ষা দিয়া চেতনাই মানুহৰ নাছিল, তেনেস্থলত স্কুলত ছোৱালী পঢ়া বিষয়টোৰ প্ৰশ্নই নুঠে। প্ৰাচীন ভাৰততো ছোৱালীৰ বাবে কোনো শিক্ষা অনুষ্ঠান নাছিল, ল'ৰাৰ বাবেহে গুৰুকূল শিক্ষা ব্যৱস্থা আছিল। এইদৰে শতিকা গৰকি সময় আগবাঢ়িছিল, সময়ত পট পৰিৱৰ্তন হৈছিল। পাছৰ সময়ত ল'ৰাৰ বাবে শিক্ষানুষ্ঠান হৈ পৰিছিল "টোল" কন্যাৰ বাবে নাছিল, এইদৰেই সময় আগবাঢ়ি গৈছিল নতুন পথেদি।

ভাৰতবৰ্ষত যেতিয়া ব্ৰিটিছৰ আধিপত্য আছিল তেতিয়া ইংৰাজ মিছনেৰীসকলে স্ত্ৰী-শিক্ষাৰ দায়িত্ব লৈছিল। ১৯০৪ চনৰ স্ত্ৰী-শিক্ষাৰ বাবে চৰকাৰে অধিক ব্যয় কৰিবলৈ পোষকতা কৰে। মিছনেৰী মহিলা দুগৰাকীমানে এইক্ষেত্ৰত আগভাগ লৈছিল। তাৰ ভিতৰত মিচেছ কট্টৰ অন্যতম। মিচেছ কট্টৰে স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ বাবে নিজ উদ্যোগত প্ৰথম শদিয়াত স্কুল খুলি মহিলা আৰু সহঃশিক্ষাৰ প্ৰচলন কৰিলে। মিচেছ কট্টৰে যদিও পৰিৱৰ্তনৰ চেষ্টা চলালে তথাপি সাধাৰণ প্ৰজাৰ বাবে এই ব্যৱস্থা ইমান গ্ৰহণযোগ্য হোৱা নাছিল। আনকি উচ্চ কুলৰ ছোৱালীক স্কুললৈ পঠোৱা নাছিল। কিন্তু কুৰি শতিকাৰ আৰম্ভণিয়ে পুৰণি চিন্তাধাৰা ওলট-পালট কৰি পেলালে। গান্ধীজীৰ আদৰ্শ তথা চিন্তাধাৰাত অনুপ্ৰাণিত হৈ একাংশই নিজ নিজ কন্যা সন্তানক স্কুললৈ পঠাবলৈ ল'লে। গাঁৱে-ভূঞে শিক্ষানুষ্ঠান গঢ়ি উঠিল। স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত কোনো আগ্ৰহ নেদেখুওৱা সমাজ আৰু সময়ক উপেক্ষা কৰি বহুতো ছোৱালীয়ে শিক্ষাৰ প্ৰতি থকা হাবিয়াস পূৰ্ণ কৰিবলৈ আগবাঢ়ি আহিল। অৱশ্যে তাত অভিভাৱকৰো সহযোগ আছিল। এনে শিক্ষাৰ সুফল অসমে লাভ কৰিলে, কাৰণ এনে ব্যৱস্থাৰ ফলতে অসম কন্যা তিলোত্তমা ৰায় চৌধুৰী (প্ৰথম মহিলা এম বি বি এছ.) স্ত্ৰী ৰোগ বিশেষজ্ঞ আৰু অমল প্ৰভা দাস অসমৰ প্ৰথম গৰাকী এম. এছ.ছি পাছ মহিলা ওলাইছিল অন্ধকাৰ সমাজৰ পৰা।

যেতিয়া পুৰণিক বিদায় দি নতুনক স্বাগতম জনাইছিল আধুনিকতাৰ বাতাবৰণে সকলোৰে অন্তৰ চুই গৈছিল তেতিয়া মানুহৰ সামাজিক চেতনাও তীব্ৰ ৰূপত জাগ্ৰত হৈছিল। পাকঘৰৰ চাৰিবেৰৰ পৰা ছোৱালীক বাহিৰলৈ উলিয়াই আনিছিল। তেওঁলোকে হয়তো অনুভৱ কৰিছিল প্ৰাচীন চিন্তাধাৰা অনুসৰণ কৰি বিধৱা নাৰীৰ সতীত্বৰ দোহাই দি বহিৰ্জগতৰ লগত বঞ্চিত কৰা একাংশক শিক্ষাৰে প্ৰত্যুত্তৰ দিছিল।





আধুনিক আৰু প্ৰগতিশীল চিন্তাধাৰাই ছোৱালীহঁতৰ মনৰ ফেনবোৰ আঁতৰাই দুৰ্বাৰ সাহসেৰে আগবাঢ়ি যাবলৈ হয়তো উৎসাহিত কৰিলে। তেনে উৎসাহত উৎসাহিত হৈ দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাই কলিকতাত পঢ়ি অসমৰ খ্যাতি বঢ়াইছিল। সেইদৰে শিক্ষা জগতৰ এক উজ্জ্বল নক্ষত্ৰ শ্ৰীমতী ইন্দিৰা মিৰিয়ে সৰুতেই কলিকতাত পঢ়ি তাৰ পাছত দেশৰ বাহিৰতো পঢ়িবলৈ গৈছিল। এইসকল নাৰী অসমৰ স্ত্ৰী-শিক্ষাৰ ইতিহাসৰ অগ্ৰণী নাৰী। ইয়াৰ বাহিৰেও বহু গৰাকী অসম কন্যাই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত উল্লেখযোগ্য বৰঙনি আগবঢ়াই পৰৱৰ্তী প্ৰজন্মক উৎসাহিত কৰিছিল। অসমৰ শিক্ষাৰ ক্ষেত্ৰত আজি বহুমুখী শিক্ষা লাভৰ বাট ওলাইছে। আজি প্ৰতিটো দিশতে নাৰীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰি পুৰুষৰ সমানে সমানে ফেৰ মাৰিছে। আনকি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত আগবাঢ়ি গৈ কল্পনা চাওলাই মহাকাশৰ বুকুত মৃত্যুক আঁকোৱালি ল'লে, তথাপি প্ৰমাণ কৰি গ'ল নাৰী শিক্ষা, সাহস আৰু কৰ্তব্যপৰায়ণতা। বিজ্ঞানৰ জয়যাত্ৰাত নাৰীৰ শক্তিও পুৰুষতকৈ কোনো গুণে কম নহয়। এদিন এনে সময় আছিল যেতিয়া নাৰী অজ্ঞান আন্ধাৰত ডুবি আছিল। জ্ঞান চকু অন্ধ আছিল। বিবেক আছিল পুৰুষৰ ইংগিতত উঠা-বহা কৰাৰহে যোগ্য। আজি নাৰী পুৰুষৰ শিক্ষাহীন আবেষ্টনীৰ পৰা ওলাই আহি মুক্ত কণ্ঠৰে মুক্ত মনেৰে নিজৰ মতে সকলো কৰিব পাৰিছে। এতিয়া নাৰীৰ চিন্তাধাৰা, বিচাৰ বুদ্ধি আৰু বিবেক নিজ শিক্ষাৰেহে পৰিচালিত। এতিয়া নাৰী শিক্ষিত, তেওঁলোকৰ বিবেকো জাগ্ৰত। লোকৰ প্ৰলোভনত ফুচুল খোৱা, নিজক বুজি নোপোৱা দিনবোৰ নাৰীয়ে এৰি আহিছে, নতুনক সাৱতি লৈছে। শিক্ষাক জীৱনৰ সংগী কৰি শিক্ষাৰ বন্তিৰে সমাজখন, পৃথিৱীখন আৰু মানৱ জাতিটোক পোহৰাই তুলিছে। ধন্য আজিৰ নাৰী।

নাৰী শিক্ষিত হ'লেহে এটা জাতি শিক্ষিত আৰু সু-সভ্য হ'ব পাৰে। নাৰীয়েই সমাজৰ বুনিয়াদ কাৰণ সন্তানক সু-শিক্ষা দি ভদ্ৰ-নম্ৰ গুণী আৰু জ্ঞানী কৰি গঢ়ি তুলিব পাৰিব এগৰাকী শিক্ষিত মাতৃয়েহে। সঁচাই এটা জাতিৰ আধাৰেই হ'ল নাৰী যিয়ে সৃষ্টি বিনন্দীয়া কৰি ৰাখিছে কৃষ্টিৰ সোণালী শিক্ষাৰে। সেয়ে স্ত্ৰী-শিক্ষাৰ অবিহনে এখন শুদ্ধ সভ্য প্ৰগতিশীল সমাজৰ কল্পনাও কৰিব নোৱাৰি। সেয়ে সমাজৰ খাতিৰত নাৰী শিক্ষা অনুষ্ঠান গঢ়ি উঠিছিল। এইদৰেই ক্ৰমান্বয়ে স্ত্ৰী-শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ আৰম্ভ হয়। ক্ৰমান্বয়ে কলেজ, বিশ্ববিদ্যালয়ত ল'ৰাৰ সমানে ছোৱালীয়ে একেলগে শিক্ষা গ্ৰহণ কৰিবলৈ ল'লে। পুৰণি দিনবোৰ আঁতৰি সময় সলনি হ'ল। শিক্ষাৰ ক্ষেত্ৰত নাৰী প্ৰগতিৰ পথেৰে বহু দূৰ আগবাঢ়ি গ'ল।

এইয়া এখন সম্পূৰ্ণ চিত্ৰ নহয়, অসমৰ তথা ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত নাৰীয়ে অভূতপূৰ্ব সফলতা লাভ কৰি পুৰুষৰ সমানে ফেৰ মাৰিছে। যিটোৱে প্ৰমাণ কৰে "নাৰী অবলা নহয়, সবলাহে"। সুযোগ সুবিধা পালে সকলো দিশতে বিৰাট পাৰদৰ্শিতাৰে নাৰীয়ে সকলো কৰিব পাৰে। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সকলোতে নাৰী আগবাঢ়ি গৈছে। পুৰুষৰ সমানেই দখলত নামিছে। গতিকে এই সকলোবোৰ দিশৰ পৰা চালে অতীতৰ আবুৰৰ ঘৰৰ ভিতৰত অশিক্ষিত হৈ সোমাই থকা তাহানিৰ নিমাতি কইনাজনী আজি সৰ্ব্বগুণী ৰচকী পখিলা। এয়া হয়তো সময়ৰ আহ্বান যাক কোনেও নুই কৰিব নোৱাৰে। শিক্ষা নাৰীৰ জন্মগত অধিকাৰ সেয়ে এই অধিকাৰ সাব্যস্ত কৰিবলৈ নাৰী নতুন পথেৰে আগবাঢ়ি গৈছে আৰু গৈ থাকিব।। ◆

স্নাতক তৃতীয় ষান্মাসিক (কলা শাখা)

# কেন্দ্ৰীয় বাজেট ২০১৮-১৯, এটি বিশ্লেষণ

মুনুমণি বৰুৱা

এখন দেশৰ অৰ্থনীতি গঢ় দিয়ে দেশখনৰ চৰকাৰে গ্ৰহণ আৰু ৰূপায়ন কৰা অৰ্থনৈতিক নীতিয়ে আৰু চৰকাৰৰ এই নীতিসমূহৰ প্ৰতিফলন ঘটে চৰকাৰী বাজেটত। চৰকাৰী বাজেট হৈছে দেশ খনৰ চৰকাৰে আগন্তুক বিত্তীয় বৰ্ষটোৰ বাবে প্ৰস্তুত কৰা চৰকাৰী আয় আৰু ব্যয়ৰ পূৰ্বানুমান সম্পৰ্কীয় এক দলিল। প্ৰতিটো বিত্তীয় বৰ্ষ আৰম্ভ হোৱাৰ ঠিক আগে আগে দেশৰ বিত্ত মন্ত্ৰীয়ে সংসদত আগন্তুক বিত্তীয় বৰ্ষৰ বাবে প্ৰস্তুত কৰা বাজেট খন উপস্থাপন কৰে। ২০১৬ চনলৈকে ফেব্ৰুৱাৰী মাহৰ শেষ কৰ্মদিনটোত সংসদত বাজেট উত্থাপিত হৈ আহিছিল যদিও কেন্দ্ৰীয় বিত্তমন্ত্ৰী মাননীয় অৰুণ জেট্‌লীদেৱে গতানুগতিকতাৰ পৰা অলপ ভিন্নতা প্ৰদান কৰাৰ মানসেৰে ২০১৭ বৰ্ষত ১ ফেব্ৰুৱাৰীত আৰু চলিত বৰ্ষত ৩০ জানুৱাৰীত সংসদত বাজেট উত্থাপন কৰে। কৃষি, গ্ৰাম্য উন্নয়ন, স্বাস্থ্য, শিক্ষা, নিয়োগ সৃষ্টি, মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগ আৰু আন্তঃগাঁঠনি শক্তিশালী কৰাৰ সংকল্পলৈ দেশৰ দৰিদ্ৰ আৰু সাধাৰণ জনতাৰ মঙ্গলাৰ্থে বিভিন্ন নতুন নতুন আঁচনিৰ অন্তৰ্ভুক্তিৰে এইবাৰৰ বাজেট খনে দেশৰ গ্ৰাম্য অৰ্থনীতিলৈ এক আশাৰ বতৰা কঢ়িয়াই আনিছে বুলি বহুলোকে মত প্ৰকাশ কৰিছে। এই বাজেটখনত অৰ্থনীতিৰ বিভিন্ন খণ্ড সমূহৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা আঁচনি আৰু প্ৰস্তাৱ সমূহৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়াবলৈ এই লেখাৰ জৰিয়তে চেষ্টা কৰা হৈছে।

কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰী অৰুণ জেটলীদেৱে ২০১৮-১৯ বৰ্ষৰ বাজেটখন সংসদত উত্থাপন কৰোঁতে মন্তব্য কৰে যে সাম্প্ৰতিক কালত ভাৰতীয় অৰ্থনীতিৰ গাঁঠনিৰ সংস্কাৰ সাধন হৈছে আৰু ইয়াৰ লগে লগেই সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ লেখত ল'বলগীয়াকৈ উৎকৰ্ষ সাধন হৈছে। জেটলীদেৱে লগতে মন্তব্য কৰিছে যে ভাৰতীয় অৰ্থনীতিৰ এই গাঁঠনিমূলক পৰিৱৰ্তন আৰু উন্নয়নৰ সুফল সমূহ যাতে সমাজখনৰ কৃষক দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ লোকসকলে ভোগ কৰিবলৈ পায়, সেই উদ্দেশ্য এইবাৰৰ বাজেটত বিভিন্ন নতুন নতুন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনি সমূহে কৃষি, গ্ৰাম্য উন্নয়ন, শিক্ষা, স্বাস্থ্য, সামাজিক সুৰক্ষা, মজলীয়া, ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগ, আন্তঃগাঁঠনি, বিত্তীয় খণ্ড, কৰ সংশোধন ইত্যাদি বিষয়সমূহক সামৰি লৈছে। এই বিভিন্ন খণ্ডক সামৰি চৰকাৰে আগন্তোক বিত্তীয় বৰ্ষৰ বাজেটত গ্ৰহণ কৰা আঁচনি তথা প্ৰস্তাৱ সমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা হ'ল।

**কৃষি আৰু গ্ৰাম্য অৰ্থনীতি** (Agriculture and Rural Economy)ঃ দেশৰ কৃষক সকলৰ কল্যাণ সাধনৰ উদ্দেশ্যে আৰু ২০২২ চনৰ ভিতৰত তেওঁলোকৰ আয় দুগুণ কৰাৰ মানসেৰে বিত্ত মন্ত্ৰীয়ে কৃষিখণ্ডটোত বহুতো নতুন নতুন আঁচনি আৰু প্ৰস্তাৱ গ্ৰহণ কৰিছে। বিত্তমন্ত্ৰী গৰাকীয়ে কৈছে যে সকলোবিলাক খৰিফ শস্য (Kharif crops) ৰ ক্ষেত্ৰত একোটা নূন্যতম সমৰ্থিত দৰ (Minimum Support Price)নিৰ্দ্ধাৰণ কৰা হ'ব আৰু এই দৰ বিলাকৰ উৎপাদন ব্যয়ৰ অতি কমেও ডেৰগুণ (১.৫ গুণ) হ'ব। কৃষি খণ্ডটোৰ বাবে আনুষ্ঠানিক ঋণৰ পৰিমানো বৃদ্ধি কৰা হৈছে। মৎস্যপালন খণ্ডটোৰ বাবে Fisheries and Aqua Culture Infrastructure Development Fund (F.A.I.D.F) আৰু পশুপালন খণ্ডটোৰ প্ৰয়োজনীয় আন্তঃগাঁঠনি উন্নয়নৰ বাবে Animal Husbandry Infrastructure Development Fund (A.H.I.D.F) নামেৰে দুটা নতুন পুঁজিৰ সূচনা কৰা হৈছে আৰু দুয়োটা নতুন পুঁজিৰ বাবদ বাজেটত মুঠতে ১০,০০০ (দহ হাজাৰ) কোটি টকা ধাৰ্য কৰা হৈছে। আলু, পিয়াঁজ আৰু বিলাহীৰ দৰে সহজে নষ্ট হোৱা সামগ্ৰীসমূহৰ দৰৰ অস্থিৰতা প্ৰতিৰোধ কৰাৰ উদ্দেশ্য 'Op-

eration Green' নামৰ এক নতুন আঁচনিৰ সূচনা কৰা হৈছে। কৃষিজাত সামগ্ৰীৰ বজাৰ ব্যৱস্থাটোৰ উন্নতিকল্পে ইতিমধ্যে থকা ২২,০০০ খন গ্ৰাম্য বজাৰক গ্ৰামীণ কৃষি বজাৰ (Gramin Agricultural Market) লৈ উন্নীত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। উক্ত ২২,০০০ গ্ৰামীণ কৃষি বজাৰৰ আন্তঃগাঁঠনি উন্নয়নৰ অৰ্থে ২০০০ কোটি টকা ব্যয়ৰ লক্ষ্যৰে এক Agri-Market Infrastructure Fund গঠন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। বাঁহক সেউজ সোণ (Green Gold) হিচাপে অভিহিত কৰি বাঁহ উৎপাদনকাৰী খণ্ডৰ উন্নয়ন সাধনৰ কাৰণে ১২৯০ কোটি টকা ব্যয়ৰ লক্ষ্য নিৰ্দ্ধাৰিণ কৰা হৈছে। Prime Minister Krishi Sinchai Yojana নামৰ আঁচনিৰ জৰিয়তে ২৬০০ কোটি টকা ব্যয়ৰ লক্ষ্যৰে ৯৬ খন জলসিঞ্চন বঞ্চিত জিলাত জলসিঞ্চনৰ সুবিধা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। কৃষকসকলে তেওঁলোকৰ কৃষিভূমিত পানী যোগানৰ বাবে সৌৰ পানী পাম্প (Solar Water Pump) নিৰ্মাণ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক কেন্দ্ৰীয় চৰকাৰে সহযোগিতা আগবঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছে। মীন পালন আৰু পশুপালনৰ লগত জৰিত কৃষক সকলক কাৰ্যকৰী মূলধন (Working capital) যোগান ধৰাৰ মানসেৰে এই দুয়োটা খণ্ডলৈ কৃষাণ ক্ৰেডিট কাৰ্ডৰ সুবিধা প্ৰদান কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। কৃষিজাত দ্ৰব্যৰ ৰপ্তানি বৃদ্ধিৰ মানসেৰে এই খণ্ডটোৰ ৰপ্তানি বিষয়টোত অধিক উদাৰতা প্ৰদান কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। হাৰিয়ানা, পাঞ্জাব, উত্তৰ প্ৰদেশ আৰু দিল্লীৰ চৰকাৰ সমূহে বায়ু প্ৰদূষণ দূৰ কৰিবৰ কাৰণে গ্ৰহণ কৰা প্ৰচেষ্টাক সাহাৰ্য প্ৰদান কৰাৰ মানসেৰে এক বিশেষ আঁচনি ঘোষণা কৰা হৈছে। মহিলাৰ আত্মসহায়ক গোট সমূহলৈ আগবঢ়োৱা ঋণৰ পৰিমাণ ৩৭ শতাংশ হাৰত বৃদ্ধি কৰি মুঠ ৭৫,০০০ কোটি টকা ধাৰ্য কৰা হৈছে। নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীটোৰ সুবিধাৰ্থে উজালা, সৌভাগ্য আৰু স্বচ্ছতা আঁচনিৰ নামত অধিক ব্যয়ৰ লক্ষ্য নিদ্ধাৰণ কৰা হৈছে। উজালা আঁচনিৰ জৰিয়তে পূৰ্বৰ পাঁচ কোটিৰ পৰিৱৰ্তে এইবাৰ আঠ কোটি দৰিদ্ৰ মহিলাক বন্ধন গেছৰ সংযোগ প্ৰদান কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। সৌভাগ্য আঁচনিৰ জৰিয়তে চাৰি কোটি দুখীয়া পৰিয়ালক বিদ্যুৎ সংযোগ আৰু স্বচ্ছ ভাৰত আঁচনিৰ জৰিয়তে এক কোটিতকৈও অধিক গৃহ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে আৰু ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ নিৰ্মানৰ লক্ষ্য লোৱা হৈছে। গ্ৰাম্যাঞ্চলত অধিক কৰ্মৰ সুযোগ সৃষ্টিৰ লক্ষ্যৰে কৃষি আৰু আনুসংগিক খণ্ড আৰু গ্ৰাম্য আন্তঃগাঁঠনি নিৰ্মানৰ বাবে অধিক ব্যয়ৰ লক্ষ্য লোৱা হৈছে।

**শিক্ষা, স্বাস্থ্য আৰু সামাজিক সুৰক্ষা** (Education, Health and Social Protection) ঃ- বিত্তমন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত ঘোষণা কৰিছে যে শিক্ষা, স্বাস্থ্য আৰু সামাজিক সুৰক্ষা শিতানত ব্যয়ৰ মাত্ৰা বৃদ্ধি কৰা হৈছে। শিক্ষাখণ্ডত, জনজাতীয় শিশুসকলক তেওঁলোকৰ নিজা পৰিৱেশত উন্নতৰ শিক্ষা প্ৰদানৰ উদ্দেশ্যে নৱোদয় বিদ্যালয়ৰ আৰ্হিত প্ৰতিটো জনজাতীয় উন্নয়ন খণ্ডত ২০২২ চনৰ ভিতৰত একোখনকৈ একলব্য মডেল ৰেচিডেন্সিয়েল স্কুল নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে। শিক্ষকসকলৰ মান উন্নয়নাৰ্থে তেওঁলোকৰ বাবে Integrated B.Ed. Programme আৰম্ভ কৰাৰ কথা ঘোষণা কৰা হৈছে। তদুপৰি, চৰকাৰে Prime Minister's Research Fellows (P.M.R.F) আঁচনিৰ সূচনা কৰি ইয়াৰ অধীনত আগশাৰীৰ অনুষ্ঠানৰ পৰা ১০০০ বি.টেক্ ছাত্ৰ ছাত্ৰী নিৰ্বাচন কৰি I.I T নাইবা I.I.Sc ত গৱেষণা কৰিবৰ কাৰণে একোটা সুন্দৰ ফেল'শ্বিপ প্ৰদান কৰাৰ প্ৰস্তাৱ লোৱা হয়। স্বাস্থ্যখণ্ডত, বিত্তমন্ত্ৰী গৰাকীয়ে National Health Protection Scheme নামেৰে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ চৰকাৰী পুঁজি সমৰ্থিত স্বাস্থ্য ৰক্ষা আঁচনি ঘোষণা কৰে। এই আঁচনিৰ অধীনত প্ৰায় দহ কোটি দৰিদ্ৰ আৰু পিছপৰা পৰিয়ালক সামৰি লৈ প্ৰতিটো পৰিয়ালৰ চিকিৎসাৰ বাবত প্ৰতিবছৰে পাঁচ লাখ টকাকৈ ব্যয় কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। তদুপৰি প্ৰতিজন যক্ষ্মাৰোগীৰ চিকিৎসাৰ সময়ছোৱাত মাহে ৫০০ টকাকৈ পৰিপুষ্টিৰ বাবত ব্যয়ৰ প্ৰস্তাৱ লোৱা হৈছে। বিত্তমন্ত্ৰী গৰাকীয়ে লগতে কয় যে দেশৰ জিলা চিকিৎসালয়বিলাকক উন্নীত কৰি ২৪ খন নতুন চৰকাৰী চিকিৎসা মহাবিদ্যালয় গঢ়ি তোলা হ'ব। সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত, নমামী গংগা আঁচনিৰ অধীনত গংগা নদীৰ তলী পৰিষ্কাৰ কৰাৰ লগতে আন্তঃগাঁঠনি উন্নয়ন, গ্ৰাম্য অনাময় ব্যৱস্থা উন্নীতকৰণ আদিৰ বাবদ মুঠ ১৮৭ টা প্ৰকল্প আবণ্টন কৰাৰ কথা ঘোষণা কৰে। গংগা নদীৰ পাৰৰ ৪৪৬৫ খন গাঁৱক (Ganga Gram) মুকলিত শৌচপ্ৰসাৱ কৰা কাৰ্যৰ পৰা মুক্ত কৰা হ'ব বুলি ঘোষণা কৰা হয়।

**মজলীয়া, ক্ষুদ্ৰ আৰু অতিক্ষুদ্ৰ উদ্যোগ**, (Medium, Small and Micro Enterprises) ঃ- এইবাৰৰ বাজেটত অৰ্থনীতিত নিয়োগ বৃদ্ধি আৰু উন্নয়ন সাধনৰ মানসেৰে মজলীয়া, ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগ খণ্ডত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। এই খণ্ডটোৰ উন্নয়নাৰ্থে বাজেটত অধিক ব্যয় ধাৰ্য কৰা হৈছে। (MUDRA Micro Units Development and Refinance Agency Limited) যোজনাৰ

অধীনত আগবঢ়োৱা ঋণৰ পৰিমাণো এইবাৰ বৃদ্ধি কৰা হৈছে। নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত বিত্তমন্ত্ৰী গৰাকীয়ে ঘোষণা কৰে যে এই বৰ্ষটোত ৭০ (সত্তৰ) লাখ আনুষ্ঠানিক কৰ্মসংস্থানৰ সৃষ্টি কৰা হ'ব।

**আন্তঃগাঁঠনি আৰু বিত্তীয় খণ্ডৰ উন্নয়ন** (Infrastracture and Financial Sector Development)ঃ

আন্ত গাঁঠনিক অৰ্থনীতিৰ বৃদ্ধিৰ চালক হিচাপে অভিহিত কৰি বিত্তমন্ত্ৰী গৰাকীয়ে কয় যে দেশৰ আয় বৃদ্ধিৰ উদ্দেশ্যে স্থলপথ, জলপথ আৰু আকাশী পথৰ মাজত সংযোগ স্থাপন কৰা হ'ব আৰু ইয়াৰ বাবে ৫০ লাখ কোটিতকৈও অধিক টকা বিনিয়োগ কৰা হ'ব। চৰকাৰে ৰে'লপথ আৰু স্থলপথৰ উন্নয়নৰ বাবে সৰ্বকালৰ বৃহৎ আবন্টন আগবঢ়ায় আৰু ইয়াৰ পৰিমাণ পুনৰ বৃদ্ধিৰ আশ্বাস দিয়ে। পৰ্যটনৰ বিকাশৰ ক্ষেত্ৰত এইবাৰৰ বাজেটত দেশৰ দহখন উল্লেখযোগ্য পৰ্যটন ক্ষেত্ৰক আন্তঃগাঁঠনি তথা দক্ষতা বৃদ্ধি, প্ৰযুক্তি কৌশলৰ উন্নয়নৰ জৰিয়তে আদৰ্শ পৰ্যটন স্থলীলৈ উন্নীত কৰাৰ প্ৰস্তাৱ ঘোষণা কৰা হয়। ভাৰতমালা পৰিযোজনাৰ অধীনত প্ৰথম পৰ্যায়ত প্ৰায় ৩৫,০০০ কিলোমিটাৰ পথ নিৰ্মাণৰ লক্ষ্য ধাৰ্য কৰা হয়। ৰে'লপথ উন্নয়নৰ ক্ষেত্ৰত সক্ষমতা বৃদ্ধিক অধিক গুৰুত্ব দি এইবাৰৰ বাজেটত মুঠ ৩৬০০ কিঃমি ট্ৰেকৰ নবীকৰণ আৰু ৬০০ প্ৰধান ৰে'ল ষ্টেচন পুনৰ উন্নয়ন কৰাৰ প্ৰস্তাৱ লোৱা হয়। বায়ু পৰিবহণৰ ক্ষেত্ৰত, 'NABH NIRMAN' নামৰ এক নতুন পদক্ষেপৰ জৰিয়তে বিমানবন্দৰ সমূহৰ সক্ষমতা প্ৰায় পাঁচগুণে বৃদ্ধি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। ডিজিটেল অৰ্থনীতিৰ বিকাশৰ বাবে বিত্তমন্ত্ৰীয়ে ঘোষণা কৰে যে NITI আয়োগে কৃত্ৰিম বুদ্ধিমত্তা সৃষ্টিৰ মানসেৰে এটা ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ সূচনা কৰিব। তদুপৰি পাঁচ কোটি গ্ৰাম্য নাগৰিকক ইন্টাৰনেটৰ সংযোগ প্ৰদানৰ লক্ষ্যৰে পাঁচ লাখ Wifi Hotspot স্থাপন কৰাৰ লক্ষ্য ধাৰ্য কৰা হয়। উদ্যোগীসকলক উৎসাহিত কৰাৰ মানসেৰে Aadhar ৰ নিচিনাকৈ প্ৰতিজন ব্যক্তিগত উদ্যোগীক একোটা একক পৰিচয় পত্ৰ প্ৰদান কৰাৰ প্ৰস্তাৱ লোৱা হয়। এইবাৰৰ বাজেটত ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু ৰাজ্যপালৰ মাহিলী বেতন ক্ৰমে ৫ লাখ, ৪ লাখ আৰু ৩.৫ লাখলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লোৱা হয়। জাতিৰ পিতা মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপনৰ উপলক্ষে ১৫০ কোটি টকা আছুতীয়াকৈ ৰখাৰ প্ৰস্তাৱ লোৱা হৈছে। ৰাজকোষীয় ঘাটিৰ পৰিমান হ্ৰাসৰ প্ৰচেষ্টা অব্যাহত ৰাখি ইয়াৰ পৰিমান GDP ৰ ৩৩ শতাংশ কৰাৰ লক্ষ্য ধাৰণ কৰা হৈছে।

**কৰ ব্যৱস্থা** (Taxation)ঃ- প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত, কৃষক উৎপাদনকাৰী কোম্পানী (Farmer Producer Company) হিচাপে পঞ্জীকৃত যিবিলাক কোম্পানীৰ বাৰ্ষিক ব্যৱসায় ১০০ কোটি টকাৰ ভিতৰত সিবিলাকৰ লাভ উপাৰ্জনৰ ওপৰত এই বৰ্ষৰ পৰা ৫ বছৰত ১০০ শতাংশ কৰ ৰেহাইৰ প্ৰস্তাৱ লোৱা হৈছে। ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত, বেতনভোগী কৰদাতাসকলক কিছু সকাহ দিয়াৰ মানসেৰে ৪০,০০০ (চল্লিছ হাজাৰ) টকাৰ Standard Deduction ৰ ব্যৱস্থা কৰা হৈছে। জ্যেষ্ঠ নাগৰিকসকলে বেংক আৰু ডাকঘৰত থোৱা জমাৰ পৰা হোৱা সুদ ৫০,০০০ টকালৈকে কৰ ৰেহাইৰ প্ৰস্তাৱ লোৱা হৈছে। নগদ ধনৰ লেনদেনক সীমিত কৰাৰ মানসেৰে এইবাৰৰ বাজেটত কোনো ট্ৰাষ্ট (Trust) নাইবা অনুষ্ঠানে কৰা ১০,০০০ টকাৰ ওপৰত নগদ টকাৰ লেনদেনক নামঞ্জুৰ কৰিছে, অন্যথা কৰ দিবলগীয়া হ'ব বুলি ঘোষণা কৰিছে। দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ জনসাধাৰণ আৰু গ্ৰাম্য পৰিয়ালৰ বাবে শিক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ শিতানত ব্যয় বৃদ্ধিৰ মানসেৰে এইবাৰৰ বাজেটত ব্যক্তিগত আয়কৰ আৰু কপৰেট কৰৰ ওপৰত থকা উপকৰ (Cess) তিনি শতাংশৰ পৰা চাৰি শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হৈছে। এই উপকৰটোক স্বাস্থ্য আৰু শিক্ষা উপকৰ (Health and Education Cess) নামেৰে নতুনকৈ নামাকৰণ কৰা হৈছে। প্ৰত্যক্ষ কৰ সংগ্ৰহৰ ক্ষেত্ৰত অধিক দক্ষতা আৰু স্বচ্ছতা প্ৰদানৰ মানসেৰে ই-এচেছমেন্টৰ ব্যৱস্থা কৰা হৈছে।

পৰোক্ষ কৰৰ ক্ষেত্ৰত, দ্ৰব্য আৰু সেৱা কৰ (GST) প্ৰৱৰ্তনৰ পিছত যিহেতু এইখনেই প্ৰথম বাজেট, সেয়েহে বাণিজ্য শুল্কৰ ক্ষেত্ৰতহে কিছু সালসলনি কৰা হৈছে। দেশৰ ভিতৰত অধিক কৰ্মসংস্থান সৃষ্টিৰ লক্ষ্যেৰে আৰু ঘৰুৱা মূল্য সংযোজনৰ পৰিমান বৃদ্ধি তথা Make in India ক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যেৰে এই শুল্কৰ সালসলনি ঘটোৱাৰ প্ৰস্তাৱ লোৱা হৈছে। তদুপৰি বাজেটখনে আমদানিকৃত দ্ৰব্যৰ ওপৰত থকা শিক্ষা উপকৰ বাতিল কৰিছে। ইয়াৰ ঠাইত আমদানিকৃত দ্ৰব্যৰ ওপৰত ১০ শতাংশ হাৰত শুল্ক আৰোপ কৰি ইয়াক সমাজ কল্যাণ মাচুল (Social Welfare Surcharge) বুলি অভিহিত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

এই খিনিয়েই আছিল ২০১৮-১৯ বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰি উলিওৱা বাজেটখনৰ মূল বিষয়বস্তু।

**এটি বিশ্লেষণ ঃ—** ২০১৮-১৯ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত প্ৰস্তাৱিত বিভিন্ন আঁচনি আৰু ব্যয়ৰ লক্ষ্য সমূহ ভালদৰে অধ্যয়ন কৰিলে দেখা যায় যে দেশৰ দৰিদ্ৰ আৰু

পিছপৰা শ্ৰেণীটোৰ বাবে বিভিন্ন সা-সুবিধাৰ সৃষ্টি কৰি বাজেটখনে সমাজৰ এটা বৃহৎ অংশৰ মংগল সাধনত সৰ্বাধিক গুৰুত্ব দিছে। নিসন্দেহে ই এক অতি আদৰণীয় পদক্ষেপ। কিয়নো দেশৰ জনসংখ্যাৰ এক বৃহৎ অংশক সামৰি লোৱা এই শ্ৰেণীটোৰ উন্নয়ন অবিহনে দেশৰ সামগ্ৰিক উন্নয়ন আশা কৰিব নোৱাৰি। তথাপি বাজেটখনত থাউকতে চকুত পৰা কেইটামান সীমাবদ্ধতাৰ বিষয়ে আঙুলিয়াই দিয়াৰ চেষ্টা কৰা হৈছে।

প্ৰথমতে, মানৱ উন্নয়ন নিৰ্ভৰ কৰা প্ৰধান উপাদান সমূহ যেনে জনমূৰি আয়, শিক্ষা, স্বাস্থ্য আদি বিষয়বোৰত এই বাজেটত অধিক গুৰুত্ব দিয়া হৈছে। ই আদৰণীয়। কিন্তু এই বাজেটখন বৰ্তমান চৰকাৰৰ প্ৰথম বাজেট নহয়। চৰকাৰখনে প্ৰথম বাজেটৰ পৰাই এই বিষয়বোৰত অধিক গুৰুত্ব আৰোপ কৰাহেতেঁন ইমানদিনে দেশৰ অৰ্থনীতি ইয়াৰ ধনাত্মক প্ৰভাৱ পৰিলেহেতেঁন। এনে কথাবোৰ অনুধাৱন কৰোঁতে কিয় ইমান সময়ৰ প্ৰয়োজন হ'ল সেয়া আমাৰ বোধগম্য নহ'ল।

দ্বিতীয়তে, খৰিফ শস্যৰ ক্ষেত্ৰত নূন্যতম সমৰ্থিত দৰ (Minimum Support Price) চমুকৈ MSP নিৰ্দ্ধাৰণৰ যি প্ৰস্তাৱ লোৱা হৈছে, সেই সন্দৰ্ভত সম্পূৰ্ণ স্পষ্ট ধাৰণা এটা কৰিব পৰা নগ'ল। এনেবোৰ শস্যৰ উৎপাদন ব্যয়ৰ ১.৫ গুণ কৰি MSP নিৰ্দ্ধাৰণৰ কথা কোৱা হৈছে। কিন্তু এইদৰে নিৰ্দ্ধাৰণ MSP ত যদি সামগ্ৰীখিনি বিক্ৰী কৰিবলৈ কৃষকসকল সমৰ্থ নহয়, তেনেহ'লে কি ব্যৱস্থা লোৱা হব, সেই সন্দৰ্ভত স্পষ্ট সিদ্ধান্ত বাজেটত দেখা নগ'ল। যদি উক্ত দ্ৰব্যসমূহ চৰকাৰে MSP দি ক্ৰয় কৰি মজুত কৰে, তেনেহ'লেও নষ্ট হৈ যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

তৃতীয়তে, ভাৰতৰ দৰে জনসংখ্যাৰ এক বৃহদাংশ জৰিত হৈ থকা কৃষিখণ্ডটোৰ উন্নতিকল্পে বাজেটখনত যথেষ্ট গুৰুত্ব দিয়া দেখা গৈছে। নিসন্দেহে ই আদৰণীয়। কিন্তু জনসংখ্যাৰ বৃহৎ অংশ জৰিত হৈ থকা কৃষিখণ্ডটোৰ ৰাষ্ট্ৰীয় আয়লৈ বৰঙণি নিৰাশাজনক। এই বৰঙণি বৃদ্ধি কৰিবলৈ হ'লে কৃষিখণ্ডটোৰ উৎপাদনশীলতা দ্ৰুতহাৰত বৃদ্ধি কৰিব লাগিব আৰু তাৰবাবে এই খণ্ডটোত ন ন কৌশলৰ প্ৰয়োগ কৰাটো আৱশ্যকীয় আছিল, যিটো বাজেটখনত দেখা পোৱা নগ'ল।

চতুৰ্থতে, শিক্ষাখণ্ডত কেৱল একলব্য মডেল ৰেচিডেন্সিয়েল স্কুল স্থাপন, প্ৰাইম মিনিষ্টাৰ্চ ৰিৰ্ছাচ ফেল' আৰু ইন্টিগ্ৰেটড বি এড. আঁচনি প্ৰৱৰ্তনৰ বাহিৰে আন কোনো আঁচনি বা প্ৰস্তাৱ চকুত পৰা নাই। সাধাৰণ শিক্ষাৰ উন্নয়নৰ নামত কিছু ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা আছিল বুলি আমি অনুভৱ কৰোঁ।

পঞ্চমতে, আয়কৰৰ ক্ষেত্ৰত বেতনভোগী আয়কৰ দাতাসকলে আশা কৰি থকাৰ দৰে এইবাৰৰ বাজেটত কোনো সন্তোষজনক বতৰা কঢ়িয়াই অনা দেখা নগ'ল। ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত কেৱল ৪০,০০০ (চল্লিছ হাজাৰ) টকা ষ্টেণ্ডাৰ্ড দিডাচকন (STANDARD DEDUCTION)ৰ সৃষ্টি কৰা হৈছে। তাকো ইতিমধ্যে থকা ভ্ৰমণ বানচ আৰু চিকিৎসা ব্যয়ৰ বিনিময়তহে কৰদাতা সকলে এই সুবিধা পাব বুলি কোৱা হৈছে। যিসকল কৰদাতাই উক্ত সুবিধাসমূহ পোৱা নাছিল, তেওঁলোকৰ ক্ষেত্ৰত এই সুবিধা থাকিব নে নাথাকে, সেই সন্দৰ্ভত কৰদাতাসকল সম্পূৰ্ণ নিশ্চিত হ'ব পৰা নাই।

শেষত, ডিজিটেল অৰ্থনীতিৰ ক্ষেত্ৰত ট্ৰাষ্ট আৰু অনুষ্ঠানৰ ক্ষেত্ৰত ১০,০০০ টকাৰ ওপৰত নগদ লেনদেনক নিষিদ্ধ কৰা হৈছে, ই নিসন্দেহে নগদবিহীন লেনদেনক শক্তিশালী কৰিব। কিন্তু ব্যক্তিগত পৰ্যায়তো এনে একোটা সীমা নিৰ্দ্ধাৰণৰ প্ৰয়োজনীয়তা আছিল। কিয়নো গ্ৰাম্যাঞ্চল সমূহত প্ৰায় সকলো লেনদেন নগদ ধনৰ জৰিয়তেই সম্পন্ন হয় আৰু নগদ বিহীন লেনদেনৰ সা- সুবিধাৰ পৰা জনসাধাৰণ বঞ্চিত হৈ আছে। তেনেক্ষেত্ৰত জনসংখ্যাৰ এক মুষ্টিমেয় অংশৰ মাজতহে ডিজিটেল লেনদেন কাৰ্য সম্পন্ন হ'ব।

২০১৮-১৯ বৰ্ষৰ কেন্দ্ৰীয় বাজেট খনত ইমান খিনি খুটি-নাতিৰ বিষয়ে কোৱা হ'ল যদিও এটা কথা স্বীকাৰ কৰিবই লাগিব যে পূৰ্বৰ বৰ্ষবিলাকৰ বাজেটৰ তুলনাত এইবাৰৰ বাজেটখন এখন ভাল বাজট। গ্ৰাম্য অৰ্থনীতিৰ প্ৰায় সকলো দিশ সামৰি এই বাজেটত বিভিন্ন প্ৰস্তাৱ আৰু উন্নয়নৰ লক্ষ্য লোৱা হৈছে আৰু সিবিলাকত কৰিবলগীয়া প্ৰস্তাৱিত ব্যয়ৰ পৰিমাণো পূৰ্বৰ বাজেট সমূহৰ তুলনাত অধিক হৈছে। উক্ত আঁচনিসমূহৰ সমুচিৎ প্ৰয়োগ কৰিলে নিৰ্দ্ধাৰিত লক্ষ্যসমূহত উপনীত হ'ব পাৰিব বুলি আশা কৰা যায়। এনে কৰিলে ভাৰতীয় অৰ্থনীতিয়ে আগন্তোক বৰ্ষটোত উন্নতিৰ জখলাত অতি কমেও এখোপ আগবাঢ়িবলৈ সক্ষম হ'ব। ইয়াৰ বাবে প্ৰত্যেকেই একোখন সচেতন নাগৰিক হিচাপে চৰকাৰৰ কামকাজসমূহ নিৰীক্ষণ কৰাৰ লগতে আঁচনি সমূহৰ ৰূপায়নৰ ক্ষেত্ৰত সমৰ্থন আৰু সহযোগিতা আগবঢ়ালে বাজেটত নিৰ্দ্ধাৰিত আঁচনি আৰু লক্ষ্যসমূহত উপনীত হ'ব পাৰিব বুলি আশা কৰিব পাৰি। ◆

মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ

# Truth with Vedanta and Spirituality

**Atul Kumar Das**

As we count down our years, we are experiencing the universe with more and more events. Through these events we get smiles and tears and at the same time a question " What is the truth or What is reality?" Strikes our mind very frequently. A thief when caught is punished by manmade laws. But when he says he has stolen for his bread and butter, is he not true. Spirituality asks why such events happens. Are we not responsible to all such unwanted social actions? Spirituality is all about searching for truth. So anyone who has just started searching or knowing about "truth", is somewhere in line of spirituality.

The writer found some satisfaction with Vedanta for "truth". The vedas are the core scriptures of Hindustan and the Upanishads are texts which from the philosophical essence of the vedas. The Upanishads are also the end or culmination of the vedas in the sense that they embody the highest philosophical knowledge of the vedas. The essence of The knowledge of the vedas was called by the name of vedanta, which comprises the upanishad.

Jawaharlal Nehru presented his views on vedas as - "Many Hindus look upon the vedas as revealed scripture. This seems to me to be peculiarly unfortunate, for thus we miss their real significant --- the unfolding of the human mind in the earliest stages of thought. And what a wonderful mind it was ! The vedas (from the root vid, to know) were simply meant to be a collection of the existing knowledge of the day; they are a jumble of many things : hymns, prayers, ritual for sacrifice, magic, magnificant nature poetry. There is no idolatry in them; no temples for the gods. The vitality and affirmation of life pervading them are extraordinary. The early Vedic Aryans were so full of the zest for life that they paid little attention to the soul. In a vague way they believed in some kind of existence after death. Gradually the conception of god grows.........."

To an introductory learner, Vedanta teaches that the "Body" and "Life" or "Atma" is different. "Atma" is "God" or "Brahman" which is within us and if realized will take us to "Truth", spiritually realizes all negative actions are temporary and what is permanent is "God".

Having queries on practical implications of Vedanta philosophy, start reading, hearing.......... "Practical Vedanta".....popularly "THE GITA".

*Reference:*

*1.Sat Chit Ananda. "The philosophy of the Upanishads".*

*2.Nehru Jawarharlal.2004.The discovery of India.p75.published by Penguin Books India.Gurgaon, Hryana, India.*

*3.Sarvapriyananda Swami 2014. Vivekanand's interpretation of Vedanta philosophy and values for sustained human development. Published in International Journal of Development Issues.Vol 13 No. 3, 2014, pp 204-211.Emerald Group Publishing Limited. Downloaded from www.emeraldinsight.com/1446-8956.html on 08/04/2017.*

**Asstt. Professor, Dept.of Commerce**

# तुलसी

नेहा कुमारी गुप्ता

तुलसी का पौधा, जिसे सभी जानते और पहचानते हैं। घर के आँगन मैं एक तुलसी का पौधा लगा ही तो, उस घर की शोभा में चार चाँद लग जाते हैं। सभी हिन्दु लोग के पौधा के साम ने एक दिया जलाया करते है।

भारतवर्ष में तुलसी को पवित्र मानने को पोछे एक बड़ी मनमोहक कहानी है। कहानी कुछ इस प्रकार है कि- एकबार देवी सरस्वती ने कोई कारणवश लक्ष्मीजी को धरती पर जन्म लेने का श्राप दिया। इसके पश्चात लक्ष्मीजी ने राजा धर्मध्वज के घर में कन्या के रुप में जन्म लिया। राजा धर्मध्वज देवी लक्ष्मीजी के परम भक्त थे। सुन्दर कन्या पाकर राजा खुश हो गए। उन्होनें अपनी कन्या का नाम 'तुलसी' रखा। संस्कृत में जिसका अर्थ है अतुलनीय। कन्या जब बड़ी हुई तो वह श्रीविष्णु भगवान को अपने पति के रुप में पाने के लिए तप करने लगी। त्पस्या से संतुष्ट होकर उसके सामने स्वयं ब्रहमाजी पधारे। उन्होंने तुलसी को वरदान दिया और कहा- "तुम शंखचुड़ नाम के एक असुर की पत्नी बनेगी और उसके बाद ही श्रीविष्णु भगवान की पत्नी बन पाऔगी। ब्रहमाजी से प्राप्त वर के अनुसार तुलसी का विवाह शंखचुड़ के साथ सम्पन्न हुआ। शंखचुड़ एक वीर परिक्रमी युद्धा था, जिसे ब्रह्माजी का वरदान था कि उसे युद्ध में कोई पराजित नहीं कर सकता। परंतु वह युद्ध में तभी पराजित हो सकता है जब उसकी पत्नी अविश्वासी हो जाए। शीघ्र ही शंखचुड़ ने समस्त ब्रह्मांड पर विजय प्राप्त करने के लिए युद्ध करना पारंभ किया। उसने देवताओं को भी अपने साथ युद्ध करने के लिए ललकारा। सभी देवताऔ ने जाकर श्रीविष्णु की मदद माँगी। श्रीविष्णुजी ने शिवजी से कहा कि वे संखचुड़ को अपने साथ युद्ध करने के लिए युनौती दे। युनौती पाकर शंखचुड़ शिवजी के साथ युद्ध करने के लिए विकल पड़ा। इसी बीच श्रीविष्णु शंखचुड़का रुप धारण कर तुलसी के पास पहुँच गए। कुछ समय बीतने के बाद जब तुलसी को यह ज्ञान हुआ कि जिसे वह अपना पती समझ रही है दरअसल वह उसका पति नहीं है। उसने क्रोधित हीकर भेष बदले हुए श्रीविष्णु जी की श्राप देना आरंभ कर दिया। तुरंन श्रीविष्णुजी अपने असली रुप में प्रकत हुए और कहने लगे "शखंचुड़ उनका एक सहचर था जी किसी श्राप के कारण असुर के रुप में पैदा हुआ। इस समय वह शिवजी के साथ ही रहे युद्ध में परास्त हो चुका है और असकी मृत्यु हो गई है। इसी कारण अब समय अगया है कि तुम मेरी पत्नी बन जाओ और मेरे साथ चलो। तुम्हारा पार्थिव शरीर एक नदी में परिवर्तित हो जाएगा, जिसका नाम होगा गंधको और केश एक पौध में बदल जाएँगे। यह पौधा 'तुलसी' के नाम से जाना जाएगा।

इसके साथ ही तुलसी ने लक्ष्मीजी का रुप धारण किया और भगवान श्रीविष्णुजी के साथ स्वर्ण की और रवाना ही गई। तभी से आजतक तुलसी का पौधा धरती पर श्रद्धा और पवित्रता का प्रतीक माना जाता है।

बी. कम. प्रथम सान्माषिक

# IMPACT OF INFORMATION TECHNOLOGY (IT) ON THE KNOWLEDGE AND SKILL BASE OF AUTOMATED LIBRARIES STAFF

**Bimal Chandra Pathak**

There is no doubt that the concept of library is changing. Some say it is in transition from "collection to connection." The extent to which this transition will actually occur and its impact on library services are yet to be fully determined. There is no doubt that libraries of the future will be looking for new skills and abilities among its employess and will be continually emphasizing retraining and continuing education as new technologies are introduced. The new technological environment is one in which professional and support staff each need significant skills, and there are many types of professionals working to provide information services. But there are many unknowns regarding the future of libraries through and how they will be affected by technology is a topical most question.

In an Institution of higher education, the rapid growth in the demand for electronic based information services to support research and teaching has required library staff to develop new and extended professional skills. In recent years, It is recognized that the need to review the organization and structure of its central library to ensure that it can best meet these new challenges. This has obviously forced a reppraisal of the traditional division between some of the roles of library computing professionals, as well as support staff.

**LISE OF IT:ITS IMPACT ON LIBRARIES AND USERS:-**

IT involves computers, electronic medias, satellites, telecommunications and storage devices. It has made a deep impact on the academic libraries. The emphasis of these libraries is shifting from collection to access. Libraries in India still face several challanges due to emergence of IT. The author lists all these challenges and deals in detail about one of the foremost i.e- manpower development in the context of IT. The provision of raising facilities on IT in the library schools. Inclusion in curriculum short term training facilities by the organizations, refresher courses, participation in workshops, seminars, conference etc. are discussed in this purposes. For their own survival and for the survival of the professions, the librarians have to play their role effectively in future, othewise they will be replaced by a new group of professionals.

According to ALA Glossary "Information Technology is the application of computer and other technology to the acquisition, organization, storage, retrieval and dissemination of Information."

The Information technology can be grouped into three major areas-

- Computer technology
- Communication technology and
- Reprographic, micrographic and printing technologies.

The most spectacular development of Information technology has accrued with advances in and applications of computer and telecommunication technology in library and Information centres.

**PRESENT SCENARIO IN LIBRARIES:-**

The new technology has made a deep impact on the libraries. Now a days, the emphasis in libraries is shifting from collection to access. Providing access

to information is the principal goal and activity. Today libraries are in transition from manual to electronic system. The computer has greatly effected libraries and promises to increase that effect.

The card catalogue has been replaced by the online catalogue, which has improved the operation of acquisition, cataloging, periodical and circulation. The full text electronic database has brought a revolution in the library world for researcher and scholars.

Libraries in India, specially in academic libraries still face several challenge of Information technologies for library automation, these are-

- Manpower requirement/development
- Infrastructure for Information technology.
- Creation of database with certain standards.
- Adequate knowledge of computer Skills, and
- Awareness among library personnel.

aiding in other areas of general computer operations. Many of these programme are available to the user by the manufacture of the computer system. Of all the systems software provided by the computer of a computer, the most important is the operating system- a set of programme 6 designed to efficiently manage the resources of the computer system. The operating system performs such functions as supervising input or out-put operations, communicating with the computer operations and scheduling the computer's resources to allow for continues operations with minimum manul intervention.

Application software consists of a number of programme designed to perform specific user application. A computer programme giving instructions for the steps involved in preparing and printing reader's issue and return record is an example of application software. These programme are either purchased or written in house for specific library applications.

The position of systems analyst requires the broadest background and most extensive training of the above three job categaries. The principal task of the systems analyse defines the applications problem are either purchased or written in house for specific library appllications.

The position of systems analyst requires the broadest background and most extensive training of the above three job categories. The principal task of the systems analyst defines the applications problem, determines system specifications, recommends hardware and software changes, and designs information processing procedures. The analyst device data verification methods and prepares programme logic diagrams and data layout from which the programmer can proceed.

The position of programmer requires has least extensive knowledge of one or more programming languages and standard coding procedures, but does not require the broaden understanding of the structure and inner working of a business required of the systems analyst. The programmer's principal job is to code or prepare clearly defined programme based on the specification set forth by the system analyst.

The position of computer operator requires the least extensive background of the three categories. The computer operator must perform a series of fairly well defined tasks that will keep the computer operating at maximum efficiency. The operation depend on the quality and abilities of the operational staff.

Conclusion:-

Technological developments have influenced virtually every facet of library operation and service. The user education programme in library is very essential. Because automation of library operations has more frequently been approached modulorly. The current state of library automation can, therefore , be approached in this modulan fashion. The major areas of activity have been-

- Acquisition
- Cataloguing
- Serials
- Circulation
- Online services

Library automation today is extremely dynamic, changes are especially in two areas in which there is competition among commercial firms, circulation and on line services. The emergence of several bibliographic utilities also to be increasing developmental activities of ussers. ◆

Librarian Golaghat Commerce College

# বন্যপ্ৰাণী সংৰক্ষণৰ আৱশ্যকতা

শিল্পী গগৈ

প্ৰকৃতিৰ ৰম্যভূমি অসম হৈছে উত্তৰ-পূব ভাৰতৰ এখন উল্লেখযোগ্য ৰাজ্য। পৰ্বত-পাহাৰ, নৈ, বিল, জীৱ-জন্তু, চৰাই-চিৰিকটি, মাছ-কাছ আদিৰে পৰিপূৰ্ণ অসম হৈছে প্ৰাকৃতিক সম্পদৰ ভঁৰালস্বৰূপ। এই নাতিশীতোষ্ণ হাবিতলীয়া ৰম্যভূমিৰ মাজতেই সোমাই আছে হাজাৰ হাজাৰ প্ৰকাৰৰ বন্যজন্তু। প্ৰকৃতিৰ শোভাবৰ্ধক আৰু সৃষ্টিধাৰক এই বন্যজন্তুবিলাকেই হৈছে অসমৰ গৌৰৱৰ অন্য এক থল বা উৎস।

অসমৰ অনুকূল পৰিৱেশত জন্ম হোৱা এই বন্যপ্ৰাণীসমূহৰ ভিতৰত বাঘ, ভালুক, গাহৰি, হাতী, গঁড়, পহু, ম'হ, মেথোন, বান্দৰ আদি হৈছে উল্লেখযোগ্য। তদুপৰি নৈ-বিল, হাবি-কাঠনিত পোৱা নানান প্ৰকাৰৰ আৰু ৰং-বিৰঙৰ চৰাই যেনে- ময়ূৰ, ধনেশ, মইনা, ভাটৌ, শৰালি, হাইঠা, বিভিন্ন জাতৰ হাঁহ, বগলী, শগুন, চিলনী, ডাউক, কুলি, কেতেকী, সখীয়তী আদি চৰাইৰ উপৰি অজগৰ, গোম, ফেঁটি, গুই আদি নানাবিধ সাপ তথা সৰীসৃপ আদি পোৱা যায়।

মানুহক আনন্দ দিয়া বিনন্দীয়া অসমৰ বন্যপ্ৰাণীসমূহ বৰ্তমান সুৰক্ষিত নে? মানুহৰ জনসংখ্যা বৃদ্ধি আৰু নানা ৰকমৰ প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে পৃথিৱীৰ সকলো ঠাইতে বিশেষকৈ বনৰীয়া প্ৰাণীসমূহৰ সংখ্যা কমি আহিছে। অসমত আগৰ দৰে হাবি-বননি, নৈ-বিল নোহোৱা হৈ আহিছে। আনকি পৰ্বত-পাহাৰবোৰো কাটি তাত মানুহে বসবাস কৰিবলৈ লোৱাৰ ফলত আশ্ৰয়ৰ অভাৱত নিৰাপদ আশ্ৰয় বিচাৰি প্ৰাণীসমূহে হাহাকাৰ কৰিব লগা হৈছে। তাৰ উপৰি বিভিন্ন বাতৰি কাকত বা নিউজ চেনেলত দেখিবলৈ পোৱা যায় অঞ্চলবিশেষে বন্যপ্ৰাণীৰ আক্ৰমণৰ প্ৰতিচ্ছবি। মানুহে বুজি নাপায় আক্ৰমণৰ মূল কাৰণ তেওঁলোকে কৰা অবাঞ্ছিত কাৰ্যবোৰ। সেয়ে হয়তো কেতিয়াবা সেই নিমাখিত প্ৰাণীবিলাক মানুহৰ জঘন্যতাৰ বলি হ'বলগীয়া হয়।

তথাপিও আমি মানুহ হিচাপে পাহৰি যাব নালাগিব বন্যপ্ৰাণীবিলাকৰ উপকাৰৰ কথা। দেখাত শত্ৰু বা অলাগতিয়াল যেন লাগিলেও কিছুমান সাপ-সৰীসৃপ আৰু কীট-পতংগ, জীৱ-জন্তু মানুহৰ পৰম বন্ধু হৈ পৰে। সেইক্ষেত্ৰত জীৱশ্ৰেষ্ঠ হিচাপে মানুহে হয়তো সেই প্ৰাণীবিলাকে কৃষি জগতৰ পৰা বিজ্ঞান জগতত পেলোৱা অভাৱৰ বিষয়ে জানিবলৈ বাকী নাই। সৃষ্টিখন কেৱল মানুহৰ বাবেই নহয়। আচলতে সৃষ্টিখন প্ৰকৃতিৰ ভাৰসাম্য (Balance of nature) সূত্ৰৰ ওপৰত প্ৰতিষ্ঠিত। সেইবাবে সৃষ্টিৰ এবিধ বস্তু বা এজাতি প্ৰাণী ধ্বংস কৰা মানে সৃষ্টিকে ধ্বংস কৰা হ'ব।

বন্যপ্ৰাণী ৰক্ষাৰ কাৰণে চৰকাৰে কিছু ব্যৱস্থা লৈছে যদিও এইক্ষেত্ৰত সম্পূৰ্ণৰূপে ফলপ্ৰসূ হোৱা নাই। তদুপৰি অসমৰ কেইবাটাও হাবিতলীয়া অঞ্চল অভয়াৰণ্য হিচাপে ঘোষণা কৰি তাত পশু-পক্ষী আদি সংৰক্ষণৰ ব্যৱস্থা কৰিলেও অসমৰ এশিঙীয়া গঁড় চিকাৰীৰ হাতত নিধন হৈ বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছে। চৰকাৰে বন্যপ্ৰাণী সপ্তাহ পালন কৰি মানুহৰ মাজত বন্যপ্ৰাণীৰ প্ৰতি সহানুভূতিৰ ভাব জগাবলৈ চেষ্টা কৰিলেও এই দিশত প্ৰায়ভাগ জনসাধাৰণৰ বিশেষ সঁহাৰি দেখা নাযায়। জীৱশ্ৰেষ্ঠ হিচাপে আমি মানুহবিলাক সচেতন হ'ব লাগিব। নহ'লে আমাৰ চকুৰ সন্মুখতেই এই প্ৰাণীসমূহৰ বিলুপ্তি ঘটিব। যিহেতু আমি মানুহবিলাকেই হৈছো এই ধ্বংসৰ মূল কাৰণ। জাম্বিয়া দেশৰ লুচাকাত থকা চিৰিয়াখানা এখনৰ সজা এটাত লগাই থোৱা জাননী ফলকখনত লিখা আছে "পৃথিৱীৰ আটাইতকৈ বিপদজনক প্ৰাণী।" সজাটোৰ ভিতৰফালে কোনো প্ৰাণী নাছিল। তাত নিজৰ ছবিটো দেখা পোৱা এখন দাপোণ লগোৱা আছিল। আজিৰ মানুহে সাগৰক নগৰ কৰিছে, পৰ্বত-পাহাৰক সমান কৰিছে, বিভিন্ন যান-বাহনৰ উপৰি এটমকে ধৰি নানান অস্ত্ৰ-পাতি উলিয়াইছে। বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজ আৰু চৰকাৰ উভয়ে যত্নপৰ হ'লে নিশ্চয় এই পদক্ষেপত সফলতা অৰ্জন কৰিব পাৰিব। মিষ্টাৰ ব্ৰাউনৰ ভাষাত ক'বলৈ গ'লে— "পৃথিৱীখন আমি আমাৰ উপৰিপুৰুষসকলৰ পৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা নাই, আমাৰ সতি-সন্তানসকলৰ পৰাহে এইখন ঋণত লৈছো।"

গতিকে প্ৰকৃতিৰ কোনো বস্তুকেই ধ্বংস কৰা আমাৰ অধিকাৰ নাই। সেয়ে এই বন্যপ্ৰাণী সম্পদৰ সংৰক্ষণ আৰু সহবৰ্ধনৰ প্ৰতি মানৱ মাত্ৰেই সচেতন হোৱা উচিত। ◆

স্নাতক প্ৰথম ষাণ্মাসিক (কলা শাখা)

# Tourist Places of Assam

Shibani Saikia



Assam is the central state in the North-East Region of India and serves as the gateway to the rest of the seven sister states. It is the land of blue hills and red river. Assam has enjoyed a reputation of unspoiled natural beauty, substantial biodiversity, tea plantations and friendly people. Green is the dominant colour of the state, with an impression 35% forest cover and thousands of hectres under tea cultivation. Assam has five national parks including the world Heritage sites of Kaziranga and Manas and 20 wildlife and bird sanctuaries. The great one horned rhinoceros is one of Assam's most noteworthy fauna.

For the purposes of tourism there are wildlife reserves like the kaziranga National park, Manas National park, Pobitora wildlife, Sanctuary, Nameri National park, Dibru Saikhowa National Park etc. It has a rich cultural heritage going back to the Ahom Dynasty which reigned for many centuries before the British occupation.

Notable tourist destinations in Assam are listed below-

**Guwahati :** One of the key urban centres of Assam and the biggest city in North East India, this serves as the major gateway to the whole region. The major tourist spots of Guwahati are Kamakhya Temple, River cruise on the river Brahmaputra, Shankardev

Kalakshetra, Umananda temple, Assam state Museum, Assam state zoo, Shilpagram etc. Chandubi Lake, Sonapur, Madan kamdev, chandrapur and pabitara wildlife sanctuary are other famous spots outskirts the city. while visiting Madan kamdev, tourists also visit the ancient temple of Lord Shiva, known here as Gopeshwar. Mandir is located in the village of Deudar.

**Majuli :** The largest freshwater island in south Asia on the Brahmaputra River, Majuli is famous for its Vaishnavite Satras such as Kamalabari Satra, Dakhinpat Satra, Garamurh satra, Auniate satra, Bengenaati Satra and Samaguri Satra.

**Kaziranga National Park :** Situated in some parts of Golaghat district and other part in Nagaon district, this protected area is a UNESCO world Heritage site and serves as one of last remaining habitat of the Great Indian one horned Rhinoceros.

**Sonitpur :** Protected areas to see in the district are Nameri National Park, Bura Chapori Wildlife Sanctuary, Sonai Rupai wildlife sanctuary and a part of Orang National park. Bhalukpong is also an important tourist place. Tezpur is a small town steeped in history and culture. Some of these are Agnigarh, Mahabhairav temple, Chitralekha Udyan, Bamuni Hills, Usha Pahar etc.

**Jorhat :** Situated at 318 km east from Guwahati, Jorhat is a very important city, the last capital of Ahom era as well as the tea capital of India. Important spots in and around Jorhat city are Jorhat science centre and Planetarium, Jorhat Gymkhana club, Raja Maidam, Tocklai tea Research Institute, Dhekiakhowa Bornamghar, Gibbon wildlife Sanctuary, Lachit Maidam, Molai forest, Kaziranga Golf Resort etc.

**Sivsagar :** As Sivsagar was the seat of the Ahom kingdom, it is surrounded by many ancient monuments of Ahom era. Those are Rang Ghar, Talatal Ghar, Sivadol, Kareng Ghar of Garhgaon, Joy Dol, Sivasagar Tank Borpukhuri, Joy sagor Tank Borpukhuri, Joymati Maidam, Vishnu Dol, Devi Dol, Gourisagor Dol and Tank Borpukhuri, Charaideo, Namdang Stone Bridge etc. Tai Museum and Uttaran Museum which exhibits the history of Ahom. Panidihing Bird Sanctuary, the abode of more than 250 species of birds.

**Hajo :** Hajo is an anciant pilgrimage centre for three religions Hinduism, Islam and Buddhism.

**Haflong :** Halflong is the only hill station of Assam. The headquarters of Dima Hasao. The village of Jatinga is known for mysterious bird suicide on the night of new moon.

**Tinsukia :** Dibru saikhowa National park, one of the biggest national parks in India are situated in Tinsukia. The Tilinga Mandir (Bell-temple) is a well known temple situated in the outskirts of Tinsukia city. Digboi Refinery, the Asia's oldest refinery is situated here.

**Dibrugarh :** Dibrugarh is called the tea capital of the world. The town is situated on the edge of the Brahmaputra River. Dibrugarh offers tourists the opportunity to experience a life in a tea estate. Tipam is a famous tourist spot of Dibrugarh. Tipam is an ethnic village which is famous for its historical places. Besides Tipam, Dihing Patkai rain forest is the other attraction. Presently, the city has the biggest railway station in Assam.

The tourism industry in Assam has been developing day by day.If the government and general people of the state becomes more conscious about protecting the natural as well as cultural and historical elements, the tourism industry will flourish with lots of tourists from different states and abroad.◆

**B.com 3rd sem**

# Immigration in Assam

Muskan Gupta



Immigration is a natural phenomenon. people immigrate from one place to another for various reasons. But in Assam immigration has been causing serious problems. Its impacts are felt in every field of life social, political,economic etc. Immigration causes population explosion, excess pressure on land, environmental degradation,worse effect on labour market, inflation, social problem etc.

Large - scale illegal immigration from east Pakistan or Bangladesh over several decades has been altering the demographic condition of the state. It poses a great threat to the identity of Assamese people who are on the verge of becoming minority in their own state.

Immigration in Assam has its own history. The fact is that immigration began much before partition. There must have been movement of people between the neighbouring regions of Bengal and the Northeast for many centuries before the British annexed the region through the Yandaboo Treaty in February 1826. Immigration in its modern form began with British policy of 1891 to encourage peasants from East Bengal to cultivate 'wastelands' in western Assam to grow more food and earn more land revenue for the state. The British developed the tea industry in Assam. They imported labour from Bihar to work in the tea gardens. The Assamese people cultivating one crop per year, were not interested in working as labour in the tea gardens. Therefore the british govt. encouraged the Bengali-Muslim peasants from Bangladesh to move into lower Assam for cultivating the 'wastelands'. This is the onset of the illegal immigration and the set into a motion, a movement pattern, which is still continuing till today. The Bengali - Muslims were hardworking peasants who occupied the 'wastelands' and put that area under cultivation. They made a significant contribution to the agricultural economy of Assam.

Still immigration continues to be treated as political issue because of threat to people's land and identity and political parties exploit it for their own vested interest . The opposition rightly accuses the ruling party of using immigrants as vote bank. Neither the former goverments nor the present one has so far taken any serious step to address the immigration problem.◆

H.S 1st year

# শিক্ষা গ্ৰহণত শ্ৰদ্ধা আৰু ভক্তিৰ প্ৰয়োজনীয়তা

সঞ্জীৱ চাহু

"শিক্ষাৰ যোগেদি আৰম্ভ হয় জীৱন।" শিক্ষা অবিহনে একোখন সমাজ সুচাৰুৰূপে পৰিচালনা নহয়। মানৱক সম্পদ হিচাপে গঢ়াত শিক্ষাই অগ্ৰণী ভূমিকা লৈ আহিছে। মানৱ সম্পদ গঢ় লৈ উঠাত তিনিটা উপাদানৰ প্ৰভাৱ পৰিলক্ষিত হয়। সেই উপাদান কেইটা হ'ল— শিক্ষক, শিক্ষাৰ্থী আৰু শিকণৰ আহিলা।

শিক্ষণ প্ৰক্ৰিয়াক সুচল আৰু সহজসাধ্য কৰি তুলিবলৈ শিক্ষকৰ প্ৰতি শিক্ষাৰ্থীৰ শ্ৰদ্ধা, ভক্তি থকাটো গুৰুত্বপূৰ্ণ। শ্ৰদ্ধা, ভক্তি অবিহনে শিক্ষাৰ্থীয়ে শিক্ষকৰ পৰা প্ৰকৃত শিক্ষা লাভ কৰিব নোৱাৰে। শিক্ষকৰ প্ৰতি শ্ৰদ্ধা থাকিলেহে শিক্ষাৰ প্ৰতি শিক্ষাৰ্থীৰ আগ্ৰহ বাঢ়ে। পাঠৰ জ্ঞান আহৰণত সফলতা লাভ কৰিবলৈ হ'লে শিক্ষাৰ্থীৰ একাগ্ৰতাৰ দৰকাৰ। একাগ্ৰতা অবিহনে কোনো কামত সফলতা লাভ কৰিব নোৱাৰে। ভাৰতবৰ্ষত গুৰুৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ পৰম্পৰা অতি প্ৰাচীন। দ্বাপৰ যুগৰ গুৰু দ্ৰোণাচাৰ্যই নিযাদৰাজ হিৰণ্যধনুৰ পুত্ৰ একলব্যক ৰাজকুমাৰ নোহোৱাৰ বাবেই ধনুবিদ্যাৰ শিক্ষা দিয়া নাছিল। কিন্তু একলব্য এই কথাত বিচলিত হোৱা নাছিল। তেওঁ বনলৈ গৈ দ্ৰোণাচাৰ্যৰ এটি প্ৰতিমূৰ্তি স্থাপন কৰি সেই প্ৰতিমূৰ্তিকে গুৰু মানি ধনুবিদ্যাৰ অনুশীলন কৰিছিল আৰু ধনুবিদ্যাত অদ্বিতীয় বীৰ হৈ পৰিছিল। গুৰুৰ প্ৰতি শ্ৰদ্ধা ভক্তি থকাৰ বাবেই এই অসাধ্য সাধন হৈছিল। কিন্তু একলব্যৰ বাবে দুৰ্ভাগ্যৰ কথা যে এদিন দ্ৰোণাচাৰ্যই এই কথা জনাত গুৰুদক্ষিণা হিচাপে সোঁ হাতৰ বুঢ়া আঙুলিটো বিচাৰিছিল। একলব্যই বিনা প্ৰতিবাদে আঙুলিটো কাটি গুৰুৰ চৰণত অৰ্পণ কৰিছিল। গুৰুৰ প্ৰতি শ্ৰদ্ধা ভক্তি থকা এইটো এটা শ্ৰেষ্ঠ নিদৰ্শন।

এক প্ৰবাদ মতে, এজন ভাল শিক্ষকে ব্যাখ্যা কৰে, তাতোধিক ভাল এজনে হাতে-কামে কৰি দেখুৱায় আৰু এজন মহান শিক্ষকে অনুপ্ৰাণিত কৰে। গতিকে পাঠদানতে শিক্ষকৰ দায়িত্ব শেষ নহয়। শিক্ষকে শিক্ষাৰ সকলো যোড়শোপচাৰ ঢালি শিক্ষাৰ্থীক জ্ঞান দিয়ে। জ্ঞান মন্দিৰত ত্যাগৰ মন্ত্ৰে শিক্ষাৰ্থীসকলক জ্ঞানৰ দীপ্তি প্ৰদান কৰা শিক্ষকসকল আমাৰ চিৰনমস্য, যাৰ ঋণ আমি কেতিয়াও পৰিশোধ কৰিব নোৱাৰোঁ। সকলোকে জ্ঞান চক্ষু দান কৰা শিক্ষকসকলে প্ৰত্যেকৰে জীৱনলৈ জ্ঞানৰ ছন্দ নমাই আনে।

শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ সৰ্বতো দিশৰ বিকাশৰ প্ৰতি দৃষ্টি দিয়াৰ লগতে বিভিন্ন প্ৰকল্প উদ্ভাৱনেৰে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰে। শিক্ষকসকলৰ এষাৰ উৎসাহী মন্তব্যই ছাত্ৰ-ছাত্ৰীক উচ্চৰপৰা উচ্চ স্তৰলৈ লৈ যাব পাৰে। সেইবাবেই শিক্ষকসকলৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিত হোৱাৰ লগতে শ্ৰদ্ধা, ভক্তিৰে মূৰ দোঁ খাই যায়। শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীৰ অজ্ঞানতাৰ গতিপথত জ্ঞানেৰে ওপচাই আগুৱাই যোৱাত সহায় কৰাৰ লগতে বিনন্দীয়া পৃথিৱীৰ বিশ্বৰূপ দৰ্শন কৰায়। সেয়েহে এৰিষ্টটলে কৈছে— " শিক্ষকসকল জন্মদাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে জন্মহে দিয়ে, জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে।" সেইবাবেই শিক্ষা গ্ৰহণত শ্ৰদ্ধা, ভক্তিৰ প্ৰয়োজনীয়তা আহি পৰে। ◆

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বাণিজ্য শাখা)

# মাতৃভাষাৰ গুৰুত্ব

স্মৃতি গোহাঁই

মাতৃ, মাতৃভূমি আৰু মাতৃভাষা এই তিনিও আমাৰ অতি চেনেহৰ। পৃথিৱীৰ সকলো মানুহৰে এটা নিজা ভাষা থাকে। সেই ভাষাই হ'ল মাতৃভাষা। মাতৃভাষা জাতিৰ মেৰুদণ্ড স্বৰূপ। মাতৃ ভাষা আৰু এটা জাতিৰ মাজৰ সম্বন্ধ অতি গভীৰ। প্ৰত্যেকটো শিশুৱে জন্মৰে পৰা মাকক অনুকৰণ কৰে আৰু আজীৱন অনুশীলন কৰে। এই মাতৃভাষাৰ প্ৰয়োজনীয়তা আমি কেতিয়াও নুই কৰিব নোৱাৰো। পৃথিৱীৰ সকলো মহান শিক্ষাবিদৰ মতে মাতৃভাষাই হৈছে শিশু শিক্ষাৰ সবাতোকৈ উত্তম মাধ্যম। সৰুতে শিক্ষকে মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা দিলে শিশুৰ মনত বিষয়বস্তুক হৃদয়ংগম কৰিব পাৰে আৰু শিশুৰ মনত বোধশক্তিৰ বিকাশ ঘটে। শিশুৱে অন্যান্য মাধ্যমত শিক্ষা গ্ৰহণ কৰিলে ভাটৌ চৰায়ে মাত শিকাৰ দৰে হয়। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল- "শিশুক অন্য মাধ্যমত শিক্ষা দিবলৈ বিচৰা মানে মাতৃদুগ্ধৰ পৰা বঞ্চিত কৰা।" মহামানৱ মহাত্মা গান্ধীয়েও অনুভৱ কৰিছিল যে অন্য ভাষাত শিশুক শিক্ষা দিয়া মানে মহা পাপ কৰা।

মাতৃভাষাৰ দৰে মিঠা আৰু সবল ভাষা পৃথিৱীৰ ক'তো নাই। মাতৃভাষা অতুলনীয়। কোনো এজন ব্যক্তিয়ে নিজক আত্মপ্ৰকাশ কৰোঁতে মাতৃভাষাই যিমান সহায় কৰে অন্য কোনো ভাষাই কৰিব নোৱাৰে। শিশুক কোনো এটা বিষয়বস্তুৰ লগত সোনকালে পৰিচয় কৰাত মাতৃভাষাই সহায় কৰে। শিশুৰ জ্ঞানৰ স্পষ্টতা মাতৃভাষাৰ যোগেদিহে সম্ভৱ হয়।

মাতৃভাষাই উঠি অহা প্ৰজন্মক দেশবাসীৰ প্ৰতি দায়িত্ববোধ, ভাতৃত্ববোধ, দেশাত্মবোধ আদিক সোঁৱৰাই থাকে। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে, "একমাত্ৰ মাতৃভাষাৰ সুঁতিয়েদি আগবাঢ়ি গৈহে বিশ্বৰ মানৱ সংস্কৃতিৰ সাগৰত উপনীত হ'ব পাৰি।"

আমি অসমীয়া জাতি। অসমীয়া ভাষা হ'ল আমাৰ মাতৃভাষা। এই অসমীয়া ভাষা অসমীয়াৰ প্ৰাণস্বৰূপ। অসমীয়া ভাষা অসমীয়া জাতিৰ গৌৰৱ। সমগ্ৰ ভাৰতবৰ্ষত, পৃথিৱীত "আমি অসমীয়া" বুলি চিনাকী দিব পাৰিছোঁ একমাত্ৰ অসমীয়া ভাষাটোৰ জৰিয়তে। কিন্তু পৰিতাপৰ বিষয় এই যে এই ভাষাটোক আজি বিশ্বজনীন অৱস্থাত পৰিণত কৰিব পৰা নাই। এই ক্ষেত্ৰত সমাজ, শিক্ষক, অভিভাৱক, ছাত্ৰ প্ৰত্যেকেই দায়ী। কিয়নো অসমীয়া হিচাপে আমি নিজকে যিদৰে আত্মগৌৰৱ কৰোঁ তেনেদৰে ভাষাটোক যথোচিত সন্মান প্ৰদৰ্শন কৰিব পৰা নাই।

হিন্দী হ'ল ভাৰতৰ ৰাষ্ট্ৰ ভাষা আৰু ইংৰাজী ইংৰাজসকলৰ ভাষা হিচাপে গোটেই পৃথিৱীত প্ৰচলিত ভাষা। সেইবুলি হিন্দী, ইংৰাজী ভাষাক গুৰুত্ব প্ৰদান কৰি অসমীয়া মাতৃভাষাক অৱহেলা কৰাটো একোজন ব্যক্তিৰ দুৰ্বল মানসিকতাৰ বাহিৰে একো নহয়। ইয়াৰ জৰিয়তে ইয়াকে ক'ব বিচৰা হৈছে যে ইংৰাজী আৰু হিন্দী ভাষাৰ লগতে মাতৃভাষাটো সমানে আয়ত্ত কৰাটো প্ৰয়োজনীয়। কিয়নো বৰ্তমান আধুনিক যুগ হিচাপে গুণগত শিক্ষালৈ চালে আমি প্ৰত্যেকেই মাতৃভাষাৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰিম, কিন্তু ব্যৱহাৰিক দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে বৰ্তমান কাৰিকৰী শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নত মাতৃভাষাতকৈ ইংৰাজী ভাষাহে বেছি সুবিধাজনক। ৰাজা ৰামমোহন ৰায়ে কৈছিল— "যি শিক্ষাই জীৱনৰ ব্যৱহাৰিক ফালটোৰ আৱশ্যকতাৰ পোষকতা নকৰে, সেই শিক্ষা অসম্পূৰ্ণ। তেনে শিক্ষাই বাস্তৱ জীৱনত আদৰ্শ গঢ়ি তুলিব নোৱাৰে।"

অসমীয়া ভাষাক যথোচিত সন্মান দিয়া আৰু লগতে এই ভাষাক বিশ্বজনীন কৰি তোলাটো প্ৰতিজন অসমীয়াৰ কৰ্ম তথা দায়িত্ব। যি ব্যক্তিয়ে মাতৃভাষাক প্ৰাণেৰে ভাল পায় সেইজন ব্যক্তিয়ে আন ভাষাকো অতি সহজে আয়ত্ত কৰিব পাৰে। সেয়ে মাতৃভাষাৰ মহিমা অপাৰ বুলি কোৱা হয়।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ মাতৃভাষাক চিৰ চেনেহী হিচাপে ব্যক্ত কৰিছে—

"অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদী মাত।
পৃথিৱীৰ ক'তো
বিচাৰি জনমতো
নোপোৱা কৰিলেও পাত।"◆

স্নাতক প্ৰথম যান্মাসিক (কলা শাখা)



# M.S Dhoni
## (a successful captain)

**Lawrence Kumar**

Mahendra Singh Dhoni was a successful captain of Indian cricket team. He was born on 7th july, 1981 in Ranchi, Jharkhand, to Pan singh(father) and Devaki Devi(mother). His paternal village Lvali is in the Lamgarha block of the Almora district of Uttarkhand. Dhoni's parents moved from Uttarkhand to Ranchi where Pan singh worked in junior managment position in MECON. Dhoni has a sister named Jayanti and a brother named Narendra. Dhoni studied at DAV Jawah or Vidya Mandir, Shyamli(now the school is known as JVM, Shyamli, Ranchi) Ranchi, Jharkhand, where he initially excelled in badminton and football and was selected at district and club level in these sports. Dhoni was a goalkeeper for his football team and was sent to play cricket for local cricket club by his football coach. Though he had not played cricket, Dhoni impressed with his wicket keeping skills and became the regular wicket keepers at the commando cricket club(1995-1998). Based on his performance at club cricket, he was picked for the 1997/98 season. Vinoo Mankad Trophy under -16 championship and he performed well. Dhoni focused on cricket after his 10th standard. Dhoni is an aggresive right handed batsman and wicket-keeper. The Indian team in the 2000s saw the use of Rahul Dravid as the wicket keeper to ensure the wicket keeper spot didn't lack in batting talent. The Indian cricket establishment also saw the entry of wicket keeper/batsman from the junior ranks with talents like Parthive Patel and Dinesh Kartik both Indians u-19 captains in the test squads. With Dhoni making a mark in the India A squad he was picked in the Bangladesh tours in 2004/05. Dhoni didn't have a great start to his ODI career. Getting run out for a duck on debut. In spite of an average series in the second match of the series, Dhoni in his fifth one-day international, scored 148 in Vishakapatnam off only 123 deliveries. Dhoni's 148 erased the earlier record for the highest score by an Indian wicket keeper, a record that he would re-write before the end of the year. Under his captaincy, India won the 2007 ICC world twenty 20, CB series of 2007-08 and the borders Gavaskar trophy 2008 in which they beat Australia 2-0. He also lead the team to their first ever bilateral ODI series win Sri-Lanka and New-Zealand. Dhoni has also been the recepient of many awards including the ICC ODI player of the year award in 2008(the first Indian player to achieve this feat), the Rajiv Gandhi Khel Ratna awarded and the Padmashree. Indian's fourth highest civilian honour in 2009. Dhoni was also named as skipper of Wisden's first ever Dream Test XI team in 2009. In the history of test match India became first time number one in December 2009 under leadership of Dhoni. In 2011 India won ICC world cup cricket under leadership of M.S. Dhoni. India continued on the way of success for few years and we hope that India will still continue to be on the path of glory cricket history in future under his brilliant, tactful and marvelous captaincy by means of winning a lot of matches and series and the world cup too.

**B.com 3rd sem**

# Depression-a demon

**Neha Jaiswal**

Before you get your hopes high that this article is about some miraculous cure for depression, let me be very clear, that there is no cure for depression. You can get the help of prescribed medicines or go to a psychiatrist but unless and untill you don't want to come out of depression and move on with your life, nobody in this world can help you.

Depression can be caused by many bad experiences, some can be depressed due to non-availability of jobs for himself/herself, some may be depressed due to a bad relationship, while some can suffer this mental trauma due to loss of a dear one. But to overcome the feeling is the toughest job that any one has to handle. And no better person can explain the pain than the one who is going through it.

Life is not always bright as sunshine. Sometimes it becomes hard to forget those past experiences or bad doing of a particular person whom you trusted the most. For e.g- a girl loves a boy very much but she is unaware of the fact that the same boy is dating ten many girls. So one can understand how this girl would feel when she finds out about this betrayal. This is the kind of mental frustation that will be hard to overcome. But eventually she find someone who will only love her and she will mean the whole world to him. Some people will love you for who you are, and it's a blessing to have those people in your life. But most people will hate you, no matter what you do to for them. May be they will hate you for your good job, or may be because you are so popular, or the fact that you have a very loving partner, it's in human nature. But all you can do is not care about it. It's really hard to please each and every person in this wourld that crosses your path, the deal is to move on. But that doesnot mean you hurt other's feelings, you just care for those who loves you unconditionally.

One more example is the loss of a loved one. When a close member of your family dies unexpectedly, life becomes quite gloomy, the feeling of that hollow emptiness quite cannot be filled. But then you have to realise that there are other family member who really need you. We have to live our lives, no matter what. Disregarding someone who is there for you just because you miss the person who no longer exists should never be encouraged.

Living your life becomes the hardest thing, when you' are going through a rough path. Depression diminishes the will to live and keeps on pushing you towards a dark corner which seems so satisfying that you almost accept it as your new home. But once you realise that you have come a long way, fighting your way out and trying best to pull yourself back together, it's the most satisfying achievement that you can ever think of.

You have to become a stronger version of yourself and show this mean world that you cannot be manipulated. It's just a bad phase of your life, and you will overcome it. And those of you who know such people going through depression, please provide your assistance, as they need it the most. It makes them feel safe and secure knowing that there are people who care for them. ◆

B.com 5th sem

# भारत की विरासत



अंकित पटवा

किसी भी देश की अपनी सभ्यता- संस्कृति होती है, जो उसे विरासत में मिली होती है। विरासत में मिली इस सभ्यता-संस्कृति के अन्तर्गत भाषा, रहन-सहन, जीवन-दर्शन, साहित्य, इत्यादि सम्मिलित होते है। भारत को भी कला एवं संस्कृति, भाषा, रहन-सहन, जीवन-दर्शन, साहित्य, ललित कला, परम्परा इत्यादि विरासत में मिली है। इन सभी भारतीय विरासतों की विश्व में एक विशिष्ट पहचान है। इसी से आकर्षित होकर हर वर्ष लाखो विदेशी सेनानी भारत भ्रमण के लिए आते है। भारत की ऐतिहासिक धरोहर, विविधता, एकता, धार्मिक सहिष्णुता, भारतीय दर्शन एवं आध्यात्म इत्यादि भारत की ऐसी विरासत है, जिन पर प्रत्येक भारतवासी को गर्व होते हैं।

भारतीय सभ्यता का इतिहास पाँच हजार वर्ष से भी पुराना है। इस दौरान कई विदेशी आक्रमणकारी यहाँ आए इसकी सभ्यता- संस्कृति में घुल-मिल गए। वैदिक सभ्यता को छोड़कर शेष सभी या तो नष्ट हो गए या फिर उनका अस्तित्व न के बराबर है। प्राचीन काल में भी भारत के लोग धार्मिक रूप से सहिष्णु थे। इसका प्रभाव इसके समाज पर पड़ा। आज भारत में हिन्दु, मुस्लिम, बौद्ध, जैन, ईसाई इत्यादि विभिन्न धर्मों के लोग रहते है किन्तु संवैधानिक रूप से भारत एक धर्मनिरपेक्ष राष्ट्र है।

भारत में हर वर्ष इतने त्योहार मनाए जाते है कि यदि इसे त्योहारो का देश कहा जाए तो कोई भुल नही होगी। स्वतंत्रता दिवस, गणतंत्र दिवस एवं गांधी जयन्ती हमारे राष्ट्रीय त्योहार है। इसके अतिरिक्त होली, दुर्गा पुजा, पोगल, ओणम जैसे त्योहार भारत के प्रमुख त्योहार है।

भारत के अनेक ऐतिहासिक स्थल विरासत में मिली है। राजगीर, मथुरा, हरिद्वार, सारनाथ, प्रयाग, वाराणासी, नालन्द्रा, बोधगया, कुरुक्षेत्र इत्यादि स्थानों

का धार्मिक एवं ऐतिहासिक महन्त है। दक्षिण भारत के मन्दिर भारतीय विरासत के गौरव है। इन्हें देखने के लिए हर वर्ष लाखों विदेशी पर्यटक भारत आते है। भारतीय ललीत कला एवं स्थापत्य कला की विश्व में अलग पहचान है। उत्तर भारत के शहरों में मुगलकालीन स्थापत्य और शिल्प कला लोगों का ध्यान आकृष्ट करते है। आगरा मे स्थित ताजमहल भारत का गौरव है। इस विश्व के साथ अवश्यों में शामिल किया गया है। महाराष्ट्र में अजन्ता एवं एलोरा की गुफाओं के देखने से भारत की प्राचीन कालीन चित्रकला एवं स्थापत्य कला का परिचय मिलता है। भारतीय मुर्तिकला के उत्कृष्ट उदाहरण हमें खुजराहो में मिलते है।

भारतीय संगीत की विश्व में अलग पहचान है। इसमे विभिन्न प्रकार की गायन शैलियाँ है। भजन, गीत, लोकगीत इत्यादि भारतीय संगीत की विभिन्न शैलियाँ है। भारतीय लोकनृत्या भी बहुत प्रसिद्ध है जैसे - मणिपुरी, कथाकली, ओडिसी, भारतनाट्यम इत्यादि भारत के शास्त्रीय नृत्य है।

भारत को विरासत में समृद्ध संस्कृति मिली है। जिस पर भारतवासियों की नि:सन्देह गर्व हो सकता है। किन्तु इसके साथ ही कुछ बुराइयाँ भी भारत की विरासत में मिली है। प्राचीन काल में समुचा भारत एक ही सांस्कृतिक सूत्र में आवाद्ध था, किन्तु आन्तरिक दुर्वलता के कारण निदेशी शक्तियों ने हम पर आधिपत्य स्थापित कर लिया। इन विदेशी शक्तियों ने हमारी सभ्यता और संस्कृति को नष्ट करना शुरु किया, जिससे हमारी आस्थाओं और धार्मिक मुख्यों का धीरे धीरे हनन होने लगा। लगभग एक हजार वर्ष की परतत्रता के बाद अनेक संधषों व बलिदानों के फलस्वरूप हमें स्वाधीनता प्राप्त हुइ. स्वतंत्रता प्राप्त करने के बाद हमारी एकता सट्टढ़ तो हुई, परन्तु हम देख रहे है कि साम्प्रदायिकता, क्षेत्रीयता, जातीयता, अज्ञानता और भाषागत अनेकता ने पुरा देश को जकड़ रखा है। हमें अपने सपनो का भारत बनाना है। हम इस देश का आज है और हम मे यह शक्ति है जो देश को बदल देगी। हम उन बलिदानों को ऐसे ही नही देंगे। जब तक हम एक साथ इस राश्ते पर है, मैं अपने देश के लिए उच्ची सोच रखुंगा और मैं जानता हुँ की यह सपना आपका भी होगा।

**बी.कम. प्रथम सान्माषिक**



# ষ্টিফেন হকিংৰ জীৱনৰ চমু আভাস

দীপাঙ্কৰ দুৱৰা



লিখনিৰ আৰম্ভণিতে এইজনা নমস্য ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ, যাৰ কৰ্মৰাজিৰে সমগ্ৰ বিশ্ব অনুপ্ৰাণিত, যি চি.এইচ, চি.বি.ই. এফ. আৰ. এছ নামেৰে পৰিচিত, যিজন বৰ্তমান কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ 'তাত্ত্বিক মহাজাগতিক চেণ্টাৰ' গৱেষণাৰ মহা প্ৰবন্ধক আৰু বিজ্ঞানৰ জনপ্ৰিয় লেখক। এই মহান ব্যক্তিজনাই হৈছে ষ্টিফেন উইলিয়াম হকিং।

ষ্টিফেন উইলিয়াম হ. কিঙৰ জন্ম হৈছিল ১৯৪২ চনৰ ৮ জানুৱাৰীত লণ্ডনৰ কেম্ব্ৰিজত। তেখেতৰ জন্ম তাৰিখটোৰ এটা বিস্ময়কৰ বৈশিষ্ট্য আছে। ষ্টিফেন হকিঙৰ জন্ম হোৱাৰ ঠিক তিনিশ বছৰৰ আগতে অৰ্থাৎ ১৬৪২ চনৰ একেটা তাৰিখতে মহান বিজ্ঞানী ছাৰ আইজাক নিউটনৰ জন্ম হৈছিল আৰু আন এগৰাকী মহান বিজ্ঞানী গেলিলিঅ' গেলিলিৰ মৃত্যু হৈছিল। ষ্টিফেন হকিঙৰ পিতৃৰ নাম আছিল ফ্ৰেংক হকিং আৰু মাতৃ ইছাবেল হকিং।

সৰুৰে পৰা গণিতৰ প্ৰতি ৰাপ থকা ষ্টিফেন হকিঙে 'ছেইণ্ট আলবাঞ্চ' হাইস্কুলৰ পৰা ১৯৫৯ চনত সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অক্সফৰ্ড বিশ্ববিদ্যালয়ত নামভৰ্তি কৰে। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা ১৯৬২ চনত সন্মান সহকাৰে প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰে। প্ৰকৃতাৰ্থত ষ্টিফেন হকিং এজন মেধাসম্পন্ন ছাত্ৰ আছিল। তেখেতে মাত্ৰ একৈছ বছৰ বয়সতে জ্যোতিৰ্বিজ্ঞানত গৱেষণা কৰিবলৈ ১৯৬২ চনত কেম্বি্ৰজ বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰে।

এজন মেধাসম্পন্ন ছাত্র হিচাপে এইখিনিলৈকে ঠিকেই আছিল। কিন্তু ইয়াৰ পিছতেই তেখেতৰ জীৱনলৈ নামি আছিল এচপৰা কলীয়া ডাৱৰ। কিয়নো সেই সময়তে ষ্টিফেন হকিং এটা ভয়ঙ্কৰ ৰোগত আক্ৰান্ত হ'ল। এই ৰোগত আক্ৰান্ত ব্যক্তিৰ শৰীৰৰ বিভিন্ন অংগসমূহ অসাৰ হৈ আহে। ষ্টিফেন হকিঙৰ ডাক্তৰেও ঘোষণা কৰিছিল যে হকিঙৰ আয়ুস মাত্ৰ আঢ়ৈ বছৰ। অসুখটোৰ কথা আৰু তাৰ মাৰাত্মক পৰিণামৰ বিষয়ে শুনাৰ পিছত ষ্টিফেন কিছুদিন খুউব নৈৰাশ্যত ভুগিছিল। পঢ়া-শুনাত বিচক্ষণ চোকা মগজুৰ মানুহে ডেকা বয়সত মৃত্যুৰ আগজাননী পালে কেনেকুৱা লাগিব পাৰে, সেই কথা কল্পনা কৰাটো কঠিন কাম। কিন্তু তেখেত হাৰ মনা বিধৰ ব্যক্তি নাছিল। নৈৰাশ্য, ভয় আৰু দুৰ্বলতাক তেওঁ দুৰ্বাৰ ইচ্ছাশক্তি আৰু অদম্য সাহসেৰে পৰাভূত কৰিছিল। ষ্টিফেন হকিং শক্তিশালী মনৰ অধিকাৰী হোৱাৰ বাবেই এনে দুৰাৰোগ্য ব্যাধিকো নেওচি জীৱন যুঁজত আগবাঢ়ি যাব পাৰিছিল।

দুবছৰ মান যোৱাৰ পিছত ষ্টিফেন হকিঙৰ স্বাস্থ্যৰ কিছু উন্নতি হ'বলৈ ধৰে। তেখেতে ১৯৬৫ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে আৰু সেই বছৰতেই জেন বাইড নামৰ ভাষাতত্ত্বৰ ছাত্ৰী এগৰাকীৰ লগত বিবাহপাশত আৱদ্ধ হয়। তেওঁলোকৰ যুগ্ম জীৱনৰ সাক্ষী স্বৰূপে দুটি ল'ৰা সন্তান আৰু এটি কন্যা সন্তান জন্ম হয়।

লাহে লাহে ষ্টিফেন হকিঙৰ স্বাস্থ্যৰ অৱনতি হ'বলৈ ধৰিলে আৰু হুইল চেয়াৰত তেখেতে স্থায়ীভাৱে জীৱন কটাবলগা হ'ল। অৱশেষত তেখেতে কথা কোৱাৰ ক্ষমতা হেৰুৱাই পেলাইছিল ১৯৮৫ চনত। এখন কনফাৰেঞ্চত অংশগ্ৰহণ কৰি থাকোতে তেওঁ হঠাৎ প্ৰৱল নিউমোনিয়া ৰোগত আক্ৰান্ত হ'ল। ততাতৈয়াকৈ তেখেতক এখন হাস্পাটালত ভৰ্তি কৰা হৈছিল আৰু এটা জৰুৰী অস্ত্ৰোপচাৰো কৰা হৈছিল। কিন্তু তাৰ ফলত তেওঁৰ মাতটো হেৰাই গ'ল। তেখেতৰ সৰ্বশৰীৰ যদিও পংগু আছিল, বাকশক্তি যদিও হেৰুৱাই পেলাইছিল, তথাপিও তেখেতে হুইল চেয়াৰত বহি বহিয়েই হুইল চেয়াৰত লগাই লোৱা ভইছ চিন্থেছাইজাৰৰ সহায়ত মানুহৰ লগত কথা-বতৰা পাতিছিল আৰু ঘৰত, কৰ্মস্থানত আনকি দৰ্শক শ্ৰোতাকো তেওঁ হঁহুৱাইছিল।

ষ্টিফেন উইলিয়াম হকিং এজন জনপ্ৰিয় বিজ্ঞান লেখকো। তেখেতৰ 'A Brief History of Time' (২০০৫) নামৰ গ্ৰন্থখনে প্ৰকৃততেই গ্ৰন্থ জগতত ইতিহাস ৰচনা কৰিছিল। তেওঁৰ এই গ্ৰন্থখনে বিশ্বৰ ভিতৰতে বিজ্ঞান বিষয়ক গ্ৰন্থৰ ভিতৰত সৰ্বাধিক বিক্ৰীৰ তালিকাত থকা গ্ৰন্থ হিচাপে পূৰ্বৰ অভিলেখ ভঙ্গ কৰি 'গ্ৰীনিজ বুক অৱ ৰেকৰ্ড'ত ঠাই পাইছে। তেখেতৰ আন কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল 'ব্লেক হলছ এণ্ড বেবী ইউনিভাৰ্ছ, দ্যা নেচাৰ অৱ স্পেছ এণ্ড টাইম দ্যা ইউনিভাৰ্ছ ইন এ নাটচেল দ্যা গ্ৰেণ্ড ডিজাইন এণ্ড মাই ব্ৰিফ হিষ্টৰী, লাৰ্জ স্কেল ষ্ট্ৰাকচাৰ অৱ স্পেছ টাইম ইত্যাদি।

এইজনা মহান বিজ্ঞানী ষ্টিফেন হকিঙলৈ বৰ্তমানলৈকে বিশ্বৰ বহুতো বিশ্ববিদ্যালয়ে অনাৰেৰী ডক্টৰ অৱ চায়েন্স ডিগ্ৰী প্ৰদান কৰি সন্মান জনাইছে। তেখেতে পোৱা হিউচ মেডেল (ৰয়েল ছ'ছাইটি, ১৯৭৬), উলফ বঁটা (১৯৮৮), চানডে টাইমছৰ সাহিত্যৰ বিশেষ বঁটা (১৯৮৯), বিটানিকা এৱাৰ্ড (১৯৮৯), প্ৰিন্স অৱ অষ্টিয়াছ বঁটা (১৯৮৯), এণ্ড্ৰিড বঁটা (১৯৯৮), এলবাৰ্ট মেডেল (১৯৯৯), প্ৰেচিডেন্সিয়েল মেডেল অৱ ফ্ৰিডম (২০০৯), ফাণ্ডামেণ্টেল ফিক্সড ডিপ'জিট (২০১২), বিবিডিএ ফাউণ্ডেছন ফ্ৰণ্টিয়াৰ অৱ নলেজ বঁটা (২০১৫)।

তেখেতে কৈছিল— 'মোৰ লক্ষ্য অতি সহজ, বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে সম্পূৰ্ণ জ্ঞান অৰ্জন কৰা।' যিজন মানুহে এটা দুৰাৰোগ্য ব্যাধিৰ সৈতে চিৰ জীৱন যুঁজিলে, অৰ্থাভাৱত ভুগিলে, জীৱনৰ বহুতো ভোগ সুখৰ পৰা বঞ্চিত হ'ল, গোটেই শৰীৰটোৰ অংগ হিচাপে মাত্ৰ দুটা আঙুলিহে সঞ্চালন কৰিব পাৰে , সেইজন মানুহে যেতিয়া কয় যে, বিশ্ব ব্ৰহ্মাণ্ডৰ বিষয়ে সম্পূৰ্ণ জ্ঞান আয়ত্ত কৰাই তেওঁৰ লক্ষ্য, তেতিয়া তেওঁৰ প্ৰতি ভক্তিত মূৰ দোঁ খায় যায়। আমি অভিভূত হৈ পৰোঁ। স্বীকাৰ কৰিবই লাগিব, তেখেতে বিজ্ঞানক মানুহৰ ওচৰ চপাই আনিলে। চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰক গোটে গোটে গিলিব পৰা কৃষ্ণ গহ্বৰৰ বিকিৰণ, বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণ ইত্যাদিৰ কথা কয়, তেতিয়া সেইবোৰ বিজ্ঞান উপন্যাসতকৈ বেছি ৰোমাঞ্চকৰ হৈ পৰে। ২০০২ চনত বিবিচিয়ে এশজন শীৰ্ষ বৃটিছ নাগৰিকৰ তালিকাত ষ্টিফেন হকিঙৰ নামো অন্তৰ্ভুক্ত কৰিছে। সকলোৰে প্ৰেৰণাৰ উৎস ষ্টিফেন হকিঙে ১৪ মাৰ্চ ২০১৮ বৰ্ষ, ৭৬ বছৰ বয়সত ইহলোকৰ পৰা মহাপ্ৰস্থান কৰে।।◆

তৃতীয় ষান্মাসিক (কলা শাখা)

# পদ্মশ্ৰী, অৰণ্য মানৱ যাদৱ পায়েঙৰ লগত কথোপকথন



মিচিং সম্প্ৰদায়ৰ এজন সহজ-সৰল প্ৰকৃতিপ্ৰেমী, প্ৰকৃতিৰ ৰক্ষাৰ বাবে আৰম্ভ কৰিছে সেউজ বিপ্লৱৰ, বিৰামহীন যাত্ৰা তেওঁৰ অন্তহীন কৰ্ম আৰু নিঃস্বাৰ্থ প্ৰকৃতি প্ৰেম, তেঁৱেই হৈছে বিশ্বদৰবাৰত অৰণ্য মানৱৰূপে খ্যাত পদ্মশ্ৰী যাদৱ পায়েং। যোৰহাট জিলাৰ অৰুণা চাপৰিৰ লক্ষীৰাম পায়েং আৰু আফুলী পায়েঙৰ পুত্ৰ অৰণ্য মানৱ ৰূপে খ্যাত পদ্মশ্ৰী যাদৱ পায়েং (মলাই)ৰ জন্ম হৈছিল ১৯৬৩ চনত। ১৯৮০ চনত গোলাঘাট জিলাৰ সামাজিক বনানীকৰণ বিভাগে অৰুণা চাপৰিৰ নিচেই কাষৰ প্ৰায় ২০০ হেক্টৰ মাটিক কেন্দ্ৰ কৰি লোৱা বৃক্ষৰোপণৰ কাৰ্যসূচীত তেওঁ জড়িত হৈছিল। পাঁচ বছৰৰ পাছত আন আন কৰ্মীসকল সেই ঠাই ত্যাগ কৰিছিল যদিও তেওঁ সেই ঠাই ত্যাগ নকৰি বৃক্ষৰোপণ কাৰ্যসূচী আগুৱাই লৈ গৈছিল। প্ৰকৃতিৰ প্ৰতি থকা তেখেতৰ অসীম ভালপোৱাৰ ফলস্বৰূপেই সৃষ্টি হৈছিল অৰণ্যখনৰ। বৰ্তমান সেই অৰণ্যখনক 'মলাই কাঠনিবাৰী অৰণ্য' নামে জনা যায়। যিখন অৰণ্যত বৰ্তমান বাঘ, গঁড়, এশৰো অধিক হৰিণা আৰু শহা পহুৰ লগতে হাতী, বান্দৰ বিভিন্ন প্ৰকাৰৰ চৰাইৰ আৱাসস্থলী। এইখন অৰণ্য ২০০৮ চনতহে বনবিভাগ আৰু প্ৰকৃতিপ্ৰেমী জনতাৰ দৃষ্টিগোচৰ হৈছিল। গছ-গছনিৰ ধ্বংসযজ্ঞৰ কালত যাদৱ পায়েঙৰ দৰে ব্যক্তিয়ে অৰণ্য স্থাপন কৰি পৃথিৱীক সেউজীকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ প্ৰতি লক্ষ্য কৰি জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেওঁক ২০১২ চনৰ ২২ এপ্ৰিলত 'অৰণ্য মানৱ' উপাধি প্ৰদান কৰে। ইয়াৰ উপৰি ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ.পি.জে আব্দুল কালামে 'কেছ এৱাৰ্ড'ৰে সন্মানিত কৰাৰ উপৰি ২০১৫ চনত ভাৰত চৰকাৰে তেখেতক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল। বৰ্তমান সময়লৈকে যাদৱ পায়েঙৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বহুকেইখন তথ্যচিত্ৰ নিৰ্মাণ কৰা হৈছে। তাৰ ভিতৰত অন্যতম অসীম বৰাৰ 'An Inside Story of the Forest man Division'। মুম্বাইৰ আৰতি শ্ৰী বাস্তৱৰ "Foresting Life" (যাৰ বাবে তেওঁ ৰাষ্ট্ৰীয় পুৰস্কাৰ পাইছিল) ইত্যাদি।

## কথোপকথন

**প্ৰশ্ন ঃ** নমস্কাৰ ছাৰ। পোনপ্ৰথমে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা আপোনাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। প্ৰকৃতিৰ ধ্বংসযজ্ঞৰ কালত আপুনি কৰি অহা বনানীকৰণৰ সুন্দৰ পদক্ষেপক সঁচাকৈ শলাগ লৈছোঁ। লগতে আপোনাৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

**প্ৰত্যুত্তৰ ঃ** ধন্যবাদ।

**প্ৰশ্ন ঃ** আমি প্ৰথমতে আপোনাৰ পৰা জানিবলগীয়া কথাটো হ'ল যে প্ৰকৃতি সংৰক্ষণৰ এই যাত্ৰাৰ আৰম্ভণি ক'ৰপৰা কেনেদৰে হৈছিল আৰু এই কামৰ বাবে প্ৰেৰণা কেনেদৰে লাভ কৰিছিল?

**প্ৰত্যুত্তৰ ঃ** এতিয়া এই হাবিখন(মলাই অৰণ্য) য'ত আছে তাৰ কাষৰ বৰঘোপ অৰুণা চাপৰিত মোৰ জন্ম হৈছিল। মই সৰুতে দেখা গছ-গছনি,জীৱ-জন্তু, চৰাই-চিৰিকতি এতিয়াও দেখা পাই থাকিবলৈ এই হাবিখনৰ সৃষ্টি কৰা হৈছিল। এই ঠাইতেই তেতিয়াৰ ব্ৰিটিছৰ দিনৰ জাহাজঘাট আৰু ৰে'লআলি আছিল। ১৯৬৫ চনৰ পৰা হোৱা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত এই সকলোবোৰ জাহ গৈছিল। ইয়াৰ ফলত আমাৰ গাঁৱৰ বহুতো লোক কৰ্মসংস্থাপনৰ বাবে বেলেগ বেলেগ ঠাইলৈ যাবলগা হ'ল। মই তেতিয়া তৃতীয় শ্ৰেণীত পঢ়ি আছিলোঁ আৰু মোৰ মা-দেউতাও মাজুলীলৈ যাব লগা হ'ল। মই তেওঁলোকৰ লগত নগৈ ইয়াত বালিগাঁৱতে যোৰহাট জিলাৰ 'কৰ্ট মাষ্টাৰ' অনিল বৰঠাকুৰৰ সান্নিধ্যত থাকি ৯০ নং বালিগাঁও প্ৰাথমিক বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা পঢ়িছিলোঁ। সেই ঠাইতে মই দশম মানলৈকে পঢ়িছিলোঁ। মই পঢ়া বিদ্যালয়খনৰ ওচৰতে উদ্ভিদ বিজ্ঞান বিভাগৰ বিজ্ঞানী ড° যদুনাথ বেজবৰুৱা আছিল। তেওঁৰ সন্তান মোৰ সহপাঠী আছিল আৰু ইয়াৰ বাবেই হয়তো মই তেওঁৰ সান্নিধ্য লাভ কৰিছিলোঁ। মই তেওঁৰ পৰা উদ্ভিদ, জীৱ-জন্তু, চৰাই-চিৰিকতিৰ বিষয়ে বহুতো বাস্তৱ জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। ইয়াত দুখ-বেদনাৰ কাৰণ আছিল যে ১৯৭৯ চনত প্ৰলংকাৰী বানত বহুতো সাপ উটি আহি ব্ৰহ্মপুত্ৰৰ বালিচৰত পৰিছিলহি। পানী শুকাই যোৱাৰ ফলত বালিৰ উত্তাপত সাপবোৰ মৰি গৈছিল। প্ৰধানতঃ সাপৰ মৃত্যু বেদনাই হাবিখনৰ সৃষ্টি কৰিছিল। ইয়াতে দেউৰী সম্প্ৰদায়ৰ লোকৰ গাঁও এখন আছিল। তেওঁলোকক মই সুধিছিলোঁ যে, সাপবোৰৰ জীৱন ৰক্ষা কৰাৰ কিবা উপায় আছে নেকি? তেওঁলোকে মোক তেতিয়া উপদেশ দিছিল পৃথিৱীৰ সবাতোকৈ ওখ ঘাঁহ ৰুবলৈ। প্ৰথমাৱস্থাত মই বুজি পোৱাত অসুবিধা হৈছিল যদিও অৱশেষত ইয়াৰ অৰ্থ বুজি পালো। বাঁহ ৰুলে ছাঁ হ'ব, চৰাই চিৰিকতি হ'ব, সাপবোৰৰ বাবে খাদ্যৰ ব্যৱস্থাও হ'ব আৰু তেতিয়া হয়তো সাপবোৰ জীয়াই থাকিব। তেওঁলোকেই মোক পুলি দি সহায় কৰিছিল আৰু তেতিয়াৰ পৰা আৰম্ভ হ'ল বনানীকৰণৰ।

**প্ৰশ্ন ঃ** ১৯৭৯ চনৰ পৰাই বৃক্ষৰোপণৰ দৰে মহান কাম এটাৰ জয়যাত্ৰা কৰিছিল যদিও ২০১০ চনতহে প্ৰচাৰ মাধ্যমলৈ আহে। ইয়াৰ কাৰণ জানিব পাৰিমনে?

**প্ৰত্যুত্তৰ ঃ** হাবিত ইমানদিনে আছিলো বাবে হয়তো আগত কোনোৱে ভালদৰে একো গম পোৱা নাছিল। কিন্তু অসমৰ সংবাদ মাধ্যমক ধন্যবাদ জনাওঁ যে তেওঁলোকে মোক বিশ্বদৰবালৈ লৈ গ'ল। অসমৰ প্ৰচাৰ মাধ্যমৰ সেইটো ক্ষমতা আছে যে তেওঁলোকে অসমৰ তথ্যসমূহক বিশ্বদৰবালৈ নিব পাৰে। ২০১০ চনত জিতু কলিতাই মোৰ হাবিখনৰ বিষয়ে লিখা প্ৰতিবেদনটো বাতৰি কাকতত প্ৰকাশ পোৱাৰ পাছত বিভিন্ন সংবাদ মাধ্যম আৰু বাতৰি কাকতৰ সাংবাদিক মোৰ ওচৰলৈ আহিছিল। 'ধৰিত্ৰী দিৱস'ৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে মোক 'অৰণ্য মানৱ' উপাধিটো প্ৰদান কৰে। মোৰ প্ৰকৃতি সংৰক্ষণৰ বাৰ্তা সকলোৰে মাজলৈ লৈ যোৱাৰ বাবে মই সংবাদ মাধ্যমক ধন্যবাদ জনাওঁ।

**প্ৰশ্ন ঃ** আপোনাৰ 'পদ্মশ্ৰী' সন্মান লাভৰ আঁৰৰ কাহিনীটো জনাবনে?

**প্ৰত্যুত্তৰ ঃ** কানাডাৰ Mc Master William Donglas য়ে মোৰ হাবিখনৰ লগতে মোৰ কৰ্মজীৱন বিষয়ক এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি উলিয়াইছিল। তথ্যচিত্ৰখনৰ বাবে তেওঁ Cannes Film Festivalত পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। ২০১৩ চনত আৰতি শ্ৰীবাস্তৱে মোৰ কৰ্মজীৱন সম্পৰ্কত এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি ৰাষ্ট্ৰীয় পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। এনেদৰেই লাহে ধীৰে মই চৰকাৰৰ দৃষ্টিগোচৰ হৈছিলোঁ। ২০১৫ চনত ভাৰত চৰকাৰৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে মোৰ কৰ্ম অধ্যয়ন কৰিবলৈ এক বিশেষ গোট পঠাইছিল আৰু তেওঁলোকে মোৰ নথি-পত্ৰসমূহ সংগ্ৰহ কৰিছিল। ইয়াৰ পাছতেই ভাৰত চৰকাৰে মোক 'পদ্মশ্ৰী' সন্মান দিবলৈ ঠিৰাং কৰে। 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰা প্ৰাক্-মুহূৰ্তত তেওঁলোকে মোক এই পুৰস্কাৰটো গ্ৰহণ কৰিমনে নকৰিম তাৰ বিষয়ে সুধিছিল আৰু তেতিয়া মই কৈছিলোঁ যে যদি ধৰিত্ৰীয়ে বাচি নাথাকে মই সন্মানটি গ্ৰহণ কৰি কি কৰিম। কিন্তু ভাৰতবাসীৰ আশীষ লৈ মই সন্মানটি গ্ৰহণ কৰিছোঁ যাতে প্ৰকৃতি সংৰক্ষণৰ এই বাৰ্তাটি সমগ্ৰ বিশ্ববাসীৰ মাজলৈ কঢ়িয়াই নিব পাৰোঁ।



**প্ৰশ্ন ঃ** 'পদ্মশ্ৰী' সন্মানে আপোনাৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰিছেনে?

**প্ৰত্যুত্তৰ ঃ** বিশেষ একো পৰিৱৰ্তন হোৱা নাই যদিও বৰ্তমান মই প্ৰকৃতি সংৰক্ষণৰ বাৰ্তা সকলোৰে মাজলৈ কঢ়িয়াই নিব পাৰিছোঁ। ২০১৫ চনত পেৰিছৰ 'হেলিংটন'ত মোক বক্তব্য ৰাখিবলৈ আমন্ত্ৰণ কৰিছিল। বিশ্বৰ আটাইকেইখন দেশৰ প্ৰতিনিধিয়ে উক্ত সভাখনত উপস্থিত আছিল আৰু বহুকেইজন বক্তাই ভাষণ প্ৰদান কৰিছিল। মইও বাৰ মিনিট সময় তাত ভাষণ দিবলৈ সুবিধা পাইছিলোঁ। ভাষণত সভাৰ সকলোকে উদ্দেশ্য কৰি কৈছিলোঁ যে আপোনালোকে এক মিনিট সময় উশাহ বন্ধ কৰি চালে অক্সিজেনৰ প্ৰয়োজনীয়তা অনুভৱ কৰিব। তেওঁলোকক মই প্ৰকৃতি সংৰক্ষণৰ বাবে অনুৰোধ কৰিছিলোঁ আৰু তাত উপস্থিত থকা সকলো ধৰ্মাৱলম্বী লোকক সুধিছিলোঁ "ভগৱান আছেনে? আপোনালোকে দেখিছেনে?" তেওঁলোকৰ উত্তৰ আছিল নাই দেখা আৰু তেতিয়া মই কৈছিলোঁ, "মা-দেউতাই জন্ম সূত্ৰৰ দ্বাৰা আমাৰ ভগৱান, মা-দেউতা ঢুকুৱাৰ পাছত আমাক কাৰ লগত এৰি থৈ যাই প্ৰকৃতিৰ লগত, প্ৰকৃতিয়ে আমাক আশ্ৰয় দিয়ে, জীয়াই ৰাখে। যিজনে প্ৰকৃতিক ভাল পাব পাৰে তেওঁ সমগ্ৰ বিশ্বক ভাল পাব পাৰে, সমগ্ৰ জীৱজগতক ভাল পাব পাৰে।"

পৃথিৱীৰ বহুকেইখন দেশত মই বৰ্তমান বনানীকৰণৰ বাৰ্তা উপস্থাপন কৰিব পাৰিছোঁ আৰু মই আশাবাদী ভৱিষ্যতেও এই বাৰ্তা আগুৱাই লৈ যাব পাৰিম।

**প্ৰশ্ন ঃ** 'পদ্মশ্ৰী' সন্মান লাভ কৰাৰ পাছত চৰকাৰৰ পৰা আপোনাৰ কামৰ বাবে কেনে ধৰণৰ সহায় লাভ কৰিছে?

**প্ৰত্যুত্তৰ ঃ** সঁচা অৰ্থত ক'বলৈ গ'লে চৰকাৰে কেৱল বঁটাটিহে প্ৰদান কৰিছে। কিন্তু এফালৰ পৰা চাবলৈ গ'লে এই বঁটা প্ৰাপ্তিৰ আঁৰত বিজ্ঞানীসকলে কৰা মোৰ কামৰ অধ্যয়ন আৰু প্ৰচাৰ মাধ্যমহে।

**প্ৰশ্ন ঃ** "জীৱশ্ৰেষ্ঠ মানুহ" এই বাক্যটো বৰ্তমান আপোনাৰ দৃষ্টিত কিমান যুক্তি সংগত?

**প্ৰত্যুত্তৰ ঃ** মোৰ দৃষ্টিত "জীৱশ্ৰেষ্ঠ" এই শব্দটো মানুহে নিজক

দি লোৱা মাত্ৰ এটা নাম। স্বাৰ্থপৰ মানুহে বৰ্তমান নিজকে 'জীৱশ্ৰেষ্ঠ' হিচাপে পৰিচয় দিবলৈ অধিকাৰ হেৰুৱাইছে। দ্ৰুতগতিত আগবঢ়া নগৰীকৰণৰ ফলত বৰ্তমান প্ৰকৃতিয়ে নিজৰ ভাৰসাম্য হেৰুৱাই পেলাইছে। জলবায়ু পৰিৱৰ্তনে সমগ্ৰ পৃথিৱীলৈ কঢ়িয়াই আনিছে ভয়াবহতা। তথাপিও মানুহে জানিও নজনা আৰু দেখিও নেদেখাৰ ভাও ধৰিছে। স্বাৰ্থপৰ মনোভাব এৰি মানুহে প্ৰকৃতিৰ ইংগিত বুজিলেহে বিশ্ববাসীয়ে এই দুৰ্যোগৰ পৰা ৰক্ষা পাব।

**প্ৰশ্ন ঃ** আগন্তুক বছৰৰ বাবে আপোনাৰ পৰিকল্পনাৰ বিষয়ে জনাবনে?

**প্ৰত্যুত্তৰ ঃ** ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্দুল কালাম ছাৰে 'কেছ এৱাৰ্ড' সন্মান প্ৰদান কৰি মোক কৈছিল "এক মহৎ কাম কৰাৰ বাবে তোমাক উদ্‌গণি জনাবলৈ এই সন্মান প্ৰদান কৰিছোঁ, বিশ্ববাসীৰ বাবে ভৱিষ্যতেও যেন এনে কাম কৰি যোৱা তাৰ আশা কৰিছো।" কালাম ছাৰৰ এই বাক্য সৰোগত কৰি মই এই কাম ভৱিষ্যতেও কৰি যাবলৈ দৃঢ় প্ৰতিজ্ঞ।

**প্ৰশ্ন ঃ** নৱপ্ৰজন্মৰ প্ৰতি কি অনুৰোধ জনাব?

**প্ৰত্যুত্তৰ ঃ** নৱপ্ৰজন্মৰ প্ৰতি এইটোৱে অনুৰোধ যে নিজেই জীয়াই থাকিবলৈ গছ ৰোৱক। গছ-পুলি ৰুলে নহ'ব, গছ ৰুই ইয়াৰ প্ৰতিপালন কৰিব লাগিব। বিদ্যালয়ে বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক দুজোপাকৈ গছ পুলি ৰোপণ তথা ইয়াৰ প্ৰতিপালনৰ বিষয়ে জ্ঞান দিয়াৰ উপৰিও প্ৰতিখন বিদ্যালয়ত পৰিৱেশ বিজ্ঞান সম্পৰ্কীয় এজন শিক্ষক নিয়োগ কৰাৰ বাবে চৰকাৰক অনুৰোধ জনাইছোঁ।

*(আপুনি আপোনাৰ মহামূল্যবান সময়খিনি আমাক দিয়াৰ বাবে ধন্যবাদ জনাইছোঁ। বনাঞ্চল ধ্বংসৰ কালত বনানীকৰণৰ যোগেদি পৃথিৱীক ৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা নিস্বাৰ্থ প্ৰয়াসক সঁচাকৈ প্ৰশংসা কৰিছোঁ। এই যাত্ৰা যেন সদায় অব্যাহত থাকে তাৰ কামনা কৰিছোঁ। আপোনাৰ কৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হওঁক শতসহস্ৰজন। সদৌ শেষত পুনৰবাৰ আপোনাৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। ধন্যবাদ)*

'অৰণ্য মানৱ' পদ্মশ্ৰী ড° যাদৱ পায়েংদেৱক বন্যপ্ৰাণী তথা বন সংৰক্ষণৰ বাবে বিভিন্ন বটাঁৰে বিভূষিত কৰিছে। তেওঁ লাভ কৰা সন্মান সমূহক তলত সন্নিবিষ্ট কৰা হ'ল।

৭.১০.২০১৭ [illegible]

[illegible] 9435704649

| | তাৰিখ/চন | উপাধি | সংস্থা | স্থান |
|---|---|---|---|---|
| ১/ | ২২এপ্ৰিল ২০১২ | ভাৰত অৰণ্য মানৱ | জে.এন.ইউ | দিল্লী |
| ২/ | ১৭ জুলাই ২০১২ | ডাইমণ্ড এৱাৰ্ড | শ্বান মুকানন্দা সংগীত সভা | মুম্বাই |
| ৩/ | ২৪-২৬ছেপ্তেম্বৰ ২০১২ | চাপলিং প্লানটেচন | গ্লবেল কনফাৰেন্স অন চাচটেনেৰেল ডেভেলপমেণ্ট | পেৰিচ |
| ৪/ | ২২নৱেম্বৰ ২০১২ | ৱাইল্ড লাইফ | ছছাইটি অফ কাজিৰঙা | |
| ৫/ | ২৯ নৱেম্বৰ ২০১২ | ৱাইল্ড চাৰ্ভিচ | এৱাৰ্ড চেনচুৰি এছিয়া | ইণ্ডিয়া |
| ৬/ | ১৬ অক্টোবৰ ২০১৩ | ইণ্ডিয়ান | ইনষ্টিটিউব অৱ মেনেজমেণ্ট | মুম্বাই |
| ৭/ | ১৬ নৱেম্বৰ ২০১৪ | আৰ.বি.এছ ৰয়েল | বেংক অৱ | ভূপাল |
| ৮/ | এপিল ২০১৪ | ডকুমেণ্টৰি | উইলিয়াম ডি মেকমাষ্টৰ | স্কটলেণ্ড |
| ৯/ | ২০১৪ | কৰ্মযোগী এৱাৰ্ড | লায়ন্স ক্লাব | কানাডা |
| ১০/ | ৮এপিল ২০১৫ | পদ্মশ্ৰী | ভাৰত চৰকাৰ | ভাৰত |
| ১১/ | ৩০ মাৰ্চ ২০১৫ | ডক্টৰেট | গুৱাহাটী ইউনিভাৰ্চিটি | অসম |
| ১২/ | ২০১৫ | উদয়সিং এৱাৰ্ড | উদয়সিং ফাউণ্ডেচন | ৰাজস্থান |
| ১৩/ | ২০১৫ | চাৰ্টিফিকেট অৱ | মিনিষ্টাৰ এম.অই এপিচিয়েশ্বন এফ.এণ্ড.চি.চি | |
| ১৪/ | ১৩ফেব্ৰুৱাৰী২০১৬ | উইল অশ্ব ষ্টিল | জে এছ ডব্লিউ | মুম্বাই |
| ১৫/ | চেপ্তেম্বৰ ২০১৬ | গ্লবেল লভ অৱ লাইফ | চি.টি.কে ফাউণ্ডেচন | মেডেল |
| ১৬/ | ২২আগষ্ট ২০১৭ | আৰ্থ হিৰ' এৱাৰ্ড | আৰ.বি.এছ | স্কটলেণ্ড |

বি.দ্ৰ ঃ উপৰোক্ত তথ্যসমূহ গোলাঘাট জিলাৰ মিচিং সম্প্ৰদায়ৰ ছত্ৰছায়াত প্ৰকাশ পাই অহা আলোচনী 'লুছৰ' পৰা সংগ্ৰহ কৰা হৈছে।

# তোমালোকৰ বাবে এটা কবিতা

(ছাত্ৰ-ছাত্ৰীসকলৰ হাতত মৰমেৰে)

ড° দীপালি গগৈ

জীৱন সমুদ্ৰত প্ৰজ্ঞাৰ মানিক বুটলি
তোমালোক আহি থাকা। সেউজীয়াৰ নিচান উৰাই
দুচকুত লৈ অলেখ আলোকিত সপোনৰ সমদল

তোমালোক আহা
আমাৰ স'তে বিনিময় কৰা কিছু আৱেগ। কিছু উদ্বিগ্নতা
পি খাব বিচৰা কিছু জোনাক নিজৰ বাবে। জীৱনৰ বাবে
আৰু এদিন ঠন্ ঠন্‌কৈ ভাঙি আমাৰ বুকুৰ কাচঘৰ
তোমালোক অহাবাটে গুচি যোৱা

তোমালোকৰ অহা আৰু যোৱাৰ এই মিছিলে
তোমালোকক আদৰা আৰু বিদায় দিয়াৰ এই অনুশীলনে
উদ্বেলিত কৰি তোলে মোৰ নিস্তৰঙ্গ জীৱন

তোমালোকৰ চেতনাত কণমান পোহৰ সিঁচিবলৈ
আমি কচৰৎ কৰোঁ
তোমালোকৰ সপোনৰ হাবিয়লি বাটবোৰ
আমি চিকুনাই দিওঁ

তোমালোকৰ সান্নিধ্যত মই নিজেও জীপাল হৈ উঠো
সমগ্ৰ শৰীৰ আৰু ভাৱনাক ক্লান্তি আৰু বিষাদে চেপি ধৰাৰ পাছতো
তোমালোকৰ বাবেই মই মৰি মৰি জী উঠো

তোমালোকক ভালপোৱাৰ পাছতো
শুভকামনাৰে উন্মুখ হোৱাৰ পাছতো
কেতিয়াবা পাহৰণিৰ কাঁইটে বিন্ধি ৰক্তাক্ত কৰি তোলে
মোৰ আৱেগৰ থুনুকা শৰীৰ

হে মোৰ আত্মজৰো আত্মজ
তোমালোকৰ বাবেই প্ৰবাহিত হৈ ৰয় মোৰ জীৱন
প্ৰতিদিন-প্ৰতিনিয়ত।।

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

# স্মৃতি

ৰীমাৰেখা বুঢ়াগোহাঁই

এক অনন্য ব্যক্তিত্ব
ৰাজীব ছাৰ,
দূৰৈত দেখিলেই চেতীয়ানী আৰু
মুলা গাভৰু বুলি মতা,
কঁকালটোৰ খবৰ লোৱা
ৰাজহাড়ডাল দুয়োজনৰেই বেয়া
কলেজ, অডিটেৰিয়াম আৰু ক্লাছৰুমৰ
শোভা বৰ্দ্ধন কৰি তোলা
হঠাৎ আহি পৰা আগষ্ট মাহৰ
মোৰ জটিল অংকটো
সহজে সমাধা কৰা
ছাৰৰ বিয়োগত দূৰৈৰ পৰাই শেষ শ্ৰদ্ধা জনোৱা
মই সহকৰ্মী।
আবেগবোৰ আধৰুৱা
বাস্তৱ জীৱনৰ ব্যস্ততাই ধূই নিয়া
অন্তৰত সাঁচি ৰখা স্মৃতিবোৰহে যুগমীয়া
সেইযে ১৯৯৭ চনৰ ১৩ আগষ্টৰ পৰাই পোৱা।।

সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

# তোমাৰ চাদৰৰ আঁচলত

নূপুৰ ৰাণী গগৈ

মা নহয় এয়া
জুহাল এখনৰ সমুখত বহি থকা স্নেহ
মা মানেইতো ঘৰ, দুৱাৰ
চোতাল, ৰান্ধনী ঘৰ
নহবা পানীৰ ধাৰ
আধৰুৱা মাত 'মা'
সঙ্গীতৰ তালে তালে আজিও অনুভৱ কৰোঁ তোমাক
হেৰুৱা দিনবোৰ এবাৰ বিচাৰি
অজানিতে আত্ম বিভোৰ হৈ
খেপিয়াই চাওঁ অতীতৰ গৰ্ভত
জোনাক যেতিয়া আকাশত থাকে
মই প্ৰতীক্ষা কৰোঁ একমাত্ৰ তোমালৈ
এয়াটো চাগে ভালপোৱা
ক'ব নোৱাৰাকৈ; কাৰো অনুমতি নোলোৱাকৈ
বুকুৰে বুকুৰে যাৰ অহা-যোৱা।
তোমাক অনুভৱ কৰিব পাৰিছো যেনেকৈ
তোমাৰ অজানিতে
মা তুমি হ'লা মমতাময়ী।
মা তুমিয়ে মোৰ সপোন
তুমি স্বাধীন, অপেক্ষা নকৰা কাৰো অনুৰোধলৈ
সপোন সপোনেই তাক কোনেও প্ৰলোভিত কৰিব
অথবা শংকিত কৰিব নোৱাৰে।
কোনোবাই কৈ যায় ৰিঙিয়াই
'সপোন সপোনেই, কেতিয়াবা দিঠকো হ'ব পাৰে
হতাশ হোৱাৰ প্ৰয়োজন নাই।'
আকাশত থকা জোনটোক তৰাৰ পৰা
জানো ৰাখিব পাৰিব কোনোবাই আঁতৰাই
নদীৰ পানীৰ সোঁতৰ অবিহনে
বৈ যাব পাৰিবনে বিশাল সাগৰলৈ!
মা তোমাৰ অবিহনে জানো
আমি এই পৃথিৱীত থাকিব পাৰিম সুখেৰে।
তোমাৰ অবিহনে পাৰিম নে
বেলেগৰ কোলাত নিশ্চিন্ত মনে জিৰাবলৈ?
মা আচৰিত মানুহৰ জীৱন
তাতোকৈ আচৰিত এই মুখা পিন্ধা মানুহৰ চৰিত্ৰ।
কিমান জটিল, কুটিল এই চৰিত্ৰবোৰ
প্ৰেম, ভালপোৱা মানুহৰ চৰিত্ৰৰে অংগ।
মোৰ দুচকুত এতিয়াও ভাঁহি আছে
তোমাৰ চাদৰৰ আঁচলত মুখ ঢাকি
আনৰ ভয়ত লুকাই থকা সময়
এতিয়াও মনে বিচাৰে তোমাৰ
চাদৰৰ আঁৰত লুকাই থাকিবলৈ
একমাত্ৰ এই জটিল পৃথিৱীৰ ভয়ত
মা তুমি সঁচাকৈ মোৰ সপোনৰ পৰী।।

স্নাতক প্ৰথম ষান্মাসিক (কলা শাখা)

# যাত্ৰা

কান্তাপ্ৰিয়া ফুকন

অবিৰাম যাত্ৰা মোৰ
জীৱনৰ দীঘলীয়া বাটত
ক্ষন্তেক থমকি ৰওঁ
আৰু কামনাৰ বেসুৰা মাতত
তথাপি পাৰিব জানো
ৰোধিব মোৰ অবাধ গতিক
জীৱনৰ লক্ষ্য মোৰ কৰি সাৰোগত
যাম মই আগুৱাই
বাধাৰ প্ৰাচীৰ ভাঙি
নিৰ্বিঘ্নে আৰোহিম
পৰ্বতৰ টিঙত।
হয়তো থমকি ৰওঁ
নৰ পিশাচৰ উদ্ভণ্ডালি দল
একোৰে নোৱাৰে মোক টলাব কদাপি
যাত্ৰা মোৰ অবিৰাম
লক্ষ্য মোৰ অচল অটল।।

স্নাতক পঞ্চম ষান্মাসিক (কলা শাখা)

# মই কেতিয়াও বিমুখিত নহওঁ

সাগৰিকা বৰা

মই কেতিয়াও বিমুখিত হোৱা নাই
আৰু কেতিয়াও নহওঁ....
সপোনবোৰে বাস্তৱ বুলিলে উচপ খায় উঠিব পাৰে,
তথাপিও কিন্তু মই সপোন দেখোঁ
এদিন সঁচা হ'ব বুলি।
মোৰ অভিমানী নৈখনো মাথোঁ
নিস্তব্ধতাৰে বৈ যায়......বিমুখ নোহোৱাকৈ।
প্ৰতিপলত মোক তিৰস্কিত কৰাজনক
মোৰ হাঁহি কাঢ়িব খোজাজনকো
মই কোনোধৰণৰ আক্ষেপ নকৰোঁ।
মোক ঘিণ কৰা সকলৰ লগত থাকিও
মই সুখী....
কিয়নো মই জীৱনৰ প্ৰতিটো মুহূৰ্তক
সুন্দৰ ৰূপত পাব বিচাৰোঁ।

বাস্তৱতাৰ কঠোৰ পাঠ শিকোৱা সকলো
মোৰ শত্ৰু নহয়
কিয়নো তাৰ মাজত জীৱনৰ
ঘাত-প্ৰতিঘাতৰ অৰ্থক বুজি পালোঁ
প্ৰয়োজন সাপেক্ষে জীৱন বাটত
কেতিয়াবা নিজকে কঠোৰ কৰি
আগবাঢ়িবলৈ শিকিলোঁ
তথাপিও কিন্তু মই বিমুখিত নহওঁ
মোৰ সপোন, আশা সদায় সজীৱ হৈ ৰয়
মোৰ মাজত আৰু মই
সদায় সুখী।।

স্নাতক প্ৰথম ষান্মাসিক (কলা শাখা)

# মৃত্যু

মৃগাংক শইকীয়া

স্তব্ধ হৃদয় অথচ জীৱনৰ নিৰ্ঘণ্ট
স্থবিৰ আয়ুবেলিয়ে সোঁৱৰাই দিলে জীৱনক
জীৱন! এয়ে সনাতন সত্য।
তোৰ ওলোটা পিঠিত মই
মই মৃত্যু, তোৰ একান্ত নিকট।
মাটিৰ শৰীৰ আজি মাটিতেই লুপ্ত
নীলিম সাগৰৰ উৰ্মিমালা দেখি
আজিতো উন্মিলিত নহয় দুচকুৰ পতা
বন ফৰিঙৰ দৰে এতিয়াতো নাচি নুঠে প্ৰাণৰ পখী
ধুনীয়া ধৰণীখন এতিয়া অতীতৰ সখী।
শতেক যোজন আঁতৰত খৰতকীয়া আয়োজন কৰিছোঁ
উপলক্ষ্য অনন্ত যাত্ৰা।
এইমাত্ৰ এৰি থৈ আহিছোঁ আহুকলীয়া যত চব
মায়া মোহৰ জাগতিক সত্তা।
এপদ এপদকৈ খহাই থৈ আহিছোঁ
প্ৰেম, ভালপোৱা, বিভূতি-বৈভৱৰ
ৰঙীণ পোছাকী চোলা।
অস্তিত্ব মাথোঁ বন্ধনহীন অঘৰী আত্মা
সীমাহীন শূণ্যতাই এতিয়া ঠিকনা।।

স্নাতক তৃতীয় ষান্মাসিক (বাণিজ্য শাখা)

# বিষাদ নিশা

দীপশিখা গোহাঁই

নিস্তব্ধ নিজম নিশাবোৰে
অজানা দেশৰ পৰা
বোকোচাত আনে এটি বিষাদৰ সুৰ।
জিলিৰ মাতত সৰি পৰে
এটি শুকান হুমুনিয়াহ...
তৰাবোৰ আজি দেখোন নাই!
মোৰ চোতালত বগা মুকুতা ছটিয়াবলৈ...
বিচ্ছিন্ন আৰু ভগ্ন হৃদয়ৰ
সিপাৰৰ পৰা তুমি কাষ চাপি আহা
এমুঠি জোনাক লৈ...
তোমাৰ জ্যোতিৰেই জ্যোতিষ্মান হওঁ মই।
স্পৰ্শ কৰিব খোজোঁ তোমাৰ
হাতৰ মুঠিৰ জোনাক,
স্পৰ্শ কৰিব খোজোঁ তোমাৰ সেউজীয়া সপোনবোৰক,
স্পৰ্শ কৰিব খোজোঁ তোমাৰ
সমগ্ৰ সত্তাক...
অজানিতে নাজানো কি হৈ গ'ল!
নিমিষতে সকলো হেৰাই গ'ল...
হয়তোবা মোৰ ভুল হৈছিল,
সেয়া তুমি নাছিলা, আছিল মাথোঁ
নিজম নিশাৰ মায়াময়
আন্ধাৰে কঢ়িয়াই অনা
তোমাৰ প্ৰতিচ্ছবি।।

পঞ্চম ষাণ্মাসিক (কলা শাখা)

# সপোন

পিণ্টু চুতীয়া

আছিল্য কৰিছা তুমি মোক বাৰে বাৰে
দিকচৌ দেশৰ সেই স্নিগ্ধ ফুলপাহ আনিবলৈ,
তুমি সপোন নে দিঠক............
কোনোবা পপীয়া তৰাৰ ছাঁ, নে
তুমি! কোনোবা যুগৰ দাহক, নে দানৱ
হঠাৎ তুমি ওলালাহি কোনোবা যেন দালালৰ দৰে।
কিন্তু মই তোমাক কেতিয়াও কোৱা নাই
যে তুমি এনে হ'বা,
এইটো কেৱল মোৰ পুঁৰতিৰ সপোন।
মইতো কেৱল তোমাকেই বিচাৰো
কিন্তু তুমি ইমান নিষ্ঠুৰ,
এবাৰো মোৰ কথা নাভাবা
আৰু মোক বুজিবলৈও চেষ্টা নকৰা.....
এয়া যেন মোৰ মন দাপোনত
নিতৌ দেখা পোৱা এটি মিঠা সপোন।

স্নাতক তৃতীয় ষাণ্মাসিক(বাণিজ্য শাখা)

# আশাৰ ৰাগিনী

জাগৃতি ভূঞা

জীৱন মায়াৰ বৃত্তত
ঘূৰি থাকোঁতে
কেতিয়ানো আঁৰ কাপোৰ পৰিল
গমকে নাপালোঁ।

সময়ৰ গতিত আগবাঢ়িল
মোৰ জীৱন
মনত পেলাওঁ সোঁৱৰণিৰ ফাঁকেৰে
আজৰি পৰত।

বকুল তলত, ববচা বনত মালা গঁথা
বালিঘৰ সজা আৰু যে
কত খেল
পখিলাৰ পাছ খেদি সাঁতুৰি নাদুৰি
ফুৰা কত যে আবেলি
কিন্তু......
সময় নামৰ কাল ধূমুহাই
কাঢ়ি নিলে জোনাকৰ গান
ৰামধেনুৰ ৰং।
মাথোঁ ৰৈ গ'ল অবুজ প্ৰহেলিকা
তথাপি অবুজ আশাৰে ৰৈ আছোঁ
কিজানিবা ঘূৰি আহেই মোৰ
হেৰুৱা শৈশৱ।।

প্ৰথম যান্মাসিক (কলা শাখা)

# তুমি

ছাজিদ আলম তালুকদাৰ

তুমি নিৰ্জু তুমি থিৰ-জুৰ
হে নিৰুপদী, জন্মদাতা মোৰ।
অনুকৰণীয় ঠৰ তোমাৰ মূৰ্ত্তি
তুমিয়েই সত্যৰ প্ৰতিমূৰ্তি
নম্ৰ ভদ্ৰ তোমাৰ সুথিল স্বভাৱ
কৃষ হ'লেও হাঁহিমুখ আছিল বহু অভাৱ।
তুমি নকৰিলা কাহানিও কোহাল
নাছিল কেতিয়াও তোমাৰ দন্দ খঁৰিয়াল।
আছিলা মানুহ ক্ৰটী হুহুৰীয়া মনৰ
হে জিতেন্দ্ৰিয়, নুবুজিলোঁ কৌশল তোমাৰ জীৱন ৰণৰ
নাই খেদ, নাই মনস্তাপ, নাই কোনো আক্ষেপ
অকালতে কৰিলা সোণোৱালী জীৱনক ভ্ৰূক্ষেপ।
তুমি নিৰ্দয়, তুমি কাঠচিতীয়া
নহ'লে নিয়তিৰ আকাশলৈ কিয় গুচি গ'লা, হে যুগমীয়া
হে শুদ্ধাচাৰি, বিতোপন তুমি, শুচি!
পুত্ৰ-ভাৰ্যা এৰি অকালতে গ'লা গুচি!
গুচি গ'লেও শক্তিমন্ত তোমাৰ আকাশ তৰংগ,
চাগে চুব লক্ষজনক নেওচি ৰং বিৰংগ।
সজাত, তুমিয়েই নিৰ্জু, তুমিয়েই থিৰ-জুৰ
হে নিৰপদী, দেহধাৰী জন্মদাতা মোৰ।

স্নাতক পঞ্চম যান্মাসিক(বাণিজ্য শাখা)

# তোমাৰ হিয়াৰ উকা কাগজৰ ছবি

**মামু শইকীয়া**

আঁকিব দিয়া,
তোমাৰ হিয়াৰ উকা কাগজত
মৃত্যুময়ী জীৱনৰ বক্ৰ ৰেখাডাল।
পৰিব দিয়া ছাঁ
যৌৱনৰ ৰঙেৰে ফাকু খেলা ছবি।
তেজৰ ৰঙা ৰঙেৰে
চাট মাৰি ধৰিব,
কলীয়া মেঘৰ বুকুত
শিপাই অহা বিজুলীবোৰ,
কেঁচা পোহৰত জয়াল নিশাত
আগুৰি ধৰিব দিয়া
তোমাৰ কোমল হিয়াত,
নিগৰি ওলাব নদীৰ বোৱতী সুঁতিৰে
একাঁজলি হিয়াৰ ক্ৰন্দন। আৰু!
বৈ আহিব, তোমাৰ হিয়াৰ উকা কাগজৰ ছবি।
নীল বৰণীয়া চিয়াহীৰে
এটুপাল বুকুৰ গভীৰ মৰম।
যি হ'ব স্নিগ্ধ হৃদয়ৰ নিস্তব্ধ ছবি।
ৰৈ যাব তোমাৰ আশা
পূৰ্ণ হ'ব! ৰঙা ৰঙেৰে ফাকু খেলা
তোমাৰ হিয়াৰ কাগজ
বেদনাৰ উল্কা দেৱালয়ত
চৌপাশৰ তেজৰ গোন্ধে
আমুৰাব সকলোকে এদিন।
মচিব সেইদিনা
তোমাৰ হিয়াৰ উকা কাগজত অঁকা
মৃত্যুময়ী জীৱনৰ সেই বক্ৰ ৰেখাডাল।
নপৰিব ছাঁ;
নপ্ৰভাতৰ সুৰুয কিৰণে
বিলাব সকলোকে
যৌৱনৰ ৰঙা ৰং।
সেইদিনা ফুলিব বোকাত জন্ম পদুম
অমানিশাত অহা জোনাকীবোৰে
তোমাৰ শিৰত ৰৈ ৰিঙিয়াই ক'ব
তোমাৰ হিয়াৰ উকা কাগজৰ ছবি।

স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা শাখা)

# আশাৰ তীৰ্থ

**নাচিৰ আহমেদ**

ভাঙি যোৱা এচুকত
যতনাই ৰাখিছোঁ
মৰহি যোৱা মোৰ হেঁপাহবোৰ
আশাৰেই বাট চাই ৰ'ম,
হেঁপাহবোৰে গজালি মেলিব
নতুন দিনত।

চিকুণ হ'ব ভাঙি যোৱা পঁজাটি
জ্বলিব হেঁপাহৰ শলিতাৰে
আশাৰ এগছি চাকি
ভঙা পঁজাটি পঁজা হৈ নাথাকে
পূণ্য তীৰ্থ হ'ব
মাথো মোৰ বাবে নহয়
মোৰ দৰে আৰু
বহুজনৰ বাবে........।

স্নাতক তৃতীয় যাণ্মাসিক (বাণিজ্য শাখা)

# কাঁইটীয়া নেমুজোপা

ৰেলচন ইংতি

১

সৰু সৰু সেউজীয়া গোল নেমুবোৰ
কিশোৰৰ বুকুৰ দৰে নিস্পাপ সতেজ,
কিশোৰীৰ বুকুৰ দৰে
অদ্ভুত সজীৱ গোন্ধ।
তাই নেমু কাটি আছিল,
নিজৰ গোন্ধত নিজে ডুবি আছিল,
কিজানিবা নিজে নিজক
টুকুৰা-টুকুৰকৈ কাটি আছিল।
গ্ৰীষ্মৰ ভৰ দুপৰীয়াত
নেমুগছ ডালৰ ছাঁত,
ধেকুৰা কুকুৰটোৱে
জিভা উলিয়াই জিৰণি লৈছিল।

২

বৰষুণত তিতি বৈ আছিল নেমুজোপা
আচলতে, বৰষুণৰ চাদৰ মেৰিয়াই,
দৰ্জা-বেৰৰ জলঙাৰে জুমি-জুমি
চাই আছিল তোমাক।
তিনিদিন ধৰি তোমাৰ অহৰহ জ্বৰ
জুই লগা শৰীৰ
চালৰ ফুটাৰে সৰকা পানীৰে
নিশ্চুপ লেবেজান দেহটো
কঁপি উঠা দেখিলে,
নেমুজোপাও কঁপি উঠে
জলপতি হ'ব খোজে
তিতা পাতবোৰ,
ভিজা আঙুলিৰে তোমাৰ
কপাল চুবলৈ বহুত মন যায়।
নেমুজোপাৰ পৰা
শীতল সতেজ গোন্ধ,
তোমালৈ বৈ যায় আলফুলে।

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বাণিজ্য শাখা)

# লক্ষ্যাভিমুখী

জেফৰিন আহমেদ

লক্ষাভিমুখী যাত্ৰাত ব্ৰতী মই
কত যে সুখ, কত যে দুখ
আৰু কত যে ঘাত প্ৰতিঘাত
চিৰসহচৰ মোৰ এই যাত্ৰাত
বাধাৰ শিলত উজুটিয়াই
বাৰে বাৰে যাওঁ পিছলি
সমুখত কালৰ ধুমুহা দেখি
কেতিয়াবা এই যাত্ৰাত ৰওঁ থমকি
তথাপিও প্ৰতিকূলতাক নেওচি দৃঢ়তাৰে
আগুৱাই গ'লেহে মনৰ বলেৰে
পেলাব পাৰিম সময় বালিত খোজ
জিনিব পাৰিম এই জীৱন যুঁজ
আছে বিশ্বাস, একাগ্ৰতা আৰু আত্মবিশ্বাস
সেয়েহে মই ব্ৰতী লক্ষ্যাভিমুখী যাত্ৰাত
সফলতাই ৰিঙিয়াই মাতিব যাত্ৰাৰ অন্তত
আছে বিশ্বাস যে উপনীত হ'মেই লক্ষ্যত।।

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বাণিজ্য শাখা)

# সুভং শক্তি

অবিনাশ বৰুৱা

আজি ৰক্ত প্লাৱনৰ চুনামি আহিছে
চলিছে ভ্ৰষ্টাচাৰ ৰাজনীতি,
ৰাঙলী হৈছে বহুল বাহু বল
সুভং-সপ্নক প্ৰহাৰ কৰি।
আজি বোলে নেতাসকলৰ চলিছে নেতৃত্বৰ বীৰ
গাঁৱতো বোলে বাঢ়িছে বিশৃংখলতা
বতাহত আন্দোলিত এতিয়া সকলোৰে শিৰ
সময়ত সকলোকে লাগে মাথোঁ
স্তনৰ খীৰ।
আজিৰ জনকৰ জীয়ৰী চিঞৰি উঠিছে
চৌদিশে অনিয়মৰ অনামী ত্ৰাস,
দেখিও নেদেখা ৰক্ষকৰ ভক্ষক
হৈছে বান্দোলধাৰীৰ দাস।
আজিৰ শক্তিয়ে বোলে ময়েই ভক্তি
দিল্লী কি দিশপুৰ ঠাঁই
যিয়েই লাগে মাথোঁ কৰিবা ব্যক্ত
ৰজা হৈ আছে মোৰ ভাই।
আজি দহনে দহিছে বৃক্ষ সমাজক
হিংসা শ্লগান ধৰি
এইখনেই আমাৰ মাতৃভূমি
শত শতিকা মৰিশালী ঠাঁই।

স্নাতক পঞ্চম ষান্মাসিক

# স্মৃতি

কুল বৰা

আইয়ে নদীয়াত
ন বৰা তিয়ায়
পিতাইয়ে চুঙা কাটে কাহিলীপুৰাই।
পিৰালিত শাৰী শাৰী
একুৰি, ডেৰকুৰি!!
পিতাইৰ প্ৰিয়
ন বৰাৰ চুঙাপোৰা,
গুৰু ভকতো দুই এজনক মাতে
ওচৰতে ম'হৰ দৈ
বয়না দি থয়,
বাঁহৰ মুড়াৰ জুহাল
নাছিল একোৰেই আকাল,
উৰাই ঘূৰাই
ঘূৰাই ঘূৰাই
চুঙা পোৰে,
নোজোৰে বুলি দুনাই পোৰে
আমৈ-তাৰৈকো মাতে,
উভৈনদীকে জোৰে!
হাততো এটা দিয়ে তুলি
পুৰা খাবলৈ বুলি।
খোৱাতকৈও খুউৱাৰ হেপাঁহ
মিলিজুলি খোৱাই মজা
জুহালৰ গুৰিতে কয়
ন মুঠিও খাম একেলগে
আজিয়েই ক'লো
আজৰি হৈ লওঁ
ধানমুঠি চপাই, জিৰাই সতাই।
পিতাইৰ জুতি আৰু আইৰ বন্ধা
আজিও আছে মোৰ নাকত লাগি।।

কৰ্মচাৰী, কাৰ্যালয়

# The Metamorphosis

**Swadhinata Gogoi**

The heavens appeared lambent and lustreless
Mimicking a comely demoiselle
Clad in a black gown apt for a funeral,
Drenched in gloom yet the face evincing luminescence.

The far-flung virescent mahoganies
Seemed covered in a dusty bloom
Just like a bunch of grapes in the vineyards of Verona,
Effusing a lusty eternal fragrance.

The wind passed with a whiff
Of an old Cuban cigar;
Earthy yet sharp and peppery,
Ushering buried memories of yore.

The sun-baked leaves spattered and sizzled,
Cicadas cymbaling in ecstasy
Concocting a placid symphony,
As swallows twirled to it in galore.

The babbling brook nearby
Rippled foregone feelings,
Concealed in some dark corners of the heart
Leaving apace, in an irrevocable miff.

Standing there; bewitched
By the beauty of the moors far-off
And the rain drops falling on my face
I ambled; searching for my Heathcliff...

# ফাগুনৰ আকুতি

দেৱাশীষ বৰা

এজাক বলিয়া বতাহে আহি
জোকাৰি গ'ল ফাগুনৰ
প্ৰতিটো ডাল-পাত,

মাজতে মুছকুছ যোৰা
ফাগুনীজনীয়ে
বহাগীলৈ বৈ আছে

গভীৰ প্ৰত্যাশাৰে, যেন
কুৰু ৰাজসভাত দ্ৰৌপদীৰ
কৰুণাময় বাসনা লাভৰ
আকুতি আকুতি।।

স্নাতক দ্বিতীয় ষান্মাসিক (বাণিজ্য)

# FRIENDSHIP

## Lawrence Kumar

Long, long ago I sailed in a ship,
A ship of friendship .
Everyone was happy here,
Joy,cheerfulness and happiness was there.
We together sailed through the storm
Of doubts and disbelief,
But, we together held hand in hand
And withstood the storm
But when years passed
I was isolated from the ship of friendship
So, I sailed alone
Suddenly I remembered my past,
Soon I realized the consequences
I have to face
A wild wind blew and storm came
I fell to the edge of my ship
Another sailor who passed near by
Held my hand and rescued me
Again from the storm of distress
But I realized that friendship is
Far more superior than loneliness.

**B.Com 3rd sem**

# The One

**Neha Jaiswal**

The one who gratefully gave me birth,
And brought me to this world
The one who taught me everything,
Who was around my finger to hold me like a ring.
As sweet as a cherry.
The one who has always been
The secret of my success
Whose love for me will never be less.
That "one" and "only" person is my "Mother".
Who raised me up and was these for me......
Whenever I need her, her love and care is the
best feeling in this world.
Though words cannot describe you but I tried a bit
Love you maa......

**B.Com 5th sem**

# Unity

## Gaurav Dey

Life is a mixture of blessing & pain
unity is power, unity is strength.
united we stand, divided we fall
live in unity, loved by all
All for one and one for all
We all are equal, as God made us all

Believe in unity, believe in equality
never make partiality in groups and community
Love others, respect all
unity is the weapon,
to make a wonderful world.
Boys and girls of one great world
Believe in unity, stand for equality
and make it possible, only one flag
unfurled in the world.

**B.Com 5th sem**

# A TEACHER

**Manish Mandal**

A teacher is a noble friend
she gives us knowledge of modern trends,
The changes that are taking place
A teacher is said to be a philosopher
Who preaches the truth to nurture
So that we bloom, and flourish
Where she takes the chances to nourish
A teacher is a true guide
Who makes the life a jolly ride
Through ups and downs of life today
Makes us toil with gay
Thus from the inner core of my heart
I pray to Almighty to shower a plenty
All glory, comfort, calm, and health
To my teachers who are the nation's wealth.

**B. Com 3rd Sem**

# Back to the days

## Nandini Gupta

Let's go back
Back to the days
When we were six,
Or probably seven.

Back to the days
When the 12.30 bell meant
We could go home,
And ride bicycles with our friends.

Back to the days
When we'd jump in puddles
Not worrying about our socks.
When making paper boats and sailing them in water
Were the best memories in rainy days

Back to the days
When mum used to teach us alphabet,
And popeye helped us with spinach.
Back to the days
When we'd sit on our dad's shoulder
And wouldn't care about test scores.

Back to the days
When we fought with our siblings,
For shaktiman and power puff girls.

Back to the days
When we would watch pokemon
And not stay cooped up in a cubicle from 5 to 9
Back to.....
Oh wait, can we ever go back??
Really! can we?

**B.com 3rd sem**

# The empty page of my life...

## Debashis Kaushik

Days roll on like a wheel,
But the memories are those which never fade.
Sometimes few moments among those happy days
Remain blank throughout our life
Now, I am in search of those pleasant moments
To fill up the empty page of my life...

I wonder why today the minutes are like
Decades for me which keeps on moving slowly.
Few days ago, time was running behind me
Like a bull dog who wants to grab and bite me,
But now that fear and thrill of my spirit
Has gone missing from my life.
Now, what is left behind in my hands
Is that empty pages of my life...

**H.S 2nd year**

# Identity

**Bidyut Sarma**

Who am I, What is my identity?
Am I brave enough that I have survived
Or, is it my fault that I am still alive.

What wrong have I done ?
We are born in the same land,
Still I have been kept away from fulfilling my dreams.

In the past, you used to break my dolls;
Now, when I have grown up
You break me down into pieces.

Why were you so mean to me?
Being so rude and cruel
Beat me becoming aggressive and brutal.

Now, instead of sitting behind the door,
I want to claim for my rights
For seeking justice and freedom.

**Ex Student**

# Sister's love

**Ankita Agarwalla**

Oh my sis, to me you are so dear,
I can help you, don't go anywhere.
You and I are 12 years apart,
But we'll be always close at heart.
Can you imagine; what you did girl,
Your smile lit up the room like a wildgirl.
My love for you is like a tornado,
Though I do not always play with you,
When you beg outside my door.
And when you get in trouble; as kids often do,
You start crying, which make me cry too.
But the pleasure is watching you grow,
From a crayon to a golden pen's role.
Times go by and my little sister will not be little,
But as I say you don't have to go anywhere,
As my door is always open for you my dear !

**B.Com 3rd sem**

# दोस्तों कभी रूकना नहीं

**सागरिका बोरा**

दुसरों की डर से कभी रूकना नहीं
चलते रहना अपनी राहों में...
दुसरों की डर से अपने सपने को
कभी जलने न देना।
तोड़ना नहीं कभी भी
अपने भावों को

अच्छाई के लिए जरूरत पड़ने पर
खुद को बदलो लेकिन
अपने अस्तित्व को याद रखना।

आवाज तुम्हारे है, तो चुप ना रहो
क्योंकि हक के लिए लड़ना गलत तो नहीं
कोई अगर दबाकर रखे तो
दबकर न रह जाना
लेकिन कोई तुम्हें निचा दिखाये
तो चुप रहना
तभी तो पता चलेगें
दुसरों से तुम्हारे फर्क क्या है

**बी. ए. प्रथम सान्मासिक**

# शिक्षा के महत्व

**वाहिदा बेगम**

माँ और पिता ने जन्म देकर
हमें दुनिया दिखाया है
और गुरु ने हमें शिक्षा देकर
हमारे भविष्य को
उज्वल कराया है
गुरु तो माँ और पिता के समान है
और शिक्षा तो जीवन के सुरज है
शिक्षा के ज्ञान से आज
दुनिया भर कंगूरा बन गया है
शिक्षा एक ऐसी ताकत है,
जिसके बिना हमारा जीवन अधुरा है।

**एकादश कक्षा**

# बचपन

**खुशबु अग्रवाल**

प्लास्टिक की एक बंदुक
जिसमें गोलियां निकलनी थी आवाज की

ढेर सारी छोटी सी गाड़ियां
जो चलती थी घर में हर जगह
और थककर पसरा हुआ नन्हा मन
जो नाप आता था एक पूरी दुनिया,

एक बेहद आम बचपन
जो खेल से ज्यादा किताबों में बीता

जो घर से स्कुल
और स्कुल से घर में जागा
और सपनों से भरी रातों में
अपने पापा की बातों में सोया

आज मुड़कर देखा तो लगा
मैंने बचपन में ज्यादा कुछ नहीं किया
न दोस्तो से लड़ा, न बाग से आम चुराये
न माँ की डांट खाई, न क्रिकेट में ज्यादा रन बनाये

आज पीछे मुड़कर देखा तो लगा
बचपन के दिन भी मैंने बस शब्दों में ही बिताये।

**बी.कम.तृतीय सान्माषिक**

# माँ

**प्रियंका दास**

हर धुप की उस छाँव में
सिर्फ तुम्हारी ही नाम है माँ।
आँखे खोलने से आँखे बंध करने तक
सिर्फ तुम्हारी ही याद है माँ।
दिन से रात तक हमारे लिए घुमती-फिरती
हर पल हर एक साँस में
तुम्हीं नजर आती हो माँ।
कैसे कँहु इस दुनिया में मरने तक
तुम्हारे सिवा और कोई दुशरिटा नहीं है माँ।

**उच्चतर माध्यमिक प्रथम वर्ष(कला शाखा)**

# अग्निपथ

मन्टु गौड़

वृक्ष हो भले खड़े,
हो घने, हो बड़े
एक पत्र छाँह भी,
माँग मत, माँग मत,
माँग मत,
अग्निपथ अग्निपथ
अग्निपथ।

तु न थकेगा कभी,
तु न रूकेगा कभी
तु न मुड़ेगा कभी
कर शपथ, कर शपथ,
कर शपथ,
अग्निपथ अग्निपथ
अग्निपथ

यह महान दृश्य है,
चल रहा मनुष्य है,
अश्रु स्वेत रक्त से,
लथपथ लथपथ लथपथ,
अग्निपथ अग्निपथ
अग्निपथ।

बी.कम. तृतीय सान्माषिक

# नम आँखों की दास्ता

नन्दिनी गुप्ता

आँसुओं की कीमत,
आजतक न दे पाया कोई।

इन बहुमुल्य रत्नों की,
समझ न पाया कोई।

यह हमारे जज्बात झलकते हैं,
खुशी हो या गम, दोनो में क्यों आ जाते हैं?

सोचती हूँ हर समय
पर आज तक जवाब मिल पाया न कोई,

आँसुओं की कीमत
आज तक न दे पाया कोई।

बी.कम.तृतीय सान्मासिक

# भ्रष्टाचार

**निखिल जालान**

एक–दो, एक–दो
भ्रष्टाचार को फेंक दो

जब से आयो, दुनियाँ में भ्रष्टाचार,
तब से लोग कर रहे हैं खुब दूराचार।

इसकी छाया बन रही है सर्वव्यापी,
पर परमात्मा के प्रति यह है पापी।

है नेता भ्रष्टाचारी, तो है दुनियाँ दुराचारी,
है भगवान पकड़ो बैया और पार करो नैया

लोगो भ्रष्टाचार को मारो ऐसे गोले,
ताकि हर बच्चा सिर्फ यही बोले

कि.......

एक–दो, एक–दो
भ्रष्टाचार को फेंक दो।

**बी.कम.सान्मासिक द्वितीय**

# हम हमेशा दोस्त रहेंगे

**आकाश देवनाथ**

हर खुशी तकलीफ, साथ-साथ जीया करते थे
हार हो या जीत एक दुसरे का साथ दिया करते थे
कभी तुम हमसे कभी हम तुमसे रूठ जाया करते थे
फिर हम तुम्हें और तुम हमें मना लिया करते थे
एक दूसरे की हम खुद से ज्यादा परवाह किया करते थे
बस कल ही की बात लगती है
हम तुम अपनी दोस्ती पर कितना इतरान करते थे
यकीन नहीं होता वक्त, साथ, हालात इतने बदल जायेंगे
हम अपनी-अपनी दुनिया में इस कदर खो जायेंगे
एक-दुसरे की जिंदगी में बस याद बनकर रह जायेंगे
खैर हम ना तुमसे ना जिंदगी से कोई शिकायत करेंगे
बस इस यकीन को हमेशा दिल में कायम रखेंगे
जब भी दिल से पुकारेंगे तुम्हें अपने पास पाएंगे।

**बी.कम.तृतीय सान्मासिक द्वितीय**

# बोल कबुतर गुटर गुँ

प्रियंका गुप्ता

बोल कबुटर गुटर गुँ
गाना तेरे संग गाऊँ।
दाना चुगने आए हो,
तो फिर क्यों शरमाए हो
जल्दी से दाना चुग लो
फिर मेरे छत पे खेलो।
संग तुम्हारे खेल-कुद कर,
मैं भी तो खुश हो जाऊँ,
मेरी छत पर आते रोज,
खा लेते हो दाने खोज
पेट जो अपना भरते हो
गुटर-गुटर गुँ करते हो,
तुझ सा उडुँ करू गुटर गुँ
रूप जो तुझ सा मे पाऊँ
आँखें तेरी छोटी सी
लगती बिल्कुल मोती सी
सुन्दर पंख तुम्हारे है।
जैसे दुध के धारे है।
मन करता है तुझ सा बनकर
शान्ति हर जगह फैलाऊँ
बोल कबुटर गुटर गुँ
गाना तेरे संग गाऊँ।

उच्चतर माध्यमिक द्वितीय वर्ष

# राष्ट्रीय सेवा योजना

जयनाथ बारिक

कदम कदम चले हम
आगे बढ़ो चलो साथी
रूकगें नहीं कभी हम
नही. तो रह जायेगें पिछे हम।
सेवा करों मानव का
आगे बढ़ाओ मानव का
हटादो सारा बुरो का
रूको सारा रूकावट का।
पीछे मुड़ो–नहीं
आगे बढ़ते चलो
होगें हम सफल जरूर
थाम लो मन मे विस्वास जरूर।
धीरज रखो मन में
नीडर रखो तन में
हो जायेगें सफल जरूर
चलते रहो कदम जरूर॥

बी.कम. प्रथम सान्मासिक

# দোমোজা

কাকুমনি কটকী

নিজান কোঠাটোত অকলশৰে বহি আছে সন্ধ্যা। পিচে তেওঁক আৰু কোনেও বৰ্তমান সন্ধ্যা বুলি নামাতে যদিও তেওঁ অনুভৱ কৰে কোনোবাই যেন সুদূৰৰ পৰা নামধৰি তেওঁক মাতিছে। আজি কালি প্ৰায়ে তেনেকুৱা হয় তেওঁ। জীৱনৰ ৬৮ টা বছৰ পাৰ কৰা এই বৃদ্ধাগৰাকীৰ বৰ্তমান আৰু জীৱনৰ প্ৰতি মোহ নাইকীয়া হৈ গৈছে। কিমান আশা বুকুত কঢ়িয়াই একমাত্ৰ আদৰৰ পুত্ৰক দূৰৈত পঢ়িবলৈ পঠিয়াইছিল সেয়া আজিও পাহৰা নাই তেওঁ। যিবোৰ কথাই বুকুৰ গভীৰলৈ সাজ বহুৱাই সেইকথাবোৰ জানো সহজে পাহৰিব পাৰি।

"জোখতকৈ বেছি কল্পনা কৰিছিলো মই"। - এই কথা তেওঁ প্ৰায়ে কয় বৃদ্ধাশ্ৰমৰ বৃদ্ধাসকলক পৰিচৰ্যা কৰা বিশেষকৈ তেওঁৰ ওচৰলৈ বেছিকৈ অহা পৰিচাৰিকা নিজৰাৰ সন্মুখত। কি দোষ আছিল মাতৃ হিচাপে পুত্ৰক লৈ কৰা আশা। হুমুনিয়াহ এটা ওলাই আহে তেওঁৰ।

বহুত দিন হ'ল 'স্নেহ বন্ধন' নামৰ উপন্যাসখন পঢ়িবলৈ লৈ আধা পঢ়া কৰি থৈ দিয়া। এই বয়সতো উপন্যাস পঢ়াৰ ইচ্ছা দেখি নিজৰায়ে আনি দিছিল কিতাপখন।

"আগতে কিনা কিমান উপন্যাস যে আছে মোৰ ঘৰত তই কি জান নিজৰা"। - তেওঁ কথাষাৰ এনেদৰে কৈছিল যেন তেওঁ এই বৃদ্ধাশ্ৰমখনলৈ ক্ষন্তেকৰ বাবেহে আহিছে, তেওঁ পুনৰ ঘূৰি যাব তেওঁৰ মৰমৰ, হেঁপাহৰ ঘৰখনলৈ।

সময় বৰ নিষ্ঠুৰ। অনুভৱ কৰে নিজৰাই। বৃদ্ধাশ্ৰমৰ প্ৰত্যেকগৰাকী বৃদ্ধাৰ হা-হুমুনিয়াহৰ সাক্ষী নিজৰা। নিজৰাৰ আগত কিমানে যে অভিযোগ দিয়ে নিজৰ পুত্ৰ-কন্যাৰ বিষয়ে। কিন্তু একমাত্ৰ এটা বৃদ্ধাগৰাকীয়েই আছে যি নিজৰ একমাত্ৰ পুত্ৰৰ বিষয়ে কোনোধৰণৰ আলোপ কৰা নাই। তেওঁৰ অন্ধৰ দৰে ভাল পাই নিজৰ একমাত্ৰ পুত্ৰক। তেওঁৰ আশা তেওঁক পুনৰ হেঁপাহৰ ঘৰখনলৈ পুত্ৰই উভতাই নিব। কিয়, এনে আশা কৰে তেওঁ? নিজৰাৰ অসহ্য হৈ যায়।

নিজৰা, তাইৰো এটা দুখময় অতীত আছে যাৰ বাবে তাই বৃদ্ধাশ্ৰমত পৰিচাৰিকা হ'বলৈ বাধ্য হৈছে। তথাপিও তাই নিজৰ জীৱনতকৈও বৃদ্ধাশ্ৰমৰ বৃদ্ধাসকলৰ দুখৰ বিননিত নিজৰ দুখময় অতীতৰ পাহৰি যায়।

কোঠাটোত অকলসৰে বহি থাকি আমনি লগাত বাহিৰলৈ ওলাই আহিল সন্ধ্যা । ৰৌচ্ছোজ্জল নিমাও মাও দুপৰীয়াটোৱে তেওঁৰ বাবে লৈ আহিল শূন্যতা। চাৰিওফালে শূন্য একো নাই তেওঁৰ জীৱনত। কিন্তু এসময়ত সকলো আছিল। মাক-দেউতাকৰ মতে এটা সুন্দৰ সুখী পৰিয়াল, স্কুল গৈছিল, কলেজ গৈছিল, পঢ়িছিল। জীৱনৰ প্ৰায় বোৰ অভিজ্ঞতাৰে বৰ্তমান অভিজ্ঞ তেওঁ। জীৱনক লৈ পৰিকল্পনা কৰিছিল কেতিয়া কেনেদৰে কি কৰিব। হৈছিল প্ৰায়বোৰ তেওঁ ভবাৰ দৰে। কিন্তু বৃদ্ধাশ্ৰমৰ নিসংগ জীৱন তেওঁৰ পৰিকল্পনাৰ



ভিতৰুৱা নাছিল। বৰ্তমান জীৱনক লৈ তেখেতৰ আৰু কোনোধৰণৰ পৰিকল্পনা নাই। যদিও আশা আছে যে তেওঁক পুত্ৰই পুনৰ ঘৰলৈ উভতাই নিব। য'ত তেওঁৰ স্বামীৰ স্মৃতিৰে ভৰি আছে। ভৰি আছে একমাত্ৰ পুত্ৰৰ ল'ৰালিৰ দুষ্টালি, কৈশোৰৰ চঞ্চলতা। তেওঁৰ নিজৰ কিমান আশা-আকাংক্ষা ঘৰটোৰ বতাহত ভাঁহি আছে সেয়া পৰিমাণ কৰিব নিজেও নোৱাৰে। বাৰ্দ্ধক্যৰ বেমাৰৰ লগত এই কথাবোৰে বুকুৰ মাজত এক ৰথৰ চকাৰ দৰে ঘূৰি দাগ কাটি গৈছে তেওঁক। মাতৃ হিচাপে কি কৰা নাছিল তেওঁ? পুত্ৰ সুখৰ বাবেই কিমান ত্যাগ কৰিছিল তথাপিও কিবা ভুল হৈছিল নেকি বাৰু। মনত নপৰে তেওঁৰ।

নিজৰাৰ মাতত সম্বিত ঘূৰি আহে। তেওঁক দুপৰীয়া আহাৰৰ বাবে মাতে তাই। নিজৰালৈ তেওঁৰ দুখ লাগে। কিমান যে কি নকৰে তেওঁৰ শুশ্ৰূষাৰ নামত। নিজৰ ল'ৰাই আজিলৈকে ইমানখিনি কৰা নাই তেওঁৰ বাবে। তথাপিও দুখ দিব নুখুজে তেওঁ একমাত্ৰ পুত্ৰক। সি ক'তনো সময় পাব এইদৰে লাগি থাকিবলৈ অৱশ্যে বোৱাৰী এজনী থকা হ'লে বেলেগ কথা। বোৱাৰী, অ' তাৰ বিয়াৰো বয়স হ'ল নহয়। কেতিয়া যে নিবহি এই ল'ৰাটোৰে একেবাৰে কাণ্ডজ্ঞান নাই তাৰ। তাক বিয়াখন পাতি দিব পাৰিলে তেওঁ যেন আজৰি হয়। কিমান সপোন আছিল পুত্ৰ-বোৱাৰী, স্বামী আৰু তেওঁৰ এখন পূৰ্ণাংগ ঘৰ। সকলো সপোন তেওঁৰ স্বামীৰ মৃত্যুৰ পাছতেই যেন শেষ হৈ গ'ল।

"তেওঁ এইদৰে মোক এৰি থৈ যাব বুলি ভৰা নাছিলো নিজৰা"। - তেওঁ নিজৰাক কয়। আহাৰ খাবলৈ দি ততাতয়াকৈ আঁতৰি যাই তাই ইচ্ছা নহয় সকলোৰে দুখৰ সমভাগি হ'বলৈ। কিয় যে তাই এই কামটো কৰিবলৈ আহিছিল তাই নিজে নাজানে। এতিয়া এই বৃহৎ পৰিয়ালটো এৰি যায় কেনেকৈ।

আহাৰ খাই উঠি কি দৰৱ খাব, সেইটো সুধিবলৈও নিজৰাকে মাতে তেওঁ। নিজৰাক কয়, "তই আৰু কষ্ট কৰি থাকিব নালাগে নিজৰা তাৰ দুই-এবছৰতে ট্ৰান্সফাৰ হ'ব আৰু সি মোক ঘৰলৈ লৈ যাব। নিজৰাই উত্তৰ নিদিয়াকৈ তেওঁক দৰৱৰ বটলটো তুলি দি আঁতৰি যায়। বৃদ্ধাশ্ৰমত থকা এই আঠটা বছৰে তেওঁৰ মুখত এই দুই এবছৰতে কথাতো শুনি আছে। নিজৰাৰ অভ্যাসত পৰিণত হৈ গৈছে বৃদ্ধাগৰাকীৰ কথাত সদৰ্থক ভাৱে মূৰ জোকৰাটো। কিন্তু নিজৰাই সকলো জানে বৃদ্ধাশ্ৰমত থকা এই বৃদ্ধাগৰাকীৰ নামত মাহেলি খৰছ-

পাতি দি থকা ল'ৰাই যে তেওঁক আৰু পুনৰ নিবলৈ নাহে। কোনে জানে আৰু হয়তো কেইবছৰ মানৰ পাছত তাৰ পৰিয়ালৰ চিন্তাত এই বৃদ্ধাশ্ৰমত যে তাৰ এগৰাকী আপোন মানুহ আছে এই কথা পাহৰি যাব। অৱশ্যে নিজৰাৰো মনত কেতিয়াবা ভাৱ হয় যে তেওঁক নিজৰ পুতেকে লৈ যাবহি বুলি কাৰণ আন বৃদ্ধাসকলৰ দৰে ল'ৰাজনে মাকক একেবাৰে পাহৰি যোৱা নাই যেন ভাৱ হয়। নিজৰাৰ অনুভৱ হয় যিজনি মানুহে নিজৰ পুত্ৰক ইমান ভাল পায় নিজৰ সকলো সুখ তাৰ নামত অৰ্পণ কৰি নিজকে সুখী বুলি ভাৱে। তেওঁৰ পুত্ৰই মাকক ইমানকৈ পাহৰি যাবনে।

বৃদ্ধাশ্ৰমৰ সহজ সৰল পৰিৱেশৰ মাজত বহু বছৰ সোমাই থকা নিজৰাই সকলো বুজিও নুবুজাৰ অভিনয় কৰে। নিজকে ভাবিবলৈ বাধ্য নকৰাই যান্ত্ৰিকতাময় পৃথিৱীৰ কৃত্ৰিমতাৰ বিষয়ে। নিজৰাৰ মনত আছে কিদৰে এই 'সন্ধ্যা' নামৰ বৃদ্ধা গৰাকীক তেওঁৰ পুত্ৰই দুই এবছৰৰ বাবে ইয়াত থাকক বুলি আজি পৰ্যন্ত নিবলৈ নাহিল। কিদৰে তেওঁ পুত্ৰক ভালকৈ থাকিবলৈ পৰামৰ্শ দি আৰু সোনকালে ট্ৰান্সফাৰ লৈ আহিবলৈ কৈ কোনোবা আপোন মানুহ ঘৰলৈ সোমাই অহাৰ দৰে বৃদ্ধাশ্ৰমলৈ সোমাই আহিছিল। বৃদ্ধাগৰাকীৰ মুখ খন দেখিলেই এই সকলোবোৰৰ এখন ছবি নিজৰাৰ সন্মুখত ভাঁহি উঠে। কিদৰে একমাত্ৰ পুত্ৰৰ কিবা অসুবিধা হ'ব বুলি ভাবি এই বৃদ্ধাগৰাকীয়ে বৃদ্ধাশ্ৰমখনকে নিজৰ ঘৰ বুলি ভাবিব ল'লে। নিজৰাৰ ভাবিবলৈ মন নগ'ল এই একেখিনি কথাকে।

আহাৰ খাই উঠি অকণমান জিৰাও বুলি বিছনালৈ গ'ল সন্ধ্যা। পুনৰ একেখিনি কথাই তেওঁৰ মন ভাৰাক্ৰান্ত কৰি তুলিলে। নিজৰ ঘৰলৈ যোৱাৰ সুতীব্ৰ ইচ্ছাত চকুলৈ টোপনি নামি নাহিল তেওঁৰ। বুকুখন বৰ উৰুঙা উৰুঙা লাগিল। তেওঁ যেন শুনিবলৈ পালে তেওঁৰ মৰমৰ ল'ৰাটোৱে তেওঁক কৈছে - "মা ব'লা বহুত দিন থাকিলা ইয়াত, মই এতিয়া তোমাৰ লগত থাকিম আমাৰ ঘৰ খনত"। ঘপহকৈ উঠি বহিল তেওঁ। তেওঁ মনৰ ভ্ৰম বুলি জানি বৰ দুখ লাগিল। নিজতকৈয়ো বেছি পুতেকলৈহে চিন্তা সি বা কি কামৰ বাবে তেওঁক নিবলৈ আহিব পৰা নাই।

কেইবাদিনো ধৰি বৃদ্ধাগৰাকীৰ জ্বৰ। মুখলৈ আহাৰ নিয়া নাই। নিজৰাই জোৰ কৰি কিবা অলপ খাবলৈ ক'লেও ভোক নাই বুলি কয়। ডাক্তৰে অতিমাত্ৰা চিন্তাৰ বাবে হোৱা বুলি কৈছে। নিজৰা উপায়হীন হৈ পৰিছে। নিজৰা ওচৰত থাকিলে বুঢ়ীৰ অলপ ভাল হোৱা যেন লাগে। বৃদ্ধাৰ এই জীৱন যাত্ৰাৰ একমাত্ৰ সাৰথি নিজৰা। নিজৰাৰ বেদনাৰে হৃদয় ভৰি যায় তেওঁৰ আশা দেখি। কিয় ভাৱে তেওঁ পুত্ৰই আহি তেওঁক ঘৰলৈ লৈ যাব বুলি। নাজানে তাই। পুতেকলৈ খবৰ দিবলৈ কৈছে নিজৰাক। আগতেও তেওঁৰ গা-অসুখ হৈছে তথাপিওটো তেওঁ পুতেকক খবৰ দিবলৈ কোৱা নাছিল। তাৰ কামত বিশেষ অসুবিধা হ'ব বুলি ভাবিয়েটো তেওঁ দৰৱ পাতি খায় সুস্থ হৈছিল। তেতিয়াহ'লে কিয় এইবাৰ পুতেকক খবৰ দিবলৈ কৈছে বৃদ্ধাগৰাকীয়ে? নিজৰাৰ ভাব হৈছে তেওঁৰ যেন অনুভৱ হৈছে পুতেকে কেতিয়াও তেওঁক এই বৃদ্ধাশ্ৰমৰ পৰা লৈ নাযাব, সেইবাবে হয়তো পুতেকক মাতি দিবলৈ কৈছে নিজৰাক। কিন্তু জঞ্জাল হ'ব বুলি ভাবিয়েই যিজন ল'ৰাই জন্ম দিয়া মাতৃক বৃদ্ধাশ্ৰমত ৰাখিছে সেইজন ল'ৰায়ে জানো মাকক নিজৰ ওচৰলৈ নি সেৱা কৰিব। নাই দেখা, অ'ত বছৰে বৃদ্ধাশ্ৰমত থকা কোনা এগৰাকী মাতৃৰ সেই হেঁপাহ পূৰণ হোৱাৰ উদাহৰণ নাই দেখা তাই। তথাপিও তেওঁৰ অনুৰোধ তাই ৰক্ষা কৰিব বুলি মনতে ভাবিলে। নিজৰাই তেওঁৰ পৰা পুতেকৰ ঠিকনা বিছাৰি ফোন যোগে মাকৰ অসুখৰ কথা, তাক কিমান ভাল পায় আৰু তাক লগ পাব বিচৰা কথাটো ক'লে। কিন্তু নিজৰাক আচৰিত কৰি পুতেকে জৰুৰী কামৰ কথা কৈ সময় পালে যাম বুলি ক'লে।

নিজৰা অসহায় হৈ পৰিল তেওঁক কি ক'ব ভাবি বৃদ্ধাগৰাকীয়ে নিজৰাক কৈছেই যে সি খবৰ পোৱা মাত্ৰকে আহিব তেতিয়া হ'লে নিজৰাই তেওঁক ক'ব নেকি তাই খবৰ দিলে? তেওঁ বাৰু কথাটো শুনি ভাল পাবনে? কিন্তু যদি তেওঁৰ পুতেকে জৰুৰী কামৰ বাবে চিৰদিন আহিব নোৱাৰে তেতিয়া। নিজৰাই আহিব লগা পৰিস্থিতিৰ কথা ভাবি অসহায় হৈ পৰিল। তথাপিও নিজৰাই তেওঁক কথাটো জনোৱাৰ সিদ্ধান্ত ল'লে আৰু পুতেক যাতে আহে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে। বৃদ্ধাগৰাকীৰ ওচৰলৈ যাওঁতে নিজৰাৰ মনত অকল এটা কথাই আহি আছিল যে তেওঁক বাৰু মৰমৰ একমাত্ৰ ল'ৰাটোৱে চাবলৈ আহিব নে। ◆

স্নাতক তৃতীয় ষান্মাসিক (কলা শাখা)

# হৃদয়ে বিচাৰে কি.....?

দীপশিখা গোহাঁই

একগৰাকী ন-কন্যাৰ দৰেই কুঁৱলীৰ ফাঁকে ফাঁকে লাজ লাজকৈ ভুমুকি মৰা দূৰ দিগন্তৰ বেলিটোলৈ চাই লগতে প্ৰাকৃতিৰ মায়াজালখনত বন্দী হৈ বাৰাণ্ডাতে বহি ৰ'ল অনুস্মিতা। হঠাৎ হকাৰৰ মাতত বাস্তৱলৈ ঘূৰি আহিল তাই। পেপাৰখন আৰু কাপটো লৈ ভিতৰলৈ সোমাই আহিল অনু। ৱাল ঘড়ীটোলৈ চাই দেখে প্ৰায় ৮ বাজিবৰেই হ'ল। অনুৰ ৰুমমেট দিস্নাপ্ৰিয়াই পাকঘৰতেই চাহ কৰি থকা দেখা পালে অনুৱে। আজি দিস্নাৰ আনদিনাতকৈ শুই উঠা অলপ পলম হৈছে। দিস্নাই কালি ৰাতি মেজৰৰ প্ৰেক্টিকেল কৰি থকাৰ বাবে শোৱাত অলপ পলম হৈছিল, তেতিয়ালৈ অনু টোপনিয়ে গৈছিল।

অনুস্মিতা আৰু দিস্নাপ্ৰিয়া দুয়োজনী গুৱাহাটী মহানগৰীৰ নামজ্বলা কলেজ এখনৰ কলা শাখাৰ তৃতীয় যান্মাসিকৰ ছাত্ৰী। দুয়ো কলেজৰ সমীপতে এটা প্ৰাইভেট গাৰ্লচ হোষ্টেলত থাকে, যদিও দুয়োজনীয়ে নিজেই ৰন্ধা-বঢ়া কৰে। অনুস্মিতা এখন অখ্যাত গাঁৱৰ পৰা অহা এগৰাকী সৰল মেধাৱী ছোৱালী।

অনুস্মিতাৰ পৰিয়ালটো আৰ্থিকভাৱে বৰ বেছি সবল নহয় যাৰ বাবে সম্বন্ধীয় উদাৰ মনৰ অভিযন্তা মোমায়েক এজনে অনুৰ ঘৰখনক সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়াই তাইক চহৰৰ এই কলেজখনত নামভৰ্তি কৰি দিছে। নহ'লে হয়তো অনুৱে ওচৰৰে কোনোবা এখন কলেজত যেনেতেনে হ'লেও বি.এ. টো সম্পূৰ্ণ কৰিলেহেঁতেন। অন্যহাতে দিস্নাপ্ৰিয়াৰ মাক-দেউতাক দুয়ো চাকৰীয়াল। দিস্নাৰ ধন-সম্পত্তি সকলো আছে। এই চহৰতে আটকধুনীয়া দুই মহলীয়া এটা ঘৰ আছে। ইয়াৰ পিছতো অনুৰ লগত দুকোঠলীয়া ৰুমত দিস্নাই কিয় থাকিবলৈ বিচাৰে সেই কথাটো ভাবি উৰাদিহ নাপাই অনুৱে। তাই এই বিষয়ে কোনোদিনে প্ৰশ্নও কৰা নাই দিস্নাক, কিছুমান ব্যক্তিগত কথা সুধি কাকো বিৰক্ত কৰিব নিবিচাৰে।

অনুৰ মেজৰ অৰ্থনীতিত আৰু দিস্নাৰ মেজৰ ভূগোলত। কলেজৰ প্ৰায় সৰহখিনি সময় একেলগেই দেখা যায় দুয়োকে। দুগৰাকী বাই-ভনীৰ দৰেই আত্মীয় সম্পৰ্কত বান্ধ খাই পৰিছিল দুয়ো।

সৰু ডাইনিং টেবুলখনৰ চকী এখনত বহী একান্ত মনেৰে চাহ খাই থকা দিস্নাক অলপ জোকোৱাৰ মনেৰে প্ৰশ্ন কৰিলে অনুৱে—

ঃ কি অ' দিস্না, আজি ইমান সোনকালে উঠিলি যে, কিবা বিশেষ কাম আছে যেন পাওঁ?

ঃ এহ হ'বচোন, এদিন দেৰিকৈ উঠিলো বুলিয়েই তই এনেকৈ কামোৰ দিবলৈ নাহিবি। তই কিমান দিন পলমকৈ শুই উঠিছ মই এতিয়া কওঁ নেকি ?

অলপ কৃত্ৰিম খঙৰ ভাব দেখুৱাই দিস্নাই তাইৰ কাপটো ধুবলৈ বুলি লৈ গ'ল। অনুৱে মনতে হাঁহি থাকিলে।

এনেদৰেই হাঁহি-ধেমালি, মান-অভিমানৰ মাজেৰে দিনবোৰ পাৰ হৈ গৈছিল। সময়ৰ লগে লগে দিস্নাৰ ভিতৰত থকা সহজ-সৰল মনৰ ছোৱালীজনী বেছি স্পষ্টকৈ অনুৰ সন্মুখলৈ আহিছিল। দিস্নাৰ মাক-দেউতাক দুয়ো চাকৰীয়াল। নিজৰ সন্তানক প্ৰয়োজনীয় সকলো সা-সুবিধাই দিস্নাক মাক-দেউতাকে দিছে। তথাপিও কোনোদিনেই মাক-দেউতাকৰ ধন-সোণৰ ওপৰত গৰ্ব কৰিব নোখোজা সহজ-সৰল দিস্না যেন এজনী ব্যতিক্ৰমী ছোৱালী। কেতিয়াবা অনুৰ দেউতাকৰ তাইলৈ পইচা পঠোৱাত পলম হয়। সম্বন্ধীয় মোমায়েকজনৰ ঘৰ অনুহঁতৰ ঘৰৰ পৰা দূৰত, তথাপিও যেতিয়া মোমায়েক আহে অনুৰ বাবে পইচা দি যায় মাকৰ হাতত। কিন্তু গাঁৱৰ হোজা খেতিয়ক হ'লেও স্বাভিমানী দেউতাকে কোনোদিনেই মোমায়েকৰ ওচৰলৈ পইচা বিচাৰি যোৱা নাছিল। সেইবাবে কেতিয়াবা পইচা গোটাই অনুলৈ পঠিওৱাত অলপ পলম হয়, তেতিয়া প্ৰয়োজনীয় কিতাপ

কেইখন কিনিবলৈ অপেক্ষা কৰি থকা অনুক 'কিতাপ কিনোঁগৈ ব'ল' বুলি দিস্নাই জোৰকৈ টানি আঁজুৰি লৈ যায়। অনুৰ বাধাক আওকাণ কৰি দিস্নাই দুয়োজনীৰ বাবেই কিতাপ কিনে। বেলেগকৈ কিবা এষাৰ ক'বলৈ গৈয়ো থমকি ৰয় অনুস্মিতা। তিৰ্‌বিৰাই থকা এহালি মৰম লগা চকুৰে সহজ-সৰল দিস্নাৰ মনত দুখ দিবলৈ অনুস্মিতাৰ বিবেকে বাধা দিয়ে। যেতিয়া কিছুদিনৰ পিছত অনুৰ দেউতাকে কষ্টোপাৰ্জিত ধনৰ কিছু অংশ অনুলৈ পঠায়, তাৰপৰা লৈ কিতাপৰ পইচাখিনি যেতিয়া অনুৱে দিস্নাক দিব খোজে, দিস্নাই নীৰৱে আঁতৰি যায় অনুৰ কাষৰ পৰা। দুদিনমান অনুক ভালদৰে মাতবোল নকৰে যেতিয়ালৈকে অনুৱে আহি পইচা দিবলৈ খোজাৰ বাবে দিস্নাক ছ'ৰী ক'বলৈ আহে তেতিয়া দিস্নাই এজনী সৰু ছোৱালীৰ দৰে খিল্‌খিলাই হাঁহি উঠে আৰু অনুৰ চুলি টানি দি কয়— 'বেঙী, কেনেকুৱা লাগিল মোৰ বিন্দাছ অভিনয়? তই চাগে বিৰাট ভয় খাই গৈছিলি তোক আৰু কেতিয়াও ভালদৰে মাত নিদিম বুলি হয়নে? আমাৰ সাহিত্যিক বাইদেউক নমতাকৈ থাকিব পাৰোঁ জানো মই। মাত্ৰ আকৌ কেতিয়া ও মোক পইচা আদি ঘূৰাই দিয়াৰ কথা নক'বি। সঁচাকৈয়ে মনত দুখ পাম মই।'

ঃ হব দে নকওঁ মোৰ মা!

-অনুৱে হাত দুখন আগলৈ আনি নমস্কাৰৰ ভঙ্গীত মূৰ দোঁৱালে। এইবাৰ দুয়োজনী হাঁহিত বাগৰি পৰিল।

অনুৱে আকৌ ক'লে

ঃ আৰু শুন পাগলী, তই মোক সাহিত্যিক বুলি কৈ সাহিত্যিক শব্দটো অপমান নকৰিবি দেই। দুই-এটা সৰু গল্প-কবিতা লিখি মানুহ সাহিত্যিক হৈ নাযায় বুজিছে। সাহিত্যিকৰ সংজ্ঞা এটা শব্দত দিয়াটো বহুত জটিল বুজিলি।

ঃ মইতো সাহিত্যিক বুলিলে গল্প, উপন্যাস লিখা, ডাঙৰ ডাঙৰ শব্দৰে মোৰ নিচিনা জ্ঞানহীনে হাজাৰবাৰ পঢ়িলেও বুজি নোপোৱা কবিতা লিখা ব্যক্তিকেই সাহিত্যিক বুলিল বুজো। তই ভাল গল্প, কবিতা লিখা তোৰ চিন্তা ধাৰণাবোৰ ব্যতিক্ৰম বুলি গোটেই কলেজতেই চৰ্চা হয়, তই কি নাজান? বাৰু হ'ব দে ভৱিষ্যতে যদি বিশিষ্ট সাহিত্যিক হৈ সভা শুৱনি কৰি থাক মোক দেখিও, চিনি নোপোৱাৰ ভাও নধৰিবি আকৌ! —কৈয়ে ডাঙৰকৈ হাঁহি দিছিল দিস্নাই।

ঃ হুম! এটি পাতল হুমুনিয়াহ এৰি অলপ সময় নীৰৱে ৰৈছিল অনু।

তাৰ পিছতে সৰু অথচ স্পষ্ট মাতেৰে ক'বলৈ আৰম্ভ কৰিলে—

ঃ দিস্না মই সাহিত্যিকৰ সংজ্ঞা নাজানো.... সাহিত্যিক হ'বৰ বাবে কেনেকুৱা কিছুমান গুণ লাগে সেইয়াও মই নাজানো। জীৱনক অতি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছোঁ মই। তাতকে কাষৰ পৰা পাইছোঁ অভাৱক। বাৰন্ন বছৰ বয়সতো পথাৰত হাড়ভঙা পৰিশ্ৰম কৰা দেউতাক দেখিলে এইটো সত্য নিজেই উপলব্ধি কৰোঁ যে মোৰ কলমৰ শব্দবোৰে, ভাষাবোৰে হয়তো দেউতাৰ শ্ৰমক সাৰ্থক নকৰিব। মই বহুত পঢ়িব লাগিব। পঢ়ি শুনি কিবা এটা হৈ প্ৰথম কথা হ'ল পৰিয়ালটোক আৰ্থিকভাৱে টনকিয়াল কৰিব লাগিব। মই সাহিত্যিক হ'ব নিবিচাৰো, বিচাৰো মাত্ৰ কবিতাৰ মায়ালগা শব্দৰ আঁৰত থকা সমাজৰ বাস্তৱ ছবিখন প্ৰতিফলিত কৰিব। জীৱনটো আমি ভবাতকৈ বহুত জটিল অ'। আশাবোৰ, সপোনবোৰ যেন এটি এটি আন্ধাৰৰ মাজত জিলিকি থকা জোনাকী পৰুৱা। যেতিয়া দূৰত থাকে, উজলি থাকে, ভাল লাগে দেখিবলৈ হাতেৰে চুবলৈ চেষ্টা কৰিলে, নিমিষতে হেৰাই যায় সেই জোনাকী পৰুৱাৰ ৰং। যিদৰে এটা সপোনক, বাস্তৱ কৰিবলৈ গৈ হয়তো কেতিয়াবা হেৰাই যাব খোজে সপোনৰ ৰং ঘৰৰ পৰা যেতিয়া মায়ে ফোন কৰে সদায় এটা কথা প্ৰায়ে কয়— "মাজনী ভালদৰে পঢ়া-শুনা কৰিছ নে নাই? আমাৰ কষ্টক সাৰ্থক কৰিবি মাজনী। আজিকালি দেউতাৰাই আগৰ দৰে কাম বনবোৰ কৰিব নোৱাৰা হৈ আহিছে। দেউতাৰাৰ বয়সও হৈ আহিছে। লগতে মোৰো। এতিয়া লোকৰ খেতি মাটি আধি লৈ কৰিব নোৱাৰা হৈছোঁ। নিজৰ খেতি মাটিও বেছি নাই। তামোল-পাণৰ বাৰীখনে অলপ সকাহ দি আছে বুলিহে। বায়েৰক যেনতেনে কৰি সেই তেতিয়াই বিয়া দি উলিয়াই দিলোঁ। এতিয়া তই ভালদৰে পঢ়ি-শুনি কিবা এটা কৰিব পাৰিলে আমাৰ আৰু বেছি চিন্তা নাথাকিব। তই কিবা চাকৰি এটা পালে ভায়েৰটোক তইয়ে পঢ়ুৱাব পাৰিবি।" —এইবোৰ কথা শুনি অনুভৱ হয় জীৱন মানেই সংগ্ৰাম। সংগ্ৰাম কৰি গৈছোঁ, নাজানো এই সংগ্ৰামৰ অন্ত ক'ত.... নাজানো এই সংগ্ৰামত মই জয়ী হওঁনে নহওঁ, কিন্তু সহজে হাৰ মনা বিধৰ ছোৱালী ময়ো নহয়। তই সুধিছিলি নহয় আজিকালি কিয় লিখা-মেলা নকৰোঁ বুলি, প্ৰকৃততে লিখিবলৈ মোৰো মন যায় মনৰ ভিতৰত থকা ভাবনাবোৰে মুক্ত হ'বৰ বাবে যুদ্ধ কৰে কিন্তু সময় নামৰ শিকলিডালে বান্ধি ৰাখে মনৰ ভাৱনাবোৰক। অ' দিস্না মই তোক এটা ফাঁকি দিছিলো জাননে? মই কলেজৰ পৰা বাহিৰে বাহিৰে শইকীয়া ছাৰৰ ওচৰত মেজৰ টিউচন ল'বলৈ যাওঁ বুলি। আচলতে এইখিনিতে মোৰ সম্বন্ধীয় পেহীৰ ছোৱালী এজনী আছে, তাইক এইখিনিলৈকে বিয়া দিছে। তাই মোক ইয়াৰে 'সৰোজিনী' নামৰ নামী শ্বপিং মলটোত পাৰ্ট টাইম চাকৰি এটাৰ যোগাৰ কৰি দিছে। আবেলি তিনি ঘণ্টা কৰিলেও হয়। মাহেকত নশ টকাকৈ দিয়ে। মই এই পাৰ্ট টাইম চাকৰিটো কৰি আছোঁ,

উপায় নাই। মামা মামীৰ এটা ডাঙৰ অপাৰেচন কৰিবৰ বাবে সপৰিয়ালে দিল্লীত আছেগৈ। হয়তো ঘূৰোতে অলপ সময় লাগিব। এনেকুৰা এটা পৰিস্থিতিত মামাক আমনি দিবলৈও সংকোচ হয়। তদুপৰি সকলো সময়তে আনৰ ওপৰত নিৰ্ভৰ কৰি ভাল নালাগে মোৰ। আজিকালি দেউতাৰো ইটো-সিটো অসুখ লাগিয়েই থাকে। দৰৱ-পাতিৰ খৰচ লাগে। আজিকালি মোলৈ পঠিওৱা পইচাৰ পৰিমাণো ক্ৰমে কমি আহিছে। তাৰ বাবে মই মা-দেউতাক জগৰীয়া নকৰোঁ। মোৰ ভাইটি বিৰাজ এইবাৰ ক্লাচ নাইনলৈ পাইছে। তাৰো পঢ়া খৰচ একেজন মানুহেই উলিয়াব লাগে। এইবাৰ আকৌ সি জেদ ধৰিছে যে নতুন চাইকেল নাপালে সি স্কুল যোৱাই বন্ধ কৰিব। তাৰ গাত দোষ নাই । তাৰ বয়স কম যদিও সি ইমান অবুজ নহয়। পৰিস্থিতিয়ে তাক তেনেদৰে ক'বলৈ বাধ্য কৰাইছে। তাৰ পুৰণা আধা বেমাৰী চাইকেলখন গোটেই ৰাস্তাটোতেই বহুতবাৰ চেইন পৰে আৰু পাঁচ কিলোমিটাৰ দূৰত্বৰ স্কুলখন পাঁওতে তাৰ সদায়েই পলম হয় আৰু শিক্ষকৰ গালি শুনি সদায় আধা ঘণ্টা সময় স্কুলৰ বাৰাণ্ডাত থিয় হৈ থাকিব লগা হয়। যোৱাবাৰ মই ঘৰলৈ যাওঁতে চকু চলচলীয়া কৰি কৈছিল সি মোক। বুকুখন কোনোবাখিনিত বিষাইছিল ভাইটিৰ কথা শুনি। পঢ়াত ভাল সি, বেলেগ ল'ৰাৰ দৰে ধিতিঙালি কোবাই নুফুৰে। সি প্ৰয়োজন হোৱা ন্যূনতম সুবিধাখিনিও দিব পৰা নাই যদিও পৰীক্ষাবোৰত ভাল ফলেই দেখুৱাই আহিছে। কেতিয়াবা দেউতাৰ লগত পথাৰলৈও যায়। ঘৰৰ সকলো কাম সি কৰে। গতিকে এই মাহৰ পাৰ্ট টাইমৰ জবটোৰ পৰা দৰমহা পালে সিটো মাহৰ সৈতে লগ লগাই লগতে মোৰ জমা টকা কেইটামান আছে সেইয়াও মিলাই ভাইটিৰ বাবে নতুন চাইকেল এখন কিনিম। ভাইটি চলচলীয়া চকুৰে স্কুলৰ বাৰাণ্ডাত থিয় হৈ থকাটো আৰু নিবিচাৰোঁ মই। মোৰ জীৱনৰ গতি পথটো বৰ ওখোৰা-মোখোৰা দিস্না। মোৰ জীৱনৰ এই ওখোৰা- মোখোৰা গতি পথে কেতিয়াও মোৰ হৃদয়ৰ আৱেগক বহিঃ প্ৰকাশ ঘটিবলৈ নিদিয়ে। কলেজত কোনোবা এজন ল'ৰা যদি মোৰ কাষ চাপিব বিচাৰে, প্ৰকাশ কৰিব বিচাৰে মনৰ অনুভৱ, শিলৰ দৰে কঠিন কৰি লওঁ হৃদয়খনক। মোৰ যেন কৰিবলৈ বহুত আছে । জীৱনটোক জিনিব বিচাৰোঁ মই। যেতিয়া প্ৰখৰ ৰ'দত মাৰ লগত এআঁঠু পানীত ভুঁই ৰোওঁ, তেতিয়া বুজি পাওঁ জীৱন মানে কি? যেতিয়া নতুন বেগ কিনিবৰ বাবে পইচা গোটাব নোৱাৰি বাইদেউৰ পুৰণা বেগটোকে জোৰা টাপলি মাৰি লৈ যাওঁ তেতিয়া বুজি পাওঁ অভাৱ মানে কি? তথাপিও আমাৰ খেতিয়ক দেউতাই যিমান পাৰে আমাক সুখত ৰাখিবলৈ চেষ্টা কৰিছে। বাইদেউক হায়াৰ চেকেণ্ডাৰী পাছ কৰায়েই শিক্ষকতা কৰা দৰা এজন পাই বিয়া দি দিছিল। বাইদেউক উচ্চ শিক্ষা দিবলৈ দেউতাও আৰ্থিক ভাৱে দুৰ্বল হৈ পৰিছিল সেই সময়ত আৰু বায়েও পঢ়িবলৈ ইচ্ছা কৰা নাছিল। বাইদেউ পঢ়াত অলপ মধ্যমীয়া বিধৰহে আছিল। মই ক্লাছ নাইনত থাকোতে বাইদেউৰ বিয়া হৈ গৈছিল। বাইদেউৰ বিয়াৰ পিছত মাৰ লগত পথাৰলৈ ময়ো গৈছিলোঁ। কিন্তু যেতিয়া মেট্ৰিক পৰীক্ষাত মই চাৰিটা বিষয়ত লেটাৰ সহ পাছ কৰিবলৈ সক্ষম হৈছিলোঁ দেউতাই মোক পথাৰলৈ গৈ মাৰ লগত কাম কৰাটো বন্ধ কৰি দিছিল আৰু ওচৰৰে হায়াৰ চেকেণ্ডেৰী স্কুল খনত মোক এডমিশ্যন দিছিল। কেতিয়াবা যেতিয়া মই মা-দেউতাক আৰু কাম কৰা মানুহজনীক চাহ জলপান দিবৰ বাবে পথাৰলৈ গৈছিলোঁ, কম শিক্ষিত সহজ সৰল দেউতাই মোক কাষতে বহুৱাই বৰ মৰমেৰে মোক কিছুমান কথা কৈছিল যিবোৰ কথা এতিয়াও মোৰ কাণত বাজি থাকে। দেউতাই মোক কৈছিল— "জ্ঞানৰ পোহৰ সকলোতকৈ উজ্জ্বল পোহৰ মাজনী। মই আশা কৰিছোঁ আই, তোৰ জ্ঞানৰ পোহৰে আমাৰ ঘৰখনৰ লগতে গোটেই গাঁও খনকেই উদ্ভাসিত কৰি তোলে যেন। আজি তোৰ মা আৰু মই যিটো পথৰে বাট বুলিছোঁ, সেই পথেৰে বাট বুলিলে তই তোৰ লক্ষ্যক চুবগৈ নোৱাৰ। সেইবাবে এই সকলোবোৰ দুখ-কষ্ট, কাম-কাজৰ পৰা আঁতৰত ৰাখি তোক মানুহ কৰিব বিচাৰিছোঁ। ভালকৈ পঢ়ি চাকৰি এটা ল'। যাতে এটা কাল দুখত থাকিলি যদিও পিছৰ জীৱনটো যাতে সুখৰ হয় তাকে বিচাৰোঁ মই। আৰু এতিয়া তই কবিতা গল্প লিখি সময় পাৰ নকৰিবি মাজনী। সেইবোৰ চৰ্চা কৰিবলৈ বহুত সময় পাবি, এতিয়াৰ সময়খিনিক কেৱল পঢ়াত লগা। মনত ৰাখিবি বাস্তৱক সন্মুখত লৈ কল্পনাৰ ৰাজ্যত বিচৰণ কৰিব নোৱাৰি। এতিয়া মোৰ কথাবোৰ শুনিবলৈ হয়তো বেয়া লাগিছে, কিন্তু সময়ত মোৰ কথাৰ তাৎপৰ্য উপলব্ধি কৰিবি" সেয়ে আজিও কিবা এটা লিখোঁ বুলি যেতিয়া কলমটো লওঁ দেউতাৰ কথাবোৰ বাৰে বাৰে বাজি উঠে, শেষত একো লিখা নহয়। আজিকালি মোৰ অভাৱবোৰৰ লগত যুঁজি যুঁজি, অসুখীয়া দেউতা, ভাইটিৰ কথা, মোৰ নিজৰ সমস্যাবোৰৰ কথা চিন্তা কৰি কৰি কিবা লিখাৰ স্পৃহা হেৰাই যোৱাৰ দৰে লগা হৈছে।

বাৰু হ'ব এতিয়া ব'ল, চাহ একাপ বনাই খাই পঢ়োঁগৈ। বহুত ক'লোঁ ন' তই চাগে শুনি শুনি আমনিয়েই পাইছ......। কৈ অনুৱে দীঘলকৈ উশাহ এটা লৈ টেবুলত থকা বটলটোৰ প্ৰায় আধাখিনি পানীয়েই খাই পেলালে। এনেকুৱা লাগিল যেন মৰুভূমিৰ মাজত তৃষ্ণাতুৰ হৈ থকা তাই এজন পথিক হে।

ইতিমধ্যে কোঠাটো আন্ধাৰে আৱৰি ধৰিছিল। আৰু লাইটৰ চুইছ ও অন কৰি থোৱা নাছিল। যদি অলপ পোহৰ

হ'লহেতেন অনুৰ চকুত পৰিলে হয় দিম্নাৰ দুচকুৰে বাগৰি অহা চকুলোক।

ঃ কি হ'ল, তই একো নকলি যে? মোৰ বৰিং কাহিনী শুনি তই বাহ ঘোঁৰাৰ দৰে টোপনি যোৱা নাইতো?—এইবাৰ অলপ ৰগৰ কৰি হাঁহি উঠিল অনুৱে। কিন্তু নাহাঁহিলে দিম্নাই।

এটা দীঘল হুমুনিয়াহ এৰি দিম্নাই সেমেকা মাতেৰে ক'লে— 'তোৰ কথাবোৰ শুনি এটা কথাটো উপলব্ধি কৰিছোঁ যে জীৱনে সকলোকে সকলো নিদিয়ে। কিবা নহয় কিবা এটাৰ অভাৱ নিশ্চয় থাকিবই। আজি তোক মা-দেউতাই আৰ্থিকভাৱে সকাহ দিব পৰা নাই কি হ'ল, তোক মৰমৰ এযাৰ মাত দিছে, তোৰ মনৰ কথাবোৰ শুনিছে। তোক মৰম যত্ন কৰিছে। কিন্তু মোৰ মা-দেউতাই মোক দিবলৈ অফুৰন্ত টকা পইচা আছে কিন্তু অফুৰন্ত নহয় সেই সময়ৰ পৰিমাণ। মাহেকৰ মূৰত যিমান লাগে তাতকৈ বেছি পইচা পঠাই দি ভাৱে তাতে দায়িত্ব শেষ। মা-দেউতা দুয়ো ডাঙৰ চাকৰিয়াল। যেতিয়া সৰু আছিলোঁ মই মা-দেউতাক ৰাতিপুৱা অলপ সময়ৰ বাবে লগ পাইছিলো মাত্ৰ। কিন্তু সেই সময়ত মা-দেউতা মোৰ আব্দাৰ পূৰোৱাত ব্যস্ত নাছিল; ব্যস্ত আছিল যাবতীয় সা-সামগ্ৰী সামৰি অফিচ যাবলৈ। মই যেতিয়া মাক বেছিকৈ আমনি কৰিছিলোঁ, মায়ে কৈছিল, — "মা তোমাক বেলেগ এদিন কোলাত ল'ম সোণ, আজি মোৰ চেমিনাৰ আছে। ৰঘুকায়ে কোলাত ল'ব তোমাক আৰু গাৰ্ডেনত খেলাব যোৱা মোৰ পুতলাজনী।" যদিও মাৰ কথাকেইযাৰতে মৰমৰ গোন্ধ পাইছিলোঁ। কিন্তু ৩/৪ বছৰীয়া ছোৱালীৰ বাবে সেই কথাকেইযাৰেই যথেষ্ট নাছিল। চেমিনাৰ মানে কি বুজি পোৱা নাছিলোঁ তেতিয়া কিন্তু চেমিনাৰ শব্দটো ঘোৰ শত্ৰুৰ দৰে হৈ পৰিছিল মোৰ বাবে। এই চেমিনাৰেই যেন মোৰ মৰমৰ মাজনীক আৰু মাৰ মোৰ বাবে থকা সময়খিনিক কাঢ়ি লৈ যাব এনেকুৱা অনুভৱ হৈছিল মোৰ। যেতিয়া মা-দেউতাৰ গাড়ী দুখন ইঞ্জিনৰ ধোঁৱা উৰুৱাই ওলাই গৈছিল। মই চিঞৰি চিঞৰি কান্দিছিলোঁ, কাৰ্পেটত বাগৰি দিছিলোঁ, পুতলাবোৰ দলিয়াই পেলাইছিলোঁ। মোৰ কান্দোন আমাৰ দুমহলীয়া ঘৰটোত ঘূৰি ঘূৰি মোৰ কাণলৈকে আকৌ আহিছিল। এনেকুৱা লাগিছিল যেন দুজনী ছোৱালীয়েই কান্দিছিল। এজনী মই যিজনীয়ে চিঞৰি কান্দিছিলোঁ আৰু আনজনী মোৰ ভিতৰৰ আত্মাটো যিজনী উচুপি উঠিছিল। নাজানো মোৰ হিয়া ভগা কান্দোনত গাড়ী ভিতৰৰ পৰা এবাৰ হলেও মায়ে উভতি চাইছিল নে নাই। সেমেকি উঠিছিল নে মাৰ দুচকু। প্ৰশ্ন কৰিবলৈ মন যায় মাক কিন্তু আজিলৈকে নকৰিলোঁ। ৰঘুকায়ে মোক নিজৰ ছোৱালীৰ দৰে সৰুৰে পৰাই যত্ন কৰিছিল। ঘৰৰ আনবোৰ মানুহৰ লগত মোৰ ইমান বেছি আন্তৰিকতা নাছিল যিমান বেছি মই ৰঘুকাইক ভাল পাইছিলোঁ। ৰাতি যেতিয়া মই টোপনি যাঁও তেতিয়া মা-দেউতা অফিচৰ পৰা ঘৰত সোমাইহি। ৰাতিপুৱা আকৌ একে পৰিস্থিতিৰ উদ্ভৱ হয়। কিন্তু মোক যেতিয়া স্কুলত এডমিশ্যন দিলে ক্ৰমান্বয়ে সেই মান-অভিমানবোৰ কমি আহিল। ৰঘুকাইৰ বাহিৰে বাকী সকলোৰে লগত কথা বতৰা কমাই দিছিলোঁ। ক্ৰমান্বয়ে মা-দেউতাৰ ওচৰত খং অভিমান কৰিবলৈ এৰি দিছিলোঁ, বুজি পাইছিলোঁ সেই অভিমান যে অৰ্থহীন। ভীষণ জেদী হৈ পৰিছিলোঁ মই, সৰু সৰু কথাতে খং উঠিছিল।

অলপ কথাতেই খং কৰি ফুলদানী, পুতলা আদি বস্তু ভঙাটো সৰু ঘটনা লৈ ৰূপান্তৰিত হৈছিল। স্কুলত বন্ধু-বান্ধৱীবোৰৰ লগতো মিলিব পৰা নাছিলোঁ, সৰু কথাতে কাজিয়া কৰিছিলোঁ সিহঁতৰ লগত, পিছত নিজেই উচুপি কান্দিছিলোঁ মই। এক ধৰণৰ মানসিকতাত ভুগিছিলোঁ মই। নিজকে অতি অসহায় যেন লাগিছিল। এনেকৈ যে দিনবোৰ পাৰ হৈ গৈছিল। মই পঢ়িছিলোঁ ইংৰাজী মাধ্যমৰ এখন নামী স্কুলত আৰু যেতিয়া মই দশম শ্ৰেণীলৈ উত্তীৰ্ণ হৈছিলো, মা দেউতাই গোটেইবোৰ বিষয়ৰে ঘৰুৱা শিক্ষক যোগাৰ কৰি দিছিল। যিসকলে মোক ঘৰতে টিউচন কৰিব আহিছিল। ইমানখিনি সুবিধা দিয়াৰ পিছতো মই বহুতো বেছি ভাল ৰিজাল্ট কৰিব পৰা নাছিলোঁ। হয়তো তাৰ বাবে কিছু পৰিমাণে দায়ী আছিল পৰিবেশ পৰিস্থিতি আৰু সৰুৰে পৰা মা-দেউতাৰ পৰা পোৱা নিৰাপত্তাহীনতা। মেট্ৰিক পৰীক্ষাত ফাৰ্ষ্ট ডিভিজন আৰু ইংৰাজী বিষয়ত লেটাৰ সহ পাছ কৰিলোঁ। নাজানো মা-দেউতা সুখী হৈছিল নে নাই। কিন্তু মোক দিয়া সুবিধা খিনিৰ তুলনাত মোৰ ৰিজাল্ট যেন নিম্নগামী আছিল মোৰ বিবেকে এই কথাটোকেই বাৰে বাৰে কৈছিল। তথাপিও মোৰ ৰিজাল্টৰ কথা লৈ মোক কোনোদিনে এযাৰো টানকৈ কথা কোৱা নাছিল। ইয়াৰ পিছত মোক হায়াৰ ছেকেণ্ডাৰী কলা শাখাত নাম ভৰ্তি কৰাই দিছিল ইংলিছ মিডিয়ামৰ এখন নামী জুনিয়ৰ কলেজত। হয়তো এই দুবছৰত মোৰ মনটো অলপ হ'লেও নিজৰ স্থানলৈ আহিছিল স্থিৰ হৈছিল যাৰ বাবে মই হায়াৰ ছেকেণ্ডাৰীৰ ফাইনেল পৰীক্ষাত ইংৰাজী আৰু ভূগোল দুটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'লো। ক্ৰমান্বয়ে মনৰ দুখ, খং অভিমানবোৰ হাতৰ মুঠিত সোমোৱাই ৰাখিব পৰা হৈছিলোঁ। অলপ নতুনত্ব বিচাৰি এই কলেজখনত এডমিশ্যন লোৱাৰ লগতে এই প্ৰাইভেট গাৰ্লচ হোষ্টেলত থকাৰ সিদ্ধান্ত লৈছিলোঁ। যদিও কলেজ আৰু মোৰ ঘৰৰ ব্যৱধান বেছি নাছিল আৰু মই ঘৰৰ গাড়ীতে অহা যোৱা কৰিব পাৰিলোঁহেতেন। তথাপিও সেই জীৱন মোৰ কাম্য

নাছিল। দুমহলীয়া ঘৰটোৰ আধুনিক জীৱন যাত্ৰাৰ পৰা আঁতৰি এই দুকোঠলীয়া ৰূমত এটা সহজ সৰল জীৱন বিচাৰিছিলোঁ। আন দহজনী ছোৱালীৰ দৰেই কলেজলৈ খোজ কাঢ়ি অহা-যোৱা কৰি অনুভৱ কৰিব বিচাৰোঁ জীৱনটোক। মই ইমানেই বেছি সহজ সৰল জীৱন আঁকোৱালি ল'লো যে কেতিয়াবা মায়ে আচৰিত হৈ কয় 'মাজনী তুমি সলনি হৈ গৈছা বহুত।' মই মাৰ চকুলৈ এপলক চাই নীৰৱে ৰৈছিলোঁ। সেই নীৰৱতাই যেন ক'ব খোজে- সলনি হ'বলৈ বাধ্য কৰিলা তোমালোকেই। যেতিয়া মোৰ মা-দেউতাৰ মৰমৰ নিৰাপত্তাৰ বেছি প্ৰয়োজন, তেতিয়া সেইবোৰ কেতিয়াও নাপালোঁ। এতিয়া আৰু অভ্যাস হৈ গ'ল আপোনজনৰ মৰম অবিহনেই জীয়াই থাকিবলৈ। এতিয়া আৰু চকুলো বাগৰি নাহে। মাত্ৰ কেতিয়াবা ভিতৰৰ দিম্নাজনী উচুপি উঠে। মোৰ আজিলৈকে যি আত্মিক সম্পৰ্ক মা-দেউতাৰ লগত গঢ় লৈ নুঠিল। সেই সম্পৰ্ক এই এবছৰতেই তোৰ লগত গঢ়ি উঠিছে। ৰঘুকাইতকৈও বেছি আপোন হৈ পৰিলি তই মোৰ। নাজানো তেজৰ সম্পৰ্ক কিমান শক্তিশালী কিন্তু কেতিয়াবা দুজন ব্যক্তিৰ মাজত হোৱা হৃদয়ৰ সম্পৰ্কই তেজৰ সম্পৰ্কতকৈ বহুত উৰ্দ্ধত হৈ পৰে। তোক মোৰ নিজৰ বাই ভনী এজনীৰ দৰেই আপোন বুলি ভাবি ল'লো যাৰ বাবে তোক যদি মৰমত কিবা সহায় কৰোঁ, তই যদি তাৰ মূল্য পৰিশোধ কৰিবলৈ আহ, বহুত দুখ পাওঁ অন্তৰত। এনেকুৱা অনুভৱ হয় তইয়ো যেন মোক আপোন বুলি নাভাব.......।

একেৰাহে বহুতদেৰি কথা কৈ দিম্না ভাগৰি পৰিছিল। দুচকুৰেদি বাগৰি অহা চকুলোক তাই হাজাৰ চেষ্টা কৰিও বাধা দি ৰাখিব পৰা নাছিল। চকুলো বাগৰিছিল অনুস্মিতাৰো। কি ক'ব অনুৱে ভাবি পোৱা নাছিল, তাইৰ যেন কিবা ক'বলৈ ভাষা হেৰাই গৈছিল। ৰঙচঙীয়া পখিলাজনীৰ দৰে হাঁহি-ধেমালি কৰি থকা দিম্নাৰ মনৰ মাজত যে দুখৰ হুমুনিয়াহ, অপ্ৰাপ্তিৰ এজাক ধুমুহা বৈ থাকে সেয়া অনুৰ জ্ঞাত নাছিল।

অনুৱে এখন হাত দিম্নাৰ কান্ধত থৈছিল আৰু চাইছিল তাইলৈ.... নীৰৱে আছিল দুয়োজনী কেতিয়াবা হয়তো নীৰৱতাইও মনৰ বহু কথাই কৈ পেলায়।

এনেদৰেই সময়বোৰ পাৰ হৈ গৈছিল। কিন্তু সিহঁত দুয়ো চতুৰ্থ ষান্মাসিক পাওঁতেই প্ৰণৱে প্ৰণয় কঢ়িয়াই আনিছিল দিম্নাৰ জীৱনলৈ। দৰ্শন বিভাগত মেজৰ লৈ পঢ়ি থকা প্ৰণৱ আছিল দিম্না-অনুৰ সহপাঠী আৰু সেইখন চহৰৰে এজন ধনী ব্যৱসায়ীৰ একমাত্ৰ সন্তান। দিম্নাৰ প্ৰথম আৰু নিস্বাৰ্থ প্ৰেম আছিল প্ৰণৱ........তাই যেন পৃথিৱীৰ কথা সকলো পাহৰি গৈছিল কেৱল দিনে-ৰাতিয়ে চাৰিওদিশে মনৰ ভিতৰত বাহিৰত প্ৰণৱকেই দেখিছিল। প্ৰণৱৰ লগত দিম্নাই দিনটোৰ সৰহভাগ সময় কটাইছিল। নিয়মীয়াকৈ মেজৰ ক্লাছও নকৰা কথাটো ভূগোল বিভাগৰ আন আন ছোৱালীৰ মুখৰ পৰা অনুৱে গম পাইছিল। অনুতকৈ প্ৰণৱৰ গুৰুত্ব বাঢ়ি গৈছিল দিম্নাৰ জীৱনত। হ'লেও অনু-দিম্নাৰ মৰমৰ বান্ধোন একেদৰেই আছিল। দিম্নাৰ মুখৰ হাঁহি দেখি অনুৰ মনটো হাঁহি উঠিছিল। প্ৰণৱক আগৰে পৰাই বিশেষভাৱে চিনি পাইছিল যদিও সেইবোৰ সকলো পাহৰি অনুৱে ভগৱানৰ ওচৰত সদায় প্ৰাৰ্থনা কৰিছিল যাতে একেদৰেই বাহাল থাকে তাইৰ সুখ। পৃথিৱীৰ সকলো সুখ মাক-দেউতাকৰ পৰা নোপোৱা সকলো মৰম, যত্ন, নিৰাপত্তা দিম্নাই তাইৰ ভালপোৱা জনৰ পৰা পাই তাৰ বাবে ভগৱানৰ ওচৰত ভাবিছিল অনুৱে।

অৱশ্যে এইটো সঁচা আছিল যে এই প্ৰণৱেই অনুকো প্ৰথমে লগৰ ল'ৰাবোৰৰ লগ-লাগি য'তেই দেখে ত'তেই জোকাইছিল। তাই তলমূৰ কৰি গুচি আহিছিল। এদিন এই প্ৰণৱেই ল'ৰা এজনৰ হাতত তাইলৈ প্ৰেমৰ প্ৰস্তাৱ দি পঠাইছিল। তাই ভদ্ৰ ভাষাৰে সেই প্ৰস্তাৱ নাকচ কৰিছিল। কিয়নো ভাল বেয়া বিচাৰ কৰাৰ শক্তি তেতিয়াও অনুৰ হেৰাই যোৱা নাছিল। তাৰোপৰি প্ৰণৱৰ বিষয়ে তাই যিবোৰ দেখিছে শুনিছে তাৰ পিছতো তাৰ লগত ভালপোৱাৰ সম্পৰ্ক গঢ়িবলৈ যোৱাটো মূৰ্খামিৰ কম হ'ব। কিন্তু কেইদিনমানৰ পৰা প্ৰণৱৰ আচৰণলৈ অলপ পৰিৱৰ্তন আহিবলৈ ধৰিলে। লগৰবোৰৰ লগত য'ত ত'ত বহি আড্ডা দিয়াৰ সলনি নিয়মীয়াকৈ ক্লাছ কৰিবলৈ ল'লে। সন্মুখেদি পাৰ হৈ যোৱা ছোৱালীক জোকোৱাতো দূৰৰ কথা মূৰ তুলিও নোচোৱা হ'ল। এই পৰিৱৰ্তনৰ আঁৰত আছিল হয়তো দিম্নাৰ লগত গঢ়ি উঠা বন্ধুত্ব। দিম্না এগৰাকী ব্যক্তিত্ব সম্পন্না ছোৱালী, গতিকে তাইৰ দৰে এজনী ছোৱালীৰ লগত সম্পৰ্ক গঢ়িবলৈ নিজকে অলপ পৰিৱৰ্তন কৰি ভাল ল'ৰাৰ অভিনয় কৰাটো প্ৰয়োজনীয় বুলি প্ৰণৱে ভাবিছিল। এয়ে হয়তো আছিল প্ৰণৱৰ আকস্মিক পৰিৱৰ্তনৰ আঁৰৰ কাহিনী। ক্ৰমান্বয়ে প্ৰণৱ দিম্নাৰ বন্ধুত্ব ভালপোৱালৈ ৰূপান্তৰিত হ'ল। দিম্না আকণ্ঠ ডুবি গৈছিল প্ৰণৱৰ প্ৰেমত। এক ধৰণৰ নিৰাপত্তাহীনতাত ভোগা দিম্নাক প্ৰণৱৰ ভালপোৱাই দিছিল নিৰাপত্তা। মৰুভূমিৰ মাজৰ দিকভ্ৰান্ত পথিকৰ দৰে হোৱা দিম্নাক প্ৰণৱৰ ভালপোৱাই জীৱনৰ দিশ দেখুৱাইছিল, এনেধৰণৰ অনুভৱ হৈছিল দিম্নাৰ। সেইখিনিলৈকে ঠিক-ঠিকেই আছিল। কিন্তু প্ৰণৱৰ প্ৰেমত পৰি ভাল বেয়া বিচাৰ কৰিব পৰা শক্তি হেৰুৱাই যোৱা সত্যটোক দেখিও নেদেখাৰ ভাও ধৰা এই কথাবোৰ অনুৱে সহজভাৱে ল'ব পৰা নাছিল। যিদিনা দিম্নাই প্ৰণৱক দিম্নাৰ প্ৰেমিক হিচাপে

অনুৰ আগত চিনাকী কৰাই দিছিল এক মুহূৰ্তৰ বাবে চমকি উঠিছিল অনু। পিছ মুহূৰ্ততে নিজকে সংযত কৰি লৈছিল তাই। লাজতে ৰঙা পৰিছিল প্ৰণৱৰো চকু-মুখ। সি অন্যফালে দৃষ্টি ঘূৰাইছিল। সি হয়তো আশংকিত হৈছিল যে প্ৰণৱে অতীততে অনুক কৰা মইমতালিবোৰৰ কথা দিম্নাক ক'ব। কিন্তু সি ভবা ধৰণৰ ছোৱালী অনু নাছিল। অনুৱে ভাবে প্ৰত্যেক মানুহকে জীৱনত এবাৰ সুযোগ দিয়া উচিত। হয়তো প্ৰণৱ আগৰ প্ৰণৱ নহয়, সি হয়তো সলনি হৈছে আগতকৈ। সকলো কথা ভাবি চিন্তি দিম্নাৰ সুখৰ কথা ভাবি অনুৱে দিম্নাক এইবোৰ কথা কোনোদিনেই নক'লে।অনুৱেও বিচাৰিছিল যদি প্ৰণৱ সঁচাকৈয়ে ভাল হৈছে হওঁক, দিম্নাৰ লগত এটা সুস্থ সম্পৰ্ক গঢ় লৈ উঠক, দুয়ো নিজৰ নিজৰ লক্ষ্যত উপনীত হৈ এখন সুখৰ সংসাৰ কৰক, সেয়াই কাম্য আছিল অনুৰ।

দিনবোৰ ঠিকেই গৈ আছিল। কিন্তু ক্ৰমান্বয়ে দিম্নাৰ অগোচৰে প্ৰণৱৰ আচৰণ পুনৰ আগৰ দৰে হ'বলৈ ধৰিছিল। দিম্নাৰ লগত থকা সময়খিনিত ঠিকেই থাকে প্ৰণৱ, দিম্নায়ো নিজে ক্লাছ খতি কৰি হ'লেও প্ৰণৱক সময় দিয়াত গাফিলতি কেতিয়াও কৰা নাছিল, যিটো কথা অনুৱে সমূলি পছন্দ কৰা নাছিল। বহুতবাৰ অনুৱে দিম্নাক বুজাবলৈও চেষ্টা কৰিছিল, কিন্তু দিম্নাৰ গুৰুত্বহীনতাত অনুৱে ক্ৰমান্বয়ে দিম্নাক সেই বিষয় লৈ একো নোকোৱা হ'ল।

কেতিয়াবা অনু অকলে আহিলে প্ৰণৱক লগৰ ল'ৰাৰ লগত বাইকত বহি চিগাৰেট হুপি থকা অনুৱে প্ৰায়ে দেখিবলৈ পাইছিল। এদিন দিম্নাৰ অলপ জ্বৰ হৈছিল আৰু তাই সিদিনা কলেজলৈ অহা নাছিল। অনু অকলেই কলেজলৈ আহিছিল। ক্লাছ কৰি থাকোঁতেই তাইৰ বহীখনৰ পাত শেষ হৈছিল আৰু তাইৰ লগৰে ময়ূৰীৰ সৈতে ওচৰৰে দোকানখনৰ পৰা বহী এখন কিনিবলৈ আহোঁতে হঠাৎ চকুত পৰিছিল প্ৰণৱক। এগৰাকী নীলা জিনচ্ পৰিহিতা আধুনিকাৰ লগত হাঁহি মাতি কথা পাতি থকা প্ৰণৱৰ কোনোবা চিনাকী ছোৱালী বুলি অনুৱে বিশেষ গুৰুত্ব নিদিলে। ক্ষন্তেক পিছতে প্ৰণৱে বাইকত ছোৱালীজনী উঠাই সেই ঠাইৰ পৰা গুচি গৈছিল। অনুৱে বিশেষ একো ভবা নাছিল, সেইটো ইমান ভাবিব লগা কথাও নাছিল তাইৰ মতে। কিন্তু অনুৱে যেতিয়া সেই ছোৱালীজনীৰ লগত প্ৰণৱক প্ৰায়ে অ'ত ত'ত দেখিবলৈ ল'লে অনুৱে ক্ষন্তেক সময় ভাবিব লগাত পৰিছিল। কেতিয়াবা প্ৰণৱক বেলেগ ছোৱালীক বাইকত উঠাই ঘূৰি ফুৰাও অনুৱে দেখিছিল। যিবোৰ দেখি প্ৰণৱৰ দিম্নাৰ প্ৰতি থকা ভালপোৱাত সন্দেহ জন্মে। দিম্নাক এইবোৰ কথা ক'বলৈ গৈ থমকি ৰয় অনু...প্ৰণৱক চকু মুদি বিশ্বাস কৰা দিম্নাই অনুৰ কথা মানিব জানো? এই কথাক লৈ সিহঁত দুজনীৰ মাজত আকৌ এখন নতুন কাজিয়াৰ সূত্ৰপাত হোৱাটো নিবিচাৰে অনুৱে। তথাপিও আকৌ এবাৰ দিম্নাক বুজোৱাৰ চেষ্টা কৰাৰ সিদ্ধান্ত ল'লে অনুৱে।

কলেজৰ পৰা আহি দুয়োজনী ভাত পানী খাই আগফালৰ বাৰান্দাতে বহি আছিল। ফাগুনৰ মন উতলা কৰা বতৰ, এছাটি কোমল মলয়া বতাহ দেহ পৰশি, মন পৰশি বৈ আছিল। হোষ্টেলটোৰ আগফালে থকা পলাশজোপাৰ ৰঙা ফুলবোৰ নাচি বাগি যেন ব'হাগকে মাতিছে। পলাশৰ ফুলবোৰ সৰি গছজোপাৰ তলত এখন ৰঙা দলিচাৰহে যেন সৃষ্টি কৰিছে। নিজৰ মাজতেই হেৰাই যাব খোজা অনুক ব্যস্ত ৰাজপথৰ কোলাহলে পুনৰ বাস্তৱলৈ ঘূৰাই আনিলে। তাইৰ দৃষ্টি প্ৰসাৰিত হ'ল দিম্নালৈ। নতুনকৈ লোৱা দামী কোম্পানীৰ স্কীণ টাচ্ছ ম'বাইলটোৰ লগত ব্যস্ত দিম্না। ম'বাইলটো কিনিবলৈ অনুকো লৈ গৈছিল দিম্নাই। অনুকো এটা ম'বাইল কিনি দিব বিচাৰিছিল তাই। দেউতাকে দিয়া ম'বাইলটোৱেই অনুৰ বাবে ঠিক আছে বুলি দিম্নাৰ অনুৰোধ উপেক্ষা কৰিছিল অনুৱে। যথাসম্ভৱ কোমল মাতেৰে অনুৱে দিম্নাৰ লগত কথা আৰম্ভ কৰিলে-

ঃ দিম্না, তই তোৰ ইন্ চেম পৰীক্ষাবোৰ দিছ নহয়? পৰীক্ষাবোৰ নিদিয়াকৈ নাথাকিবি। পৰীক্ষা ভাল হৈছেনে? মই সুধিম বুলি ভাবিও পাহৰি আছোঁ। মেজৰৰ প্ৰেক্টিকেলবোৰ জমা দিলি নে?

ঃ দিছো আকৌ অনু, কিয় নিদিম পৰীক্ষাবোৰ। ইণ্টাৰনেল মাৰ্ক হেৰুৱাবলৈ কোনে বিচাৰিবনো। মেজৰৰ প্ৰেক্টিকেল সকলোবোৰ কৰি হোৱা নাই। পৰহিলৈ মানেহে দিম। পিছে তই ইমান দেৰিকৈ এইবোৰ কথা সুধিলি যে। মোৰ এনেকুৱা লাগিছে, তোৰ মনটোৱে আন এটা কথাহে প্ৰকাশ কৰিছ...কথাটো কি? কি ক'ব বিচাৰিছ খুলি ক। মই বেয়া পাওঁ বুলি ভয় কৰিব নালাগে দে। সকলোকে বেয়া পালেও তোক বেয়া নাপাওঁ অ' মই। -ম'বাইলটো কাষৰ টেবুলখনতে থৈ অনুলৈ গভীৰভাৱে চাই দিম্নাই ক'লে।

ঃ তোক কথা কেইটামান ক'ম, তই মোক ভুল নুবুজিবি। তোৰ বাবে সদায় চিন্তা কৰি মৰোঁ বাবেহে ক'ব খুজিছোঁ-অনুৱে কোমল মাতেৰে ক'লে।

ঃ নাপাওঁ বেয়া কচোন।

অনুৱে দিম্নালৈ চাই ধীৰে ধীৰে ক'বলৈ ধৰিলে—

ঃ যদিও মই এতিয়ালৈকে ভালপোৱা নামৰ শব্দটোৰ লগত ভালদৰে পৰিচয় হোৱা নাই তথাপিও প্ৰেম ভালপোৱাক মই চিৰদিন শ্ৰদ্ধা কৰি আহিছোঁ আৰু কৰি থাকিম। তোৰ ওঁঠৰ

হাঁহি, তোৰ আনন্দ দেখি মই সুখী হওঁ, মনে মনে স্বস্তিৰ নিশ্বাস লওঁ। কিন্তু সময়ৰ সোঁতত গৈ তোৰ হৃদয়খন থানবান হৈ গ'লে, তই মানুহজনী ভাগি গ'লে, তোৰ সপোনবোৰ, লক্ষ্যবোৰে পথ হেৰুৱালে মই বহুত দুখ পাম মনত। তেতিয়া হয়তো মই নিজকেই অপৰাধী বুলি ভাবিম যে তোৰ কাষতে থাকিও মই তোক থানবান হোৱাৰ পৰা বচাব নোৱৰিলোঁ। আজি যদি তই কথাবোৰ ভাবি নাচাৰ পিছলৈ হয়তো বহুত দেৰি হৈ যাব। এইহেন গুৱাহাটী মহানগৰীত এজন ব্যক্তিক অন্ধভাৱে বিশ্বাস কৰি লোৱাটোও মূৰ্খামীৰ হে পৰিচয়। তেনেস্থলত মাত্ৰ ছটা মাহৰ চিনাকী প্ৰণৱক তই কিয় জোখতকৈ বেছি বিশ্বাস কৰিছ সেইটোহে মইও ভাবি পোৱা নাই। তই তাৰ লগত থকা সময়খিনিত হে তাক চিনি পাইছ, বুজিছ। তই নথকা সময়ত সি কি কৰে, কেনেকৈ থাকে তই জানো দেখিছ? প্ৰণৱৰ দৰে আধুনিকতাৰ সোঁতত উটি ভাঁহি নিজক পাহৰি যোৱা এজন ল'ৰাক এটা সীমালৈকেহে বিশ্বাস কৰা উচিত বুলি মই ভাবোঁ। তাক অন্ধ ভাৱে বিশ্বাস কৰি তাক তই ভাল ল'ৰাৰ ছাৰ্টিফিকেট খন দিয়াৰ আগতে তই এবাৰ হ'লেও প্ৰমাণ চাব লাগিছিল যে তই ভবা ভাল ল'ৰাজন সি অলপ হ'লেও হয় নে নহয়। সকলো কথা আবেগৰ ওপৰত নিৰ্ভৰ নকৰে। তোৰ সোণালী ভৱিষ্যতটো আৱেগৰ বোকোচাত উঠি গঢ় লৈ উঠিব জানো। বাস্তৱ বৰ কঠোৰ। যদি সি তই ভবাৰ দৰেই ভদ্ৰ অমায়িক ল'ৰা হয় তেন্তে মোৰ চকুৰে দেখা সেই কথাবোৰ কি বুলি ধৰিম? তোক ক'লে তই বিশ্বাস নকৰ জানো, কিন্তু প্ৰণৱক মই চিগাৰেট, ভাং আনকি মদ খোৱা অৱস্থাতো প্ৰত্যক্ষ কৰিছোঁ। (প্ৰণৱৰ বাইকৰ পিছত ঘুৰি ফুৰা অতি আধুনিকাবোৰৰ কথা ইচ্ছা কৰিয়েই অনুৰে নক'লে। কিছুমান কথা কোৱাৰ কিছুমান উপযুক্ত সময় থাকে, সেই সময়খিনি সেইটো কথা কোৱাৰ বাবে উপযুক্ত নহয় বুলি ভাবিলে অনুৱে।)

এতিয়া আকৌ শুনিছো, সি ড্ৰাগছৰও প্ৰতিও আসক্ত হৈ পৰিছে। কলেজত কথাবোৰ ওলাইছে। তই প্ৰকৃতাৰ্থত সত্যটো নাই দেখা নে দেখিও চাবলৈ চেষ্টা কৰা নাই? জীৱনটোক ইমান সহজভাৱে নলবি। জীৱনে কেতিয়া গতি সলাই খেলিমেলি কৰি দিব সকলো গমেই নাপাবি। সেইবাবে জীৱনটোক ইমান সহজভাৱে ন'লবি।

কালি তোৰ মা আহিছিল। তৌলৈ ফোন কৰি আছিল তই ৰিচিভ কৰা নাছিলি বাবে মায়ে চিন্তা কৰি ৰুম পালেহি। কিন্তু সিদিনা আবেলি তই ক'ৰবাত যোৱাত তোক লগ নাপালে। মায়ে অলপ দেৰি বহি বহুত কথাই পাতিলে মোৰ সৈতে। মায়ে দুখ কৰিছে মোৰ আগত তই হেনো ঘৰলৈ যোৱা একদমেই কমাই দিছ। মাৰ ফোন নধৰ, ৰিচিভ কৰিলেও কথা নাপাত ভালদৰে। কিয় এনেকুৱা কৰিছ অ' দিম্পা? মানি লৈছোঁ জনা হোৱাৰে পৰা তই সেইখিনি মৰম নিৰাপত্তা পোৱা নাছিলি। যিখিনি তোৰ প্ৰাপ্য আছিল। কিন্তু এখন মাতৃ হৃদয়ে নিজৰ সন্তানক কৰোঁ বুলি নিজৰ মৰমৰ পৰা বঞ্চিত নকৰে। কৰ্তব্যৰ ডাঙৰ শিকলিডালেৰে মাৰ হাত ভৰি বন্ধা আছিল যাৰ বাবে তোক হিয়া উজাৰি মৰম দিবলৈ হয়তো নাপালে। যাৰ বাবে মাৰ মমতাময়ী হৃদয়ে হয়তো সদায়ে উচুপি কান্দে। মায়ে কালি চকুলো মচি মচি আজি মোক বহু কথাই ক'লে যিখিনি কথা তোকো মায়ে কোৱা নাই। মায়ে কৈছিল, মায়ে তোক দিবলগীয়া মৰমখিনি দিব পৰা নাছিল সঁচা কিন্তু এনেকুৱা এটা মুহূৰ্ত নাছিল যিটো মুহূৰ্তত মায়ে তৌলৈ মনত পেলোৱা নাছিল। তোৰ কথা চিন্তা কৰা নাছিল। অফিচলৈ ওলাই যাঁওতে সেই তোৰ হিয়াভগা কান্দোনে মাৰ অফিচত সকলো কামতেই আউল লগাইছিল। ৰাতি যেতিয়া তই টোপনিত লালকাল হৈ থাকোতে তোক বুকুৰ মাজত সাৱটি শুইছিল, তোৰ কণমানি দেহটোৰ কোমল স্পৰ্শত মাৰ দুধাৰি চকুলো বাগৰিছিল। উজাগৰে কটাইছিল বহুত দেৰিলৈকে। টোপনি গ'লেই যে অনুভৱ কৰিব নোৱাৰিব তোৰ কণমাণি সত্তাক।

সেই মমতাময়ী মাতৃক আজি জীৱনৰ দুপৰ বেলাত তোৰ মৰমৰ পৰা কিয় বঞ্চিত কৰিছ দিম্পা? তেনে নকৰিবি। মাতৃত্বৰ বান্ধোনতকৈ ডাঙৰ বান্ধোন এই জগততেই নাই। কোনো মাতৃয়েই নিজৰ সন্তানৰ পৰা অৱহেলা সহ্য কৰিব নোৱাৰে। আজি তোৰ পৰা পোৱা অৱহেলাই সহিব নোৱাৰাকৈ আঘাত কৰিছে মাৰ অন্তৰত। আজি হয়তো তই মাৰ যন্ত্ৰণা অনুভৱ কৰিব নোৱাৰিবি যিদিনা নিজেই মাতৃত্বৰ বান্ধোনত বান্ধ খাবি সিদিনা অনুভৱ কৰিবি নিজৰ সন্তান এগৰাকী মাতৃৰ বাবে কিমান মূল্যবান হ'ব পাৰে। অতীতৰ সকলো কথা পাহৰিবলৈ যত্ন কৰচোন। তইয়ে মা-দেউতাৰ একমাত্ৰ সন্তান, একমাত্ৰ আশা। ক্ৰমে মা-দেউতাৰো বয়স হৈ আহিছে। এই বয়সত মা দেউতাক অকলশৰীয়া কৰি নিদিবি। যেতিয়া এবাৰ মা -দেউতাক মৰমেৰে আঁকোৱালি ল'বি দেখিবি সকলো মান, অভিমান, খং-দুখ আপোনা-আপুনি আঁতৰি গৈছে। মনত ৰাখিবি তোৰ কিবা বিপদ হ'লে সকলো তোৰ কাষৰ পৰা আঁতৰি গ'লেও একমাত্ৰ মা-দেউতায়ে আছে যি ভাল বেয়া সকলো সময়তে আমাৰ কাষত অতন্দ্ৰ প্ৰহৰীৰ দৰে থিয় হৈ থাকে। মা-দেউতাৰ মনত দুখ দি জীৱনত সুখৰ ফুল ফুলাব পাৰিম বুলি নাভাবিবি। হ'ব দে এতিয়া সকলো পাহৰি মালৈ ফোন এটা কৰ, কথা পাত। মায়ে চাগৈ কালিৰ পৰা দুখত আছে।

অনুৱে আৰু কিবা ক'ম বুলি ভাবিছিল যদিও দিম্লাৰ কান্দোনত থমকি ৰ'ল। দুয়ো হাতেৰে মুখ ঢাকি কান্দিছে দিম্লাই। অনু উঠি গৈ দিম্লাক সাৱটি ধৰিলে। মৰমেৰে বুজোৱাৰ চেষ্টা কৰিলে দিম্লাক। অনুৰ বুজনিয়ে কাম দিছিল। চকুত চকুপানী লৈয়ে থোকা থুকি মাতেৰে দিম্লাই ক'লে—'অনু মই মাৰ ওচৰলৈ যাব বিচাৰোঁ, এবাৰ মাৰ সৈতে কথা পাতিব বিচাৰোঁ, মাৰ বুকুৰ মাজত সোমাই হেঁপাহ পলুৱাই কান্দিব বিচাৰোঁ। আৰু কষ্ট দিব নিবিচাৰোঁ মা-দেউতাক। মা-দেউতা ভগৱানৰ অন্য এটা ৰূপেই, কিন্তু সেই ভগৱানকেই মই মোৰ দৃষ্টিকোণৰ পৰা চাই সদায় অৱহেলা কৰি আহিছোঁ। সৰুতে মই অন্তৰত পোৱা দুখ যান্ত্ৰণাবোৰ মা-দেউতাকো এতিয়া দিবলৈ বিচাৰি মই পাহৰি গৈছিলোঁ যে মই তেওঁলোকৰেই সন্তান, তেওঁ লোকৰ বাবেই এই পৃথিৱী দেখিলোঁ। মা-দেউতাক এনেদৰে দুখ দি ময়ো এক মুহূৰ্তও সুখত থকা নাই অন্তৰৰ উচুপনি মই নিজেই শুনিছিলোঁ। কিন্তু আজিৰ পৰা এনেকুৱা আৰু কেতিয়াও নহয়। আজিৰ পৰা সকলো ভাল হ'ব। অনু মা-দেউতা আৰু মোৰ মাজৰ আধা ভগা সম্পৰ্কটো যোৰা লগাই দিয়াৰ বাবে তোক মোৰ ধন্যবাদ দিবলৈ ভাষা নাই। আজি এনেকুৱা অনুভৱ হৈছে তই যেন কোনোবা জনমত মোৰ নিজৰ বাই-ভনী আছিলি। মাত্ৰ অনু, মোক কেতিয়াও প্ৰণৱক পাহৰি যাবলৈ নক'বি। সি মোৰ প্ৰথম আৰু সঁচা ভালপোৱা। হয়তো তাৰ ভালপোৱাখিনি মোৰ বাবে সঁচা নহ'বও পাৰে, হয়তো মোৰ ইমানখিনি মূল্য তাৰ জীৱনত নাই, যিমানখিনি মূল্য মোৰ জীৱনত তাৰ বাবে আছে। তথাপিও তাৰ কাষৰ পৰা আঁতৰি আহিব নোৱাৰোঁচোন। তই কোৱা কথাবোৰ আৰু বেলেগৰ মুখতো এনেকুৱা কথা কিছুমান শুনিলে মই তাৰ কাষৰ পৰা আঁতৰি আহিবলৈ চেষ্টা কৰোঁ। কিন্তু যিমান বেছি মই আঁতৰি থাকো মোৰ মনটো বেছিকৈ তাৰ কাষলৈ উৰা মাৰে। কিয় এনেকুৱা হয় তাৰ উত্তৰ বিচাৰি হাবাথুৰি খাওঁ কিন্তু নাপাওঁ। আজিকালি এইটো কথা ময়ো অনুভৱ কৰোঁ যে আমাৰ সম্পৰ্কটো সুস্থ সবল সম্পৰ্ক হৈ নুঠিব। আমাৰ প্ৰেমৰ পৰিণতি যে বিবাহ হ'ব সেইটোও মই আশা নকৰা হৈছোঁ আজিকালি। কিন্তু যিজনে হৃদয়ৰ স্পৰ্শ পাই তেওঁ হয়তো পৃথিৱীৰ ভিতৰতেই অন্যতম সুখী ব্যক্তিজন হৈ পৰে। ময়ো প্ৰণৱৰ হৃদয়ৰ স্পৰ্শ পাইছো, সেই হৃদয়ৰ স্পৰ্শ লৈ মই জীৱনটো জীপাল কৰিব পাৰিম সি নোহোৱাকৈ। যদি জীৱনে বিচাৰে মই তাৰ পৰা আঁতৰি থকাটো, আমাৰ মিলন নোহোৱাটো তেন্তে তাকেই মানি ল'বলৈ সাজু আছো মই। বাৰু বাদ দে এইবোৰ, কাইলৈ দুয়োজনী আমাৰ ঘৰলৈ যাম। বেছিদিন নাথাকো। দুদিনমান থাকি গুচি আহিম। বেছিকৈ থাকিলে আকৌ ক্লাছবোৰ খটি হ'ব। এতিয়া আহ চাহ অকণ খাই পঢ়া টেবুলত বহোগৈ, সন্ধ্যা হ'লেইচোন। —এইবুলি কৈ দুয়োজনী পাকঘৰলৈ গতি কৰিলে।

উৰুলিৰ মাংগলিক ধ্বনিত পুনৰ বাস্তৱলৈ ঘূৰি আহিল অনুস্মিতা। পাঁচ বছৰৰ আগৰ কথাবোৰে তাইক এনেদৰে মেৰাই ধৰিছিল যে তাই বাস্তৱক পাহৰি গৈছিল। মোমায়েকৰ পচন্দৰ অভিযন্তা দৰা পৰাগৰ লগত আজি বিয়া অনুস্মিতাৰ। পৰাগে মোমায়েকৰ লগত তাইক চাবলৈ অহাৰ পৰা পিছত তেওঁক দুবাৰমান হে লগ পাইছে অনুস্মিতাই। ফোনত প্ৰায়েই কথা বতৰা হৈছিল পৰাগৰ লগত। আপোন যেন লাগিবলৈ লৈছিল অনুৰ। পৰাগৰ আকৰ্ষণীয় ব্যক্তিত্বই মোহিত কৰিছিল অনুক। আৰু পৰিণতিত আজি পৰাগ- অনুস্মিতাৰ বিয়া। ৰভাৰ তলিত বহি থকা অনুস্মিতাক নিজৰ ঘৰখন এৰি যোৱাৰ দুখতকৈ অন্য এটা দুখেহে বেছিকৈ আৱৰি ধৰিছে। আজি দিম্লালৈ অনুৰ বৰকৈ মনত পৰিছে। পাঁচবছৰৰ আগৰ সিঁহত দুজনীৰ কলেজীয়া জীৱনৰ সকলো কথা গাৰ্লচ হোষ্টেলত থকা সময়ৰ সিহঁত দুজনীৰ সকলো মান, অভিমান, খং-ৰাগ সকলো কালি পৰহিৰ কথাৰ দৰে অনুৰ মনলৈ আহি থাকিবলৈ ধৰিলে। অনুৰ জীৱনে গতি পালে, বৰ্তমান তাই গুৱাহাটী চহৰৰ নামজ্বলা কলেজ এখনৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা। লগতে তাই সাহিত্য চৰ্চা ও কৰি গৈছে। ইতিমধ্যে তাই লিখা দুখন গল্পৰ কিতাপ আৰু এখন উপন্যাস প্ৰকাশিত হৈছে. কিছুমান সমাজ সেৱামূলক কামতো অনু ইতিমধ্যে জড়িত হৈ পৰিছে। আহিব লগা জীৱনত নিজৰ পেছাৰ লগতে সমাজৰ হিতৰ হকেও কাম কৰি যাব বুলি মন বান্ধিছে অনুৱে। ভায়েককো ৰসায়ন বিজ্ঞানত ডিব্ৰুগড় ইউনিভাৰ্চিটিত এম.এচ চি কৰাই আছে অনুৱে। ঘৰখনৰ সকলো দায়িত্ব, ভায়েকৰ দায়িত্ব আৰু কৰ্তব্য হেলাৰঙে পালন কৰি গৈছে অনুৱে। কিন্তু অনুৱে ভাবে গতি পালে নে দিম্লাৰ জীৱনে জীৱনৰ ৰং সপোনৰ ৰং সকলো হেৰাই গ'ল নেকি দিম্লাৰ?

বি.এ পাছ কৰাৰ পিছতে দিম্লা-অনুৰ সাৱলীল জীৱনত আসোঁৱাহ লাগিল। ক্ৰমান্বয়ে প্ৰণৱৰ চৰিত্ৰ পোনপটীয়াকৈ দিম্লাৰ চকুৰ আগলৈ আহিবলৈ ধৰিলে। দিম্লাৰ সন্মুখতে একো বেয়া বস্তু মুখত দিবলৈ কুণ্ঠাবোধ নকৰা হ'ল প্ৰণৱে। দিম্লাক সৰু কথাতেই বেয়া ভাষাত গালি গালাজ পাৰিবলৈ লোৱাটো নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হ'ল। দিম্লাৰ হৃদয় খন ভাগি চুৰমাৰ হৈছিল যদিও তাই ধৈৰ্য ধৰি আছিল। কিন্তু ধৈৰ্যৰো পৰিসীমা থাকে। যিদিনা প্ৰণৱক মাতাল অৱস্থাৰ লগতে ড্ৰাগছৰ খোলাখুলিকৈ সেৱন কৰি থকা অৱস্থাত এখন বে-আইনীভাৱে খোলা বাৰৰ পৰা প্ৰণৱৰ লগতে অনুৱে প্ৰথম দেখা পোৱা নীলা

জীনচ পৰিহিতা ছোৱালীজনীৰ সৈতে পুলিচে গ্ৰেপ্তাৰ কৰে সিদিনাই দিম্নাৰ প্ৰণৱৰ প্ৰতি থকা প্ৰেম ভালপোৱা আৰু বিশ্বাসৰ সৌধটো হুৰহুৰকৈ তললৈ খহি পৰিছিল। কান্দিবলৈ চকুপানীবোৰ গোট মাৰি বৰফ হৈছিল দিম্নাৰ। জীৱনে হেতালি খেলিলে দিম্নাৰ লগত। বহুত দিন নিজকে কমতেই আৱদ্ধ কৰি ৰাখিছিল। মাক-দেউতাকে বুজাই ভাগৰি পৰিছিল। ভয়ানকভাৱে নীৰৱ হৈ পৰিছিল দিম্না। অনুৱেও গৈ দিম্নাৰ ঘৰত কেইদিনমান থাকি তাইক মনটো পাতল কৰিবলৈ চেষ্টা কৰিছিল কিন্তু সকলো অথলে গৈছিল। অনুৱেও নীৰৱে চকুলো টুকিছিল। এটা কথা বাৰুকৈয়ে অনুভৱ কৰিছিল যে হৃদয় ভগাৰ যান্ত্ৰণা কিমান হৃদয় ভগা জনেহে উপলব্ধি কৰে। অনু দিম্নাৰ কাষত বেছিদিন থাকিবলৈ নাপালে, তাইক মোমায়েকে ডিব্ৰুগড় ইউনিভাৰ্চিটিত এম.এ ত এডমিশ্যন দিয়াত তাই এণ্টেন্স দিবৰ বাবে আহিব লগাত পৰিছিল। দিম্নাক তেনে অৱস্থাত এৰি আহিবলৈ অনুৰো অলপ মন যোৱা নাছিল। তাৰ অলপ দিনৰ পিছতেই দিম্না দিল্লীত থকা পেহীয়েকৰ ঘৰলৈ গুছি গৈছিল। হয়তো পলায়ন কৰিব বিচাৰিছিল দুখ যন্ত্ৰণাবোৰৰ পৰা। এইখন চহৰৰ চুক-কোণত লাগি থকা প্ৰথম ভালপোৱাৰ স্মৃতিবোৰে তাইক শান্তিৰে জীয়াই থাকিবলৈ নিদিব বুলিয়েই হয়তো এৰি গৈছে এই চহৰক।

দিম্নাই দিল্লীত পেহীয়েকৰ ঘৰতেই থাকি কিবা মেনেজমেণ্টৰ ক'ৰ্চ এটা কৰি আছিল। এইবোৰ কৰি দুখবোৰ পাহৰিবলৈ চেষ্টা কৰাৰ লগতে জীৱনটোকো অলপ মূল্য দিব বিচাৰিছিল হয়তো। তাৰ এবছৰমানৰ পিছতেই অনুক জনাইছিল দিম্নাই তাই এটা চৰকাৰী এন জি অ'ত চাকৰি পাইছে। সমাজৰ দুখীয়া দৰিদ্ৰ, বয়োবৃদ্ধ আৰু অনাথ শিশুসকলৰ সেৱাৰ উদ্দেশ্য জন্ম হোৱা এই এন.জি.অ' টোত কাম কৰিহে হয়তো পুনৰ জীৱনটোক ভাল পাবলৈ শিকিছিল। ব্যস্ত কাৰ্যসূচীৰ মাজতে দিম্না এৰাতিৰ বাবে হ'লেও মাক দেউতাকৰ ওচৰলৈ আহিছিল। ঘৰৰ পৰা দিম্নাই অনুলৈ ভিডিঅ' কল কৰিছিল। সঁচাকৈয়ে কাষত নাপালেও লেপটপৰ স্ক্ৰীণত দুয়ো দুয়োকে সন্মুখত দেখি মনত অলপ হ'লেও শান্তি পাইছিল। পিছদিনা নিচেই পুৱাতেই দিম্না ফ্লাইটত গুচি গৈছিল দিল্লীলৈ। হয়তো দিনৰ পোহৰত চহৰখন ভালদৰে চাব নিবিচাৰিছিল, যি চহৰত এৰি থৈ গৈছে তাইৰ প্ৰথম প্ৰেমক।

ক্ৰমান্বয়ে অনুৰ বিয়াৰ দিন কাষ চাপিছিল। অনুস্মিতাই বিয়াৰ কাৰ্ড দিম্নালৈ পাৰ্চেল কৰি পঠাই দিছিল আৰু ফোন কৰিও মাতিছিল দিম্নাক। দিম্না আহিব বুলি নিশ্চিত হৈ থকা নাছিল যদিও অলপ হলেও আশা কৰিছিল অনুৱে। আজি ৰাতিপুৱা শুই উঠি অনুৱে লেপটপটো খুলিছিল। আৰু তাই ভবামতে দিম্নাৰ দুটা মেইল আহি আছিল। এটা ই মেইলত আছিল এখন ফটো। পৰাগ আৰু তাইৰ ফটো এডিত কৰি একেলগে বনাই ফটোখন ৰঙা গোলাপ ফুলৰ ফ্ৰেম এটাৰ লগত সজাই তাইলৈ পঠাই ছিল। ফটোখনত লিখিছিল "হেপ্পী মেৰিজ লাইফ ডিয়েৰ অনু। আৰু পিছৰ ই মেইলত অলপ দীঘলীয়াকৈ লিখিছিল—

"মোৰ হৃদয়ৰ অনু, আজিৰ দিনটো তোৰ জীৱনৰ চিৰস্মৰণীয় দিন। তোৰ জীৱনটো পৰাগৰ লগত সুখৰ হওক। শান্তিৰ হওক ভগৱানৰ ওচৰত সদায়েই প্ৰাৰ্থনা কৰিম। মোৰ মৰমৰ বান্ধৱীজনীৰ বিয়াত মই যাব নোৱাৰিলোঁ। এই মোৰ দুৰ্ভাগ্য আৰু ইয়াৰ বাবে তই চাগে মোক বহুত বেয়া পাইছ। তোলৈ মৰমৰ প্ৰতিদান হিচাপে এটা উপহাৰ পাৰ্ছেল কৰি পঠাইছো। খং নকৰি গ্ৰহণ কৰিবি। তোৰ বিয়াত মোৰ অনুপস্থিতিৰ বাবে মোক ক্ষমা কৰি দিবি। তইতো সকলো জানই মোৰ মানসিক অৱস্থাৰ কথা। এন.জি.অ'টোত জইন কৰাৰ পৰা মনটো অলপ ভাল হ'বলৈ ধৰিছে। বেলেগৰ সুখ আৰু হাঁহিতেই যেন মই জীৱন বিচাৰি পোৱা হৈছোঁ। জীৱনটো সমাজৰ এইসকল দুৰ্ভগীয়া মানুহৰ বাবেই উৎসৰ্গা কৰিম বুলি ভাবিছোঁ। তথাপিও মই মা-দেউতাক, তহঁতক পাহৰি নাযাঁও। এদিন মই ঘূৰি যাম তহঁতৰ কাষলৈ যিদিনা মই দুখবোৰক জয় কৰিবলৈ সক্ষম হয়, জীৱনটোত অলপ ৰং সানিবলৈ সক্ষম হয়; যিদিনা ভগা হৃদয় খনৰ আঘাতবোৰ শুকাব, চহৰখনক দেখি শুই থকা অতীতটোৱে সাৰ পাই নুঠিব সেইদিনাই মই তোৰ ওচৰলৈ মোৰ আপোন মানুহবোৰৰ ওচৰলৈ, মোৰ আপোন চহৰলৈ গুচি যাম। তোৰ ওচৰত পুনৰ ক্ষমা বিচাৰিছোঁ।'

তোৰ মৰমৰ দিম্না

ই-মেইলটো পঢ়ি অজানিতেই বাগৰি অহা চকুলোক বাধা দিব পৰা নাছিল অনুৱে। মনত ভাঁহি উঠিল দিম্নাৰ মৰমলগা মুখখনৰ সৈতে বিষাদ গধুৰ অথচ গভীৰ চকুহাল। সেই চকুযুৰিয়ে যেন অনুক বাৰে বাৰে ক'ব বিচাৰিছে — মই বৰ নিসংগ অনু।◆

স্নাতক পঞ্চম ষন্মাসিক (কলা শাখা)



# সেন্দূৰ

**ফণীধৰ শইকীয়া**

অবিস্মিতা হঁতৰ ঘৰখনত মানুহ বুলিবলৈ চাৰিটা প্ৰাণী। মাক, দেউতাক, ককায়েক আৰু তাই। দেউতাক স্থানীয় প্ৰাইমেৰী স্কুলৰ মাষ্টৰ চাকৰিৰ পৰা অৱসৰ লৈছে। হোষ্টেললৈ তাই গুচি অহাত এতিয়া মাত্ৰ তিনিটা প্ৰাণী। প্ৰাইমেৰী স্কুলৰ মাষ্টৰ চাকৰি, ৰিটায়াৰৰ পইচাৰে সিহঁতক পঢ়া-শুনা কৰাৰ বাবে যাৱতীয় সা-সুবিধা দিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই। উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰাৰ পিছত তাইক বিয়া দিয়াৰ কথা মাক-দেউতাকে চিন্তা কৰিছিল। কিন্তু তাই সন্মত নহ'ল।

চহৰৰ একমাত্ৰ ছোৱালী কলেজখনত অবিস্মিতাই প্ৰথম চেমিষ্টাৰত নাম ভৰ্ত্তি কৰালে। ঘৰৰ পৰা কলেজলৈ দূৰত্ব প্ৰায় ৪০ কিঃমিঃ। সেয়ে তাই হোষ্টেলত এড্‌মিচন ল'লে। এদিনাখন প্ৰয়োজনীয় বেডিং পত্ৰ লৈ মাক-দেউতাকে মহাবিদ্যালয়ৰ হোষ্টেলত থৈ যাবলৈ আহিল। হোষ্টেলৰ চুপাৰ আৰু ৱাৰ্ডেনৰ লগতো মাক দেউতাকৰ চা-চিনাকী হ'ল। নিজৰ ছোৱালীৰ দৰে চোৱা-চিতা কৰিবলৈ হোষ্টেলৰ চুপাৰক বাৰে বাৰে অনুৰোধ জনালে। তেওঁলোকে ঘৰলৈ ঘূৰি আহিবলৈ ওলোৱাত তাইৰ চকুযুৰি সেমেকি উঠিল। মাক-দেউতাকে পঢ়া-শুনাৰ প্ৰতি মন দিবলৈ তাইক দঢ়াই দঢ়াই কৈছিল। তাইৰ মূৰত হাত ফুৰাই ম'বাইলত খা-খবৰ লোৱাৰ প্ৰতিশ্ৰুতি দিছিল। মাকৰো অশ্ৰু নিগৰি আহিছিল।

হোষ্টেল! তাতে আকৌ ছোৱালী হোষ্টেল। বেলেগ বেলেগ ঠাইৰ পৰা অহা ন-পুৰণি ছাত্ৰীৰ এক মিলন ভূমি। প্ৰতি গৰাকী আবাসীৰ মনত এক নতুন আশা, নতুন আকাংক্ষা। জীৱনটো গঢ়াৰ নতুন বাসনা। হোষ্টেলত থাকি সুখ্যাতিৰে উত্তীৰ্ণ হোৱাটো প্ৰতি গৰাকী আবাসীৰ চৰম লক্ষ্য হ'ব লাগে। হাঁহি, ৰং আৰু তামাচা আৰু কেতিয়াবা হয়তো কান্দোন। এয়ে হোষ্টেল।

হোষ্টেল অবিস্মিতাৰ নতুন ঠিকনা। অচিনাকী ছোৱালীৰ মুখ। সেই পৰিৱেশৰ লগত খাপ খাবলৈ তাইৰ অলপ সময়ৰ প্ৰয়োজন হ'ব। বহুবোৰ নিয়ম শৃংখলা হোষ্টেলত মানি চলিব লগা হয়। ৰাতিপুৱা সোনকালে শুই উঠি হাত-মুখ ধুই পঢ়া টেবুলত নাপালে হোষ্টেল চুপাৰৰ গালি গালাজ। ঠিক সন্ধ্যা বেলাও একেই। ক'ৰবাত ওলাই যাবলৈ হ'লে হোষ্টেলৰ ৰেজিষ্টাৰ বহীত কিমান সময়ত ওলাই গৈছে, কেতিয়া ঘূৰি আহিল তাৰ লিপিবদ্ধ কৰিব লাগিব। সন্ধ্যা অলপ দেৰি হ'লেই আচামীক পুলিচে জেৰা কৰা দি চুপাৰৰ জেৰা। হোষ্টেল চুপাৰৰ কাঢ়া নিৰ্দেশ সন্ধ্যা হোৱাৰ লগে লগে ধূপ-ধূণা জ্বলাই প্ৰতি গৰাকী ছাত্ৰীক নিজৰ পঢ়া টেবুলত পাবই লাগিব। মুঠতে চুপাৰৰ কথা হ'ল প্ৰতি গৰাকী ছাত্ৰী সুখ্যাতিৰে উৰ্ত্তীণ হওক। এই আশা।

হোষ্টেলত বহুবোৰ আবাসী ছাত্ৰী থাকে। তাইৰ ৰূমমেট

দুজনী। সিহঁতৰ লগতে তাইৰ বেছি হলি-গলি। প্ৰথম দিনা কলেজৰ ক্লাছ কৰিবলৈ আহিছে। মনত ভয় শংকা। বৰ্তমান অৱশ্যে ৰেগিং নামৰ ভয়ংকৰ মহাব্যাধি বিধ নিৰ্মূল হৈছে। নৱাগতা আদৰণি সোনকালে হৈ গ'ল। আচহুৱা পৰিৱেশ লাহে ল্যাহে ঘৰুৱা যেন লগা হ'ল। হোষ্টেলত থাকি পঢ়াশুনাত ভালদৰে মনোনিৱেশ কৰি গ'ল। মাকে সদায় ম'বাইলফোনত তাইৰ খা-খবৰ লয়। নলবই বা কিয়? মাকৰ একমাত্ৰ ছোৱালী। সেয়ে মাকে তাইক মৰমতে মাজনী বুলিয়েই মাতে।

বহুদিনৰ মূৰত হোষ্টেলৰ পৰা ঘৰলৈ গ'লে মাক-দেউতাকে আমাৰ মাজনী আহিব বুলি উথপথপ লগায়। ঘৰত নহলেও নোদোকা হাঁহ, পাৰ, মুৰ্গী ইত্যাদি বজাৰৰ পৰা আনি ৰান্ধি বাঢ়ি বিধে বিধে খুৱায়। নিজৰ ছোৱালী নহয় যেনিবা ন কৈ ঘৰলৈ আলহীহে আহিছে। দুদিনৰ বাবে আহি তিনিদিন থাকে। মা-দেউতাকেও যেন এৰিয়েই নিদিব। পুনৰ হোষ্টেললৈ ঘূৰি আহোতে চিৰা-পিঠা, নাৰিকলৰ লাৰু লগত দিবলৈ নাপাহৰে কিন্তু।

দিন বাগৰি মাহ, মাহ বাগৰি বছৰ পাৰ হয়। এতিয়া তাই চতুৰ্থ চেমিষ্টাৰৰ ছাত্ৰী। কিতাপ পত্ৰৰ যা-যোগাৰ নহয়েই পৰীক্ষাৰ ফৰ্ম ফিল আপ কৰিব হয়।

চেমিষ্টাৰ পদ্ধতিত প্ৰায়ে তিনিটা চেমিষ্টাৰৰ পৰীক্ষাৰ ফৰ্ম ফিল আপ একেলগে হয়। সেই দিনকেইটাত কাৰ্যালয়ত ভীষণ ভিৰ। ৰাতি প্ৰায় ৮/৯ মান বজালৈ কামত কৰ্মচাৰীসকল ব্যস্ত হ'ব লগা হয়। কাৰো মুখলৈ কাৰো চাবৰ সময় নাই। সেইকেইদিনৰ কৰ্মব্যস্ততা নিজে নেদেখিলে বৰ্ণনাতীত। সেইদিনা আছিল চতুৰ্থ চেমিষ্টাৰৰ ফৰ্ম জমা দিয়া শেষ তাৰিখ। যথেষ্ট ভিৰ। ইফালে তাইৰ পেটৰ অসুখ। ফৰ্মখনৰ সৈতে টকাকেইটা খৰখেদাকৈ কাৰ্যালয়ৰ জুনিয়ৰ এচিষ্টটেন্ট স্বপ্ননীলৰ হাতত দি ৰিচিপ্টখন পিছত ল'ম বুলি কৈ তাই হোষ্টেললৈ বেগাবেগিকৈ খোজ ল'লে।

হোষ্টেল পাই দেখে পইচা হিচাপতকৈ কমকৈ দি পাইছে। তাইৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। নিজকে স্বাৰ্থপৰ, মুৰ্খ, বুৰ্বক বুলি মনতে ভোৰভোৰালে। ৰিচিপ্ট ল'বলৈ আহি বাকী টকাখিনি তাই স্বপ্ননীলক দিছিল যদিও ল'বলৈ অস্বীকাৰ কৰিলে। কিতাপ পত্ৰ কিনি ল'বলৈহে পৰামৰ্শ দিলে।

অবিস্মিতাই বাৰে বাৰে নিজকে প্ৰশ্ন কৰিলে কিয় টকাখিনি নল'লে বাৰু? এয়া তাইৰ প্ৰতি কেনে অনুকম্পা! নে আন কিবা। চিঃ কি কথা মনলৈ আহিছে!

প্ৰথম দেখাৰে পৰা অবিস্মিতাৰ প্ৰতি স্বপ্ননীলৰ দুৰ্বলতা আছিল। আৰু সেই দুৰ্বলতা লাহে লাহে ভালপোৱালৈ পৰিণত হ'ল। যৌৱন প্ৰভাত বেলাতে, তোমাক দেখিছিলো হঠাতে তাইৰ মোবাইল নম্বৰ সংগ্ৰহ কৰি হোৱাটচএপ, হাইক ইত্যাদিৰ দ্বাৰা ভাৱৰ আদান প্ৰদান কৰে। দুয়োজনৰ মনত প্ৰেমৰ অংকুৰণ হৈছে। এয়া যে বয়স। সময়ৰ আহ্বান।

যৌৱন ধুনীয়া, মোহনীয়া। যৌৱন জীৱনৰ কঠীয়া তলি। যৌৱন জীৱনৰ অনাহুত অতিথি। অযুত আশাৰ নিযুত বাসনাই ভুমুকি মাৰে যৌৱনৰ দুৱাৰ দলিত। অনাহুত যৌৱনৰ লগত পিৰিতি আহে হাতত হাত ধৰি লিগিৰী হৈ। যৌৱন ডেকা গাভৰুৰ জীৱনত পূৰ্বৰাগ, অনুৰাগ, প্ৰেম, প্ৰীতি, প্ৰণয় আৰু মিলনৰ মাধুৰিমা।

মাক-দেউতাকৰ একমাত্ৰ ল'ৰা হিচাপে স্বপ্ননীলৰ বিশ্বাস নথকা নহয়। মাক দেউতাক শিক্ষিত হৈও বেছি অভিজাত্য, উচ্চ-নীচ, জাত-পাতক লৈ গোড়ামী। সি ভাবি আচৰিত হয়। স্বপনীল ল'ৰাটো সহজ-সৰল। সেইবোৰ সি ভাল নাপায়। তথাপি মাক দেউতাকক একেবাৰে উলাই কৰিবলৈ টান পায়। সি ভাল পোৱা ছোৱালী জনী সিহঁতৰ জাত-কুলৰ যে নহয় সেইকথা মাক দেউতাকে বিশ্বস্ত সূত্ৰে জানিব পাৰিছিল। এই বিষয়লৈ তাক কোনোদিন মাক দেউতাকে সোধাও নাছিল।

এদিনাখন স্বপ্ননীল অবিস্মিতাহতঁৰ ঘৰলৈ যোৱাৰ প্ৰস্তাৱ দিছিল। তাই মাকৰ অনুমতি ল'ব লাগিব বুলি কৈছিল। সেইদিনা তাই পঢ়া টেবুলত বহোতেই মাকৰ ফোনকল আহিল।

- 'অ' হেল্ল' মাজনী তোৰ ভালনে?'

- 'অ' মা ভাল ভাল। অ' মা মই মানে বেলেগ কথা এটা ক'ম বুলি ভাবিছিলো।'

- মাকে ক'লে, 'ক আকৌ কি কথা? তাই মানে মানে...

'কি মানে মানে কৰি আছে, নকৱ কিয়? নহয় মানে...

- 'মা, আমাৰ কলেজৰ ছাৰ এজন আমাৰ ঘৰলৈ ফুৰিবলৈ যোৱাৰ কথা কৈছিল।' মাকে কথাটো অলপ উমান পাইছিল।

সেয়ে মাকে ক'লে- 'আলহী আহিব খুজিছে যেতিয়া আহিব আৰু। তই পিছে দুদিন মান আগতে আহিবি।'

- 'তেন্তে আজিলৈ ৰাখো মা। বাই মা।'

পুৱাৰে পৰা অবিস্মিতা, মাক-দেউতাক ব্যস্ত। আলহীক আপ্যায়নৰ প্ৰস্তুতি। তাইৰ মনটো আজি ফৰকাল। সময়

আগবঢ়াৰ লগে লগে ব্যস্ততাই যেন বাঢ়ি গ'ল। পদূলিৰ ফালে ভুমুকিয়াই দুই এবাৰ চালে। মনৰ আনন্দতে দীপালী বাইদেউৰ-

"তুমি আহিবা বুলি বাৰে বাৰে মই
পদূলি মুখলৈ চাওঁ
আগচোতালত কৰবী জোপাৰ
কিজানি সুবাস পাওঁ।"

এই গীতটি গুণগুণালে। স্বপ্ননীল দুপৰীয়া ভাত খোৱাকৈ সিহঁতৰ ঘৰ পালেগৈ। তাই মাক-দেউতাকৰ লগত চিনাকী কৰাই দিলে। ভাত-পানী খাই স্বপ্ননীলে অলপ জিৰণি ল'লে। সি ঘূৰি অহাৰ কথা আছিল যদিও অবিস্মিতা আৰু মাক দেউতাকৰ কথা এৰাব নোৱাৰি এৰাতি থাকি অহাটোকে ঠিক কৰিলে।

আবেলি সময়ত দুয়োটা খোজ কাঢ়ি গাঁৱৰ সিটো মূৰে থকা নদীৰ ঘাটলৈ বুলি ওলাই গ'ল। নদীৰ কাষৰ চাপৰিত ফুলি থকা সৰিয়হত মৌমাখি, ভোমোৰাৰ গুণগুণনি। তাতে আকৌ প্ৰথম ফাগুন। গা-মন ৰাইজাই কৰা বতৰ। ফাগুনী পছোৱাই শীতৰ শেতেলীত শুই থকা প্ৰকৃতিক জগাই তোলে। পছোৱাৰ পৰশত সাৰ পাই উঠে মানুহৰ যৌৱন। সেই সময়ত কসোৱা তুলাৰ দৰে উৰি ফুৰা মনটোৰে মেলি দিয়ে শীতৰ পোহৰ।

ঘাটৰ ওচৰ-পাজৰৰ মানুহবোৰ জনজাতি সম্প্ৰদায়ৰ। ঘাটটোৱেই সিহঁতৰ জীৱন বুলিব পাৰি। নদীৰ ঘাটৰ পানী এতিয়াও তাৰ মানুহে ব্যৱহাৰ কৰে। ঘাটৰ পৰা অলপ আঁতৰি মনৰ কথা খুলি পাতিবলৈ বহি ল'লে।

সেইমুহূৰ্তত ইজনে সিজনৰ বুকুৰ কথা জানিবলৈ বিচাৰে দুটি প্ৰাণ এটি হৈ যোৱাৰ অমূৰ্ত বাসনা জাগি উঠে। প্ৰেম, ভালপোৱা, আৱেগ, অনুভূতি মুকলিকৈ যাঁচিলে। তাৰ মানে বাবুৰ গীতটিৰ দৰে-

বুকুৰ মৰম যাচিম অপেন অপেনকৈ
তাতে আমাক কোনে বাধা দিব গৈ
গোলাপী গোলাপী তোমাৰ দুগালত....

পশ্চিম আকাশত ৰাঙ্গনী বেলিটোৰ ছাঁ পানীত পৰি অপূৰ্ব জেউতি চৰাইছে। সেই সময়ত এজাক মিচিং গাভৰুৰ খিলখিল হাঁহি। কাযত কলহ লৈ পানী নিবলৈ আহিছে। অবিস্মিতাক বহুদিনৰ মূৰত লগ পাই কিযে ফূৰ্তি। সকলোৰে লগত স্বপ্ননীলক চিনাকী কৰাই দিলে। সিহঁতৰ মাজৰে ধুনীয়া ছোৱালীজনীৰ নাম ৰূপশ্ৰী। স্বপনীলে বহু মুহূৰ্ত ৰূপশ্ৰী লৈ চাই থাকিল। অবিস্মিতাৰ মাততহে তাৰ সম্বিত ঘূৰি আহিল। সিহঁত ঘৰলৈ উভটি আহিল।

অবিস্মিতালৈ সদায়ে ফোন কৰিলেও সিহঁতৰ ঘৰৰ পৰা অহাৰ পিছত কমকৈ ফোন কৰে। তাই মেচেজ বা ফোন কৰিলেও প্ৰত্যুত্তৰ দিবলৈ ইচ্ছা নকৰে। তাৰ প্ৰকৃততে হৈছে কি? তাইৰ ঠাইত অন্য কাৰোবাক নিজৰ কৰি ল'ব বিচাৰিছে নেকি? তাইৰ মনত অনেক প্ৰশ্নই দোলা দি গ'ল। ইয়াৰ অন্তৰালত ৰূপশ্ৰী নহয়তো? নে আন কিবা? তাইৰ গভীৰ বিশ্বাস সঁচা প্ৰেমৰ কেতিয়াও মৃত্যু নহয়। তাইৰ মনটো ভাল লগা নাই। এইকেইদিন পঢ়াতো তাই মন দিব পৰা নাই। ৰূমমেট দুজনীয়ে কথাটো লক্ষ্য নকৰা নহয়। সিহঁতে তাইক ক'লে, 'ঐ ব'ল টাউনৰ পৰাই আহো কিজানি মনটো ভাল লাগেই।' অবিস্মিতাই ক'লে- 'তহঁত যা মই নাযাওঁ।' দুয়োজনী টাউনলৈ বুলি ওলাই গ'ল।

স্বপ্ননীলে কাৰ্যালয় ছুটীৰ পিছত ঘৰলৈ বাইক লৈ ওলাই গ'ল। টাউন নৌপাঁওতেই ৰখাই থোৱা ট্ৰাক এখনৰ পিছত খুন্দা মাৰি এক্সিডেন্ট হ'ল। হেলমেট নথকাৰ বাবে মূৰত সামান্য আঘাত পাইছে। মানুহৰ জুম দেখি অবিস্মিতাৰ ৰূমমেট দুজনী আগবাঢ়ি গৈ দেখে স্বপ্ননীল! লগে লগে অবিস্মিতালৈ ফোন কৰি জনালে। তাই কিংকৰ্ত্তব্য বিমুঢ় হৈ পৰিল। অন্য নহ'লেও মানবীয়তাৰ খাতিৰত তাই এক্সিডেন্ট হোৱা ঠাইলৈ গ'ল। তাই আগভাগ লৈ গাড়ীত তুলি স্থানীয় নাচিং হোমত ভৰ্ত্তি কৰালে। নাৰ্চে তাৰ লগত কোন আহিছে বুলি সুধিছিল। তাই কি উত্তৰ ভাবি নাপালে। অৱশ্যে উত্তৰলৈ ৰৈ নাথাকি ডাক্তৰ, নাৰ্চে ততাতয়াকৈ চিকিৎসা আগবঢ়ালে।

অবিস্মিতাই, স্বপ্ননীলৰ ফোনৰ পৰা তাৰ মাকক ফোন কৰি কথাটো জনালে। মাক-দেউতাক অলপ পাছতে আহি পোনে পোনে স্বপ্ননীল থকা ৰূমলৈ গ'ল। ডাক্তৰ বৰুৱাই আশ্বাস দিলে চিন্তাৰ বিশেষ কাৰণ নাই। সোনকালে আৰোগ্য হ'ব। মাকদেউতাকে ডাঃ বৰুৱাক ধন্যবাদ জনালে। ধন্যবাদ এই ছোৱালীজনীক দিয়ক। মোক নহয়। স্বপ্ননীলৰ মাক দেউতাকে অবিস্মিতাক বহুত ধন্যবাদ দিলে। স্বপ্ননীলেও তাইক থোকাথুকি মাতেৰে ধন্যবাদ দিলে। মাক-দেউতাকে আছুতীয়াকৈ কিবা কথা পাতিলে। তাৰপিছত অবিস্মিতাৰ হাতখনত ধৰি তোমাক এটা উপহাৰ দিওঁ বুলি স্বপ্ননীলৰ হাতত হাত থলে। তাইৰ আনন্দৰ অশ্ৰু নিগৰি আহিল। স্বপ্ননীল লাহে লাহে সুস্থ হৈ উঠিল। এদিন মহেন্দ্ৰ ক্ষণত অবিস্মিতাৰ শিৰত সেন্দূৰৰ ফোঁট ডগসগাই জিলিকি উঠিল।◆

কৰ্মচাৰী, পুথিভঁৰাল

# আত্মসংশোধন

**ৰাজ বৰা**

বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে জীৱনৰ ২১টা বছৰ পাৰ কৰিলোঁ। এই ২১টা বছৰৰ অভিজ্ঞতাই এতিয়া মোৰ মন ভাৰাক্ৰান্ত কৰি তোলে। সদায় যোৱাৰ দৰে ঘৰৰ পিছফালৰ নৈৰ এৰাসুঁতিটোৰ পাৰত বহি আজি মই উপলব্ধ। পাৰ হৈ যোৱা সময়ক কিয় সৎ ব্যৱহাৰ নকৰিলোঁ। নৈৰ এৰাসুঁতিটোৰ দৰে মই দিশহাৰা নহওঁ, তথাপিও অনুতপ্ত মই।

যিদিনা জন্মলাভ কৰিছিলোঁ, সেইদিনাই জন্ম হৈছিল মা-দেউতাৰ কিছু আশা আৰু কিছু সপোনৰ। লাহে লাহে ডাঙৰ হৈ আহিছিলোঁ। যিদিনা প্ৰথম খোজটো দিছিলো, সেইদিনা হয়তো মা-দেউতাৰ সপোনবোৰেও খোজ দিছিল। হয়তো মনতে আৰ্শীবাদ দিছিল "খোজ লোৱা, দৌৰা, আগবাঢ়ি যোৱা। কেতিয়াবা হয়তো উজুতিও খাব পাৰা, পিছে থমকি নৰবা।"

দিন বাগৰিল জীৱনৰ গতিত মই আগবাঢ়িলোঁ। অজানিতে বহুতো ভুল কৰিলোঁ, ঠেকাও খালোঁ, কিন্তু জীৱন থমকি ৰোৱা নাছিল। স্কুলৰ দিনত পঢ়া-শুনাত যথেষ্ট ভাল আছিলো। সেইবাবেই হয়তো মা-দেউতাই বহুতো আশা কৰিছিল। কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে মানুহৰো কিছু পৰিবৰ্তন ঘটে, ই স্বাভাৱিক। এই পৰিবৰ্তনবোৰে কেতিয়াবা ভালৰ সংকেত বহন কৰে আৰু কেতিয়াবা বেয়াৰ। জীৱনৰ এই সময়চোৱা বৰ কঠিন। কি ভাল কি বেয়া তাক বুজাৰ ক্ষমতা হয়তো মোৰ নাছিল। সেইবাবেই ভাল হোৱাৰ কঠিন পথ এৰি বেয়া হোৱাৰ সহজ পথ বাছি লৈছিলোঁ। বুজিয়েই নাপালোঁ এই ৰঙীন পথটোৱে মোৰ ভৱিষ্যৎ জীৱন অন্ধকাৰ কৰিব।

মই আগ বাঢ়িছিলোঁ অনাহক ভৱিষ্যতৰ দিশলৈ। লাহে লাহে উচ্চ মাধ্যমিক পৰীক্ষাৰ দিন চাপি আহিছিল। সকলো পঢ়াত ব্যস্ত, পিছে পঢ়াতকৈ মোৰ মনটোৱে মহাবিদ্যালয়ত পঢ়িবলৈ যোৱাৰ আশাৰ পাছতহে দৌৰিছিল। পৰীক্ষাৰ শেষৰ দিনা কিমান যে আনন্দ লাগিছিল। বাঃ ডাঙৰ ল'ৰা হ'লোঁ কলেজ যাম, বাইক চলাম যে কত কি? পিছে ভবাই নাছিলো যে মোৰ জীৱন সলনি হ'ব। 'কলেজ' বোলা শব্দটোৱে মোৰ মনলৈ আনিছিল এক স্বাধীন ভাৱ। য'ত নাছিল শিক্ষকৰ কঠোৰ শাসনৰ বাঘজৰী, ৰঙা চকুৰ চাৱনি। ইয়াৰোপৰি কলেজৰ পঢ়া শেষ কৰা ওচৰৰ দাদা-বাইদেউ কেইজনৰ কলেজৰ বিষয়ে নানা ৰহন দিয়া বাৰ্তালাপে মোক আকাশত চাং পতাৰ দৰেই কৰি পেলাইছিল।

অৱশেষত সেই দিনটো আহিল। যিটো দিনে আজিও মোক শান্তিত শুবলৈ নিদিয়ে। সেইদিনা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল দিছিল। মা-দেউতাৰ আশা আছিল ল'ৰাই নাম কৰি পাছ কৰিব। সেইদিনা প্ৰথমবাৰৰ বাবে দেউতাৰ চকুত চকুপানী দেখিলো। দেউতাৰ চকুত চকু থ'বলৈও মোৰ শক্তি নাছিল। সেইদিনা নিজেই নিজকে কথা দিছিলোঁ সলনি হ'ম। কিন্তু..........।

বহুতো নতুন আশালৈ মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ। পিছে তেতিয়া আৰু মই নৰম, অষ্টম শ্ৰেণীৰ চোকা ল'ৰাটো হৈ থকা নাছিলো, যদিও অতীতৰ ভুলৰ পৰা নিজকে ভাল কৰিবলৈ যুঁজ দিছিলোঁ নিজৰ লগত। পিছে এইবাৰ অন্য এক পৰিৱৰ্তনে দেখা দিছিল। যিটো নাছিল সেই ল'ৰালিৰ দুষ্টালি মা-দেউতাৰ ওচৰত কৰা অভিমান। মোৰ বাবে সেইটো আছিল এক নতুন অনুভূতি। যাৰ বাবে মই নিজকে পাহৰি পেলাইছিলোঁ। কি হৈছিল নাজানো মাত্ৰ এটাই মনত আছে যে তেতিয়া সকলো ভাল লাগিছিল। এই নৈৰ এৰা সুঁতিটো আটাইতকৈ বেছি। এৰা সুঁতিৰ পাৰত বহি মই জীৱনটোক নকৈ চাইছিলোঁ হয়তো এয়া আছিল জীৱনত কাৰোবাক প্ৰথমবাৰ ভালপোৱাৰ চিৰসুন্দৰ অনুভূতি। মোৰ প্ৰেম বিফল হৈছিল, যদিও প্ৰেমৰ মায়াজালত মইও পৰিছিলোঁ। সেই মায়াই মোক প্ৰতিজ্ঞাৰ কথা পাহৰাই পেলাইছিল। যাৰ ফলশ্ৰুতিত আকৌ এবাৰ উচ্চতৰ মাধ্যমিকত ভাল ফলাফল দেখুওৱাৰ পৰা বঞ্চিত হৈছিলোঁ। পিছে মোৰ সেই অনুভূতিত মোৰ প্ৰেম মোৰ সৈতে নাথাকিল। ভৰা নৈ খনে এৰি যোৱা এই সুঁতিটোৰ দৰেই মোৰ প্ৰথম প্ৰেম আঁতৰি গৈছিল। এই এৰা সুঁতিটো ভাল লগাৰ এইটোৱেই কাৰণ আছিল মোৰ। মই সমবেদনা অনুভৱ কৰিছিলোঁ এৰা সুঁতিটোৰ লগত।

বৰ্তমান সকলো হৈ পৰিল। মই নিজক সলনি কৰিলোঁ। বহুদিন পাৰ হৈ গ'ল। কেতিয়াবা অতীতৰ ভুলসমূহক পুনৰাই শুদ্ধ কৰি দিবলৈ মন যায় কিন্তু মই নিৰুপায়।

আজিকালি মই বাস্তৱকেন্দ্ৰিক হৈ পৰিছোঁ কিয় নাজানোঁ। জীৱনৰ বহুতো সপোন মই পূৰণ কৰিবপৰা নাছিলোঁ, হ'লেও এইবাৰ মা-দেউতাৰ চকুলো বোৱা নাছিল। কাৰণ মই সলনি হৈছোঁ। সেয়াই মা-দেউতাৰ আনন্দ। এতিয়া মই বুজি উঠিছোঁ যে মই কেতিয়াও মোৰ অতীতত কৰা ভুলবোৰ নোহোৱা কৰিব নোৱাৰিম কিন্তু বৰ্তমানৰ সময়খিনি সঠিকভাৱে ব্যৱহাৰ কৰি ভৱিষ্যতৰ পথ সুগম নিশ্চয় কৰিব পাৰিম। এতিয়া মনত প্ৰশ্ন হয়, কিয় কৰিছিলোঁ ভুলবোৰ? কি হ'ব মোৰ ভৱিষ্যৎ? তথাপিও মই আশাবাদী কাৰণ বৰ্তমান মই বুজি পাওঁ ভাল বেয়াৰ পাৰ্থক্য।

ৰান্ধনী বেলিৰ স্নিগ্ধ পোহৰত মোৰ মনটো যথেষ্ট ফৰকাল লাগিল। নিজৰ মনৰ মাজত কৰা ভুল স্বীকাৰৰ বাবে নিজকে সুখী যেন লাগিল। যি সুখ মই আগতে অনুভৱ কৰা নাছিলোঁ। মোৰ এই সুখৰ মুহূৰ্তৰ একমাত্ৰ সাক্ষী আছিল নৈৰ এৰাসুঁতিটো। ◆

প্ৰাক্তন ছাত্ৰ



# এই মৃত্যুৰ বাবে কোন দায়ী ?

সাগৰিকা বৰা

সময়ৰ আকস্মিক পৰিৱৰ্তনৰ চাকনৈয়াত সোমাই পৰা ঘৰখনত প্ৰায় দুমাহে যেন মানুহবোৰৰ মুখৰ হাঁহি ক'ৰবাত বিলীন হৈ পৰিল, যেন সপোন আৰু আশাবোৰ নিস্তব্ধ হৈ ৰ'ল।

বহুসময় ধৰি আইনখনৰ সন্মুখত সেন্দূৰৰ টেমাটোলৈ ববিতাই থৰ লাগি চাই আছে, ওচৰৰ বিচনাখনতে ল'ৰা-ছোৱালীহালে খেলি আছে। সিহঁতৰ কোলাহলত বহু সময় অতীতৰ মাজত সোমাই থকা ববিতা হঠাৎ উচপ খাই উঠিল। এইবাৰ তাই নিজে পিন্ধি থকা বগা সাজ জোৰলৈ প্ৰত্যক্ষ কৰিলে। বহু সময় ধৰি বুকুত চেপি ৰখা অনুভূতিসমূহ চকুৰে নিগৰি আহিল।

সেইদিনা আছিল জুন মাহৰ শেষৰ দিন, যিদিনাৰ পৰা ববিতাৰ জীৱনৰ পৰা হাঁহি শব্দটো যেন নাইকিয়া হৈ গ'ল। সেইদিনা সিহঁতৰ ঘৰৰ টেলিফোনটো দোকমোকালিতে বাজি উঠিছিল। প্ৰায় দহদিন ধৰি আই.চি.ইউ.ত ৰখা ববিতাৰ গিৰিয়েকৰ চিন্তাত ভাগৰি পৰা মাকজনীয়ে ফোনটো ল'লে। দুখ-বেদনাৰে জৰ্জৰিত হৈ পৰা দেউতাকে পোনাৰ মৃত্যুৰ বাতৰি দিছিল। একমাত্ৰ পুত্ৰক হেৰুৱাৰ বাতৰি পাই মাকজনী কান্দি আউলি-বাউলি হৈ গ'ল শোৱনি কোঠাৰ পৰা ওলাই অহা ববিতাই কথাষাৰ জানিব পাৰি নিথৰ হৈ পৰিল, চাৰিওফালে আন্ধাৰ দেখিবলৈ ল'লে।

এজন দুজনকৈ বহু মানুহ ঘৰখনলৈ আহিল। কোনোবাজনে আশ্বাস দিলে, কোনোবাজনে আকৌ তাইৰ ভাগ্যকে দোষাৰোপ কৰিলে। সকলোৱে অপেক্ষা কৰি ৰ'ল পোনাৰ মৃতদেহ ঘূৰি অহালৈ।

সেই সময়ত নামঘৰত ডবা বাজি উঠিছে, চৰাই-চিৰিকতিবোৰে নিজৰ বাঁহলৈ ঘূৰিছে, সেই সময়ত সিহঁতৰ ঘৰৰ সন্মুখত এম্বুলেন্সখন ৰ'লহি। মৃতদেহটো নমাই অহা লগে লগে ল'ৰা-ছোৱালীহালে দেউতা আহিছে বুলি উধাতু খাই দৌৰি গ'ল। কিন্তু নিথৰ দেহটোৰ পৰা একো সহাঁৰি নাপাই ককাকৰ গাতে সাবতি ধৰি কান্দিবলৈ ল'লে। হয়তো সিহঁতে কিবা বুজি পাইছিল। মৃতদেহটো চোতালত শুৱাই দিয়া হ'ল, পৰিয়ালৰ লগতে সকলোৱে কান্দিলে। কিন্তু ববিতা মৃতদেহটোৰ কাষতে নিশ্চুপ হৈ বহি ৰ'ল।

সেইদিনাখন দেওবাৰ আছিল, পাছদিনা ল'ৰা-ছোৱালী কেইটাৰ বাবে ঘৰত নাম এভাগ পতা কথা আছিল। বজাৰ কৰি অহাৰ উদ্দেশ্যে ওলাই গৈছিল পোনা। আনদিনাৰ দৰে ববিতাই সেইদিনাও গাড়ীৰ চাবিটো আৰু হেলমেটটো আনি দিছিল। কিন্তু সেইদিনাও গিৰিয়েকে হেলমেটটো নিয়াত আপত্তি কৰিলে। বহুসময় হৈছিল কিন্তু পোনা সেইদিনা সময়ত ঘৰ পোৱাহি নাছিল। কিবা এক অচিন ভাৱনাত ববিতাৰ বুকুখন ঢপঢপাইছিল। এটা সময়ত ঘৰৰ সকলোৱে শুবলৈ বুলি ল'লে, সেই সময়তে খবৰ আহিল যে পোনাৰ দুৰ্ঘটনা হৈছে। ঘৰলৈ আহি থাকোতেই হঠাৎ দুৰ্ঘটনাটো হৈছিল। বহুসময়ৰ পিছত দুৰ্ঘটনাস্থলীৰ ফালে কোনোবা এজন যাওঁতেই পোনাক প্ৰত্যক্ষ কৰিছিল। খবৰটো পাই ততাতৈয়াকৈ ওচৰৰ চিকিৎসালয় এখনলৈ লৈ যোৱা হৈছিল। উপযুক্ত চিকিৎসা নোপোৱাত তেওঁক চহৰৰ এখন মেডিকেল লৈ যোৱা হৈছিল। কিন্তু পোনাৰ অৱস্থাটো প্ৰত্যক্ষ কৰি যোৰহাটৰ এখন মেডিকেললৈ লৈ যোৱাৰ সিদ্ধান্তহে লৈছিল। সেই সময়ছোৱাত খুব বেছি বৰষুণ হৈছিল সেইবাবে যোৱাটো কম সময়ত হ'ব পৰা নাছিল। সিফালে চিকিৎসাৰ অভাৱত পোনাৰ অৱস্থা বেয়া হৈ আহিছিল। অতি কষ্টৰ পাছত যোৰহাটত প্ৰাইভেট হস্পিটেল এখনত উপস্থিত হৈছিল যদিও তাত অৱহেলিত চিকিৎসকৰ মুখামুখি হৈছিল। তাত পোনাক দুদিন ৰখা হৈছিল। তাতো চিকিৎসকে চিন্তা কৰিব লগা কথা নাই কৈ সৰু-সুৰা চিকিৎসা কৰি থাকিল। পোনাৰ অৱস্থা দিনক দিনে বেয়াৰ ফালেহে ঢাল খাই আহিল। প্ৰাইভেট হস্পিতালত হাজাৰ হাজাৰ টকাৰ দৰবহে কিনা হৈছিল কিন্তু পোনাৰ স্বাস্থ্যৰ উন্নতি হোৱা নাছিল। তথাপিও হস্পিতালৰ মানুহে উন্নত চিকিৎসাৰ বাবে পঠিওৱা নাছিল। পৰিয়ালৰ দাবীতহে চিকিৎসকে ডিব্ৰুগড়ৰ মেডিকেললৈ প্ৰেৰণ কৰিছিল। যথেষ্ট সময়ৰ পিছত যেতিয়া ডিব্ৰুগড় এখন মেডিকেলত ভৰ্তি কৰোৱা হ'ল, তেতিয়া পোনাক ততাতৈয়াকৈ চিকিৎসকে লৈ গৈছিল আই.চি.ইউ লৈ। তেতিয়া ঘৰৰ মানুহখিনি বহুত বেছি হতভম্ব হৈছিল। তাত চিকিৎসকে জনাইছিল যে সময় বহু কম, তেওঁলোকে বহু পলম কৰিলে। ইতিমধ্যে মূৰত আঘাত পোৱাৰ বাবে পোনাই চেতনা হেৰুৱাইছিল। বহু চেষ্টা কৰিছিল চিকিৎসকে, বহু কৌশল প্ৰয়োগ কৰিছিল যাতে পোনা সুস্থ হওঁক কিন্তু তাৰ বাবে বহুত পলম হৈ গৈছিল।

সপোন দেখিবলৈ আৰম্ভ কৰা ববিতাৰ সংসাৰখন নিমিষতে থানবান হৈ গ'ল। সময়ত চিকিৎসা পোৱা হ'লে তাই আজি বিধৱাৰ সাজ পিন্ধিব লগা নহ'ল তেহেঁন। অৱহেলিত চিকিৎসকৰ পৰিণতি তাইয়ে বা কিয় ভোগ কৰিব লগা হ'ল? জীৱনৰ আহি থকা সময়ছোৱাত প্ৰতিটো খোজতে ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'ব লগা তাইৰ কণমানিহালৰ কথা ভাবি ববিতাৰ বুকুখন বিষাই যায়।

সময়বোৰ গৈ থাকিল। মাক-দেউতাকে মাজে মাজে পুতেকৰ অনুপস্থিতি উপলব্ধি কৰি চকুলো টোকে। লাহে লাহে ঘৰখন সহজ হৈ পৰিছে আগৰ দৰে। কিন্তু সহজ হ'ব পৰা নাই ববিতা। প্ৰতিটো ক্ষণতে তাই অনুভৱ কৰে পোনাৰ অনুপস্থিতি। কেতিয়াবা আকৌ সাহসেৰে মনটো শক্তিশালী কৰি কণমানিহালক ডাঙৰ কৰাৰ কথা ভাবে। কিন্তু যেতিয়াই তাই উকা কপালখন আৰু দেহৰ বগা সাজজোৰলৈ চকু পৰে পলকতে তাই সকলো হেৰাই যোৱা অনুভৱ হয়। ব্যস্ততাৰ মাজত নিজকে সোমোৱাই ৰাখিব বিচাৰিলেও কিন্তু ববিতাৰ বাৰে বাৰে মনত একেটা প্ৰশ্নই উদয় হয় যে প্ৰকৃততে পোনাৰ মৃত্যুৰ বাবে দায়ী কোন? অৱহেলা কৰা সেই চিকিৎসক সকল নে? নে কম সময়তে বিধৱা হ'ব লগা হোৱাটো সমাজৰ এচাম লোকে কোৱাৰ দৰে তাইৰ ভাগ্যৰ দোষ? ◆

স্নাতক প্ৰথম যান্মাসিক(কলাশাখা)

# Ardour for a lifeless

**Rupam Saikia**

Having a long walk from the playground carrying his football boots in his hands with his headphones in his ears, playing his favourite song realising how unconventional life can be.

It was of those days when cricket was the most popular sport all over the world. And he was in his best chapter of life known as 'school life'. All his friends were crazy about cricket but he found it boring because he was never given the bat or the ball by his friends. He used to stand in the back of the wicket keeper (3rd man) in excessive heat of sunlight and the ball never came to him and he waited for the ball just to throw the ball back to the wicketkeeper. Yes! he was poor in the game of cricket. He was the last batsman in his friends team and he was not popular among his friends until one day he scored the winning run for the team. His teammates were excited and happy but he got no idea how his bat got in touch with the ball. He just closed his eyes and tried to hit the ball and it went to the boundary. From that day, he earned some respect from his friend. But still for him cricket was boring.

It was so because he grew up in a bangalow in a tea garden surrounded by only tea plantation and greenery everywhere. He grew up hearing the sweet voice of the birds and the pleasant wind touching his face every morning. He saw there were women who used to carry a basket made of bamboo in their head and they use to pluck the leaves of the tea plant. He used to be amazed to see a vehicle with very large tyres. Later his father told him that this vehicle is known as a tractor. There were workers in the bangalow and one evening they took him and his sister to their residence. There he saw a group of people running for a ball in a paddy field. An old man, sitting beside him told that it is known as foot ball. The old man also added "All he learned about life with a ball in his feet". He got excited and wanted to join the group of people but a worker held his hand and he didn't allow him to play as the worker was worried because he might get hurt.

On the very next morning, he forced his father to bring him a football and football shoes(boots). After 3-4 days for the first time his feet touched the beautiful thing called football. Soon he started playing with some of the workers in the evening. They were so passionate about the game that they taught him how to kick the ball, how to pass the ball. All he did as a 2nd standard kid was to shoot the ball to the goal post. Television was the source from where he learned half of the rules and regulation of the game. He started to play football in school, while his friends were interested in cricket. Sometimes he realised that he was the only boy who used to play with a football in his feet.

Time passed by. He was in 6th standard.

Luckily, his friends gained interest in football. He was very happy to see that happen. And in recess time he used to play for half an hour with his friends. Gradually, some of his friends found their talent in football. There was an under - 13 trial for the district team. His friends informed him and he was very excited. However when he asked for the permission to his parents, unfortunately, he was not allowed to attend the trial as his house was too far from the place that the u - 13 trial was going to be held. Later he got to know that 3-4 of his friends got selected in the trial. He was happy for them but deep inside him he felt very sad. He moved on, then it came the inter-school competitions. He was so unlucky that he went to visit his uncle's marriage not knowing that the selection of the school football team was going to be held. One of his friends informed him about it. But it was impossible to return. He immediately came from his uncle's house and attented the last day of selection but he didn't get selected as the team was already made. For the first time in his life, he cried for something except beatings and scolding from his parents. On that day, he promised himself that he would be a better player and dreamed one thing, to be a "State level football player".

Days passed by. He was in 8th standard working hard to do well in exams. Lots of extra classes, homeworks etc.There were friends in his residence who used to come to his home for playing football. They informed him that they play in a playground with many boys and even the inter-garden football team comes there to practise. He immediately asked his parents to allow him. His father agreed but mother didn't. But still he went there he started practising with them every evening. Gradually he improved his game and he got selected in the inter-garden football team. He won games and lost games but he got one thing that's experience.

But in the month of october 2014. His life Took a u-turn. He faced two tragedies that changed his life. His father expired and due to which he with his mother and sister had shift to their original residence. Football was gone from his life and now he was a 96 kg boy doing nothing but sleeping.

Gradually he moved on. Now he was in a new town. Though he was in his original place yet there were more friends. He used to cycle around the place and one wining he saw some players playing football and there was a coach training them. Next day, he came to the playground. All the players were staring at him as he was a fat boy unknown to everyone. The coach called him up and asked his name, address etc. Then the coach asked him "why do you play football?" He just replied because he loved it, he also added that football is his favourite game since class two. The coach just smiled and gave him a jersey for practice. There he saw that all the players were of state level,National level and some of them were of International level. In the first practice game that he played with them, he was nothing but a statue. They were so fast and they never passed the ball to him. Gradually he made friends there. He never missed a single day without practising football. He learned, he made mistakes, he got injured, he got tired he experienced excessive pain, he pushed his limits to its extent, he showed his dedication and passion for the game. He worked hard like never before , his endurance got tested but it never made him to give up rather he started to love the game more and more because it was the true him. He expressed all his unspoken words through football. Football took a step forward when his voice stepped back. And one day his childhood dream came true.

This story is to describe the love for the game. And trust me, you don't need humans to fall in love.

Some one truly said:-

"Playing football with your feet is another thing.

But not everyone plays with their heart."

"A game is a game. It's not fun."
"It's not just a game, It's life !"

**B.Com 2nd sem**

## অনুবাদ গল্প

মূল ঃ দো ভাই(দো ভাই)
গল্পকাৰ ঃ প্ৰেমচান্দ

# দুই ভাই

প্ৰত্যাশী বৰা

পুহ মাহ। ৰাতিপুৱা বেলিৰ মিঠা সোণোৱালী ৰ'দ। কলাৱতীয়ে নিজৰ দুই পুতেকক, দুই উৰুত বহুৱাই গাখীৰ-ৰুটী খুৱাইছিল। কেদাৰ ডাঙৰ মাধৱ সৰু। দুয়ো মুখত ৰুটী ভৰাই মাকৰ কোঁচৰ পৰা উঠি ওলাই আহি কেইখোজমান আগবাঢ়ি, জঁপিয়াই জঁপিয়াই আকৌ মাকৰ উৰুত বহি দিয়ে। মাত ভালকৈ ফুটি উঠা নাই যদিও দুয়ো বালকৰ হৃদয়ত উদ্‌গাৰ ফুটি উঠিছে আৰু গাইছে-

'হে দেৱ, ৰ'দ দিয়া, আমি দুয়ো তোমাৰ বালক। ঠাণ্ডা লাগিছে।'

মাক কলাৱতীয়ে সিহঁত দুটাক চুমা খাই, মৰমতে মাতে আৰু খুৱায়। তাইৰ হৃদয়ৰ উৎসাহ আৰু চকু দুটাত মাতৃৰ গৰ্বৰ ছাঁ আছে। দুয়ো ভাই ডাঙৰ হ'ল। দুয়ো একেলগে কান্ধত হাত দি ডিঙিত হাত ধৰি ফুৰে। কেদাৰ বুদ্ধিত চোকা। মাধৱ কিন্তু লোদোৰ-পোদোৰ। দুয়ো একেলগে পঢ়িবলৈ যায়। দুয়ো একেলগতে খায় আৰু একেলগে থাকে। লগ নেৰে। দুয়োৰে বিয়া হ'ল। কেদাৰৰ জনীৰ নাম হ'ল চম্পা। তাই অমৃতভাষিণী আৰু চঞ্চলা। মাধৱৰজনী হ'ল শ্যাম। তাই শ্যাম-সলোনী আৰু ৰূপৰাণীৰ খনি। বৰ মৃদুভাষিণী, বৰ সুশীলা আৰু শান্ত স্বভাৱৰ।

কেদাৰ চম্পাৰ ওপৰত ক্ষুব্ধ। মাধৱ শ্যামাক লৈ লুব্ধ। কিন্তু মা কলাৱতীৰ মন কোনোজনীৰ লগত নিমিলে। দুয়োজনীকে ভাল পায় আৰু দুয়োজনীকে বেয়া পায়। দুয়োগৰাকীৰ শিক্ষা-দীক্ষাৰ অধিকাংশ ভাগ, এই এক ব্যৰ্থ চেষ্টা হৈছিল যে চম্পাৰ কাৰ্যনিপুণতাৰ এক অংশও শ্যামাৰ শান্ত স্বভাৱক লৈ সলনি কৰাব নোৱাৰিলে।

দুয়োটা ভায়েকৰ সন্তান জন্ম হ'ল। সেউজীয়া দুই গছজোপাই ফলেৰে ভৰি পৰিল। কুৎসিত গছজোপাই কেৱল এটা ফল দিলে, যি মৰহি যোৱাৰ বিধৰ। তাৰ বাবে প্ৰাণী অপ্ৰসন্ন। মাধৱ ধনৰ লালসা কিন্তু কেদাৰৰ সন্তানৰ অভিলাসা।

ভাগ্যৰ এই কূটনীতিৰ খেলখনহে লাহে লাহে দ্বেষ ভাৱলৈ পৰিণত হ'ল। যি এক প্ৰকাৰে স্বাভাৱিক কথা। শ্যামাই নিজৰ সন্তানটোক ভাল কৰাত ব্যস্ত। গতিকে অকণো মূৰ দাঙিবলৈকে সময় নাপায়। বেচেৰী চম্পাই অকলে ঘৰখনৰ সকলো কাম-কাজ কৰিব লাগে। ঘৰৰ এই অন্যায়ত চম্পাই কেতিয়াবা কটু শব্দ ব্যৱহাৰ কৰে। শ্যামাই নুশুনাও নহয়, মনত বেয়া পায় যদিও সহ্য কৰি থাকে। এই ক্ষেত্ৰত সহনশীল স্বভাৱৰ চম্পাৰ খং ভাৰ শান্ত হোৱাতকৈ আৰু প্ৰজ্বলিত হয়। এনেকৈ লাহে লাহে খঙৰ পিয়লা ভৰি গ'ল। যেনেকৈ হৰিণা পহুৱে নিজৰ পলোৱাৰ ৰাস্তা পাহৰি গৈ, চিকাৰীৰ ফালে ঢাপলি মেলে তেনেকৈ চম্পা আৰু শ্যামাই সমকোণী ৰেখাডালৰ দৰে আঁতৰি গ'ল। দুয়ো বেলেগ হ'ল। সেই একেদিনাই, একে ঘৰত, দুটা চৌকা হ'ল। দুয়ো ভাইৰ খাবলৈ নহ'ল। ঘৰখনত একোকে নাই। কলাৱতী গোটেই দিন কান্দি থাকিল।

কেইবা বছৰো পাৰ হৈ গ'ল। দুয়ো ভায়ে কোনো এটা সময়ত গাত গা লগাই বহিছিল। একেখন থালতে খাইছিল। একে বুকুৰ গাখীৰ খাইছিল। এতিয়া কিন্তু একেখন ঘৰতে, একেলগে সিহঁতৰ থকা টান হৈ পৰিছে। অৱশ্যে বংশৰ মৰ্যাদাৰ কোনো ক্ষতি হোৱা নাই। গতিকে মনৰ হিংসা আৰু দ্বেষৰ জ্বলি থকা জুই কুৰাক ছাইৰে ঢাকিবলৈ কৰা চেষ্টা ব্যৰ্থ হৈছিল। দুয়োৰে মাজত এতিয়া ভ্ৰাতৃত্ববোধৰ ভাব নাই। আছে যদি কেৱল ভাতৃ হোৱাৰ লাজ। মাক জীয়াই আছে। দুই পুত্ৰৰ মাজত থকা বৈষম্য দেখি থাকে। চকুপানী টুকিবলৈ ধৰে। তাইৰ হৃদয়ত প্ৰেম আছে যদিও চকুত অভিমানৰ ভাব নাই। ফুল আগৰ পাহেই, কিন্তু সৌন্দৰ্য নাই।

দুয়ো যেতিয়া ল'ৰা হৈ আছিল তেতিয়া ইটোৱে সিটোক কন্দা দেখিলে কান্দে, হঁহা দেখিলে হাঁহে। তেতিয়া সিহঁত অবুজ আৰু সৰল আছিল। আজি কিন্তু ইটোৱে কন্দা দেখিলে, সিটোৱে হাঁহে আৰু হাতচাপৰি বজায়। ইহঁত এতিয়া কিন্তু বেচ বুজা আৰু বুদ্ধিমান।

যেতিয়া সিহঁতৰ মনত আপোন পৰ ভাব নাছিল, তেতিয়া কোনেও সিহঁতক আঁতৰাই ৰাখিব নোৱাৰিছিল। এটা নথকাত আনটোৱে ইটোৰ কাৰণে মাটিত বাগৰি দিছিল। কোনোবাই যদি দুটাৰে এটাক টানি লৈ গুচি যায় আনটোৱে মানুহজনৰ চোলাৰ কলাৰত ধৰে। এতিয়া কিন্তু কোনোবাই এটা যদি মৃত্যুমুখী বেমাৰত পৰে, আনটোৰ চকুত এটোপালো চকুলো নসৰে। সিহঁতে যে এতিয়া আপোন পৰৰ জ্ঞান লাভ কৰিছে!

বেচেৰা মাধৱৰ দশা অতি শোচনীয়। খৰচ অধিক, আমদানি কম। তাৰ উপৰি কুল-মৰ্যাদাৰ নিৰ্বাহিও কৰিব লগা হৈছে। তাৰ হৃদয়ে কান্দে, কিন্তু ওঁঠত হাঁহি। হৃদয় লাগিলে মলিনে হওক কিন্তু কাপোৰ লেতেৰা হ'ব নালাগে। চাৰিটা ল'ৰা, চাৰিজনী ছোৱালী। আৱশ্যক বস্তুৰ দাম মুকুতাৰ মূল্যৰ দৰে অধিক। কেইটকীয়া খেতি, কেনেকৈ ঘৰখন চলে? ল'ৰাৰ বিয়া নিজৰ বশত, কিন্তু ছোৱালীৰ বিয়া কেনেকৈ দিব পাৰিম? প্ৰথমজনীক বিয়া দিওতেই কিছু মাটি বিক্ৰী গ'ল। তথাপিও বৰযাত্ৰীয়ে নোখোৱাকৈ গুচি যাব লগা হ'ল। দ্বিতীয়জনীৰ বিয়াত শেষ মাটিখিনিও নাইকিয়া হ'ল। তৃতীয়জনী দিওঁতে গছজোপা আৰু তাৰ পাতো গ'ল। পিছত ৰোৱা এজোপা গছ আছে।

"কিন্তু দৰিদ্ৰতা আৰু সম্পত্তিৰ মাজত থকা সম্বন্ধ হৈছে মাংসৰ কুকুৰৰ দৰে।" ছোৱালীজনী বিয়া দিয়াৰ কিন্তু বন্দৱস্ত হৈছে। ইতিমধ্যে মাধৱৰ ওপৰত ছবছৰৰ পুৰণি বাকী খাজনাৰ নটিচ আহি পালে। ছোৱালীজনীৰ কাৰণে গঢ়োৱা গহনা বন্ধকত গ'ল। তাইৰ ডিঙি, কাণ আৰু নাক খালী। কেদাৰৰ পত্নী চম্পাই এই বেয়া দিন অহাৰ অপেক্ষাতে আছিল। তাই লগে লগে নতুন মিতিৰক জনালে যে তোমালোকে নিশ্চিত হৈ আছা। ইয়াত কি কি বিক্ৰী হৈ গৈ আছে। পিছদিনাই নতুন মিতিৰৰ মানুহ আহি পালে। এতিয়া বেচেৰা মাধৱৰ ডিঙিত ফাঁচী। টকা ক'ৰ পৰা আহিব। মাটি নাই, বাৰী নাই, থাকিল এটা বিশ্বাস। সেইটোও এদিন শেষ হৈ গ'ল। যদি অকণমান কিবা আছে, তেনেহ'লে সেইটো হ'ল থকা ঘৰটো। য'ত থাকি জীৱন শেষ কৰা হৈছে। তাৰো কোনো গ্ৰাহক নাই। খাজনা বিলম্ব হ'লে নাক কটা যাব। বাধ্য হৈ মাধৱ কেদাৰৰ ওচৰলৈ গ'ল আৰু চকুলো টুকি ক'লে- দাদা মই বিৰাট সংকটত। মোক সহায় কৰা।

কেদাৰৰ উত্তৰ হ'ল- মাধৱ, আজিকালি মোৰো অসুবিধা, সঁচা কৈছো। চম্পাই এই অধিকাৰপূৰ্ণ সুৰত কৈছে- হেৰি, এওঁৰ কাৰণেও অসুবিধানে? আমি বেলেগ হ'লো হয়, কিন্তু আমাৰ সন্মান বেলেগ হোৱা নাই। কেদাৰে চম্পাৰ ফালে কেৰাহিকৈ চালে আৰু ক'লে- নাই, নাই, সেই প্ৰয়োজনত কথা কোৱা নাছিলো। কথা হ'ল যে বৰ্তমান মোৰ হাত খালী। তথাপিও কিবা ব্যৱস্থা কৰিব লাগিব।

চম্পাই মাধৱক সুধিলে- বিশ-পঁচিশ টকাৰে হয়তো গহনা বন্ধকত দিয়া হৈছে। মাধৱে উত্তৰ দিলে-হয়, কিন্তু সুতে-মূলে এশ বা ডেৰশ টকা হ'বগৈ পাৰে।

কেদাৰে ৰামায়ণ পঢ়ি আছিল। আকৌ পঢ়িবলৈ লওঁতে চম্পাই তত্ত্বৰ কথা মেলিলে। কৈছে, টকা হ'লে আছে, কিন্তু আমাৰ হাতত নাই। থকা হ'লে কথা নাছিল। কিন্তু আমি আনৰ পৰা দিয়াৰ সুবিধা কৰাই দিব লাগিব। মহাজনে লিখা-পঢ়া নকৰাকৈ টকা নিদিয়ে।

মাধৱে ভাবিছে লিখা-পঢ়া কৰি ধন ল'বৰ কাৰণে মোৰ আছে কি? নিজৰ কিবা থকা হ'লে মহাজনৰ ওচৰতে নিজেই গ'লোহেঁতেন, তোমাৰ তালৈ কিয় আহিব লাগে? আৰু ক'লে লিখা-পঢ়া কৰি ধন ল'বৰ কাৰণে মোৰ আছে কি? কিবা আছে যদি তেনেহ'লে থকা ঘৰটো।

কেদাৰ আৰু চম্পাই পৰস্পৰে ইটোৱে-সিটোক মৰমৰ চকুৰে চালে। আৰু মনতে ক'লে- আজি সঁচাকৈ জীৱনৰ আটাইতকৈ ডাঙৰ অভিলাষাটো পূৰ্ণ হ'ব নেকি? হৃদয়ৰ এটা উৎসাহ মুখলৈ আহি এক গম্ভীৰ ৰূপ ধাৰণ কৰিলে। চম্পাই গহীন হৈ ক'লে-কোঠাটোৰ কাৰণে কোনো মহাজনেও টকা নিদিয়ে। গাঁৱৰ ৰুম নগৰত থকা হ'লে মহাজনে ভাৰাটো দিব পাৰে। ইয়াত তাৰ কোনো মূল্য নাই। তাতকৈ ডাঙৰ কথা হৈছে যে কোঠাটো আমাৰ মাজত ভাগ কৰা হোৱা নাই।

কেদাৰে ভয় খালে। চম্পাৰ কঠোৰ মনোভাৱে খেলখন বেয়া কৰি পেলাব নেকি? তেওঁ লগে লগে ক'লে -এজন মহাজনৰ লগত মোৰ ভাল চিনাকি আছে। ক'লেই কিজানি মান্তি হয়। চম্পাই মুৰ জোকাৰি হয় কৰিলে আৰু স্বামীৰ যুক্তিৰ প্ৰশংসা কৰি ক'লে- কিন্তু টকা হ'লে বেছি নাপায়।

কেদাৰে সাহসেৰে ক'লে- হেৰি হেঁচা দিয়া হ'ব। ধন দিব। আৰুনো কি? এইবাৰ চম্পাই তীব্ৰ দৃষ্টিৰে স্বামীলৈ চাই অন্যমনস্কভাৱে ক'লে- মহাজন অন্ধ নহয়।

মাধৱে দাদা আৰু নবৌৰ এই ৰহস্যটো কিছু বুজি পোৱা হ'ল। সি আচৰিত হৈ ভাবিছে, ইহঁতে ইমান বুদ্ধি কৰপৰা পালে? সি ক'লে-আৰু বাকী টকা ক'ৰপৰা হ'ব। চম্পাই অমনোযোগ ভাৱেৰে ক'লে-আৰু টকাৰ কাৰণে তুমি চিন্তা কৰা? এই দুটা কোঠাৰ বাবে ১৫০ টকা কোনেও নিদিয়ে। গতিকে বাকী টকা মহাজনৰ পৰাহে কৈ মেলি দিয়াব লাগিব। কিন্তু লিখা-পঢ়া কৰি দিব লাগিব।

মাধৱে এই ৰহস্যটোক লৈ শংকিত হ'ল। সি ভয়ভীত হৈ ভাবিছে যে এওঁলোকে মোৰ লগত কিবা ষড়যন্ত্ৰ কৰিছে। সি দৃঢ়তাৰে ক'লে- মইনো কি কৰিম? গহনা থকা হ'লে বন্ধকত

থ'লোহেঁতেন, ঘৰত কেঁচা সূতাও নাই। যেতিয়া বদনামেই হ'ল তেনে কম বেছি হোৱা টকাক লৈ নাভাবো। যদি ঘৰ বিক্ৰী কৰি নাক ৰাখিব পৰা হয়, তেনেহ'লে এই কামটোও নকৰো। কেৱল নামৰহে চিন্তা। দেনাদাৰীক নিদিওঁ বুলি কওঁ, তেনেহ'লে মোক কোনোবাই কি কৰিব পাৰিব? সঁচা কথা ক'বলৈ গ'লে নিজৰ নামক লৈ চিন্তা কৰা নাই। মোকনো কোনে জানে? সকলোৱে দাদাকহে জানে। দাদাকহে হাঁহিব।

কেদাৰৰ মুখ শুকাই গ'ল। চম্পাৰো মূৰ্ছা যোৱা অৱস্থা হ'ল। তাই নিজকে বৰ চতুৰ ৰমণী বুলি ভাবিছিল। তাই মাধৱক মূৰ্খ বুলি ভাবিছিল। সি এনে দৃঢ় বাক্য কৈ পেলাব বুলি আশা কৰা নাছিল। এতিয়া তাই মাধৱক আদৰেৰে কৈছে- লল্লু তুমি কেতিয়াৰ পৰা সাহসী ল'ৰাৰ নিচিনাকৈ কথা ক'ব পৰা হ'লা। তুমি চিন্তা কৰি চোৱা, আমাৰ এই জুপুৰি ঘৰটো এশ টকা দি কোনে কিনিব? তুমি মাত্ৰ এশ টকাৰ দিওঁতাৰ ব্যৱস্থা কৰি দিয়া, মই মোৰ ভাগটোকে বেচি দিম। মোৰ ভাগো সমানহে। এই পোৱা ধনেৰে তোমাৰ কাম হ'ব। সন্মান আমাৰ তোমাৰ একেহে। তোমাৰ পৰা পোৱা টকাৰ হিচাপ আমাৰ খাটাত থাকিব।

মাধৱৰ ইচ্ছা পূৰ্ণ হ'ল। সি বাজী মাৰিলে, সি ভাবিছে- মোক টকাহে লাগে। যিমানে দিয়ক আৰু খাটাত লিখক। ঘৰৰ কথা, তাক মই কেতিয়াও নেৰোঁ। তাৰ মন ভাল লাগিল আৰু তাৰ পৰা গুচি গ'ল। তাৰ পৰা গুচি যোৱাৰ পিছত কেদাৰ আৰু চম্পাই নিজৰ কপট ৰূপ ত্যাগ কৰি ভালেমান সময় ধৰি দুয়ো আজিৰ কটু চুক্তিৰ ওপৰত চিন্তা-চৰ্চা কৰি বুজিলে যে- আমাৰ এই চুক্তিখন ত্ৰুটীপূৰ্ণ হ'ল। শেষত দুয়োৱে নিজৰ মনটোক এইদৰে বুজালে যে আহাৰ বৰ মধুৰ নহ'লেও ভাত কিন্তু ডাঙৰ থালত ভৰা। থাকিলে ঘৰৰ কথা। দেখা যাওক শ্যামাৰাণীয়ে তাত কেনেকৈ থাকি ৰাজ কৰিব?

কেদাৰৰ দুৱাৰমুখত দুটা বলধ গৰু। সিহঁতৰ মাজত সংঘশক্তি, কিমান যে বন্ধুত্ব আৰু কিমান যে প্ৰেমভাব! দুয়ো একেখন যুৱলিত জোঁট হয়। দুয়োটাৰ মাজত কেৱল এয়া সম্বন্ধ। কেইদিনমান আগতে ইয়াৰ এটা চম্পাৰ মাকৰ ঘৰলৈ যাব লগা হ'ল। এটা গৰু গুচি যোৱাৰ পিছত আনটোৰ বেজাৰ আৰু দুখ। কেইবাদিনো সি একোকে নাখালে। কাৰণ শোক। একে কোলাত খেলা, একে বুকুৰ গাখীৰ খোৱা দুই ভাই আজি ইমান পৰ হৈ পৰিছে যে একেখন ঘৰত থাকিবৰ মন যোৱা নাই।

ৰাতিপুৱাৰ সময়। কেদাৰৰ ঘৰত গাওঁখনৰ প্ৰধান আৰু কেইজনমান বিশিষ্ট ব্যক্তি আহি গোট খাইছে। মুন্সী দাঁতা দয়ালে অতি অভিমানেৰে খাটখনত বহি চুক্তি নামাৰ দলিলখন ঠিকঠাক কৰাত ব্যস্ত। বাৰে বাৰে কলম হাতলৈ তোলে, বাৰে বাৰে কাগজখন লয়, কিন্তু ৰৈ দিয়ে। কি লিখিম? এই ফুটনিত মানুহজন থাকিব। কেদাৰৰ মুখমণ্ডল বিকশিত। চম্পা অতি আনন্দিত। মাধৱে কিন্তু মন মাৰি বহি আছে।

প্ৰধানে ক'লে- ক'ব লাগিব। ভাই হ'লেই এনেকুৱা হয়। পৰমহৈতিষী, নাই কোনো শত্ৰুতা। মানিব লাগিব। কেদাৰে ভায়েকৰ লাজ ৰাখিছে।

আন এজন বিশিষ্ট ব্যক্তিয়ে অনুমোদন জনাই ক'লে- হয়, ভাই এনেকুৱাই হ'ব লাগে।

প্ৰধানে ক'লে- ভাই, সু-পুত্ৰজনেহে এই কাম কৰে।

দাঁতাদয়ালে ক'লে- চুক্তিনামাখনত মাটি দিয়াজনৰ নাম কি?

কেদাৰে ক'লে- মাধৱৰ পিতা শিৱ দত্ত।

মাধৱে ককায়েকৰ ফালে চাই আচৰিত হ'ল। চকুৰ পৰা পানী ওলাই পৰিল। কেদাৰে তাৰ ফালে চাব নোৱাৰা হ'ল। বিশিষ্ট ব্যক্তিকেইজন, প্ৰধান আৰু মুখ তাৰ বিস্মিত। কেদাৰে নিজৰ টকা উলিয়াই দিছে দেখোন। চুক্তি নামাখন আন মহাজনৰ লগতহে হোৱাৰ কথা আছিল। টকা ঘৰতে আছিল, তেনে চুক্তিনামা কিয়? ভাই আৰু ককাদেৱৰ মাজত ইমান অবিশ্বাস। ৰাম, ৰাম। মাধৱৰ কাৰণে ৮০ টকা মহঙা। যদি টকা পোৱা নাই বুলি কয় তেনে টকা পানীত নাযাবনে? সকলোৱে ইংগিতেৰে কথা পাতিছে। সেই মুহূৰ্তত এনে লাগিছিল যে আশ্বৰ্য বাঢ়ি যোৱা গম্ভীৰ পানীত উপস্থিত থকা লোকৰ নাওখন ঢলং-পলং কৰিছে।

শ্যামা দুৱাৰমুখত ৰৈ আছিল। তাই কেদাৰক সন্মান কৰে। আজি লোকলজ্জাই তাইৰ মুখ বন্ধ কৰিলে। নহ'লে তাই ভালকৈ জাৰি দিয়াৰ কথা।

বুঢ়ীমাক কলাৱতীয়ে এই খবৰ পাই তাইৰ হৃদয়ৰ শুকাই যোৱা নদীয়ে আজি ওফন্দি পৰিছে। তাই এবাৰ আকাশলৈ চাইছে, অলপ পিছত মূৰত হাত দিছে, তাইৰ মনত পুৰণি কথা মনত পৰিছে। এনে এটা সুন্দৰ ৰাতিপুৱাতে সিহঁত দুটাক কোলাত তুলি অতি মৰমেৰে গাখীৰ-ৰুটি খুৱাইছিল। সেই সময়ত তাইৰ চকু দুটাত অভিমান, আনন্দ আৰু উৎসাহ আছিল।

কিন্তু আজি? আহ! চকুত লাজ আৰু হৃদয় শোকসন্তপ্ত। তাই পৃথিৱীলৈ চাই কাকূতি-মিনতি কৰি কৈছে- হে নাৰায়ণ এনেকুৱা পুত্ৰ জন্ম ল'ব লাগিছিল নে?

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ(কলা শাখা)

# A Journey to Paradise

**Amlan Gohain**



It all started with me joining the photographic group of Jorhat. One day our Sir, Mr. Shantanu Baruah bought the plan of visiting a place which was beautiful and far away from the human habitation. After a lot of discussion, all of us agreed for the plan to visit the mesmerizing place, *Dzukou Valley* situated at Nagaland and Manipur border.

We started our journey from Jorhat at 5 a.m. in the morning on 22nd June, 2017. Our crew consisted of eighteen members, including two of our teacherS, two ladies, and us. All of us had one thing in common and that was our passion, our love, our camera. We got in the train and landed at Nagaland. Then we boarded two taxies and travelled for about two hours. And finally we reached the point where vehicles couldn't go any further. This was where our real journey began......

The Clock Struck 03:15 pm. Now as the title depicts '*A Journey to Paradise*' everyone could realize what paradise is! It is also known to the humans that to reach such a place you have to go through a lot of tough conditions and this was our turn to face this situation in order to reach our awaited destination. We started climbing the hills, which were wet, cold, and dark as dawn started to engulf us. As it was already getting dark, our guide, teachers shouted *'Get up! Come on! Quick, quick!'*. And after climbing about more than an hour we reached a plain level. It was 04:30 by then and our session of climbing the hills came to an end. Only walking through a little path was left which was very dangerous, slippery and was at the edge of the mountain. By that time I was already exhausted and tired from head to toe, but our teachers/masters inspired us to push ourselves on by

saying *'it's almost there', 'just 10 minutes more'. So* we kept on walking, and walking and walking but alas over an hour passed but still there was no sign of our destination.

The temperature started falling down rapidly, and the fog almost covered the mountains. It was a feeling that can be best described as one is walking on the path to the heaven. In our journey we encountered a broken mid way road which we crossed by helping one another, and that was a point where a feeling was hitting me as if it may be my last day on earth. But who cares, we crossed a few more mountains over a couple of hours. It was dark by now; the place was surrounded by silence all over. Nothing could be heard except for our own footsteps and grunting. The moon appeared in the sky though it was surrounded by clouds and the river down to the ground was shining like a silver road by the reflection of the moon's light.



Suddenly we saw a light not too far from us, and our guide shouted '*we are almost there, hurry up*'. By that time when we were almost half dead, but the small glance of the light suddenly filled us with life and soul again.

But as we moved on towards our only destination, so did the light, as if it was playing game with us. It started raining heavily and our raincoats gave a little support to us. After walking over an hour, we could finally see the house where we were supposed to spend the night. We met some of the familiar beings, yes the humans. Some of them were the local residents while the others were migrants and tourists like us. Coming to know that we almost made it, I gathered up all my energy, ran to the house and just laid down on the bed with a smile on my face as a sign of satisfaction. It was 7:30pm by now. Our tiresome journey of the day ended here.

Next morning at 8:30, we woke and freshen up and had a good cup of tea with bread and butter. After that our time of viewing the paradise (Dzukou Valley) started.

All of us were passionate about photography. We were excited to get some good pictures there. The whole view was so mesmerizing to the eyes. We started our journey in the path of the Valley. We encountered waterfalls, cold rivers, greenery which was free of any pollution ever known to us. The pure oxygen and the smell of the water were just calling me to be a part of them. Finally, the cold moist clouds were above us through which we emerged into it. The view was an adorable one and the feeling was the same as one would have felt in the heaven, which I referred as the paradise on Earth. And thus the story of ***"A Journey to Paradise"*** came to an end. But the memories I gathered there will live with me forever and ever.

**B.Com 1st sem**

# BOOK REVIEW

**Book:** ***Understanding Postcolonialism***
**Author: Jane Hiddleston**
**Published 2014 by Routledge**
**First Published 2009 by Acumen**

**Dr. Jiban Jyoti Kakoti**

Jane Hiddleston has made it clear in the introduction to the book that he will deal with only the philosophical dimensions of postcolonialism. The focus of the book will, therefore, be on the diverse mode of ethical interrogation by postcolonial philosophers. Such a standpoint delimits the scope of the book to philosophical interrogation of postcolonialism skipping thereby any detailed discussion of the politics, economics and literature of postcolonialism.

This book analyses the nuances and implications of multiple manifestations of postcolonialism. It also explores multiple strategies of postcolonialism as conceived by some of the major philosophers and thinkers of the 20th century. Hiddleston is of the opinion that in dealing with postcolonialism, some critics made a problematic division between political, empirical and material effects of colonialism on the one hand, and its ethical dimensions concerning the relations between 'self' and 'other', on the other. These two strands of postcolonialism draw, respectively, from Marxist politics and Levinasian ethics. While addressing these two rather polarized aspects of postcolonial interrogation of colonialism, this book upholds the necessity of addressing both the politics of colonial oppression and its underlying, unethical representational structures at the same time.

While Marx critiques the dominance of ideological superstructure over the economic base structure, which, according to Engels, leads to "false consciousness", Gramsci's approach is different in the sense that his writing analyses together economic conditions and the knotted structure of political and ideological relations that serve to form the social fabric. For Gramsci, unlike Marx, the relation between base economic structures and the hegemonic class is wide ranging and diffuse and is bound up with culture and the spread of values as well as with exploitation. Hegemony for Gramsci is lived social relations rather than just false ideas or illusions. It is also for him a site for struggle as plural subjects under the sway of hegemony asserts their multifarious and contradictory forms of social consciousness. Hiddleston tells us that for Gramsci, again unlike Marx, resistance would be achieved through the creation of a powerful and fully realized self-consciousness. The author also reminds

us that Gramsci's concept of subaltern has been used by Ranajit Guha and Spivak, among others, to examine the insurgency of the Indian Peasantry.

Hiddleston then discusses Louis Althusser's critique of Marx and Gramsci. He points out the theoretical gap in Marx's analysis of the question of how the ideological superstructure works itself into actual economic relations and conditions. Althusser, however, does not rely on Gramsci's theory of hegemony and cultural supremacy in order to explain this point. Rather he is apprehensive about Gramsci's idealistic desire to merge economic infrastructure, exploitation, class struggle, the law and the state under the unifying ambit of hegemony. Althuser notes that while Marx is right in asserting that the ruling class controls both the means of production and the community's mental production, he fails to comprehend the agencies or 'apparatuses' through which dominating class exercise its control over them. For Althusser the state is a "machine" with a set of apparatuses at its disposal to ensure the continued dominance of the ruling bourgeois class. These repressive apparatuses are made up of the army and the police and are complicit with other political apparatuses as the head of the state, the government, and the body of the administration. Althusser asserts that the ideology of the ruling class is promulgated via a plurality of ideological apparatuses such as the education system flourished through schools and colleges, the church, the legal system, communications and the family. Thus for Althusser, unlike Marx and Engels, ideology is not a "falsity" or an illusion or a series of ideas or ruling consciousness, but a concrete set of mechanics. It implies that ideology is not simply a ready-formed consciousness, but an agent of subjectivity. It determines and interpellates individuals into assuming the form of a social subject in the service of the state at the cost of sacrificing the perception of their relation to the means of production.

Hiddleston is of the view that in spite of such limitations in Marx's critique of colonialism and economic exploitation, major revolutionary thinkers such as Franz Fanon and Jean- Paul Sartre derive their understanding of revolt from Marx. More broadly, the concept of ideology as developed by Marx, Gramsci and Althusser feeds into postcolonial denunciation of colonial power as propped up by a system of false images and mirages.

Levinas's work can be seen to be pertinent for postcolonial philosophy because he writes against any conception of subjectivity as totalized, masterful and dominant over the other. Levinas's major works seek to condemn not so much the vocabulary of race as the related notions of the "totality", "sovereignity" and "imperialism" of the self. In *Totality and Infinity*, Levinas maintains that war is the inevitable result of the attempt to conceive the self as entirely whole, self-contained and self-sufficient, since such a conception inevitably leads to oppression or exclusion. The notion of "totality" alludes both to the totalitarianism of National Socialism or of any imperialism, and to Western knowledge itself, according to which the individual conceives himself as a totality and subordinates everything that is exterior to himself. Levinas's main objective in this work consists in criticizing the ways in which Western thought has conceived the self, or Being, as totalized and self-same: it either excludes or assimilates otherness. Levinas laments that in ontology the freedom of Being is prioritized before the relation with the other; indeed, freedom means "the mode of remaining the same in the midst of the other". According to Levinas, the error of Western metaphysics is its reliance on ontology, and war and injustice are presented as direct consequences of this concentration on the freedom of Being to the detriment of ethical relation with the other. Hiddleston then focuses on Franz Fanon's critique of colonialism and asserts that Fanon is at once a political activist and a philosopher. He also highlights Fanon's idea of what it means to be human through an ethical commitment to otherness and to the new. For him Fanon is both a militant and a psychoanalyst, who conceptualizes the human as an endless process of self-creation as opposed to reification and stasis. He advocates at the same time respect for the other's dynamism and denounces the ontological

categorization of the other as well as the practical mechanics of domination. Freedom is at the heart of Fanon's call, unlike that of Levinas, for whom the ethical encounter precedes freedom.

Hiddleston at this juncture brings in Jean-Paul Sartre's critique of colonialism and maintains that he, though building on Fanon, foreshadows subsequent forms of postcolonial theory indebted to poststruturalism. Sartre, like Fanon, argues that colonialism is self-defeating in its very structure. Sartre maintains that the colonizer hates the colonized he oppresses but this hatred means that he wants either to eradicate the colonized, or to collapse the division he relies on by creating an assimilated society. The system as a result requires the colonizer to keep the colonized in a sort of limit position, capable of work but paid the lowest possible wages, and this system inevitably generates rebellion and brings the colonizer's violence back on to himself. The colonial system tries to alienate the colonized people by forcing a foreign language on them, a language that the colonizer could then claim as his own. By undermining the mastery of colonial discourse, Sartre comes close to anticipating Derrida's form of postcolonial critique.

Coming to Mahatma Gandhi, Hiddleston maintains that unlike Fanon, Gandhi disapproved of violence and recommended peaceful forms of protest, together with strength of will. Gandhi's critique of British exploitation in India was moral as well as political. For him, however, the enemy was less the British than the evils of modern civilization embarked on the capitalist system. He, therefore, advocated a return to spirituality and tradition as a strategy for thwarting the onslaught of the colonial system.

Drawing on Gandhi and Fanon, Asish Nandy asserts that colonialism "colonizes minds in addition to bodies". His focus has, therefore, been directed largely to a psychoanalytic understanding of colonialism. Colonialism, according to Nandy, is damaging to both the colonizer and the colonized so far as their self-perception is concerned. He explores the ways colonialism infiltrates into the very perception of it by both the colonizer and the colonized. As a result, the strategy for resistance on the part of the colonized is undermined by a Western universalist discourse on which they rely on in order to interpret colonialism. In this connection he refers to Fanon's imitation of Sartre's style for criticizing colonialism and maintains that "the West has not merely produced modern colonialism, it informs most interpretations of colonialism".

Referring to the Subaltern Studies Collective, Hiddleston asserts that for this group of historians the historiography of Indian nationalism is guilty of upholding "both colonial and bourgeois-nationalist elitism". In contrast to Nandy's psychoanalytic approach, these historians are committed to rewrite the political history of colonial India from the point of view of the 'subaltern'.

Michel Foucault, according to Hiddleston, contributes to the postcolonial philosophy through his assessment of relation between power and knowledge. The Subaltern Studies historians' focus on the working of the colonial and elitist power structures in the exclusion of the "subaltern" from the process of knowledge formation has been reworked into a comprehensive theory by Foucault. Charting the trajectory of madness through history and focusing on the prison system and sexuality, Foucault demonstrates how discourse is instrumental in supporting relations of subjugation.

Edward Said's critique of Orientalist discourse heavily draws on Foucault's theories. This 'academic" discourse serves the purpose of presenting the Orient in the garb of certain images and mirages facilitating and justifying thereby the dominance of the West over the East. In Said's *Culture and Imperialism*, we not only come across cultural impearialism and resistance thereof, but also a kind of postcolonial humanism that calls for an ethical awareness of other's difference. By recommending the importance of "contrapuntal" meeting of cultures, Said paves the way for a more nuanced exploration of the meeting grounds of culture by Homi Bhabha.

Both Jacques Derrida and Homi Bhabha direct their postcolonial critique not so much against

any particular regime(s) as against the ethnocentrism of Western metaphysics. Both of them target not the mechanics of colonial exploitation but the structure of the Western *episteme*, which positions the European subject at the centre and subordinates other cultures. Derrida in particular is concerned with the ethical dimension of this issue, which he draws on Levinas. For Derrida, ethics and politics are different, but inseparable. Bhabha, relying on Derrida's postcolonial theories, deconstructs the masterful colonial discourse and supplement it by the one(s) based on the native's difference. This notion is based on his theory of cultural hybridity, which challenges the idea of any "unified postcolonial category". By focusing on minority rights in his later works, Bhabha upholds a humanism which steers towards a celebration of "the dynamism and mobility of cultural identity".

Working on the "deconstructive ethics" of Derrida, Abdelkebir Khatibi and Edouard Glissant ground this ethic on specific geographical locations. This is, however, not the denial of universality, but an acceptance of the specific to bring forth a "broader ethics of relationality", which is both local and global. It thus facilitates the conceiving of local history with the intention of promoting freedom and multiplicity. Khatibi makes an alignment between deconstruction and decolonization by focusing on the importance of accepting the multiplicity of Maghreb in terms of upholding its internal differences instead of asserting "an essentialized notion of a traditional past". He advocates a "*pensee autre*" or "other thought" that would attend to cultural and linguistic differences. He also advocates a theory of bilingualism in order to assess the alienating effects as well as the creative potential of writing across two languages. His theory of bilingualism is inseparably connected with his exploration of multiple cultures—Moroccan, Arab and Islamic. This problematizes any attempt at conceiving Arab culture in generalized terms.

Though not unrelated to Khatibi's "*pensee autre*", Glissant advocates, unlike the former's bilingualism, "a chaotic melting pot of languages and cultures" relating the specific place of the Caribbean with the rest of the world. He also affirms the creative potential of "detour" or "division" rather than the straightforward return to roots.

Hiddleston then maintains that G. C. Spivak, V. Y. Mudimbe and Achille Mbembe engage most explicitly throughout their work both with Marxist political theory and with a form of ethical thinking derived from deconstruction. Their works suggest that while politics and ethics do indeed require different modes of thinking, these different modes are both necessary for an understanding of postcolonialism and, indeed, the challenge is to keep both in play without falling prey to the shortcomings associated with the programmatic use of either.

One of Spivak's key concepts, according to Hiddleston, is the problematics associated with the articulation of the desires of "subaltern" women. Her works denounces the ways in which subaltern women in particular have been silenced. She also shows how their voices echo between the lines of Western philosophy and literature. Mudimbe's work consists, however, in a political and ethical critique of "Africanism". He argues that knowledge about Africans has often incorporated them into the "history of the same". He calls for a more authentic form of African knowledge, while admitting that "this authenticity is difficult to attain'.

Mbembe criticizes the way in which colonial law homogenizes and subjugates the native, but he also denounces the violence of African regimes in the postcolony. He reveals how these regimes are characterized by excess, vulgarity and theatricality and how they also disallow resistance. His analysis is testimony to the difficulty of overcoming both colonial and postcolonial violence.

Jane Hiddleston concludes his discussion of postcolonialism by asserting that despite the hostility accompanying debates among postcolonial readers, postcolonial ethics and politics remain more or less anxious coupling detectable from Fanon to Mbembe.

**Associate Profesor & HOD**
**Department of English**

# দেওলাংখুই— ইতিহাসৰ এক পুনঃবিৱৰণ

মৌচুম গগৈ

মানৱ সভ্যতাৰ বিৰল সৃষ্টি, বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি তথা জীৱনত পথ বিচাৰি আগুৱাই যোৱাত শক্তিবৰ্ধকৰ দৰে কাম কৰা উৎসবিধৰ নামেই হ'ল সাহিত্য। যিদিনা হয়তো পৃথিৱীত ভাষাৰ সৃষ্টি হৈছিল সেইদিনাই হয়তো আৰম্ভ হৈছিল সাহিত্যৰ আৰু তাৰপাছত সৃষ্টি হৈছিল অন্য এক মন্থনৰ, য'ত সাহিত্যই লাভ কৰিছিল ন ন ৰূপ। সময়ৰ চকৰি ঘূৰাৰ লগে লগে প্ৰতিটো স্তৰতে ভিন্ ভিন্ সাহিত্যৰ পূজাৰীসকলে আগবঢ়াই আহিছে তেওঁলোকৰ উৎকৃষ্ট নিদৰ্শন। আজি মানৱ সভ্যতাই উন্নতিৰ জখলাত আৰোহণ কৰি ভৰি থৈছেহি। একবিংশ শতিকাত তথাপি সাহিত্যৰ আদৰ কমা নাই আৰু নাই কমা সাহিত্যৰ পূজাৰীসকলৰ অপূৰ্ব সৃষ্টি। আধুনিক জগতৰ সাহিত্যৰ এনে এক পূজাৰী হ'ল ৰীতা চৌধুৰী, যাৰ অগতানুগতিক প্ৰকাশশৈলী, কাব্যগন্ধী গদ্যচয়ন আৰু বৈচিত্ৰ্যপূৰ্ণ আঙ্গিকৰ চমৎকাৰিত্ব গুণে অসমীয়া সাহিত্য জগতত এক সুকীয়া আসন দখল কৰি আছে। তেওঁ ইতিমধ্যে অবিৰত যাত্ৰা, নয়ন তৰালী সুজাতা, এই সময় সেই সময়, পপীয়া তৰাৰ সাধু আদিৰ দৰে কেইবাখনো অনবদ্য উপন্যাসৰ সৃষ্টি কৰি পাঠকৰ মনোজগতত ৰেখাংকিত কৰিবলৈ সক্ষম হৈছে। 'দেওলাংখুই' হ'ল তেওঁৰ নৱতম অপূৰ্ব সৃষ্টি। এই ঐতিহাসিক উপন্যাসখনিৰ জৰিয়তে তেওঁ তিৱা জাতিৰ বীৰ পুৰুষ জোঙাল বলহুৰ ইতিহাসৰ এক সমুজ্জ্বল অধ্যায় পাঠকৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। ইতিহাসৰ সমলসমূহক উৎস হিচাপে লৈ বাস্তৱ আৰু কল্পনাৰ তুলিকাৰে তেওঁ সৃষ্টি কৰিছে এখনি অনবদ্য উপন্যাস "দেওলাংখুই।"

সাহিত্যৰ এটা বিশেষ ভাগ হ'ল উপন্যাস। বহু যুগ, বহু স্তৰ বাগৰি বাগৰি সৃষ্টি হৈছে এই উপন্যাসৰ, য'ত বাস্তৱ জীৱনৰ চৰিত্ৰসমূহে প্ৰাণ পাই উঠে, য'ত হাঁহি-কান্দোন, প্ৰেম-ঘৃণা আৰু বাস্তৱ জীৱনৰ দৰে আছে মৃত্যু। তথাপি মৰিও যেন অমৰ হৈ থাকে এই চৰিত্ৰসমূহ উপন্যাসৰ ৰঙীণ পাতত। খোল খাই যায় পাঠকৰ মনৰ পখী ঘোঁৰা আৰু বিচৰণ কৰি ফুৰে উপন্যাসৰ অলিন্দসমূহতে। সেয়েহে আজি পৃথিৱীত উপন্যাস হ'ল সমাজৰ সমাদৰমুখী। প্ৰতিখন অনুপম উপন্যাসেই বহন কৰে সৃষ্টিকৰ্তাৰ অভিজ্ঞতাৰে ভৰা কলা-কুশলী, প্ৰকাশশৈলী আৰু শব্দৰ অভূতপূৰ্ব ব্যৱহাৰ। বাধাহীনভাৱে লেখক-লেখিকাসকলৰ কল্পনাসমূহো এই উপন্যাসবোৰতে পূৰ্ণ প্ৰস্ফুটিত ফুলৰ দৰে প্ৰকাশ পাই উঠে। কিন্তু এখন ঐতিহাসিক উপন্যাস

লিখিবলৈ লওঁতে সত্য আৰু কল্পনাৰ মাজত এক দ্বন্দ্বৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। ইতিহাস কেতিয়াও সলনি কৰিব নোৱাৰি, ই চিৰন্তন সত্য। এটা ভুল তথ্যই এটা জাতি, এটা যুগ বা এজন মানুহৰ ব্যক্তিগত সন্মান মৰ্যাদাত আঘাত সানিব পাৰে, জাঙুৰ খাই উঠিব পাৰে এচাম লোক। কিন্তু কল্পনাবিহীন ৰসবিহীন এখন গ্ৰন্থ কেতিয়াও উপন্যাস হ'ব নোৱাৰে। সেইখন কেৱল এখন ঐতিহাসিক তথ্য সম্বলিত গ্ৰন্থহে হ'ব। সেয়েহে সাধাৰণ উপন্যাসতকৈ ঐতিহাসিক উপন্যাস এখন লিখোতে খুবেই সৰ্তক হ'ব লাগে। তিৱা জাতিৰ সমাজ জীৱনক পটভূমি হিচাপে লৈ সৃষ্টি কৰা দেওলাংখুইৰ চৰিত্ৰসমূহৰ জীৱন কাহিনী কিমান দূৰ সঁচা তাক সঠিককৈ ঠাৱৰ কৰিব নোৱাৰি। কিন্তু লেখিকাৰ নিপুণ হাতৰ পৰশ লাগি কল্পনা আৰু বাস্তৱ এনেদৰে বান্ধ খাই পৰিছে যেন একেডাল সূতাৰে দুটা মণি। ইয়াৰ উপৰিও জনজাতীয় ভাষাৰ ব্যৱহাৰে (যেনেঃ মাৰগি খামছামাই(আলধৰা লিগিৰী), পাম্হাই(ল'ৰা), বানাত বাথু(কাপোৰ), খৰলা(ছোৱালী), মৰম(ভাগ্য), চ'নাই(চন্দ্ৰ), নানাঃও(ভনী) আদি) উপন্যাসখনিক এক অনন্য ৰূপ প্ৰদান কৰিছে। লেখিকাই বিভিন্ন ঐতিহাসিক সমলৰ আঁত ধৰি লিখি উলিওৱা কাহিনীভাগ যদিওবা কল্পনাৰ ৰহন সনা সূতাৰে বান্ধ খাই আছে তথাপি লেখিকাৰ আবেগবিহ্বল বৰ্ণনা, ৰূপ-ৰং, গভীৰ দৃষ্টি, মানৱতাবাদী ভাব আৰু ভিন্ন প্ৰতিৰূপক পৰিস্থিতিৰ বৰ্ণনাই পাঠকৰ মনত এক ৰোমাঞ্চকৰ শিহৰণ জগাই তোলাৰ লগতে মনত এক মৰিচীকা যেন সত্যৰ আৱৰণহে সৃষ্টি কৰিছে। ভিন্ন ভৌগোলিক ঠাইৰ বিতং বিৱৰণ, ৰাজনৈতিক মনোভাবৰ প্ৰতিফলন যুদ্ধ-বিগ্ৰহ আৰু থলুৱা উৎসৱ-পাৰ্বণৰ সাৱলীল বৰ্ণনাই পাঠকসকলৰ মনৰ সন্দেহ দূৰ কৰি তাত খোপনি পুতিবলৈ সক্ষম হৈছে। যদিওবা লেখিকাই ইতিহাসৰ পুনঃ বৰ্ণনা কৰিছে তথাপি বাস্তৱ জীৱনৰ সমস্যাসমূহক উপন্যাসখনিত এনেদৰে সামৰি লৈছে যে যিকোনো পাঠকেই এই সাদৃশ্যসমূহকো অনুভৱ কৰিব পাৰিব, যাৰ ফলত চৰিত্ৰ সমূহৰ উত্থান আৰু পতনে যদি মনত সুখ-দুখ, ক্ৰোধ, আবেগৰ সৃষ্টি কৰে, তাত আচৰিত হ'বলগীয়া একো নাই।

দেওলাংখুই হ'ল প্ৰধানকৈ তিৱা বীৰ জোঙাল বলহুৰ জীৱনৰ আধাৰত ৰচিত উপন্যাস, তথাপি ইয়াত কেৱল জোঙাল বলহু ওৰফে জকাংকক অৱলোকন কৰিবলৈ চেষ্টা নকৰি লেখিকাই দাঙি ধৰিছে কিছুমান কিম্বদন্তি চৰিত্ৰৰ জীৱন গাঁথা। সমস্ত উপন্যাসখনিত আদিৰ পৰা অন্তলৈকে প্ৰধানকৈ এগৰাকী নাৰীৰ ভিন্ ভিন্ সত্তা তথা এপাহি ফুলৰ পৰা ৰ'দ বৰষুণ পৰি টান হোৱা এচটা শিললৈ ব্যক্তিত্ব পৰিৱৰ্তনৰ যি যাত্ৰা তাক অৱলোকন কৰা হৈছে। চন্দ্ৰপ্ৰভা ওৰফে কনচাৰীৰ দৰে ব্যক্তিত্বশীল, আত্মসন্মানৰ প্ৰতি সচেতন সুদৃঢ় মনৰ নাৰীৰ উপস্থাপনৰে লেখিকাই নাৰী অৱদমিত হৈ থকা সমাজখনক উপহাস কৰাৰ লগতে, নাৰীসকলক নিজৰ অস্তিত্বৰ প্ৰতি সতৰ্ক হ'বলৈ আহ্বান জনাইছে। প্ৰতাপপুৰৰ ৰজা প্ৰতাপ সিংহৰ মহীয়সী ৰূপে চন্দ্ৰপ্ৰভাই যেতিয়া ৰাজকাৰেং শুৱনি কৰি আছিল তেতিয়া চন্দ্ৰপ্ৰভা এগৰাকী সদ্যযৌৱনা গাভৰুহে আছিল। যিহেতু আৰ্যসকলৰ মাজত বাল্য বিবাহ প্ৰচলন আছিল সেয়ে কোনো ছোৱালীয়ে ঋতুমতী হোৱাৰ আগেয়ে বিবাহৰ প্ৰস্তাৱ পাইছিল আৰু ঋতুমতী হোৱাৰ পিছতে তাইক বিয়া দিয়া হৈছিল। গতিকে তেনে এগৰাকী নাৰীৰ চৰিত্ৰক বিবাহৰ কিছুদিনলৈ বাল্যকালৰ চাপে প্ৰভাৱিত কৰাটো কোনো ডাঙৰ কথা নহয়। আনহাতে স্বামী তাৰ বিপৰীত আছিল। অভিজ্ঞতাপুষ্ট আৰু কৰ্মঠ হৈহে পুৰুষসকল বিয়াত বহিছিল। সমাজৰ এই ব্যৱস্থাই পত্নী আৰু স্বামীৰ মাজত বয়স, চিন্তাধাৰা, চালচলন আদি সকলো দিশৰ পৰাই এক ব্যৱধান আনি দিছিল। এনে ব্যৱধানে যে কেতিয়াবা যুগ্ম জীৱনত খলকনি তোলা নাছিল তাক ক'ব নোৱাৰি। এনে ব্যৱধানৰ ফলত ফুল কুমলীয়া চন্দ্ৰপ্ৰভাৰ ল'ৰামতীয়া চঞ্চল আচৰণক প্ৰতাপ সিংহই অন্য দৃষ্টিৰে চাইছিল। প্ৰতাপ সিংহই যদিও চন্দ্ৰপ্ৰভাক অতিশয় ভাল পাইছিল তথাপিও তাত লাগি থাকিছিল এক অনাহক সংশয় আৰু এই সংশয় লাহেকৈ বাঢ়ি বাঢ়ি আগুৰি ধৰিছিল প্ৰতাপ সিংহৰ মনমণ্ডল। বংশশৌৰ্য আৰু পৌৰষ্যতাৰ অহংকাৰত অন্ধ হৈ পাহৰি পেলাইছিল চন্দ্ৰপ্ৰভাৰ নিষ্কলুষ মৰম আৰু নিৰ্বাসন দিছিল এখন সৰু ৰাজ্যৰ ৰজা সাধুকুমাৰৰ লগত। আত্মৰক্ষাৰ ন্যূনতম অধিকাৰকণো হেৰুৱাই সেই ফুলকুমলীয়া চন্দ্ৰপ্ৰভা নিৰ্বাক হৈ পৰিছিল। পলকতে তাই এজনী চঞ্চলমতী গাভৰুৰ পৰা পৰিৱৰ্তন হৈছিল এগৰাকী গম্ভীৰ স্বাভিমানী অভিজ্ঞতাসিদ্ধ নাৰীলৈ। স্বামীৰ সিদ্ধান্তৰ অকণো বিৰোধিতা নকৰি ওলাই আহিছিল আন এখন সমাজলৈ, আন এখন ৰাজ্যলৈ য'ত তাই কেৱল জীৱনৰ মৌলিকতাখিনি বিচাৰি পোৱাই নহয়, তাৰ লগতে পাইছিল নিজস্ব মাত মতাৰ অধিকাৰ, ভৰিৰ তলত এটুকুৰা মাটি আৰু এখনি সহজ-সৰল মানুহৰ স্বাৰ্থহীন মৰম। প্ৰতাপপুৰৰ ৰাজকাৰেংতকৈ বহুত তলখাপৰ আছিল সেই ঠাই, তথাপিও সেই ঠায়ে তাইক যেন সোঁৱৰাই দিছিল তাইৰ নাৰীত্ব। এখন আৰ্য সমাজৰ পৰা অনাৰ্য সমাজলৈ

ওলাই আহোতে তাই শংকিত হৈছিল নিজৰ অস্তিত্বৰ কথা ভাবি। কিন্তু তাইৰ সেই শংকা দূৰ কৰি তাইৰ মনোজগতত থকা আৰ্য সমাজৰ ভেটিতো ওফৰাই দিছিল অনাৰ্য সমাজখনে। আৰ্য সমাজৰ দৰে অনাৰ্য সমাজত নাৰীক সজাৰ পক্ষী সজোৱা নহৈছিল। পুৰুষৰ দৰে নাৰীৰো সমাজলৈ বুলি সমানেই অৱদান আছিল। সেয়েহে প্ৰতাপপুৰৰ চন্দ্ৰপ্ৰভাই নিজৰ আৰ্য অস্তিত্বক জলাঞ্জলি দি এক হৈ পৰিছিল এক অনাৰ্য জাতিৰ মাজত, এক নতুন নাম, নতুন পৰিচয় লৈ গোভাৰ ৰাণী কনচা ৰূপে।

দেওলাংখুইৰ জৰিয়তে লেখিকাই নাৰীৰ ভিন্ ভিন্ সত্তাৰ প্ৰতিফলন ঘটোৱাৰ উপৰি যুগে যুগে চলি অহা মানুহৰ জীৱনচক্ৰৰ যি ধাৰাবাহিকতা তাক প্ৰতিফলন ঘটাইছে। চন্দ্ৰপ্ৰভা-প্ৰতাপসিংহৰ পৰা আৰিমত্ত-গংগাৱতী আৰু তাৰপিছত জোঙাল বলহু-সুকুমলাৰ চৰিত্ৰই তিনিটা প্ৰজন্মক প্ৰতিনিধিত্ব কৰিছে দেওলাংখুইৰ পাতত এই তিনি প্ৰজন্মৰ ধাৰাবাহিকতাৰ মাজে মাজে বৈ গৈছে প্ৰেমৰ এখনি নৈ, যিয়ে উপন্যাসখনিক ৰসাল কৰি তোলাৰ লগতে পাঠকৰ মনত আবেগৰ ঢৌ সৃষ্টি কৰিছে। স্বামীয়ে বিসৰ্জন দিয়াৰ পাছত, নিজৰ পৰিচয় সলনি কৰি অন্য এক সমাজৰ লগত এক হৈ পৰাৰ পাছতো চন্দ্ৰপ্ৰভাই প্ৰতাপ সিংহৰ স্থান আন এজনক দিব নোৱাৰাটোৱেই চন্দ্ৰপ্ৰভাৰ প্ৰতাপ সিংহৰ প্ৰতি এক অদৃশ্য প্ৰেম আৰু হিন্দু নাৰীৰ বিশ্বাসৰ প্ৰতিফলন ঘটাইছে। আনহাতে আন ৰাজ্যৰ এগৰাকী ৰাণী তথা পত্নী আৰু সন্তানৰ প্ৰতি লোৱা আদৰ যত্ন আৰু আজীৱন অবিবাহিত হৈ থকাৰ সিদ্ধান্তই সাধুকুমাৰৰ চন্দ্ৰপ্ৰভা ওৰফে কনচাৰীৰ প্ৰতি স্বাৰ্থহীন, নিবিড় ভালপোৱাৰ পৰিচয় দিছে। পিছলৈ চন্দ্ৰপ্ৰভাৰ পুত্ৰ-বোৱাৰী আৰমত্ত-গংগাৱতী আৰু নাতি-বোৱাৰী জোঙাল বলহু-সুকুমলালৈ এই প্ৰেমৰ ধাৰাবাহিকতা বৈ গৈছে। এইদৰে লেখিকাই ৰামধেনুৰ সাতোৰঙৰ দৰে বিভিন্ন সূত্ৰৰ অৱলোকন কৰি দেওলাংখুইক এক ৰঙীণ সূতাৰে বান্ধি পেলাইছে।

দেওলাংখুই হ'ল এখন তিৱা জাতিৰ ভাষা-সংস্কৃতি আৰু জনবিশ্বাসৰ ওপৰত ৰচিত উপন্যাস। যদিওবা কছাৰী, জয়ন্তীয়া আৰু আৰ্য সমাজৰ এক ক্ষুদ্ৰ জিলিকনি ইয়াত দেখা যায় কিন্তু তিৱা সমাজখনেই উপন্যাসখনিত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। উপন্যাসখনিৰ মাজেৰে লেখিকাই ফুটাই তুলিছে এই অনাৰ্য জাতিটোৰ সহজ-সৰল, কোমল অথচ লোকবিশ্বাসেৰে আগুৰি থকা মন। এজন তিৱা বীৰ হিচাপে জকাংকও এই বৈশিষ্ট্যসমূহৰ পৰা পৃথক নাছিল। উপন্যাসখনিক নামাংকিত কৰা দেওলাংখুই শব্দটো হ'ল এটা তিৱা ভাষাৰ শব্দ যাৰ অৰ্থ হ'ল দৈব্য অস্ত্ৰ, যি পাত লগত থাকিলে কোনো শত্ৰুৱে পৰাস্ত কৰিব নোৱাৰে। দৈব্যক্ৰমে জোঙাল বলহু ওৰফে জকাংকইও এইপাত অস্ত্ৰ বিচাৰি পাইছিল। কিন্তু সেই অস্ত্ৰপাতেই তাৰ জীৱনলৈ নমাই আনিছিল ঘোৰ অন্ধকাৰ আৰু বলি হ'বলগীয়া হৈছিল এক প্ৰাণঘাটক ষড়যন্ত্ৰৰ। উপন্যাসখনিৰ সমূহ কাহিনী ভাগত জকাংক আৰম্ভণিৰে পৰা শেষ মুহূৰ্তলৈ বৰ্তমান হৈ আছে যদিও সেইয়া আংশিক ৰূপেহে। কাহিনীটোৰ শেষৰ ভাগলৈহে জকাংকৰ চৰিত্ৰক ভালদৰে প্ৰতিফলন ঘটোৱা হৈছে। উপন্যাস এখনত কাহিনীৰ মাজেৰে ভিন্ন কাহিনী সন্নিৱিষ্ট হৈ থকাটো উপন্যাসৰ বৈশিষ্ট্য যদিও মুখ্য বিষয় বা চৰিত্ৰটোৱে উপন্যাসখনিত অগ্ৰণী ভূমিকা পোৱা দেখা যায়। কিন্তু তাৰ বিপৰীতে ইয়াত লেখিকাই ৰাণী কনচাৰীকহে মুখ্য চৰিত্ৰৰূপে অংকণ কৰাৰ বিপৰীতে তেওঁৰে নাতি জকাংকক উপন্যাসখনিৰ শেষৰ ভাগলৈকে ভালদৰে প্ৰতিফলন ঘটোৱা দেখিবলৈ পোৱা যায়। ভালদৰে চাবলৈ গ'লে সমস্ত উপন্যাসখনিক প্ৰতিনিধিত্ব কৰিব পৰাকৈ দেওলাংখুই নামটোক বা তাৰ লগত জড়িত জকাংকৰ চৰিত্ৰটোক ভালদৰে প্ৰতিফলন ঘটাব পৰা নাই যেন লাগে। কিন্তু আনহাতে বহল দৃষ্টিৰে চাবলৈ গ'লে দেওলাংখুই শব্দটোৱে কেৱল নিৰ্দিষ্ট অস্ত্ৰকে বুজোৱা সলনি ক্ষত্ৰিয় বা ৰজাসকল শোণিত প্ৰীতি মনোভাবক বুজাবলৈ বুলিয়েই লেখিকাই এই নামৰ ব্যৱহাৰ কৰা যেন লাগে।

যি কি নহওক সত্য আৰু কল্পনাৰ তুলিকাৰে লেখিকাই ৰচি উলিওৱা দেওলাংখুই হ'ল এখন কল্পনাতীত, সুন্দৰ ঐতিহাসিক উপন্যাস। মানৱতাবাদী মনোভাব আৰু গভীৰ দৃষ্টিৰে তেওঁ মানবীয় ভাবধাৰা আৰু আবেগসমূহক সাধাৰণ মানুহৰ বোধগম্যকৈ এজন নিপুণ খনিকৰৰ দৰে জিলিকাই তুলিছে আৰু এনে এগৰাকী নিপুণ খনিকৰৰ পৰশ লাগিয়েই দেওলাংখুই হৈ পৰিছে এক কালজয়ী সাহিত্য। ◆

**প্ৰাক্তন ছাত্ৰ**

# ঐতিহাসিক কাছমাৰী অঞ্চলৰ ক্ষেত্ৰ অধ্যয়ন ঃ

স্মৃতিৰেখা বৰা

'গোলাঘাট বাণিজ্য মহাবিদ্যালয়'ৰ প্ৰত্যেক বিভাগৰ পৰা ক্ষেত্ৰ অধ্যয়নৰ প্ৰদক্ষেপ হাতত লৈছিল। সেইমৰ্মে আমাৰ 'অসমীয়া বিভাগৰো' শিক্ষয়িত্ৰীবৃন্দ আৰু চতুৰ্থ-ষষ্ঠ যান্মাসিক দুটাৰ ছাত্ৰ-ছাত্ৰীসকল একত্ৰিত হৈ ০৯/০২/২০১৭ তাৰিখে ক্ষেত্ৰ অধ্যয়নৰ বাবে গোলাঘাট জিলাৰে সীমামুৰীয়া অঞ্চল 'কাছমাৰী' অৰ্থাৎ গোলাঘাটৰ 'দৈয়াং ধনশিৰি উপত্যকা' লৈ যাত্ৰা কৰিছিলো। এই অঞ্চলটো বাছি লোৱাৰ মূল কাৰণ আছিল এসময়ত সেই অঞ্চলটো কছাৰীসকলৰ দখলত আছিল। তাত কছাৰীৰ শাসন চলিছিল। অঞ্চলটো প্ৰকৃততে এডোখৰ বুৰঞ্জী প্ৰসিদ্ধ অঞ্চল। সেই অঞ্চলটোত সিঁচৰতি হৈ থকা ভালেমান প্ৰত্নতাত্বিক সমলে কছাৰীসকলৰ সাংস্কৃতিক ঐতিহ্যৰ সাক্ষ্য বহন কৰি আছে। সেয়ে উক্ত অঞ্চলৰ ক্ষেত্ৰ অধ্যয়ন কৰাতো আমাৰ বাবে সৌভাগ্যৰ কথা আছিল। কাছমাৰী গোলাঘাট জিলাৰ দক্ষিণ দিশে অৱস্থিত। গোলাঘাটৰ পৰা কাছমাৰীৰ দূৰত্ব প্ৰায় ২০ কিল মিটাৰ হ'ব।

**ঐতিহাসিক কাছমাৰী অঞ্চলৰ ইতিহাস ঃ**

১৫৩১ খৃষ্টাব্দৰ পূৰ্বে কাছমাৰী অঞ্চলত কছাৰীসকলে ৰাজত্ব কৰিছিল। সেই সময়ত কছাৰী ৰজা আছিল মহামাণিক। ১৫৩১ খৃষ্টাব্দত কছাৰী সকলৰ লগত আহোমৰ যুদ্ধ হয় আৰু সেই যুদ্ধতেই কছাৰী ৰজা ডেটচুঙৰ প্ৰপিতামহ মহামানিকৰ মৃত্যুৰ লগতে বহুতো কছাৰী সৈন্যৰ মৃত্যু হয়। এই যুদ্ধখন যি ডোখৰ ঠাইত লাগিছিল সেই ঠাইডোখৰক 'কছাৰী মৰা' বুলি কোৱা হৈছিল। পিছলৈ মানুহৰ মুখ বাগৰি কছাৰী মৰাৰ ঠাইত 'কাছমাৰী' হয় বুলি জনপ্ৰবাদ আছে। 'কছাৰী মৰা' বা 'কাছমাৰী' অঞ্চলটো বৰ্তমান দৈয়াং বনাঞ্চলৰ অন্তৰ্গত। আহোম আৰু কছাৰীসকলৰ যুদ্ধৰ পাছতেই কছাৰীসকলে ৰাজধানী নগাপাহাৰৰ দাঁতি কাষৰীয়া ঠাইত ইতিমধ্যে স্থাপন কৰা দ্বিতীয় ডিমাপুৰলৈ উঠাই নিয়ে। এই নতুন ৰাজধানীতে আহোম কৰতলীয়া ৰজা হিচাপে ৰাজত্ব কৰিছিল ডেটচুঙে। ধনশিৰি নদীৰ পাৰৰ কছাৰী ৰাজত্বৰ ইতিহাসৰ এইজনেই আছিল শেষ ৰজা। ডেটচুঙে মাত্ৰ ছয় বছৰহে ৰাজত্ব কৰিছিল। পুনৰ আহোমৰ সৈতে হোৱা ৰণত তেওঁ প্ৰাণ হেৰুৱাব লগীয়া হয়।

বৰ্তমান কাছমাৰী অঞ্চলতো স্থানীয় লোকৰ বসতিস্থল হৈ পৰিছে। ইয়াৰে কিছুসংখ্যক লোকে খনন কাৰ্য চলাই বহুতো পুৰাণ তাত্বিক আৰু ঐতিহাসিক সমল উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আমি পোন প্ৰথমে কাছমাৰী অঞ্চলৰ স্থানীয়লোক দুজনৰ লগত কথা পাতিছিলো। স্থানীয়লোক দুজন ক্ৰমে গোবিন্দ ব্ৰহ্ম আৰু সঞ্জীৱ বৰা আছিল। এওঁলোকে নিৰ্দেশক হিচাপে লৈ আমি কাছমাৰী অঞ্চলৰ বিভিন্ন ঠাইত ক্ষেত্ৰ অধ্যয়নৰ বাবে গতি কৰিছিলো।

আমি পোন প্ৰথমে স্থানীয় লোক দুজনৰ সৈতে বিষ্ণুপুৰ নামৰ ঠাইত উপস্থিত হৈছিলো। সেই ঠাইতে বিষ্ণুপুখুৰী

নামেৰে নাশংকৃত এটা বৃহৎ আকাৰৰ পুখুৰী দেখিবলৈ পাইছিলো। সেই পুখুৰীটো ৪০ (চল্লিছ) বিঘা মাটিৰে আৱৰা এটা অতি ডাঙৰ পুখুৰী। ঠাই ডোখৰৰ নামানুসাৰে পুখুৰীটোৰ নাম বিষ্ণু বিজয় পুখুৰী বুলি জনাজাত। এই জয়াল পুখুৰীটো সেই সময়ত ৰাজত্ব কৰা কছাৰী ৰজাই খন্দাইছিল। কছাৰীসকলে এই পুখুৰীটোৰ পানীকেই তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনুসাৰে ব্যৱহাৰ কৰিছিল।

বিষ্ণু পুখুৰীৰ পৰা পশ্চিমে প্ৰায় ১০০ মিটাৰ নিলগত এটা পানী নোহোৱা শুকান পুখুৰী দেখিবলৈ পাইছিলো। স্থানীয় লোক দুজনৰ পৰা জানিবলৈ পাইছিলো যে এই পুখুৰীটো কছাৰী ৰজাৰ দিনত এটা মন্দিৰ আছিল। মন্দিৰটো বিষ্ণুৰ মন্দিৰ আছিল। কিন্তু কালক্ৰমত স্থানীয় লোকে খনন কাৰ্য চলাওতে ই এটা 'দ' গাঁত সদৃশ পুখুৰীত পৰিণত হ'ল। সেই পুখুৰীটোত এটা গণেশ মূৰ্ত্তি উদ্ধাৰ হৈছিল। কিন্তু লোকবিশ্বাস অনুসৰি মূৰ্ত্তিটো বিষ্ণুৰ মূৰ্ত্তি বুলিহে পূজা পাতল কৰে। ইয়াত পূজা কৰিলে বৰষুণ হয় বুলি জনসমাজত এক লোক-বিশ্বাস আছে। উল্লেখযোগ্য যে এই 'দ' গাঁত সদৃশ পুখুৰীটোৰ এটা বিশেষ বৈশিষ্ট্য আছে। এই পুখুৰীটো ইমান 'দ' যদিও তাত কেতিয়াও পানী নহয়। ই এটা সম্পূৰ্ণ শুকান পুখুৰী।

শুকান পুখুৰীটোৰ ক্ষেত্ৰ অধ্যয়নৰ পিছতে পুখুৰীটোৰ সমীপতে স্থানীয় লোক এঘৰত উপস্থিত হৈছিলো। স্থানীয় লোক এজনৰ নাম আছিল বন্তি চন্দ্ৰ ব্ৰহ্ম। লোকজনৰ ঘৰত খনন কাৰ্যৰ দ্বাৰা চাৰিটা শিলৰ মূৰ্ত্তি উদ্ধাৰ হোৱা বুলি আশক জ্ঞাত কৰিছিল। এই শিলৰ মূৰ্ত্তি চাৰিটা ১০-১২ বছৰ পূৰ্বে উদ্ধাৰ হোৱা বুলি জনায়। বৰ্তমান লোকজনৰ ঘৰতে চাৰিটা শিলৰ মূৰ্ত্তিক পূজা-পাতল কৰি এটা মন্দিৰ সাজি সংৰক্ষণ কৰি ৰাখিছে। মূৰ্ত্তি দুটা শিৱ আৰু বিষ্ণুৰ বুলি জনা যায়। অৱশ্যে দুটা মূৰ্ত্তি চিনাক্ত কৰিব পৰা নাযায়।

বিষ্ণু পুখুৰীৰ পৰা পূৰ্বে প্ৰায় ১ কিল'মিটাৰ দূৰত জয়পুৰ নামে ঠাইত জয়পুখুৰী নামৰ এটা ৰজা দিনীয়া পুখুৰী অৱস্থিত। পুখুৰীটো কছাৰী ৰজাই খন্দাইছিল। জয়পুখুৰীৰ পৰা পশ্চিমে কিছু দূৰত যজ্ঞপুৰ নামে ঠাইত গনেশৰ মূৰ্ত্তি আৰু এগৰাকী মহিলা কাছৰ পিঠিত উঠি থকা শিলৰ মূৰ্ত্তি দেখিবলৈ পোৱা যায়। এই মূৰ্ত্তিটো স্থানীয় লোক এঘৰে খনন কাৰ্যৰ দ্বাৰা উদ্ধাৰ কৰিছে। মূৰ্ত্তিটো আনুমানিক ১৯৭৪ চনত উদ্ধাৰ হৈছিল। এই মূৰ্ত্তিটো বৰ্তমান জয়পুখুৰীৰ সমীপত এটা মন্দিৰ পাতি সংৰক্ষণ কৰি ৰাখিছে। এই মন্দিৰৰ এটা বিশেষত্ব হ'ল মন্দিৰটোত পূজা-পাতল কৰিলে মনোবাঞ্ছা পূৰণ হয় বুলি জনপ্ৰবাদ আছে।

আমি জয়পুখুৰীৰ পৰা প্ৰায় ১ কিলোমিটাৰ গৈ বিষ্ণুপুৰ তেলীশাল নামৰ ঠাইত উপস্থিত হৈছিলো। স্থানীয় লোক অৰ্থাৎ বিজয় ব্ৰহ্মৰ ঘৰত সোমাই দেখা পাইছিলো এটা শিলৰ শিৱলিংগৰ প্ৰতিমূৰ্ত্তি সংৰক্ষণ কৰি ৰাখিছে। তেওঁলোকৰ পৰা জানিবলৈ পাইছিলো খনন কাৰ্যৰ ফলতে সেই প্ৰতিমূৰ্ত্তিটো উদ্ধাৰ হৈছে। মূৰ্ত্তিটো চাৰি-পাঁচ বছৰৰ আগতে সংৰক্ষণ কৰিছিল। বৰ্তমান তেওঁ ঘৰতে এটা মন্দিৰ পাতি মূৰ্ত্তিটো স্থাপন কৰি ৰাখিছে।

বিষ্ণুপুৰ তেলীশালৰ পৰা কিছু দূৰত এখন আশ্ৰম আছে। সেই আশ্ৰমত বড়ো সম্প্ৰদায়ৰ লোকে বাথৌ পূজা পালন কৰে। বড়োসকলৰ দেৱতা হ'ল 'শিৱ'। এই আশ্ৰমৰ গাতে লাগি আছে কছাৰী ৰজা দিনৰ শিলৰ মূৰ্ত্তি, শিলালিপি, পুৰণি দিনৰ পুৰা ইটাৰ স্তুপ আৰু এখন তেলীশাল। এই তেলীশালতে কছাৰী ৰজাৰ দিনত তেল পেৰিছিল। এই তেলীশালৰ গাতে লাগি আছে এটা শিলৰ গম্ভোজ। সেই গম্ভোজটো আনুমানিক ১৯৬২ চনত উদ্ধাৰ হৈছিল।

বিষ্ণুপুখুৰীৰ পৰা উত্তৰে ২ কিঃমি দূৰত চিচুপানী অঞ্চলত পুৰাতত্ত্ব বিভাগে ইটাৰে বেৰা দি বহুতো শিলৰ স্তম্ভ সংৰক্ষণ কৰি ৰাখিছে। এই শিলৰ স্তম্ভ বোৰৰ গাত নানান চিত্ৰ, যেনে হাতী, ঘোঁৰা, চৰাই, ফুল আদি অংকিত কৰি থোৱা আছে।

দৈয়াং ধনশিৰি উপত্যকাৰ প্ৰায় সকলো অঞ্চলতেই সিঁচৰতি হৈ আছে অলেখ পুৰাতাত্ত্বিক আৰু ঐতিহাসিক সমল। উপত্যকাৰ মাটিৰ তলত বৰ্তমানেও বহুতো মূল্যবান সমল সিঁচৰতি হৈ আছে। ইয়াৰ সম্পূৰ্ণ উদ্ধাৰ ব্যৱস্থা এতিয়া সম্ভৱ হৈ উঠা নাই। ধনশিৰি উপত্যকাৰ পৰা উদ্ধাৰিত সম্পদৰাজিৰ পৰা সেইসময়ৰ ইতিহাস সম্পৰ্কে জানিব পাৰি। নগাপাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰলৈকে দৈয়াং-ধনশিৰি উপত্যকাটো অৱস্থিত। এই অঞ্চলটো পূৰ্বতে কছাৰীৰ অধীনত আছিল। কছাৰীসকলৰ এই ঐতিহ্যমণ্ডিত ক্ষেত্ৰখনি দৰ্শন আৰু অধ্যয়ন কৰাই আমাৰ ক্ষেত্ৰ অধ্যয়নৰ মূল উদ্দেশ্য আছিল। ◆

স্নাতক ষষ্ঠ ষান্মাসিক

# মুখা

জেফৰিণ আহমেদ



মুখা আমাৰ সকলোৰে পৰিচিত। মনৰ কপটতা ঢাকি ৰখা এক কৃত্ৰিম মুখ। মুখৰ আঁৰতো যে থাকে আৰু এখন মুখ। আমাৰ সমাজত এই মুখাৰ প্ৰসাৰতা খুবেই বেছি, কাৰণ আজিকালি প্ৰায়বোৰ লোকৰেই আচৰণ তথা স্বভাৱ দ্বিমুখীয়া।

'দুৰ্নীতি মুক্ত সমাজ গঢ়ো আহক'- বুলি আমাৰ সমাজত দেৱদূতৰ মুখা পিন্ধাসকলে দিনে-নিশাই চিঞৰি আছে। প্ৰকৃততে যে দুৰ্নীতিৰ কাৰখানাৰ মালিকো এইসকলেই । গান্ধীজীয়ে সমাজ গঢ়িছিল অহিংসাৰ সৌৰভ বিলাই। কিন্তু বৰ্তমানৰ সমাজত সামাজিক কাম কৰাসকলে আগুৱাই যায় কেৱল নিজ স্বাৰ্থ ৰক্ষাৰ বাবে। দুখৰ বিষয় আজি গান্ধীজী, নেহৰু, নেতাজীৰ বাণী মাথোঁ ৰৈ গ'ল ইতিহাসৰ পাতত।

এখন সুস্থ সবল সমাজৰ সৃষ্টি হ'ব নিঃস্বাৰ্থ লোকৰ বলিদানত। আজিকালি কোনেও সমাজৰ ভেঁটিত নিজকে অৰ্পণ কৰিব নিবিচাৰে। সকলোৱে সমাজৰ কাম কৰে কেৱল লোক চক্ষুত আকৰ্ষণ বিন্দু হোৱাৰ আশাৰে। আজিৰ সমাজ সংস্কাৰকসকলে সামাজিক কৰ্মত ব্ৰতী হয় কেৱল প্ৰশংসা, ধন, ঐশ্বৰ্য-বিভূতি লাভৰ বাবে।

গোপীনাথ বৰদলৈৰ দৰে নহয় আজিৰ শাসকগণ।

তেওঁলোকে সমাজৰ, ৰাইজৰ কামত ব্ৰতী হোৱাৰ ভাও ধৰি ইফালৰ পৰা সিফালে দৌৰি ফুৰে কেৱল আসন ৰক্ষাৰ স্বাৰ্থত। নিৰ্বাচনত জয়ী হোৱাৰ উদ্দেশ্যে নিৰ্বাচনৰ পূৰ্ববৰ্তী সময়তো দুই এটা ৰাইজৰ কাম, সমাজকল্যাণমূলক কামো অৱশ্যে নকৰা নহয়। কিন্তু হাতত শাসনভাৰ অহাৰ পাছত সমাজৰ ফালে, ৰাইজৰ ফালে পিঠি দিয়ে। আইনষ্টাইনে কৈছিল যে, 'এজন ভোকাতুৰ মানুহ ভাল ৰাজনীতিৰ উপদেষ্টা হ'ব নোৱাৰে।' যিজনে নিজৰে ভোক আঁতৰাবলৈ অক্ষম, তেওঁ আনৰ ভোকৰ কথা কেনেকৈ ভাবিব পাৰিব।

মুখা যে কেৱল সমাজ গঠনকাৰী, শাসকগণেই পৰিধান কৰে তেনে নহয়, মুখাৰ জনপ্ৰিয়তা সমাজৰ অন্যান্য স্তৰৰ লোকসকলৰ মাজতো আছে। সমাজৰ ৰক্ষাকাৰী অৰ্থাৎ আৰক্ষীসকলেও ৰক্ষকৰ মুখা পিন্ধি ভক্ষকৰ আচৰণ দেখুৱায়। সৰ্বসাধাৰণ ৰাইজে এওঁলোকৰ ওপৰতে নিৰ্ভৰ কৰি সভ্যতাৰ আচৰণ কৰা পিশাচসকলৰ পৰা নিৰাপত্তা অনুভৱ কৰে। কিন্তু আমাৰ এই ৰক্ষকসকলে নিজৰ ক্ষমতাৰ অপপ্ৰয়োগ কৰে। ধনৰ লোভত পাহৰি যায় পোছাকযোৰৰ মহত্ত্ব, বিতাৰিত হৈ যায় কৰ্তব্যৰ পৰা। ইয়াত তেওঁলোকো সম্পূৰ্ণ দায়ী নহয়। কাৰণ প্ৰথম কথা হ'ল যে সকলো মানুহেই ষড় ৰিপুত আৱদ্ধ, দ্বিতীয়তে সকলোৰে বাবে জীৱনটো অতি মৰমৰ। কিয়নো যিজনে কৰ্তব্যপৰায়ণতা প্ৰদৰ্শন কৰে, নিজৰ পোছাকযোৰৰ মহানতা বুজি পায় তেঁৱেই বীৰগতিপ্ৰাপ্ত হৈ যায়। এনে বীৰৰো উৎকৃষ্ট নিদৰ্শন আমাৰ মাজত নথকা নহয়। কিন্তু এই এজন দুজন সভ্য সমাজৰ দুৰাচাৰীসকলক উদ্‌ঘাটন কৰাটো সম্ভৱপৰ নহয়। ইয়াৰ বাবে তেওঁলোক ৰাইজ আৰু নিজৰ সহকৰ্মীসকলৰ সমৰ্থন আৰু সহযোগৰ প্ৰয়োজন।

মুখাধাৰীসকলৰ মুখা উদঙাবলৈ আন্দোলনৰ প্ৰয়োজন নাই। কলমেৰে যুক্তিৰ ঢৌ তুলি সভ্যতাৰ ওৰণিৰ তলত থকা দুষ্কৃতিকাৰীসকলৰ চৰিত্ৰ উদঙাব পাৰে সাহিত্যিক সমাজে। কিন্তু সাহিত্যিকসকলৰ কিছুমানেও নিঃস্বাৰ্থ মনোভাব লৈ আজিকালি সাহিত্য চৰ্চা নকৰে। এইচাম সাহিত্যিকৰ লক্ষ্য মাথোঁ একো একোটা বঁটা লাভ কৰা। তেওঁলোকৰ কলমে তেওঁলোকৰ চিন্তাক কিদৰে গতি দিব তাক উপলব্ধি নকৰি গুৰুত্ব দিয়ে কেৱল যশস্যাৰ দিশতহে, য'ত দেশৰ প্ৰতি, সমাজৰ প্ৰতি দায়িত্ববোধ পৰিলক্ষিত কম পৰিসৰতহে হয়। তেওঁলোকে হাতত শক্তি থকাৰ পাছতো প্ৰয়োগ কৰিবলৈ থমকি ৰয়। তেওঁলোকৰ কলমত কিমান জোৰ আছে তাক জানিও নজনাৰ ভাও ধৰি মুখাধাৰীসকলক আশ্ৰয় দিয়ে। এই দৃষ্টিকোণৰ পৰা তেওঁলোকো মুখাধাৰী। কাৰণ নিজৰ স্বাৰ্থৰ বাবে সকলো দেখিও, সকলো জানিও নজনাৰ ভাও ধৰি থাকে এইলোকে। সভ্য সমাজৰ পিশাচবোৰ ইমানেই জঘন্য যে যিজনে নিজৰ কলমত চিন্তাশীল মনোভাবৰ ফিৰিঙতি জ্বলোৱাৰ প্ৰচেষ্টা চলাই তেওঁলোকৰ হাত আজীৱন কলম তুলি লোৱাৰ বাবে অক্ষম কৰি দিয়ে।

প্ৰকৃত মুখাধাৰীসকলে নিজৰ ক্ষমতাৰ জৰিয়তে সকলোকে ভয়ত আতুৰ কৰি পেলালে আৰু সকলোৰে মানসিকতাক কিনিবলৈ যত্ন কৰিছে। যি স্বাভিমানী তেওঁ নিজৰ মানসিকতাক বিক্ৰী নকৰে, কিন্তু লুভীয়া মানুহৰ সংখ্যা আমাৰ সমাজত বেছি, যাৰ বাবে প্ৰকৃত মুখাধাৰীসকলে নিজৰ বাবে আশ্ৰয়দাতাৰ সৃষ্টি কৰি সকলোৰে মাজত বিয়পাই দিলে মুখাৰ আভৰণ। এইসকল দুৰ্নীতিৰ সাধক, হিংসাৰ পূজাৰী আমাৰ মাজৰেই হয়, কিন্তু অজ্ঞাতবাস কৰি থাকে আমাৰ আঁৰত। আমি তেওঁলোকৰ প্ৰকৃত চেহেৰা দেখিও নেদেখাৰ ভাও ধৰোঁ। মাথোঁ নিজৰ ভোগ-বিলাসিতা হেৰুৱাৰ স্বাৰ্থত। এইসকলক প্ৰশ্ৰয় দিয়াটোও যে এক মহা অপৰাধ। আমি সকলোৱে ভয় কৰোঁ তেওঁলোকক। কিয়নো আমি তেওঁলোকক ইমানেই ক্ষমতাশালী কৰি দিলো যে, এতিয়া তেওঁলোকৰ বিৰোধিতা কৰিবলৈ আমি প্ৰাণ হেৰুৱাবলগীয়াও হ'ব পাৰে।

সকলোৰে একত্ৰিত প্ৰচেষ্টাইহে উদ্‌ঘাটন কৰিব পাৰিব শান্তিৰ সাধনাৰ ভাও ধৰা, দুৰ্নীতিৰ ধ্বংসৰ জয়গান গোৱা সভ্য সমাজত বাস কৰা জগতদ্ৰোহীসকলৰ, সমাজৰ ভক্ষকসকলৰ মুখা। কিন্তু আমাৰ মনত থাকিব নালাগিব কোনো লোভ, মোহ, স্বাৰ্থ, হিংসা আৰু দুৰ্নীতিগ্ৰস্ততা। এই ক্ষেত্ৰত স্বামী বিবেকানন্দৰ বাণী উল্লেখনীয়। তেওঁ কৈছিল যে, 'নেতা হ'বলৈ নাযাবা, সেৱা কৰা। নেতৃত্বৰ পাশৱিক প্ৰবৃত্তিয়ে জীৱন সমুদ্ৰত বহুত ডাঙৰ ডাঙৰ জাহাজ বুৰাইছে।' এইদৰে যদি স্বাৰ্থ ত্যাগ কৰি সকলোৱে একত্ৰিত হৈ সত্যৰ বন্তি জ্বলাই দুৰ্নীতি আৰু দুৰ্নীতিকাৰীক ধ্বংসৰ প্ৰতিজ্ঞা কৰি আগুৱাই গ'লে অদূৰ ভৱিষ্যতে মুখাধাৰীৰ পৰা আমাৰ সমাজখন মুক্ত কৰিব পাৰিব। গঢ়ি উঠিব এখন সুস্থ, সবল, ন্যায়পৰায়ণ সমাজ, য'ত থাকিব মাথোঁ সত্যৰ জয়ধ্বনি।◆

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বাণিজ্য শাখা)

# Stop Putting Your Parents in Old Age Homes !!

**Nandini Gupta**

Going by today's standards, old age homes are not scandalous anymore. What was once beyond anybody's imagination is now a most convenient reality. More and more people are thinking of and many are opting to put their aged parents in old age homes. It just seems the right thing to do, leaving couples free to pursue their careers, party around or go for vacations without the nagging thought of an aged parent at home.

People favouring old age homes justify their decisions with several points. They say that the presence of old parents at home is too much trouble some. There is no room for privacy. They have to constantly tend to them when they are sick. Bringing friends at home becomes embarassing. Going on a holiday becomes an impossibility. oof!! so many problems just to have the elderly parents around ! Really

But all these justifications fall when we realize that the old parents we are talking about as 'Problems' and 'Troubles' are the very people who took care of us in every stage whenever we needed them. These people sacrificed their outing, friends and vacations only to make us feel happy, wanted and a part of the family. They did it all for us. Is this how we pay back ? By dumping them in old age home !.

Just think for once, can an old age home replace the warmth of a real home filled with the presence of one's kith and kin ? Can the professionalism of a senior citizen centre, take the place of the feeling of emotions and love that they can set at home with their children and grand children ?

What we are today is just because of all their efforts and hardwork. We must not forget their concern for us when we were at our crucial stage of becoming a successful person. Parents are the valuable treasures that we should guard jealously. Putting them into an old age home must never be an option for us. Treat your parents as assets and not liabilities. Let them feel wanted and not burden. Let's give them the love and time that they gave us. Only then we would be called successful. Be a happy family and care for them because they are the true treasures of our life.◆

**B.Com 3rd sem**

# NCC - A turning point

**Swati Baheti**

To be an NCC cadet is like being unique, hardworking dedicated punctual and most of all an achiever. It inculcates the attitude of never giving up, makes you optimistic and builds a lot of self-confidence and character. The life as a cadet is one of the best experiences one can ever have as it teaches them a life as it is.

Joining NCC for me was an impulsive decision. I had heard a lot about NCC but never paid much attention to it so when the registration was going on in my college, I decided to take my application form. I took my time to take my decision as I was unsure. I wasn't sure if I would be able to handle the physical exertion that came with being a cadet. In a very impulsive spur of the moment, I finally enrolled myself and that is a decision, I will never regret, it is a decision that changed my life.

And then the day came when I was about to go for my first camp. I was lucky enough to get an opportunity like this and got to attend my first camp to 'Lakshadweep'. The special National Integration Camp (SNIC). This camp is something that everybody tries for and strives for. It isn't about the destination but about the journey of 10 days with almost 200 cadets from all over the country.

The camp started on 14th of April, 2017 and came to an end on 24th of April 2017 and it was like a complete box full of adventure, fun, excitement amd memories. Although it was very difficult for all of us to adjust in a completely different environment and thinking of living in an island, but later on it turned out to be so amazing and a great learning experience. We got to visit so many places - light house,shark pole, museum, the sea ports, the old lord shiva's temple, the most beautiful 'Paradise beach'. And the best part was the water sports day. We got to see a new world that existed under water, a world so colourful and beautiful. It was too calm and soothing. Scuba diving was one of the best experiences I have ever had in my life till now, all you could see was the beautiful creatures under water and all you could hear was your breath and your heart beats. Among all the different competetions, NIAP(National Integration Awarness Presentation) was the highlight. It makes you feel connected with each and every part of the world. You learn to live with people from various backgrounds, cultures, social status and at the same time the feelings of oneness and fraternity. It helps us showcase our talents and get rid of all our inhibitions.sets shur everything that's been holding you back.

All that a cadet does in NCC, trains you physically, mentally and emotionally for the challenges that life throws on you. It makes you stand out, to be a class apart . The rigor of the training disciplines you and makes you not only a strong individual but a gentleman/lady by heart. ◆

**B.Com 3rd Semester**

# रिश्तो में नकारात्मकता

संस्कृति पाण्डे

जिंदगी बहुत छोटी है उसे खुल कर जिए। कभी कभी हम स्वंय ही अपनी जिंदगी को उदासीन बना लेते है। इस की वजह है हमारे नकारात्मक सोच। यह सोच हमें चैन से जीने नही देती। दोस्ती के रिस्ते की बात की जाए तो यह एक बेहद खुबसुरत रिश्ता होता है। जिसे हम अकसर अपनी नकारात्मक सोच के कारण दांव पर लगा देते है। रिश्तों को बरकराकर रखने के लिए व उसे खुबरूरती से जीने के लिए अपने मन में नकरात्मक विचारों को निकाल फैकें साथ ही सकरात्मक सोच के साथ खुशहाल जीवन जिए स्वंय को बदले।

हमे हमेशा दुसरो को बदलने से पहले खुद को बदलने के बारे में सोचना चाहिए। दुसरों की सोच के बजाय पहले खुद की सोच को सकारात्मक बनाना होगा। सकारात्मक सोच परिस्थितियों में ही नही। दृष्टिकोण में भी बदलाव लाती है।

नकारात्मक सोच कई रिश्तो की बरबाद कर चूकी है। नकारात्मक सोच के कारण ही हँसते खेलते रिश्तों मे दरार पैदा हो जाता है। जब भी कही पर कोई भी कुछ भी घटना होती तो उसे अपने साथ जोड़ कर न सोचे कि आप के परिवार के सदस्य या आपके दोस्त, साथी भी ऐसा ही करते है।

कई बार जिंदगी में बहुत कुछ ऐसा घट्टि होता है जिस पर हमारा बस नहीं चलता। ऐसे मे अपने और अपने साथी को नकारात्मक दिशा में सोचने से रोकने का प्रयास करें। यदि आपके साथी का समय रही नहीं चल रहा, तो उसे अपना पुरा सहयोग दे, न कि उसे नकारात्मक बातें बोल कर उन का मनोबल गिराएँ। हमेशा किसी कार्य के सफलतापुर्वक नही हो पाने पर पार्टनर पर आरोप न लगाएं कि उस कि वजह से कार्य सफलतापूर्वक नहीं हो पाया या हमेशा यह कोसते रहना कि जब से तुम मेरी जिंदगी में आए हो, तभी से ऐसा हो रहा है। ऐसा वही बोलते है जो नकारात्मक सोच रखता है। तो जरूरी है कि एक दुसरे पर आरोप लगाने से बचे। आरोप लगाने से रिश्ते में तनाब के साथ कड़वाहत घुलती जाती है और फिर वे एक समय पर आ कर कमजोर पड़ जाते है।

अकसर दोस्तो में लड़ाई इसी बात पर होती है कि वे बिना सोचे समझे किसी बात पर प्रतिक्रिया व्यक्त कर देते है। यह एक तरह की नकारात्मक क्रिया है जिस में आप ने बिना सोचे समझे अपनी प्रतिक्रिया जाहिर कर दी। इस से तनाव बढ़ता है। ऐसे में जरूरी है कि आप सही से अपने साथी की बात सुन कर और समझ कर प्रतिक्रिया दे।

कईबार ऐसा होता है कि हमारा साथी ज्यादा फिक्र करने की वजह से आप से बराबर सवाल करता है या फोन करता है या पुरे दिन का जायजा लेता है कि तुम ने पुरें दिन क्या किया, तो उसे नकारात्मकता मे न लें।

ऐसे में जरूरी है कि आप उस का सन्मान करें। उस की फिक्र को रोकतोक न समझे। अगर वह आप से कुछ पुछे तो आप के प्रति उसकी चिंता को समझे। जरूरी है कि हमेशा नकारात्मक सोच के बजाय अपनी सोच में सकारात्मकता लाए। तभी आप अपनी जिंदगी खुशहाल तरीके से गुजार पाएंगे।

अकसर देखने में आता है कि आप पुरानी बातों को लेकर रिश्तो में कलेस करते रहते है, ऐसे में जरूरी है कि पुरानी बानों को छोड़ कर आज में जिए। जब आपको लगे कि आप के और आप के साथी के बीच नकारात्मकता घर करता जा रही है तो विषयो को साथ में  बैठकर सुलझांए जिससे बात और अधिक न बढ़े।

औफिस या घर का काम उतना ही करे जितना आपसे हो सकता है। ऐसे लोगो से दूर रहे जो लोग नकारात्मक सोच रखते है। बल्कि हमेशा सकारात्मक सोचा ने वाले व्यक्तियो को अपना दोस्त बनाएं।

आप अपने आप की किसी ना किसी कार्य में व्यस्त रखें। इस से आप सकारात्मक सोच रख सकेंगे। हमेशा एक दुसरे के बीच विश्वास को बनाए रखने के लिए हर वह कोशिश करे जो एक सफल रिस्ते के लिए जरूरी है।

**उच्चतर माध्यमिक प्रथम वर्ष( बाणिज्य शाखा )**

# What can I do for a clean India?

**Yuktasree Boruah**



Modi is quite right in getting people to accept their capability, by launching the Swach Bharat Campaign.The campaing is significant beacause of the attempt to change India's attitude towards cleaning and manual labour. I belive that the trust should be on individual littering.I will initiate the quest for cleanliness with myself,my work place,my locality and my family. I believe that the countries of the world that appear clean are so because their citizens don't indulge in littering,nor do they allow it to happen.How for is it right to blame the goverment when the people themselves are not right? The lack of funds do not explain the dirty public spaces in india.Infact it is our laziness towards doing physical labour.The general public should know the basic information about hygiene and cleanliness, regular washing of hands, maintaining proper sanitation,avoiding closed prolonged contact with poultry.What I felt is cleanliness does not always relate to cleaning the surrounding but also ownselves, our minds and hearts .In our society, the concept of cleaning and physical work is always associated with lower classes and castes only.I think toilets are more important than temples.No matter how many temples we go to,we are not going to get salvation.

We need to spread more awareness among the public about the importance of cleanliness.Our small initiatives can bring change beautifully.◆

**B.Com, 3rd semester**

# Nepal Snow Saddle

**Bidyut Sarma**

Alien and UFO hunters claim to have discovered the entrance the entrance to a secret underground UFO base located at the Kangtega peak of the Nepal Himalaya.

A large area of he Kangtega peak is blacked out on Google Earth, an indication - according to alien and UFO conspiracy theorists- that the power-that-be (PTB) don't want you to see what is located in that area of the summit of the Himalayas in Nepal.

The alleged secret UFO based was discovered by Youtube alien and UFO hunter Mexico Greek, who uploaded the evidence to Youtube on January 28,2016. Since, Mexico Greek discovered the entrance, other Youtube UFO hunters such as Secureteam 10, and finding UFO have upload the images to their Youtube channels. The images have sparked lively discussions and debates and UFO forum over the past few days. The alleged base is located on the Kangtaga peak of Nepal Himalayas at coordinates 27$^0$47'43.40"N 86$^0$49'640"E.

The Kangtega peak- also known as the Snow Saddle - is a major mountain summit in the Nepal Himalayas that peaks at 6,782 meters (22,251 feets). The summit was first ascended in 1964. Alison Harqreaves and Jeff Lowe also reached the Kangtega peak in May 1,1986. According to alien and UFO conspiracy theorist, the exact area of the Snow Saddle blacked-out on Google Earth is the remote and inaccessible Kangkaha Pass in Ladakh, Lazai at coordinates, 27$^0$47'43.40"N 86$^0$49'6.40"E, at the adjoining Aksai Chin Lake area at coordinates 35$^0$10'39.74"N 79$^0$50'27.27.91"E. These areas are known in the UFO community to be UFO hotspots. Aliens and UFO spotters have reported strange and suspicious phenomena in this area in the past. Reported sighting in the remote and orb UFO's emerging from underground locations.

UFO bloggers Scolt Waring suggested two possible explanation of the darkened patch on Google Earth images of the area. According to the blogger, the darkened area could include the location of the entrance to an underground alien base or the entrance to an underground alien base or the entrance to a top secret government military base or the entrance to an underground alien base or the entrance to the wall of cliff in the Kongkala- Pass coincides roughly with the highest ridge of Nepal Himalayas, and is away from the direction from where climbers approach the summit. This means that is it possibly only accessible from the air.

**EX Student**

# दोस्ती

सुस्मिता देव

दोस्त और उनकी दोस्ती हमारे जीवन की सबसे मीठास रिश्तों में से एक है। दोस्त वो होते है जो हमारे हर कदमो में हमारी साथ निभाता है, जो हमे, हसाते है और हाँ कभी कभी रुला भी देता है। पर फिर भी वह सबसे खास होता है। दोस्त हमारे जीवन में एक प्रमुख भुमिका निभाते है और हमारे जीवन को और भी खुशहाल और आनंदमय बना देते है। दोस्त हमारे गमों को बाँटते है और खुशियाँ को बढ़ाते है। ये वह रिश्ता होता है, जो न तो खुन से बनते है और न ही जन्म से, ये बनता है तो सिर्फ दिल से। दोस्त वह नहीं जो खुशी में साथ दे और दुख में साथ छोड़ दे। बल्कि दोस्त वह है जो हमें एक साथ रहना सीखाते है, जो हमें जीवन के हर एक पलों में साथ निभाना सीखाते है। दोस्त और उनकी दोस्ती तो उस परमात्मा के देन होते है, हमारे लिए वह बहुमुल्य उपहार होता है, जिसे हम कभी भी दुनिया के किसी भी धन के साथ तुलना नहीं कर सकते। ये रिश्ता अनमोल होते है। वह चाहे स्कुल का दोस्त हो या फिर काँलेज का पर दोस्त तो आखिर दोस्त होते है। हर एक मनुष्य को बच्चे से लेकर एक बूड़े इंसान को भी एक दोस्त की जरुरत होती है, जिनके साथ वह अपनी भावनाऊँ को बाँट सके, अपने सुख-दु:ख की बाते कर सके। मित्रता सगा न होते हुए भी सगे जैसा संबंध होता है, जो किसी भी उम्र के व्यक्ति के साथ किसी को भी हो सकता है। जीवन में बहुत महत्वपूर्ण वस्तुओं के होने के बावजुद भी एक इंसान के जीवन में मित्रता एक बहुत ही मुल्यवान रिश्ता है। एक मित्र ऐसा इंसान है जो हमे गहराई से जानते है और हमारे पसंद और भरोसा का सम्मान करते है।

अपने जीवन में एक सच्ची दोस्त पाने वाले इंसान को बहुत भाग्यशाली कहा जाता है। सच्ची मित्रता जीवन में कई प्रकार के यादगार, मीठे और खुशनुमा अनुभव देती हैं। किसी के जीवन में मित्रता सबसे बहुमुल्य संपत्ति है जिसे कोई भी कभी भी खोना नही चाहेगा। मित्र अच्छे-बुरे दोनों प्रकार के होते है। अच्छे मित्र हमें अच्छे राह पर ले जाते है, जबकि बुरा मित्र गलत राह पर ले जाते है। इसलिए हमें दोस्त बनाते समय सर्तक एवं सावधान रहना चाहिए। सच्चे दोस्त हमारे जीवन की संपत्ति के समान है क्योंकि वो हमारे दुख, दर्द और सच्चाई को हमसे बाँटते है और हम खुश रखते है। दोस्त एवं उनके गेहरी दोस्ती हमारे जीवन के हर एक लमहे को यादगार बनाते है, दोस्तो के साथ बिताए हुए हर एक पल बहुत यादगार होते है, उन पुलों को हम कभी भी वापस जी तो नहीं सकते पर उनके खयालो में हम खुशी-खुशी जी लेते है और यह साथ में बिताए हुए कुछ पल ही होते है। जो हमें दोस्ती की खुबसुरत धागा से सभी को साथ में जोड़कर रखते है। दोस्ती सिर्फ बोली नहीं सच्चे दिल से निभाई जाती है :-

"यारो दोस्ती बरी हसीन है
ये न हो तो बोलो
क्या ये जिन्देगी है।"

बी. कम. प्रथम सान्मासिक



# Hardwork with Smartness

**Manish Mandal**

Hardwork is the key to success. But only working hard won't help you get success in life. There are other factors involved confused?

Let me tell you a story of true friends. Among them, one got rich and the other lagged behind even after putting in a lot of hard work.

Once,there were two great friends. The first friend used to work hard throughout the day but hardly got anything. Where as, the other friend worked for four hours and used to help the needy and meditate the rest of the time.

When they met after a long time they discuss their lives with each other. The first friend asks his friend, "Why is that you get success and money after working for just 4 hours and I remain poor even after working the whole day?"

After hearing his friends complaints, the other friend smiles and asks his friend a question," What do you have in mind while working?"

The first friend replies, "I keep thinking about ways and means of earning more wealth." At this the second friend replied, "This is the reason behind your happiness and failure."

He explained that, " One does not attain success by just working hard. Success is a state of mind. What is the purpose of working hard when you stay unhappy".

" Mental happiness is very important for a successful life."

He advised his friend to stay happy and calm under every circumstance. After hearing his friends advice the first friend started following the same thing and soon he became rich and successful in life. ◆

**B. Com 3rd sem**

# Amazing and Interesting Facts in Mathematics

**Dr. Karabi Devi**

1. The word 'mathematics' comes from the Greek word máthçma, which means learning, study, science.
2. Zero ( 0 ) is the only number which cannot be represented by Roman numerals.
3. 2 and 5 are the only primes that end in 2 or 5.
4. Among all shapes with the same perimeter a circle has the largest area.
5. 111,111,111 × 111,111,111 = 12,345,678,987,654,321.
6. The opposite sides of a die always add up to seven (7).
7. A pizza that has radius "z" and height "a" has volume Pi × z × z × a.
8. In a room of just 23 people there's a 50% chance that two people have the same birthday. It's called the **Birthday Problem**.
9. The number 5 is pronounced as 'Ha' in Thai language. So, 555 is also used by some as slang for 'HaHaHa'.
10. **There are 52! (factorial) ways to shuffle a deck of cards or** 80658175170943878571660636856403766975289505440883277824000000000000 ways.

**Asst. Professor**
**Dept. Of Mathematics & Statistics**

# প্রতিবেদন

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সংগ্ৰাম যদি জীৱনৰ এটি নাম
(সেই) সংগ্ৰাম হওক তোৰ প্ৰিয়
দুই হাতে চকু দুটি ঢাকি ধৰি তই
অকলে' উচুপনো কিয় ?

ড° ভূপেন হাজৰিকা

(অমৰ শিল্পী, সংগীত সূৰ্য্য, সুধাকণ্ঠ ড. ভূপেন হাজৰিকাদেৱৰ মহান সৃষ্টিৰাজিৰ এই অংশই যেন প্ৰতিফলিত কৰিছে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ আঁৰৰ ত্যাগ, বলিদান আৰু কৃচ্ছতা)

প্ৰতিবেদনৰ আৰম্ভণিতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত পুণাৰাম নেওগ ডাঙৰীয়া তথা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা ত্যাগ, বলিদান তথা কৃচ্ছতাৰ জৰিয়তে নিজৰ জীৱন উচৰ্গা কৰা প্ৰতিজন মহান ব্যক্তিলৈ যাচিছোঁ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। কৰ্মৰত অৱস্থাতে সকলোৰে বুকুত শোকৰ সাঁচ বহুৱাই ইহসংসাৰ ত্যাগ কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা অসমৰ শিল্পীজগতৰ এজন বলিষ্ঠ শিল্পী প্ৰয়াত 'ড° ৰাজীৱলোচন বৰা' চাৰলৈও মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ড° যতীন্দ্ৰ নাথ শইকীয়াদেৱ, সন্মানীয় উপাধ্যক্ষ ড° পৰমানন্দ শৰ্মাদেৱ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ ছাত্ৰ একতা সভাৰ প্ৰথমগৰাকী সাধাৰণ সম্পাদক শ্ৰীযুত দুলাল চন্দ্ৰ গোস্বামী প্ৰমুখ্যে প্ৰাক্তন প্ৰতিগৰাকী সাধাৰণ সম্পাদক তথা ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী বিষয়ববীয়ালৈ এই ছেগতে মোৰ সংগ্ৰামী শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৬ বৰ্ষৰ ৪ছেপ্তেম্বৰ তাৰিখে বিপুল ভোটদানেৰে জয়যুক্ত কৰি ছাত্ৰ একতা সভাৰ 'সাধাৰণ সম্পাদক'ৰ দৰে এটি গুৰুদায়িত্বৰ সৌভাগ্য মোক অৰ্পণ কৰোৱাৰ বাবে মহাবিদ্যালয়ৰ অনুজ-অগ্ৰজ-প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক মই এই চেগতে কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰে শলাগিছোঁ। লগতে অজানিতে বৈ যোৱা ভুল-ক্ৰটীৰ বাবে মই সকলোৰে ওচৰত শিৰনত ক্ষমাপ্ৰাৰ্থী। কাৰ্যকালৰ প্ৰতিটো কাৰ্যসূচীতে ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী বিষয়ববীয়াৰ পূৰ্ণ সহযোগিতা লাভ কৰিবলৈ মই সক্ষম হৈছিলোঁ। লগতে বিভিন্ন সময়ত ছাত্ৰ একতা সভাৰ সভাপতি তথা সন্মানীয় অধ্যক্ষ ড° যতীন্দ্ৰ নাথ শইকীয়াদেৱৰ পূৰ্ণ সহযোগিতাই মোক দুগুণ উৎসাহ যোগাইছিল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে নিজৰ কৰিবলগীয়াখিনিত কোনোদিনে অৱহেলা কৰা নাছিলোঁ। বিভিন্ন সময়ত বিভিন্ন সমস্যা সমাধানৰ মাজেৰে নিজকে ছাত্ৰ-ছাত্ৰীসকলৰ হকে সদায় প্ৰস্তুত কৰি ৰাখিছিলোঁ। কাৰ্যকালৰ প্ৰতিটো সময়ত মহাবিদ্যালয়ৰ সন্মান, নিয়মানুৱৰ্তিতা তথা উন্নতিৰ হকে কাম কৰি যাবলৈ চেষ্টা কৰিছিলোঁ। কিমান দূৰ সম্ভৱ হ'ব পাৰিলোঁ হয়তো নাজানো, কিন্তু সকলোৰে সহযোগ আৰু সমৰ্থনত মোৰ মনত ধনাত্মক ফলাফলৰ প্ৰতিফলন ঘটে।

৭ ৰ পৰা ১১ জানুৱাৰী ২০১৭লৈ মহাবিদ্যালয়ৰ 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' খনি অনুষ্ঠিত

কৰিছিলোঁ। প্ৰতিটো বিভাগত বিভিন্ন প্ৰতিযোগিতা তথা অনুষ্ঠানৰ মাজেৰে মহাবিদ্যালয় সপ্তাহখিনি সাফল্যমণ্ডিত হোৱা বুলি মোৰ বিবেচনা হয়। মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত আছিল আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বিদগ্ধ পণ্ডিত শ্ৰীযুত প্ৰভাত দাস ডাঙৰীয়া আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় সহঃসাধাৰণ সম্পাদক চৈয়দ মনোৱাৰ হুচেইন ডাঙৰীয়া তথা সাংগঠনিক সম্পাদক শ্ৰীযুত ৰাজু ফুকন ডাঙৰীয়া। লগতে উপস্থিত আছিল সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সন্মানীয় ভাৰপ্ৰাপ্ত সভাপতি শ্ৰীযুত মৃদুল শইকীয়া ডাঙৰীয়া আৰু সাধাৰণ সম্পাদক শ্ৰীযুত অভিৱৰ্তন গোস্বামী ডাঙৰীয়া। তেখেতসকলৰ উপস্থিতিয়ে আনুষ্ঠানটিক এক সুন্দৰ ৰূপ প্ৰদান কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ সামৰণি সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰাকেশ ৰিয়ান আৰু আইলিতাৰ গীতেৰে সকলোকে মোহিত কৰিছিল।

বিভিন্ন সময়ত জিলা প্ৰশাসনৰ ওচৰত স্মাৰক ইত্যাদি প্ৰদানৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ প্ৰতি চোকা দৃষ্টি ৰাখিছিলোঁ। তাৰে দুটি আভাস তলত দাঙি ধৰা হ'ল।

১। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যাতায়াতৰ সুবিধাৰ্থে বাছ তথা অন্যান্য গাড়ীৰ ভাড়াত ৰেহাইৰ দাবী সম্পৰ্কে জিলা উপায়ুক্ত, জিলা পৰিবহণ বিভাগ তথা মটৰ পৰিবহণ সন্থাক স্মাৰক প্ৰদান।

২। বিধান সভাৰ নিৰ্বাচনত ব্যৱহাৰ কৰাৰ পাছত জৰাজীৰ্ণ অৱস্থাত থকা মহাবিদ্যালয়ৰ খেলপথাৰ নিৰ্মাণৰ দাবী সম্পৰ্কে জিলা নিৰ্বাচনী বিষয়া তথা জিলা উপায়ুক্তক স্মাৰক পত্ৰ প্ৰদান।

উক্ত দুয়োটি ক্ষেত্ৰতে আমি প্ৰশাসনৰ পৰা ধনাত্মক সমৰ্থন লাভ কৰিছিলো।

মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰিবলৈ অহা উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক তথা স্নাতক প্ৰথম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ১ৰপৰা ২০ জুনৰ ২০১৭লৈকে অনলাইনযোগে বিনামূলীয়া "নামভৰ্তি সহায়ক কেন্দ্ৰ" স্থাপন কৰি পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ অনলাইন নামভৰ্তি প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ সক্ষম হৈছিলোঁ। এই চেগতে নামভৰ্তি সহায়ক কেন্দ্ৰত ছাত্ৰ একতা সভাক সহযোগ আগবঢ়োৱা গোলাঘাট বাণিজ্য মহাবিদ্যালয় শাখা গোট ছাত্ৰ সন্থা তথা গোলাঘাট আন্তৰিক ছাত্ৰ সন্থাক মই ছাত্ৰ একতা সভাৰ মজিয়াৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছো।

কাৰ্যকালত বিভিন্ন অনুষ্ঠান যেনে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ, সৰস্বতী পূজা, শংকৰদেৱৰ তিথি ইত্যাদিৰ বিভাগীয় সম্পাদকক পাৰ্যমানে দিহা পৰামৰ্শ আগবঢ়াইছিলোঁ। তথা অনুষ্টুপীয়াকৈ হ'লেও শ্বহীদ দিৱস, ৰাভা দিৱস, শিল্পী দিৱস, ভূপেন হাজৰিকাদেৱৰ জন্ম দিৱসৰ কাৰ্যসূচী হাতত লৈছিলোঁ।

৭ আগষ্ট ২০১৭ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে আটকধুনীয়াকৈ আয়োজন কৰা হৈছিল 'নৱাগত আদৰণি সভা'। উক্ত সভাত মূখ্য অতিথিৰূপে উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় সাধাৰণ সম্পাদক শ্ৰীযুত লুৰিনজ্যোতি গগৈ ডাঙৰীয়া। উক্ত সভাৰ অন্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল এক সাংস্কৃতিক অনুষ্ঠানৰো। সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ আছিল অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী মণ্টুমনি শইকীয়া। ইয়াৰ লগতে বিভিন্ন সৰু-বৰ কাৰ্যসূচীৰ লগতে কাৰ্যকালৰ কাৰ্যসূচী পাৰ হৈছিল।

"সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে, সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।" দায়িত্ব, কৰ্তব্য নিষ্ঠা তথা মহাবিদ্যালয়খনৰ প্ৰতি থকা ভাল পোৱাখিনিয়ে হয়তো মোক নিজৰ কৰিবলগীয়াখিনিৰ বিষয়ে প্ৰতিটো মুহূৰ্তত অৱগত কৰাই গৈছিল। এজন সাধাৰণ সম্পাদক হিচাপেই নহয়, এজন ছাত্ৰ হিচাপেও মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতি মোৰ আপোনভাৱবোৰ আগতেও আছিল তথা ভৱিষ্যতেও ৰ'ব। সদৌ শেষত মহাবিদ্যালয়ৰ শৈক্ষিক তথা অন্যান্য সকলো দিশৰ উন্নতিৰ কামনা তথা অজানিতে বৈ যোৱা ভুল ত্ৰুটীৰ বাবে সকলোৰে আগত ক্ষমাপ্ৰাৰ্থী হৈ সকলোলৈকে পুনৰবাৰ মোৰ আন্তৰিক শ্ৰদ্ধা, কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

"উৰ্দ্ধমুখী যাত্ৰা আমাৰ
স্বপ্ন আকাশ চোৱাৰ।"-
"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা।"

দেৱাশীষ সাহা
সাধাৰণ সম্পাদক

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে, যিসকল মহান মনিষীৰ ত্যাগ তথা কষ্টৰ বিনিময়ত সোণালী দিনবোৰ অতিক্ৰম কৰি সমগ্ৰ ৰাজ্যৰ অন্যতম শিক্ষা অনুষ্ঠান হিচাপে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে অসমৰ বৌদ্ধিক তথা শৈক্ষিক সমাজত উজ্জ্বল নক্ষত্ৰ হিচাপে জিলিকি উঠিবলৈ সক্ষম হৈ আহিছে, সেই প্ৰতিষ্ঠাকালীন তথা পৰৱৰ্তী সময়ত মহাবিদ্যালয়ৰ শৈক্ষিক যাত্ৰাৰ সংগীসকললৈ এই অপাহতে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ পৰিয়ালৰ সদস্য হোৱাৰ দিন ধৰি প্ৰতিটো ক্ষেত্ৰত ছাত্ৰ সমাজক প্ৰতিটো উৰ্দ্ধগামী কামত সক্ৰিয়ভাৱে নেতৃত্ব তথা সহযোগিতা আগবঢ়াই আহিছোঁ। কিন্তু বন্ধুসকলৰ প্ৰবল হেঁচা আৰু বাণিজ্যিয়ানসকলৰ দাবীত ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াওঁ। ছাত্ৰ সমাজে বিপুল ভোটত মোক জয়যুক্ত কৰি ছাত্ৰ একতা সভাৰ "সহকাৰী সাধাৰণ সম্পাদক" হিচাপে গুৰু দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ বাণিজ্যিয়ানলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বাণিজ্যিয়ানৰ আশা-আকাংক্ষাক বিগত দিনবোৰত মোৰ কাৰ্যকলাপত কিমানদূৰ বাস্তৱায়িত কৰিব পাৰিলোঁ সেয়া বিবেচনাৰ দায়িত্ব আপোনাসৱলৈ এৰিলোঁ। ছাত্ৰ একতা সভাখনৰ প্ৰতিটো বিভাগৰ সম্পাদকসকলৰ লগত প্ৰত্যক্ষ সম্পৰ্ক ৰাখি কাম-কাজসমূহ যাতে সুচাৰুৰূপে সম্পাদিত হয় তাৰ বাবে চেষ্টাৰ ক্ৰুটী কৰা নাছিলোঁ। কাৰ্যকাল আৰম্ভ হোৱাৰ কিছুদিনৰ পাছতে মহাবিদ্যালয়ৰ সপ্তাহৰ ২০১৬ বৰ্ষৰ লগত সংগতি ৰাখি সৌন্দৰ্য প্ৰতিযোগিতা আৰু যোগ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ মোৰ দায়িত্ব পৰে আৰু দুয়োটি প্ৰতিযোগিতা আশানুৰূপভাৱে সুন্দৰকৈ অনুষ্ঠিত হৈ যায়। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰী শ্ৰী সৰস্বতী পূজা ভাগ মহাবিদ্যালয়ত আয়োজন কৰিবৰ বাবে এই অভাজনৰ দায়িত্বতে পৰে যদিও ছাত্ৰ একতা সভাৰ সকলো সম্পাদকৰ সহায়-সহযোগিতাত এই কাৰ্য সুচাৰুৰূপে সমাপন ঘটে। ইয়াৰ উপৰিও মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰীসকলৰ 'ইউনিফৰ্ম' পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ লগতে নিয়মানুৱৰ্তিতা মানি চলাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ৰ সৈতে সহযোগিতাৰে সম্ভৱপৰ সকলোধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছিলো। যাৰ ফলশ্ৰুতিত মহাবিদ্যালয়ৰ চৌহদত সুস্থ শৈক্ষিক বাতাৱৰণ গঢ় দিয়াত সফল হৈছিলোঁ বুলি দাবী কৰিব পাৰোঁ।

বিভিন্ন সময়ত সাধাৰণ সম্পাদকৰ লগত তেওঁৰ ছাঁৰ দৰে থাকি বিভিন্ন কাম-কাজত সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। প্ৰয়াত উপাধ্যক্ষ 'ড° ৰাজীৱ লোচন বৰা'ৰ ছাৰৰ লগত তেওঁ দেখা মহাবিদ্যালয়ৰ সপোনবোৰ বাস্তৱতে ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰিছিলোঁ যদিও সেই সপোন বাস্তৱ নহ'ল। কিয়নো তেওঁ আমাক এৰি থৈ নেদেখাজনৰ ওচৰলৈ গুছি গ'ল। তেওঁৰ সেই সপোন পূৰ্ণ আশাৰে তেওঁলৈ যাচিছোঁ অশ্ৰু ভৰা শ্ৰদ্ধাঞ্জলি।

শেষত সকলো বাণিজ্যিয়ানে মোৰ কাৰ্যকালত মোৰ লগ দিয়াৰ বাবে অশেষ ধন্যবাদ আৰু জ্ঞাতে-অজ্ঞাতে হৈ যোৱা মোৰ কাৰ্যকালৰ ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত কৰযোৰে ক্ষমাৰ ভিক্ষা মাগিলোঁ।

'জয়তু, বাণিজ্য মহাবিদ্যালয়'

'জয়তু, ছাত্ৰ একতা সভা'

'জয়তু বাণিজ্যিয়ান'

'জয় আই অসম'

মাধুৰ্য্য কলিতা

সহঃ সাধাৰণ সম্পাদক

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

শব্দৰ প্ৰয়োভৰে প্ৰতিবেদনৰ ৰূপ লোৱাৰ প্ৰাকমুহূৰ্তত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ৪৫ বছৰীয়া ইতিহাসৰ বৰ্ণাঢ্য ব্যক্তি আৰু তেওঁলোকৰ অৱদানক প্ৰথমেই স্মৰণ কৰি শ্ৰদ্ধা নিবেদিছোঁ। লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° ৰাজীৱলোচন বৰাদেৱলৈ মোৰ অশ্ৰুভৰা শ্ৰদ্ধাঞ্জলি জনাইছো। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ অতীত, বৰ্তমানৰ শিক্ষাগুৰু, কৰ্মচাৰী তথা শিক্ষাৰ্থী বন্ধুসকলক 'জ্যোতিষ্মান' পাঠৰ পৰাই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা নিবেদন কৰিছোঁ।

'জ্যোতিষ্মান' জ্ঞানৰ জ্যোতিৰ শতসহস্ৰজনক আলোকিত কৰি তোলাই যাৰ মূলমন্ত্ৰ। প্ৰতিষ্ঠাকালীন দিনৰে পৰা মহাবিদ্যালয়ৰ পৰিয়ালৰ সাহিত্য কলাৰ জ্ঞানৰ জ্যোতি 'জ্যোতিষ্মান'ৰ দাপোনত প্ৰতিফলিত হৈ আহিছে।

সৰুৰে পৰা সাহিত্যৰ জগতখনৰ প্ৰতি এক বিশেষ দুৰ্বলতা আছিল। সাহিত্যৰ প্ৰতি নিজৰ ধাউতি আৰু আপোন মহাবিদ্যালয়খনৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবেই হয়তো আলোচনী বিভাগৰ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো আৰু অপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হ'বলৈ সক্ষম হৈছিলো। মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদকৰ দায়িত্ব লাভ কৰি এই সাহিত্যৰ বিশাল জগতৰ কিছু জ্ঞান লাভ কৰিবলৈ নাইবা মোৰ সাহিত্যৰ থূলমূলীয়া প্ৰজ্ঞাৰে মহাবিদ্যালয়ৰ উত্তৰণৰ বাবে এই বিভাগত আগবাঢ়ি আহিছিলো। আলোচনী বিভাগৰ সম্পাদক হিচাপে আলোচনীৰ লগতে সাহিত্যৰ যিকোনো দিশত মহাবিদ্যালয়খনক আগুৱাই নিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিলো। মহাবিদালয়ৰ স্বাৰ্থত কৰা বিভাগীয় কামৰ কষ্টবোৰক ভৱিষ্যতলৈ এটা মধুময় স্মৃতি হ'ব তাৰ আশাৰে আগবাঢ়ি আহিছিলো।

**মহাবিদ্যালয়ৰ সপ্তাহ ঃ**

মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতা অংশগ্ৰহণ কৰা প্ৰত্যেক বিভাগেই গুৰুত্ব সহকাৰে নিজৰ প্ৰতিভা সমূহ প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিল। গুৰুত্বপূৰ্ণ যে, সকলো বিভাগে অতি কম সময়ৰ ভিতৰত উন্নত মানদণ্ডৰ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰিবলৈ সক্ষম হৈছিল। সাহিত্য তথা আলোচনী বিভাগৰ সকলো প্ৰতিযোগিতা সম্পূৰ্ণ সুচাৰুৰূপে সম্পন্ন হৈছিল।

**মুখপত্ৰৰ বিষয়ে ঃ**

মহাবিদ্যালয়ৰ মুখপত্ৰ 'জ্যোতিষ্মান'ক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মেলি দিবলৈ পাই অতিকে সন্তুষ্টি লাভ কৰিছোঁ। যিসকল লেখক-লেখিকাৰ বাবে মহাবিদ্যালয়ৰ মুখপত্ৰখনে পোহৰৰ বাট দেখিবলৈ সক্ষম হ'ল তেওঁলোকক পোনপ্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছোঁ। মুখপত্ৰখন প্ৰকাশৰ এই যাত্ৰা সহজসাধ্য নাছিল। বিশেষকৈ লেখাসমূহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰ আহি পৰিছিল বিভিন্ন সমস্যা। গুণগত মানদণ্ডৰ এখন মুখপত্ৰ প্ৰকাশৰ বাবে চেষ্টা কৰিছিলো যদিও সন্মুখত আহিপৰা বিভিন্ন সমস্যাৰ বাবে হতাশাই মনত দেখা দিছিল। তথাপিও সময়ৰ সন্মুখত হাৰ নামানি দুগুণ উৎসাহেৰে আগবাঢ়ি আহিছিলো মুখপত্ৰ প্ৰকাশৰ বাবে। 'জ্যোতিষ্মান'ৰ লেখক-লেখিকাৰ বহুতৰে হয়তো এয়া প্ৰথম লেখা গতিকে এই যাত্ৰা যেন কাহানিও অন্ত নহয় তাৰে কামনা কৰিছোঁ।

**কৃতজ্ঞতা ঃ**

সৰুৰে পৰা সাহিত্য জগতখনত বিচৰণ কৰি ভালপোৱা ছোৱালীজনীক মহাবিদ্যালয়ৰ সাহিত্য ক্ষেত্ৰখনত এটা সোণালী বছৰ উছৰ্গা কৰিবলৈ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সকলোৰে ওচৰত কৃতজ্ঞ। এনে এটা গধুৰ দায়িত্ব পালন কৰিবলৈ আত্মবিশ্বাস জন্মোৱাৰ বাবে প্ৰথমেই মই সীমান্ত দাক ধন্যবাদ জনাইছোঁ। ইয়াৰোপৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাৰ্থী যিসকলে মোক এই বিভাগত প্ৰত্যেকটো ক্ষেত্ৰতে সহায় সহযোগিতাৰে আগবাঢ়ি যাবলৈ প্ৰেৰণা দিলে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই যাত্ৰাৰ পথ প্ৰদৰ্শক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° যতীন্দ্ৰ নাথ শইকীয়া ছাৰৰ উপৰিও শিক্ষক উপদেষ্টা ড° নৱমী গগৈ বাইদেউ, জোনটি দুৱৰা বাইদেউ আৰু ড° জীৱনজ্যোতি বৰা ছাৰৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা স্বাধীনতা বাইদেউ, মনচুমী বাইদেউ, নাজীয়া বাইদেউ, প্ৰণৱ ছাৰ, নন্দিনী বাইদেউ উপৰিও মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বিভিন্ন ক্ষেত্ৰত সহযোগিতা কৰা মুখপত্ৰৰ সম্পাদনা সমিতি উপৰিও আলোচনীৰ বাবে ফটো সংগ্ৰহ কৰা অংশুমান আৰু অম্লানক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত, 'জ্যোতিষ্মান'ত অজানিতে বৈ যোৱা ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। আশা কৰো 'জ্যোতিষ্মান'ৰ এই সংখ্যাটিয়ে যেন সকলোৰে মাজত বিলাই দিয়ে জ্ঞানৰ সঁফুৰা।

ধন্যবাদেৰে

**সাগৰিকা শইকীয়া**

# REPORT FROM CULTURAL SECRETARY

I would like to take this opportunity to express my heartfelt thanks to all the students of Golaghat Commerce College for giving me this opportunity to serve as the Cultural Secretary of the Students' Union of Golaghat Commerce College session 2016-17. I would also like to thank our respected Principal Dr. Jatindra Nath Saikia, and moreover my in-charge Ma'am Dr Dipali Gogoi and Sir Arindam Bora for their guidance through-out my tenure and I would also like to thank Sir Manas Pratim Bora and Ma'am Nazia Rahman for the immense support they provided me during the time of Youth Festival 2016-17. And lastly my heartfelt thanks to all the teachers of Golaghat Commerce College for constantly supporting me as my mentor throughout the year.

Preparing for the election was a long walk for me to reach, what started out as a whim two months before the union elections was a dream for me, then a goal and then, astonishingly my reality.

As my responsibilities started after the oath taking ceremony, my main objective was to make every event a successful one and most importantly to encourage every student to come out and participate in every possible cultural activity.

One of the major events which I term as the most important event handed over to me was the youth festival 2016-17 held in Teok, Jorhat. As during this period I was able to perform well as per the required need and deliver my best as the college cultural secretary.

During my work the most important thing, I have learnt that being The Cultural secretary is more than a badge and a satin sash, it's about learning to delve deeper into your own self. And I will always be happy and grateful that I had this wonderful opportunity to serve for my college.

And lastly I would like to apologize for any mistakes during my tenure.

**THANK YOU**
**PRIYOPRATIM PHUKAN**
**CULTURAL SECRETARY**

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিলৈ একাঁজলি গভীৰ শ্ৰদ্ধা আগবঢ়াইছোঁ, যিসকলৰ ঐকান্তিক প্ৰচেষ্টা, কষ্ট আৰু ত্যাগৰ বিনিময়ত জন্ম হৈছিল আজিৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়খনে।

দ্বিতীয়তে, ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ প্ৰমুখ্যে উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকল তথা 'জ্যোতিষ্মান'ৰ সকলো পাঠকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৬-২০১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে সংগীত বিভাগৰ সম্পাদক হিচাপে কৰ্মভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে সেৱা কৰিবলৈ পাই অতিকৈ আনন্দিত। সংগীত বিভাগৰ গুৰু দায়িত্ব লাভ কৰি ভাবিছিলোঁ মই মহাবিদ্যালয়ৰ সংগীতৰ ক্ষেত্ৰখনত আগুৱাই নিম বুলি। বহুতক্ষেত্ৰত বিফলো হ'লো যদিও কিছু ক্ষেত্ৰত সফল হৈছিলোঁ। এইক্ষেত্ৰত কিমানদূৰ সফলতাৰে আগবাঢ়িব পাৰিলোঁ তাৰ পৰ্যালোচনা আপোনালোকসবৰ ওপৰত এৰিলোঁ।

সংগীত সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনা আৰু সহযোগিতাৰ ফলস্বৰূপে মহাবিদ্যালয় সপ্তাহ আকৰ্ষণীয় হৈ পৰিছিল। সংগীত প্ৰতিযোগিতাৰ আটাইকেইটা বিভাগত যোগদান কৰি বলিষ্ঠ কণ্ঠদান কৰা ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰিবলৈ সক্ষম হয় তাজকিৰ তাজ আফটাৰ আৰু দ্বিতীয় স্থান লাভ কৰে ৰশ্মিৰেখা শইকীয়াই।

মোৰ কাৰ্যকালত সকলো দিশতে দিহা পৰামৰ্শ দি বিশেষ অৰিহণা আগবঢ়োৱা শ্ৰদ্ধাৰ যতীন্দ্ৰ নাথ শইকীয়া ছাৰ প্ৰমুখ্যে মোৰ উপদেষ্টা মন্দিৰা বৰা বাইদেউ আৰু ৰিংকী দাস বাইদেউৰ লগতে মোৰ সতীৰ্থ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু লগতে ছাত্ৰ ছাত্ৰী তথা শুভাকাংশীলৈ আন্তৰিক শুভকামনা আৰু ধন্যবাদ জনাইছো। মহাবিদ্যালয়ৰ ভৱিষ্যৎ গৌৰৱোজ্জ্বল হোৱাৰ কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

'জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'

'জয়তু জ্যোতিষ্মান'

ধন্যবাদেৰে......

আফজল হুছেইন

সংগীত বিভাগৰ সম্পাদক

# লঘু আৰু ক্ৰীড়া বিভাগৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিলৈ গভীৰ শ্ৰদ্ধা নিবেদিছোঁ যিসকল ব্যক্তিৰ আপ্ৰাণ চেষ্টা আৰু ত্যাগৰ বিনিময়ত জ্ঞানৰ মন্দিৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰে। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৬-১৭ বৰ্ষৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত লঘু আৰু ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ বাণিজ্যিয়ানৰ ওচৰত মই চিৰকৃতজ্ঞ।

লঘু আৰু ক্ৰীড়া বিভাগৰ দায়িত্ব লোৱাৰ কিছুদিনৰ পাছতে মাৰ্ঘেৰিটা কলেজত অনুষ্ঠিত হোৱা 'বক্সিং' প্ৰতিযোগিতালৈ আমাৰ মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী পঠোৱা হৈছিল। উক্ত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী মুনমী শইকীয়া আৰু নিহা দাসে সোণৰ পদক অৰ্জন কৰিছিল। তদুপৰি উক্ত প্ৰতিযোগিতাখনতে নিলোৎপল বৰা আৰু নৱজ্যোতি কলিতাই ক্ৰমান্বয়ে তামৰ আৰু ৰূপৰ পদক লাভ কৰিছিল। ইয়াৰ উপৰিও তিনিচুকীয়াত অনুষ্ঠিত হোৱা 'টেবুল টেনিছ' প্ৰতিযোগিতাত অংকিতা বৰপাত্ৰ গোঁহাইয়ে উদগনি বঁটা লাভ কৰি মহাবিদ্যালয়খনলৈ সন্মান কঢ়িয়াই আনিছিল। ২০১৭ বৰ্ষৰ মাৰ্চ মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা টাইকোৱানডো প্ৰতিযোগিতাত মোৰ লগতে মোৰ নেতৃত্বত যোৱা সহ প্ৰতিযোগী ডিম্পী গগৈয়ে সোণৰ পদক লাভ কৰে। সদৌ শেষত মোৰ কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰত উপদেশ আৰু সহায় কৰা মোৰ উপদেষ্টা সীমান্ত প্ৰসাদ হাজৰিকা ছাৰ, প্ৰাঞ্জল প্ৰতীম দত্ত ছাৰ আৰু আফতাবুৰ ৰহমান ছাৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত 'জ্যোতিষ্মান' লৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰিছোঁ।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।।

ৰিম্পী কলিতা
সম্পাদক, লঘু আৰু ক্ৰীড়া বিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মই মোৰ সম্পাদিকাৰ কলমত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয় আৰু মোৰ পৰম পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টি, দাদা-বাইদেউ সকলৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদককে প্ৰমুখ্য কৰি সমূহ বিষয় বৰীয়াসকলক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অপ্ৰতিদ্বন্দ্বিতাৰে ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হ'বলৈ পাই মই অতিশয় গৌৰৱ অনুভৱ কৰিছোঁ। যদিও মই অপ্ৰতিদ্বন্দ্বী হিচাপে জয়ী হৈছিলোঁ, মোক বাণিজ্যয়ান সকলে বহুতো সহায় সহযোগ কৰিছিল। সেয়ে তেওঁলোকৰ আগত মই সদায় চিৰ কৃতজ্ঞ।

বিভাগীয় সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই নিজৰ কৰ্মৰ দায়িত্বসমূহ সুচাৰু ৰূপে চলাই যাবলৈ প্ৰয়াস কৰিছিলোঁ, যদিও মোৰ ধাৰণাৰে বহুতো ক্ষেত্ৰত সফল হ'ব নোৱাৰিলোঁ। ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰ ভিতৰত চালাড, মেহেন্দী, পুষ্পসজ্জা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ মোৰ ভাগত পৰিছিল। মোৰ কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰত উপদেষ্টা হিচাপে থাকি সহায়-সহযোগ আৰু সু-পৰামৰ্শ আগবঢ়োৱা অধ্যাপিকা দিপা ৰাণী বাইদেউ আৰু মনোৰমা বাইদেউলৈ মোৰ অশেষ ধন্যবাদ। লগতে প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে হৈ যোৱাত বন্ধু-বান্ধৱীসকলে যি সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোকক ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ক্ৰটীৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে মোৰ সহপাঠীসকলক আৰু শুভাকাংক্ষীসকলক মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছা যাচিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি হওক আৰু প্ৰতিজন শিক্ষাগুৰুৰ সু-স্বাস্থ্য, দীৰ্ঘায়ু কামনা কৰি মোৰ এই প্ৰতিবেদনৰ ইতি পেলালোঁ।

"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

"জয় আই অসম"

মায়া গোৱালা

সম্পাদক, সমাজ সেৱা বিভাৰ্গ

# ক্ৰিকেট আৰু ফুটবল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল, মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভণ্টিসকল, দাদা-বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ক্ৰিকেট আৰু ফুটবল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ আছিলোঁ। কাৰ্যভাৰ গ্ৰহণ কৰি মই মোৰ কাৰ্যক্ষেত্ৰত কিমান সফল হ'ব পাৰিলোঁ সেইয়া আপোনালোকে বিবেচনা কৰিব।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই বোকাখাতত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে বৃহৎ জয়লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহটো আন্তঃশ্ৰেণীসমূহৰ মাজত মোৰ নেতৃত্বত অনুষ্ঠিত হোৱা ক্ৰিকেট আৰু ফুটবলখেলসমূহ সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত খেলসমূহত অংশগ্ৰহণকাৰী প্ৰতিযোগীৰ সংখ্যা আছিল উৎসাহজনক আৰু সকলো প্ৰতিযোগীয়ে নিজৰ প্ৰতিভাসমূহ সুন্দৰভাৱে দাঙি ধৰিছিল।

মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি সহায় কৰা সন্মানীয় অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ মানস চাৰ, সীমান্ত চাৰ আৰু পৰশ চাৰক এই চেগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে মোৰ সতীৰ্থ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকলে বিভিন্ন ক্ষেত্ৰত মোক পৰামৰ্শ আৰু সহযোগিতা প্ৰদান কৰি মোৰ কাৰ্যকালক সুচাৰুৰূপে পালন কৰাত সহায় কৰিছিল, যাৰবাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

মানুহৰ ভুল হোৱাটো স্বাভাৱিক। গতিকে মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা বিছাৰিছোঁ। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ আৰু বাৰ্ষিক আলোচনী 'জ্যোতিষ্মান' খনিৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

"জয়তু গোলাঘাট মহাবিদ্যালয়"

ধন্যবাদেৰে-

**সমুজ্জ্বল বৰা**
সম্পাদক, ক্ৰিকেট আৰু ফুটবল বিভাগ

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয় তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী বৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ অভিভাৱকৰ স্বৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ প্ৰয়াত ড° ৰাজীৱ লোচন বৰা চাৰলৈ মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। বিভাগীয় উপদেষ্টা ভাস্কৰজ্যোতি কাকতি ছাৰ শুচিব্ৰতা চেলেং বাইদেউলৈয়ো প্ৰতিটো ক্ষেত্ৰতে তেখেতসকলৰ সহায়-সহযোগিতা তথা বহুমূলীয়া পৰামৰ্শৰ বাবে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে শলাগিছোঁ। কাৰ্যকালৰ প্ৰত্যেকটো কামতে মোক সহায়-সহযোগ তথা বহুমূলীয়া পৰামৰ্শ প্ৰদানেৰে কৃতাৰ্থ কৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদককে প্ৰমুখ্য কৰি সমূহ বিষয়ববীয়াকে মই এই ছেগতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপনেৰে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদকৰ পদত বিনা প্ৰতিদন্দ্বিতাৰে জয়লাভ কৰি এক গুৰুত্বপূৰ্ণ পদবীৰ গৰাকী হৈ পৰিছিলোঁ সেয়েহে বিভাগীয় কাৰ্যক্ৰমণিকাসমূহক সদায় প্ৰাধান্য দিছিলোঁ। এগৰাকী সাধাৰণ ছাত্ৰীৰ পৰা হঠাতে নিজকে এগৰাকী সম্পাদিকা হিচাপে পাই প্ৰথম অৱস্থাত কিছু অসুবিধাৰ সন্মুখীন হৈছিলোঁ, কিন্তু সময়ৰ সোঁতত সকলো বাস্তৱলৈ ৰূপান্তৰ হৈছিল। বিভাগীয় কাযক্ৰমণিকাৰ ভিতৰত তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা ইত্যাদি মোৰ দায়িত্বত পৰিছিল। বাৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহত উপৰোক্ত সকলোবোৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ আৰু সকলোৰে বিপুল সহাৰি লাভ কৰিছিলোঁ। বিভিন্ন সময়ত আন্তঃমহাবিদ্যালয় পৰ্য্যায়ৰ বিভাগীয় প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ প্ৰতিনিধি তথা দলসমূহক নেতৃত্ব প্ৰদান কৰিছিলোঁ। বিভিন্ন সময়ত মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা দিশৰ উন্নতিৰ বাবে পাৰ্য্যমানে ব্যৱস্থা হাতত লৈছিলোঁ। ইয়াৰোপৰি ছাত্ৰ একতা সভাৰ বিভিন্ন কাৰ্য্যসূচী তথা অনুষ্ঠানৰ লগত নিজকে জড়িত ৰাখিছিলোঁ। এখন সফল ছাত্ৰ একতা সভাৰ বিষয়ববীয়া হিচাপে পাই নিজক লৈ মই সদায় গৌৰৱান্বিত।

শেষত কাৰ্যকালত কেতিয়াবা অজানিতে হৈ যোৱা ভুল-ক্ৰটীৰ বাবে মাৰ্জনা মাগি পুনৰবাৰ সকলোকে ধন্যবাদ জনাই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতেই সামৰিছোঁ আৰু মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ উন্নতি কামনা কৰিলোঁ।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।।
।। জয়তু তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।।
।। জয়তু ছাত্ৰ একতা সভা।।

বাবলি বেগম
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি, উপাধ্যক্ষ মহোদয় আৰু মোৰ চিৰ পূজনীয় শিক্ষাগুৰু সকল, কৰ্মচাৰী বৃন্দৰ লগতে মোৰ বন্ধু-বান্ধৱী সকল, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াকৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৬-২০১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই ছাত্ৰী জিৰণী কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলোঁ। এই বিভাগৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়খনৰ হকে সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী ওচৰত মই চিৰ কৃতজ্ঞ।

মহাবিদ্যালয়ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে যিখিনি কৰণীয় কাম সেইখিনি কিমান সুচাৰুৰূপে পালন কৰিছিলোঁ সেয়া উত্তৰ কেৱল আপোনালোকৰ হাতত। মোৰ কাৰ্য্যকালত অনুষ্ঠিত হোৱা ২০১৬-২০১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহৰ মোৰ খেল আছিল কাবাডী, মিউজিক চেয়াৰ, ৰছী-টনা, টেকেলি ভঙা আদি।

এই কাৰ্যকালৰ সময়ছোৱাত মোৰ অজ্ঞাতে যদি কিবা ভুল-ভ্ৰান্তি হৈছে তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে এই প্ৰতিবেদনৰ জৰিয়তে পৰৱৰ্তী ছাত্ৰ-একতা সভাৰ সকলো বিষয়ববীয়াকে অভিনন্দন জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ এই কাৰ্য্যকালৰ সময়ছোৱাত উৎসাহ যোগোৱা মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপদেষ্টা অধ্যাপিকা নাজিয়া ৰহমান বাইদেউ প্ৰমুখ্যে সকলো শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী সকলক ধন্যবাদ জ্ঞাপন কৰি মই মোৰ প্ৰতিবেদনৰ ইতি পেলালোঁ।

'জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'

'জয় আই অসম'

নাজিমা বেগম
সম্পাদক, ছাত্ৰী জিৰণী কোঠা

# ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী বৃন্দ তথা বিভাগীয় উপদেষ্টা ড° চিনজাখুম ভাইউেই চাৰলৈ কাৰ্য্যকালৰ প্ৰতিটো ক্ষেত্ৰতে তেখেতৰ সহায়-সহযোগ আৰু দিহা-পৰামৰ্শৰ বাবে সৰ্বপ্ৰথমে মই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰয়াত ড° ৰাজীৱ লোচন বৰা চাৰলৈ মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদককে মুখ্য কৰি সমূহ বিষয়ববীয়ালৈও বিভিন্ন সময়ত তেখেতসকলৰ সহায়-সগযোগিতাৰ বাবে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল ভোটদানেৰে জয়যুক্ত কৰি "সম্পাদক, ছাত্ৰ জিৰণী কোঠা" পদত পদাস্থিত কৰি ইমান এটি গধুৰ দায়িত্ব মোৰ হাতত অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে এই ছেগতে মই কৃতজ্ঞতাৰে শলাগিছোঁ। পদবী গ্ৰহণ কৰিয়েই নিজৰ দায়িত্বত যথেষ্ট নিষ্ঠা সহকাৰে মনোনিৱেশ কৰিছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠাটো ছাত্ৰ সকলৰ বাবে উপযোগী কৰি তুলিবলৈ যো-জা কৰিছিলোঁ। বিশেষকৈ কোঠাটিত বিভিন্ন সামগ্ৰী যেনে কেৰম, দবা খেলৰ সামগ্ৰীৰ যোগান; উপযুক্ত পৰিমাণে আচবাব-পাতিৰ যোগান, ইত্যাদিৰে কোঠাটিৰ সামান্য প্ৰয়োজনীয়তাসমূহ পূৰণৰ দিশত অগ্ৰসৰ হৈছিলোঁ। লগতে সীমিতভাৱে হ'লেও কোঠাটিৰ অলংকৰণত কিছু পৰিমাণে গুৰুত্ব আৰোপ কৰিছিলো।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত কেৰম, দবা, ৰছীটনা ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুযোগ লাভ কৰিছিলোঁ। উক্ত প্ৰতিযোগিতাসমূহত সকলো দিশৰ পৰা ধনাত্মক ফলাফল লাভ কৰিছিলোঁ। কাৰ্য্যকালত বিভাগীয় কাযক্ৰমণিকাসমূহৰ বাহিৰেও বিভিন্ন সময়ত ছাত্ৰ একতা সভাৰ বিভিন্ন পদক্ষেপত নিজকে জড়িত কৰি ৰাখিছিলোঁ। সময়ৰ নাটনি তথা কৰ্মব্যস্ততাৰ বাবে কৰিবলগীয়া বহুতো কাম হয়তো আধৰুৱা হৈ ৰ'ল, কিন্তু দায়িত্বৰ প্ৰতি নিজৰ কৰ্মস্পৃহা সদায়ে অক্ষুন্ন ৰাখিছিলোঁ।

বিভিন্ন সময়ত অজানিতে বৈ যোৱা ভুল-ক্ৰটী ৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। পুনৰবাৰ সকলোকে ধন্যবাদ জনাই আৰু মহাবিদ্যালয়খনৰ উন্নতিৰ কামনাৰে আজিলৈ মই ইমানতেই মেলানি মাগিছোঁ।

।।জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।।

।।জয়তু ছাত্ৰ একতা সভা।।

পিন্টু শ্বাহ

সম্পাদক, ছাত্ৰ জিৰণী কোঠা

## াতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰে উত্তীৰ্ণৰ একাংশ



বিদ্যুৎ শৰ্মা
ভূগোল বিজ্ঞান বিভাগ
প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান প্ৰাপ্ত



মনীষা কৰ্মকাৰ
ভূগোল বিজ্ঞান বিভাগ
প্ৰথম শ্ৰেণীৰ দশম স্থান প্ৰাপ্ত



অভিনাশ ভূএগ
ভূগোল বিজ্ঞান বিভাগ



বাবুল বৰা
ভূগোল বিজ্ঞান বিভাগ



বিউটি গাগৰাই
ভূগোল বিজ্ঞান বিভাগ



আদিউল ইয়াছিন
ভূগোল বিজ্ঞান বিভাগ



জুৰিণা ব'ৰ
ভূগোল বিজ্ঞান বিভাগ



জিণ্টি বৰা
ভূগোল বিজ্ঞান বিভাগ



জয়লক্ষ্মী শৰ্মা
হিচাপ-বিদ্যা বিভাগ



কোমল টাপাৰিয়া
হিচাপ-বিদ্যা বিভাগ



চিত্ৰা বৰা
হিচাপ-বিদ্যা বিভাগ



ৰোহিত লাধাৰ
হিচাপ-বিদ্যা বিভাগ



পূজা প'ল
হিচাপ-বিদ্যা বিভাগ



প্ৰিয়ংকা মজুমদাৰ
হিচাপ-বিদ্যা বিভাগ



মঞ্জিনা বেগম
হিচাপ-বিদ্যা বিভাগ



শিৱানী পাণ্ডে
হিচাপ-বিদ্যা বিভাগ



অংকিতা বৰপাত্ৰ গোহাঁই
হিচাপ-বিদ্যা বিভাগ

**অনুপস্থিত ঃ** অঞ্জুম আখতাৰী আহমেদ(ইংৰাজী বিভাগ), ৰাশি শইকীয়া(অসমীয়া বিভাগ), চবিয়া খাতুন(শিক্ষা বিভাগ), শিখা বৰা(শিক্ষা বিভাগ), প্ৰিয়া বানিক(হিচাপ-বিদ্যা বিভাগ), ৰুণা শৰ্মা(হিচাপ-বিদ্যা বিভাগ)



জ্যোতিষ্মান